C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

■ প্ৰাচীন ইজৰাইলৰ মানুহে ভক্ষণ কৰিছিল সাপ-জেঠী

■ দেখা-দেখিৰ সমাজ আৰু হেৰাই যোৱা মৌলিকতা

**দিগ্‌দৰ্শন**

যদি আপুনি নিজৰ উন্নতি বিচাৰে, তেন্তে আনে কি কৈছে, তাৰ প্ৰতি গুৰুত্ব নিদিব।



এপিক্টেটাছ
*প্ৰাচীন গ্ৰীক দাৰ্শনিক*

৭ ইমৰান জীৱিত ঃ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পাছত ইমৰানক সাক্ষাৎ পত্নী-ভগ্নীৰ

৪ ভেনিজুৱেলা আৰু কলম্বিয়াৰ ভূমিকম্প

১৩ ছুশ সংখ্যক টেষ্টত জয়লাভ ভাৰতৰ

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১২ তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২০ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 20 August 2026 মূল্য ঃ ৯.০০ টকা

এনটিএক ইউপিএছচিৰ দৰে অধিক দক্ষ-আধুনিক ব্যৱস্থাৰে গঢ়ি তোলাৰ পোষকতা উচ্চতম ন্যায়ালয়ৰ ■ নীট-ইউজি প্ৰশ্নকাকত ফাদিল গোচৰৰ তিনি সপ্তাহৰ পাছত পুনৰ শুনানি



## ইউপিএছচিক চাওক, কোনো সমস্যা নোহোৱাকৈ এই পৰীক্ষা পৰিচালিত হৈছে

■ সম্পূৰ্ণ পানী নসৰকা কৰাৰ ব্যৱস্থা গ্ৰহণৰ দাবী চৰকাৰৰ ■ নতুনকৈ শপতনামা দাখিল কৰিব লাগিব কেন্দ্ৰই

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ আগষ্ট ঃ** উপযুক্ত ধৰণে এনটিএ গঠন নকৰাকৈয়ে নীট, নেট আদিৰ দৰে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সংস্থাটোক দায়িত্ব প্ৰদান কৰিলে নৰেন্দ্ৰ মোদী চৰকাৰে। স্বয়ং উচ্চতম ন্যায়ালয়ৰ মজিয়াত আজি এনে তথ্য ফাদিল হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি তুমুল বিতৰ্কৰ আৱৰ্তত থকা সংস্থাটোক প্ৰতিষ্ঠা কালৰে পৰা সুকলমে দেশৰ সামৰিক আৰু অসামৰিক শীৰ্ষ বিষয়াবৰ্গ বাছনি কৰি অহা কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউপিএছচি)ৰ লেখীয়া হোৱাটো বিচাৰিছে উচ্চতম ন্যায়ালয়ে। নিষ্কলংক ভাবমূৰ্তিৰ অধিকাৰী ইউপিএছচিৰ দৰে এনটিএক গঢ়ি তোলাৰ পোষকতা কৰি আজি কেন্দ্ৰীয় চৰকাৰলৈ ন্যায়ালয়ে *১০ পৃষ্ঠাত চাওক*

■ অধিক মূল্যবৃদ্ধিৰ গভীৰ আশংকা ■ হৰমুজ প্ৰকল্প মুকলিৰ আশা ধূসৰ হোৱাৰ পৰিণতি ■ ৰিজাৰ্ভ বেংকে ব্যৱস্থা ল'লেও ভাৰতীয় অৰ্থনীতি প্ৰত্যাশা কৰা ধৰণে উপকৃত নহয়



## পুনৰ মাৰ্কিন ডলাৰৰ বিপৰীতে ৯৫.৭৫ হ'ল ভাৰতীয় টকাৰ মূল্য

■ **নিউজ ব্যুৰ'**
**মুম্বাই, ১৯ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে দৰিদ্ৰ জনতাক জুৰুলা কৰাৰ সময়তে পুনৰ ডলাৰৰ বিপৰীতে টকাৰ মূল্যৰ মাত্ৰাধিক অৱনমন ঘটিছে। আনকি আজি এক ডলাৰৰ মূল্য ৯৫.৭৫ টকা হয়। ইয়াৰ পূৰ্বে ইৰান যুদ্ধৰ সময়ত টকাৰ মূল্যৰ এনেদৰে পতন ঘটিছিল। টকাৰ মূল্যৰ অৱনমনৰ ফলতো দেশত বিভিন্ন সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটে। গতিকে সম্প্ৰতি যিহেতু টকাৰ মূল্যৰ উদ্বেগজনক পতন ঘটিছে গতিকে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অধিক বৃদ্ধিৰো আশংকাই দেখা দিছে। আনহাতে, অৰ্থনীতিবিদসকলে সম্প্ৰতি টকাৰ মূল্যৰ এনে পতনৰ কেতবোৰ কাৰক চিনাক্ত কৰিছে। ইয়াৰে মূল কাৰকৰূপে চিহ্নিত হৈছে হৰমুজ প্ৰণালী বন্ধ হৈ থকাটো। তদুপৰি এই জলপথ অচিৰে পুনৰ মুকলিৰ সম্ভাৱনাও ধূসৰ হৈছে। কাৰণ প্ৰণালীটো পুনৰ মুকলিৰ বাবে ইৰান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা ক্ষীণ হৈছে। *১০ পৃষ্ঠাত চাওক*




## কাজিৰঙাৰ বিতৰ্ক মৰিষণৰ কৌশল বিজেপিৰ

### দলৰ সাংগঠনিক বৈঠকত উপ-নিৰ্বাচনক লৈও বিতং আলোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** কাজিৰঙাৰ প্ৰস্তাৱিত পৰিৱেশ সংবেদনশীল অঞ্চলক লৈ চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰা বহুতৰে দুমুখীয়া চৰিত্ৰ স্পষ্ট হোৱা বুলি আজি বাজপেয়ী ভৱনত সাংবাদিকৰ আগত মন্তব্য কৰে অসম ৰাজ্যিক বিজেপিৰ *১০ পৃষ্ঠাত চাওক*

■ অবাধ বনাঞ্চল ধ্বংস-পৰিকল্পনাবিহীন দ্ৰুত নগৰীকৰণ-জলাভূমি-বনাঞ্চল ধ্বংসকে দায়ী কৰিলে ২০ আন্তৰ্জাতিক বিজ্ঞানীয়ে ■ লাখ লাখ লোকৰ জীৱন-জীৱিকালৈ ভাবুকি

# পূব অসমৰ বিধ্বংসী বানৰ কাৰণ মানৱসৃষ্ট



■ পৰম্পৰাগত মথাউৰি নিৰ্মাণ কৰি এনে বান দুৰ্যোগ প্ৰতিহত কৰিব নোৱাৰি ■ ক্ষয়ক্ষতি বৃদ্ধিৰহে আশংকা ■ বিশ্ব বতৰৰ কাৰণ নিৰ্ণয় সংস্থাৰ অসমৰ বানক লৈ বিতং গৱেষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** অবাধে বনাঞ্চল ধ্বংস আৰু পৰিকল্পনাবিহীন দ্ৰুত নগৰীকৰণেই হৈছে পূব অসমৰ তিনি জিলাৰ শেহতীয়া বিধ্বংসী বানৰ কাৰণ। ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, ছুইডেন, নেদাৰলেণ্ড, ব্ৰিটেইন আদিৰ ২০ জন আন্তৰ্জাতিক বিজ্ঞানীয়ে এই কথা প্ৰকাশ কৰিছে। বিশ্ব বতৰৰ কাৰণ নিৰ্ণয় (ডব্লিউডব্লিউএ) শীৰ্ষক সংস্থাৰ অধীনত এই কৃতবিদ্য বিজ্ঞানীসকলে পূব অসমৰ এই বিধ্বংসী বানৰ কাৰণ নিৰ্ণয়ৰ বাবে শেহতীয়াভাৱে এক অধ্যয়ন সম্পন্ন কৰে। বিজ্ঞানীসকলে প্ৰকাশ কৰা অনুসৰি, এই অধ্যয়নত দেখা গ'ল যে শিৱসাগৰ,



যোৰহাট আৰু চৰাইদেউ জিলাৰ শেহতীয়া জলপ্ৰলয়ৰ কাৰণ বহু চৰ্চিত জলবায়ু পৰিৱৰ্তন নহয়। তাৰ পৰিৱৰ্তে ইয়াৰ কাৰণ হৈছে অবাধে বনাঞ্চল ধ্বংস আৰু অপৰিকল্পিতভাৱে দ্ৰুততৰে কৰা নগৰীকৰণ। উল্লেখ্য যে এই অধ্যয়ন সম্পন্ন কৰা ২০ জনীয়া বিজ্ঞানীৰ দলটোত আইআইটি মুম্বাই আৰু ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ দৰে প্ৰতিষ্ঠানৰ গৱেষকো আছে। অধ্যয়নটোৰ সম্পৰ্কত লণ্ডনৰ ইম্পেৰিয়েল কলেজৰ পৰিৱেশ নীতি কেন্দ্ৰৰ গৱেষিকা মৰিয়ম জাকাৰিয়াই কয়, 'পূব অসমত জলবায়ু পৰিৱৰ্তনৰ ফলত চৌপাশৰ পাহাৰত প্ৰবল বৰষুণ হৈ এই *১০ পৃষ্ঠাত চাওক*

■ খহি পৰিল চিৰিয়াখানাৰ সুৰক্ষা বেৰ ■ বানাক্ৰান্তক সন্ধিয়ালৈকে উদ্ধাৰ কাৰ্য অব্যাহত ঃ পানী বহন ক্ষমতা হেৰাইছে অধিকাংশ নলাৰ

## জিএমচিয়ে নলা-নৰ্দমা পৰিষ্কাৰ নকৰাত জীয়াতু ভুগিছে মহানগৰে

বহু নলাৰে পানী ওলাই যোৱাৰ পৰিৱৰ্তে ওজাই অহাৰ ঘটনা ঘটিছে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্টঃ** কৃত্ৰিম বানৰ ভয়াৱহ ৰূপৰ আজি পুনৰবাৰ সাক্ষী হ'ল সমগ্ৰ গুৱাহাটী। যোৱা নিশাৰ পৰা আজি পুৱালৈ বৈ বৈ অহা কে'বাজাকো বৰষুণত মহানগৰখনৰ চৌদিশে নাজল-নাথল পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ ফলত আজি পুৱাৰ ভাগত গুৱাহাটীৰ স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হয়। উদ্বেগৰ বিষয়টো হ'ল যে কৃত্ৰিম বান সৃষ্টিৰ *১০ পৃষ্ঠাত চাওক*

ৰাজ্যিক বাজেটত ধাৰ্য কৰা ন্যূনতম পুঁজিও আৱণ্টন দিয়া নহয় ■ পুঁজি আৱণ্টন বন্ধ ৰখাৰ বিপৰীতে প্ৰকৃতি ধ্বংসও অব্যাহত ■ ইখনৰ পাছত সিখন জলবায়ু পৰিৱৰ্তন ৰোধৰ নীতি



## বিভাগৰ নাম সলনিয়ে সাৰ, অসমত চৰকাৰী ফাইলতহে বতৰ পৰিৱৰ্তন ৰোধৰ উদ্বেগ

■ জটিল পৰিস্থিতি ব্যাখ্যা কৰি বিত্ত বিভাগক পুঁজি বিচাৰি প্ৰতিবেদন দাখিল কৰিও ফল নধৰিল


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্টঃ** জলবায়ু পৰিৱৰ্তনৰ গুৰুতৰ প্ৰভাৱ পৰিছে অসমতো। এই পৰিৱৰ্তনৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰৰ অনুকৰণত অসম চৰকাৰেও জলবায়ুৰ পৰিৱৰ্তনৰ বিষয়টো চৰকাৰী বিভাগৰ অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে। সেই অনুসৰি পূৰ্বৰ বন আৰু পৰিৱেশ বিভাগৰ নাম সলনি কৰি নতুনকৈ নামকৰণ কৰা হৈছে পৰিৱেশ, বন, আৰু জয়বায়ু পৰিৱৰ্তন বিভাগ। ইয়াৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন তথা বতৰ পৰিৱৰ্তনৰ বিষয়টো *১০ পৃষ্ঠাত চাওক*

### নিৰ্দিষ্ট সময়ৰ ভিতৰত অৰুণাচল প্ৰদেশৰে সীমা সমস্যা সমাধানৰ দাবী

## ধেমাজিত অৱস্থান ধৰ্মঘট, ঘাইপথ অৱৰোধৰ হুংকাৰ



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ১৯ আগষ্ট ঃ** যোৱা ১০ আগষ্টৰ মিংমাং বদতি কাণ্ডক লৈ আজিও উত্তাল হৈ আছে ধেমাজি। অসম-অৰুণাচল প্ৰদেশৰ দীৰ্ঘদিনীয়া *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৭° |
| ডিব্ৰুগড় | ৩৩° | ২৭° |
| দিল্লী | ৩৪° | ২৮° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ২৯° | ২৮° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৮° | ২২° |
| শ্বিলং | ২৬° | ২১° |

*১৯ আগষ্ট, ২০২৬*

**চেঙা তেল**



*কি ক'ম আৰু! সিহঁতহালে বোলে ৰাজ্যৰ ৰাজকোষলৈ বৰঙণি দিবলৈহে বটল লৈ বহিছে!*

## ৰঙিয়াত একেদিনাই দুটাকৈ হত্যাকাণ্ডক লৈ চাঞ্চল্য

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৯ আগষ্টঃ** উপৰ্যুপৰি দুটাকৈ হত্যাকাণ্ডই আজি ৰঙিয়াত চাঞ্চল্যৰ সৃষ্টি কৰে। ইয়াৰে এটা হত্যাকাণ্ড সংঘটিত হয় ৰঙিয়া জংচনৰ সমীপৰ গুৰকুছিত। দ্বিতীয়টো হত্যাকাণ্ড সংঘটিত হয় জয়ন্তীপুৰৰ সমীপৰ বৰহমপুৰ হাটবজালীৰ *১০ পৃষ্ঠাত চাওক*

## যোৰহাটত যুৱতীৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত আৰিয়ানক গ্ৰেপ্তাৰ

তিনি অভিযুক্তক আদালতত হাজিৰ-আৰিয়ান আৰু অৰ্পিতা তিনিদিন, মনালিছা দুদিন আৰক্ষীৰ জিম্মাত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৯ আগষ্ট ঃ** ৰাজ্য কঁপাই যোৱা যোৰহাটৰ ৰহস্যজনক অন্বেষা শইকীয়াৰ মৃত্যুৰ ঘটনাৰ স'তে জড়িত দুই বান্ধৱী অৰ্পিতা কাকতি আৰু মনালিছা শইকীয়াক আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰাৰ পাছত আজি পুৱতি নিশা মূল অভিযুক্তৰূপে চিহ্নিত আৰিয়ান গোস্বামীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যোৰহাট আৰক্ষী। নামবৰ অভয়াৰণ্যৰ সমীপৰ এটা *১০ পৃষ্ঠাত চাওক*

## কাৰ্বি পাহাৰৰ শিলৰ লোভতে চৰকাৰৰ এই সিদ্ধান্ত ঃ কংগ্ৰেছ

### কাজিৰঙাৰ সংবেদনশীল মণ্ডল হ্ৰাস সন্দৰ্ভত প্ৰতিক্ৰিয়া চিপিএমএলৰো

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী/তেজপুৰ, ১৯ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰস্তাৱিত পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ হ্ৰাসৰ ৰাজ্য চৰকাৰৰ প্ৰস্তাৱক লৈ *১০ পৃষ্ঠাত চাওক*

■ হত্যাৰ অভিযোগ পিতৃৰ পৰিয়ালৰ ঃ স্বামী হীৰকজ্যোতিক গ্ৰেপ্তাৰ

## মহানগৰীত নৱবিবাহিতা মহিলাৰ ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্টঃ** গুৱাহাটীত এগৰাকী নৱবিবাহিতাৰ ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰৰ ঘটনাই গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে। দিছপুৰ আৰক্ষী থানাৰ অধীনৰ হেঙেৰাবাৰীৰ সংযোগী উপ-পথৰ ন নম্বৰ গৃহৰ ভাড়াঘৰত চীপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা



নৱবিবাহিতা গৰাকীৰ নাম ৰিম্পী কলিতা। এয়া হত্যাকাণ্ড বুলি ৰিম্পীৰ পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। এই অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ৰিম্পীৰ স্বামী হীৰকজ্যোতি কলিতাক গ্ৰেপ্তাৰ কৰিছে। ইপিনে, আৰক্ষীয়ে ভাড়াঘৰটোৰ পৰা আত্মহত্যাৰ এটা টোকা উদ্ধাৰ কৰে। টোকাটোত পৰিয়ালক কেন্দ্ৰ *১০ পৃষ্ঠাত চাওক*

■ বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাক ধ্বংস কৰা নচলিব ■ কয়লা মাফিয়াৰ বিৰুদ্ধে ধ্বনি

## মানৱ সৃষ্ট বানপানীৰ আঁৰৰ 'গণশত্ৰু'ক শাস্তিৰ দাবীত সাপেখাতীত ৰাইজৰ ধৰ্ণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্টঃ** বানবিধ্বস্ত চৰাইদেউ জিলাৰ সাপেখাটিত আজি অসম মজুৰী শ্ৰমিক ইউনিয়ন,




খননৰ বাবে নগামাটি পাণীচকীৰ ৰাইজক উচ্ছেদৰ বাবে চৰকাৰে জাননী কৰাৰ প্ৰতিবাদত সাপেখাতীত চক্ৰ বিষয়াৰ কাৰ্যালয়ত ধৰ্ণা দিয়ে । ৰাইজে হাতে হাতে প'ষ্টাৰ ঝাৰখণ্ডী আদিবাসী সংগ্ৰাম পৰিষদ আৰু প্ৰকৃতি সুৰক্ষা সমাজৰ উদ্যোগত কয়লা মাফিয়াৰ বিৰুদ্ধে ৰাইজে গৰজি উঠিল। ৰাইজে দিল্লী সংৰক্ষিত বনাঞ্চলত কয়লা লৈ 'কাজিৰঙাৰ ইক' চেঞ্চিটিভ জোন হ্ৰাস কৰা নচলিব', বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাক ধ্বংস কৰা নচলিব', 'প্ৰকৃতি ধ্বংস কৰা নচলিব,পাহাৰ খানি কয়লা উলিওৱা বন্ধ *১০ পৃষ্ঠাত চাওক*

## ন্যায়ালয়ে নাকচ কৰিলে অভিযুক্ত সিদ্ধাৰ্থৰ আবেদন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্টঃ** আজি ১১ মাহ সম্পূৰ্ণ হ'ল শিল্পী জুবিন গাৰ্গ চিৰদিনলৈ হেৰাই যোৱাৰ। আজিৰ দিনটোতে জুবিনৰ হত্যাৰ অভিযোগত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ এখন কৌশলী আবেদন নাকচ কৰে উচ্চতম ন্যায়ালয়ে। এই *দুই পৃষ্ঠাত চাওক*

'ডিমাগী বনো, অন্ধ ভক্ত নেহী'

## এইবাৰ ককৰোচৰ স্কুল ঠিক কৰক অভিযানলৈ সমৰ্থন অভিনেতা ৰাজৰ



■ **নিউজ ব্যুৰ'**
**মুম্বাই, ১৯ আগষ্ট ঃ** পুনৰ ককৰোচ জনতা পাৰ্টি (চিজেপি)ৰ সমৰ্থনত থিয় দিলে জনপ্ৰিয় অভিনেতা প্ৰকাশ ৰাজে। বিগত স্বাধীনতা দিৱসৰ ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰা 'ডিমাগী *১০ পৃষ্ঠাত চাওক*

C M Y K

**NAME CORRECTION**

I, TRIDIP BASUMATARY, S/O AJIT BASUMATARI, R/O - SIMALUGURI, LAKHIMPUR , declare before NOTARY that my correct name is TRIDIP BASUMATARY, but wrongly recorded in Aadhaar as DIBYA BASUMATARY.

**NAME CORRECTION**

I, MUKTUMONI ROVI GOGOI W/O BIPLOB GOGOI, R/O - Sukanpukhuri, Sibsagor declare vide affidavit dated. 17.08.2026 that my son's correct name is KIRTEI RAAJ GOGOI, but some of his documents it recorded as KIRTIRAJ GOGOI.

**NAME CORRECTION**

I, HEKMOT ALI, S/O-ACHAR ALI R/O Bokakhat, Golaghat declare before Notary dated 17.08.2026 that my correct name is HEKMOT ALI, but wrongly recorded in my AADHAAR as HIKAMAT ALI.

**NAME CORRECTION**

I, HITESWAR RAY, S/O.-PRANESHWAR RAY, Vill-Latagaon, P.O.-Kalipukhuri,. P.S. & Dist-Kokrajhar, BTC Assam, do hereby declare by an affidavit before the notary at Kokrajhar on 19/08/26 that my actual name is HITESWAR RAY as per my Aadhaar Card vide Aadhaar card No.7668 2036 8086. That, my name has been wrongly recorded as " CHOTO NATH RAY " instead of HITESWAR RAY in my Land Documents vide Patta No. 154 and Dag No. 553 situated at Vill-Latagaon under the Kokrajhar Revenue circle in the District Kokrajhar, BTC(Assam).That, HITESWAR RAY and CHOTO NATH RAY is the same and one identical person i.e. myself.

**NAME CHANGE**

Before Notary at Goalpara I change my son's name from Anchumon Rabha to Priyansh Raj Rabha. My son's name is recorded as Anchumon Rabha in his Aadhaar Card Vide No. 7897 5297 3060 and his DOB is-23/10/2016. From this day my son will hereafter use and sign his name as Priyansh Raj Rabha in all relevant documents and other purposes.
Bhanumati Devi Rabha.
Agia Part- II. Goalpara.

**Affidavit**

নদুৱাৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ ভূমিৰ নথিপত্ৰত মোৰ নাম Rajib Barua ৰ পৰিবৰ্তে Tutu Barua হৈ আছে। Rajib Barua আৰু Tutu Barua একেগৰাকী ব্যক্তি বুলি তেজপুৰ ন'টাৰীৰ জৰিয়তে affidavit কৰিলো।
Rajib Barua.
Dekasundar.
Jamugurihat.

**শুধৰণি**

মোৰ প্ৰকৃত নাম Premada Bala Nath, নামটো আধাৰ কাৰ্ড নং ৩০৩৭ ৬৫৩৮ ৬৪২৩ত ভুলবশতঃ Premada Nath হ'ল। সেয়ে দৰঙৰ আদালতত ন'টাৰী যোগে নামটো পুনৰ Premada Bala Nath কৰিলো।
গাঁও - দক্ষিণ চুবুৰী
ডাক - ছিপাঝাৰ
থানা- ছিপাঝাৰ, দৰং

**NAME CORRECTION**

I, JOMILA BEGUM W/O HIKAMAT ALI R/O Bokakhat, Golaghat declare before Notary, Kamrup (M) 17.08.2026 that my correct name is JOMILA BEGUM, but wrongly recorded in AADHAAR as JANILA BEGAM.

**LOST**

I have lost my HSLC Mark sheet, Roll No. B05 3458 and H.S. Mark sheet, Roll No. 0550, No. 10287.
**DIPTI BADING**
**D/O:-STIPHAN BADING**

**LOST**

I have lost original Admit card bearing Roll B 25-0050 No .0212, Registration certificate bearing Reg.No.01/RV/0951/344313/23 and certificate issued by SEBA.
**Nazibul Ali**
**S/0 Mamarech Ali**
**Vill Kawaimari 12 No Block**
**Po Golibandha , Dist Barpeta.**

**CHANGE**

I, Omme Kulachan do hereby declare vide affidavit no Reg. no 14492 UDL 06 notary Udalguri on 19/08/2026, that my name has been changed from Umekulson Nessa to Omme Kulachan which is inserted my AADHAR card no 4451-5343-2686,Pan no GGVPK4774G.

**NAME CORRECTION**

I hereby declare by an affidavit before executive magistrate Golakganj (Dhubri) on 11-8-2026, that ,my correct and actual name is HAIDAR ALI. Which is recorded in my relevant documents including all papers & elector photo I Card and pan card etc. But my Adhar card no. 6570 5416 4542, my name has been wrongly recorded as HAJAADAR ALI in place of HAIDAR ALI.
HAIDAR ALI
SO: Lt Najir uddin
Vill: Chira khowa PT 6
Dist: Dhubri.

**নাম সলনি**

মই শ্ৰীসুনীতা টেলেঙ্গাই (স্বামী- ফয়জুদ্দিন আলী), ৭ আগষ্ট ২৬ তাৰিখে নলবাৰীৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ জৰিয়তে এভিডেফিট কৰি মোৰ নাম ৰমেলা বেগম কৰিলো। এতিয়াৰ পৰা মই ৰমেলা বেগম নামে পৰিচিত হ'ম।
ৰমেলা বেগম
গাঁও-বালাৰটাৰী
জিলা- বৰপেটা

**AFFIDAVIT**

I, DIPA DEVI TAMANG,W/O-Nara Bahadur Lama, Village- 1 No. Chitalmari, P.S- Dhekiajuli, District-Sonitpur (Assam) hereby declare by an affidavit at Tezpur Court on 31/07/2026 that my actual and correct name is DIPA DEVI TAMANG. But in my savings Bank Passbook Assam Gramin Vikash Bank, Singri Branch, vide A/c no. 7052026008286 my name has been recorded as DIPA DEVI instead of DIPA DEVI TAMANG. That DIPA DEVI TAMANG and DIPA DEVI is the names of same person having single identity.

**NAME CORRECTION**

I, Smti RANU DAS, wife of Late Harish Ch. Das, Sahid Path, Jatia, Guwahati-781019 ,district - Kamrup (M), Assam, do hereby declare before the Judicial Magistrate First class, Kamrup (M):::at Guwahati, on 13-08-2026 that in the land Jamabandi copy covered by Dag No.34 and Patta No.2 situated at Revenue Village- Bhogar Gaon Grant, Lot No.6, Mauza- Beltola, Revenue Circle- Dispur, Dist- Kamrup (M), Assam , my name was recorded as RAMU DAS instead of my correct name RANU DAS.

# বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান শ্বিলঙৰ মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ মাজত বুজাবুজিৰ চুক্তি

অগ্ৰদূত বাৰ্তা

**কাকজান, ১৯ আগষ্ট ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান আৰু শ্বিলঙৰ উমীয়ামত থকা উত্তৰ পূৰ্বাঞ্চলৰ মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ মাজত ১৭ আগষ্টত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। প্ৰাকৃতিক সম্পদৰ বহনক্ষম ব্যৱস্থাপনা, গৱেষণা, প্ৰযুক্তি বিকাশ তথা ভূ-স্থানিক প্ৰযুক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰত দুয়োটা প্ৰতিষ্ঠানৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাই এই চুক্তিৰ মূল উদ্দেশ্য। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ সঞ্চালক ড° নিতিন কুলকাৰ্ণী আৰু মহাকাশ কেন্দ্ৰৰ সঞ্চালক ড° এছ. পি. আগৰৱাল-এ বুজাবুজিৰ চুক্তিখনত স্বাক্ষৰ কৰে।

**শুধৰণি**

মোৰ আধাৰ কাৰ্ডৰ মতে SBI, ACB Howly Branchৰ A/C 36103984990ত মোৰ নাম আৰু উপাধি ভুল হৈ আছে। আজি Barpeta Notary যোগে শুদ্ধকৈ কৰা হয়।
Alaka Das Mandal
W/O. Nitya Ch. Mandal
Garemari Pathar
Barpeta

**শ্ৰদ্ধাঞ্জলি/নিমন্ত্ৰণ**



স্বৰ্গীয় বিপুল বৰা
মৃত্যু তিথি ঃ ১৬/৮/২০২৬

প্ৰণাম গ্ৰহণ কৰিব। অহা ইংৰাজী ২৮/৮/২০২৬ তাৰিখ শুকুৰবাৰে মোৰ পিতৃ/স্বামী/শহুৰ দেউতাৰ আত্মাৰ চিৰশান্তি ও সদ্‌গতি কামনাৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হৈছে। সেয়ে উক্ত দিনা আপুনি/আপোনালোক আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক কৃতাৰ্থ কৰিব বুলি নিমন্ত্ৰণ জনালো।
ইতি
শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ
শ্ৰী ৰুমা বৰা (পত্নী)
ঢেকীদল, ঘোৰামাৰী,
শোণিতপুৰ, (অসম)

# উজনি অসমৰ জলপ্ৰলয়ক জাতীয় দুৰ্যোগ ঘোষণা-বানপানীৰ স্থায়ী সমাধান-বানপীড়িতলৈ সাহায্যৰ দাবী

## ২১ আগষ্টত ৰাজ্যজুৰি চিপিআইএমৰ দাবী দিৱস

**গুৱাহাটী, ১৯ আগষ্ট ঃ** উজনি অসমৰ জলপ্ৰলয়ক জাতীয় দুৰ্যোগ ঘোষণা, বানপানীৰ সমস্যাৰ স্থায়ী সমাধান আৰু বানপীড়িতলৈ সাহায্য বৃদ্ধিৰ দাবীত অহা ২১ আগষ্টত ৰাজ্যজুৰি দাবী দিৱস কাৰ্যসূচী ৰূপায়ণ কৰিব চিপিআইএমৰ ৰাজ্যিক কমিটীয়ে। এক বিবৃতিত দলৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে সদৰী কৰা মতে, যোৱা ১৯ জুলাইৰ পৰা শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু পৰৱৰ্তী সময়ত গোলাঘাটকে ধৰি কে'বাখনো জিলাত বানপানীয়ে যি অকল্পনীয় ৰূপ ধাৰণ কৰিলে তাৰ বিষময় পৰিণতি এতিয়াও জনসাধাৰণে ভুগি থাকিবলগীয়া হৈছে। এই জলপ্ৰলয়ৰ সঠিক আৰু সুনিৰ্দিষ্ট কাৰণ এতিয়াও চৰকাৰে ৰাজহুৱা কৰা নাই। কিন্তু ভৱিষ্যতে এনে ধৰণৰ বিপৰ্যয় ৰোধ কৰিবলৈ সঠিক অনুসন্ধানৰ অতিকৈ প্ৰয়োজন। অঞ্চলটোৰ বাসিন্দাসকলৰ অভিমত হ'ল— প্ৰাকৃতিক কাৰকবোৰৰ লগতে নগালেণ্ড আৰু অসমত হোৱা অবৈধ খনন আৰু পৰিৱেশ ধ্বংসই এই জলপ্ৰলয় সৃষ্টিত যথেষ্ট অৰিহণা যোগাইছে। অসমৰ দাঁতিকাষৰীয়া ৰাজ্য আৰু ভূটানত নিৰ্মিত বৃহৎ নদী বান্ধবোৰেও অসমৰ বিভিন্ন অঞ্চলত বানপানীৰ প্ৰকোপ বৃদ্ধিত অৰিহণা যোগাইছে। ক্ষতিৰ পৰিমাণ আৰু গভীৰতালৈ লক্ষ্য কৰিলে এনেবোৰ ক্ষেত্ৰত চৰকাৰী নীতিৰ পৰিৱৰ্তন যে দৰকাৰ সেয়া স্পষ্ট। সেয়ে চিপিআইএমৰ দৃঢ় অভিমত হ'ল যে ক্ষয়-ক্ষতিৰ পৰিমাণ আৰু চৰিত্ৰ বিবেচনা কৰি এই জলপ্ৰলয়ক জাতীয় দুৰ্যোগৰূপে ঘোষণা কৰিব লাগিব। অসমৰ বানপানীৰ সমস্যাৰ স'তে যিহেতু দাঁতিকাষৰীয়া দেশ আৰু ৰাজ্যৰ পৰিৱেশ আৰু কৰ্মকাণ্ড সাঙোৰ খাই আছে, সেয়ে ইয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে বিবেচনা কৰি স্থায়ী সমাধানৰ ব্যৱস্থা কৰিব লাগিব। সেয়েহে এই প্ৰেক্ষাপটত কে'বাটাও দাবীৰ সমৰ্থনত ২১ আগষ্টত ৰাজ্যৰ বিভিন্ন পৰ্যায়ত দলে দাবী দিৱস পালন কৰিব। গুৱাহাটীত কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত দিনৰ ১১ বজাত পাণবজাৰ মেঘদূত ভৱনৰ সন্মুখত এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

## ২৫ আগষ্টৰ পৰা ৭২ ঘণ্টীয়া অ'এনজিচি বন্ধৰ ঘোষণা

# ২৪ আগষ্টত বানত ক্ষতিগ্ৰস্ত লোকে পালন কৰিব প্ৰতিবাদী কাৰ্যসূচী ঃ আটাছু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৯ আগষ্ট ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড (অ'এনজিচিএল)ৰ বিৰুদ্ধে অহা ২৫ আগষ্টৰ পৰা আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে সদৌ অসম তাই আহোম ছাত্ৰ সন্থা (আটাছু)-এ। আজি আটাছুৱে শিৱসাগৰত এক সংবাদমেল সম্বোধন কৰি অ'এনজিচিৰ বিৰুদ্ধে সৰৱ হৈ পৰে। সন্থাৰ সভাপতি বসন্ত গগৈয়ে অসমৰ হেজাৰ হেজাৰ যুৱক-যুৱতীয়ে এতিয়া কৰ্মসংস্থাপনৰ অভাৱত বহিঃৰাজ্যলৈ গৈ তাৰ কোনো কোম্পানীত চকীদাৰ কৰিব লগাত পৰিছে। কিন্তু অ'এনজিচিত হেজাৰ হেজাৰ পদ খালী থকাৰ পাছতো অ'এনজিচি কৰ্তৃপক্ষই গৈছে, এয়া অসমৰ বাহিৰত আৰু অসমৰ বাহিৰৰ যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছে। অ'এনজিচি অসম সম্পদে অসমক লৈ কৰি অহা প্ৰৱঞ্চনাৰ বাবে ইতিমধ্যে আটাছুৱে সাব্যস্ত কৰিছিল। কিন্তু বানৰ বাবে এই প্ৰতিবাদ স্থগিত ৰখা বুলি সদৰী কৰি অহা ২৫ আগষ্টৰ পৰা পুনৰ ৭২ ঘণ্টীয়া অ'এনজিচি বন্ধৰ কাৰ্যসূচী হাতত লোৱা বুলি সদৰী কৰে। ইপিনে, শিৱসাগৰৰ বান পৰিস্থিতি সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰি তেওঁ কয় যে বানত আক্ৰান্ত হোৱাসকলক তৎকালীনভাৱে চৰকাৰে প্ৰদান কৰা ১৫ হেজাৰ টকা এতিয়াও গৰিষ্ঠ লোকে লাভ কৰা নাই। সেয়েহে এই বিষয়ে চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে অহা ২৪ আগষ্টত শিৱসাগৰত আটাছুৱে এক প্ৰতিবাদী কাৰ্যসূচী হাতত হ'ব।

# দৰঙৰ টেকেলীয়াকুৰ গ্ৰেণ্টৰ বিশ্বেশ্বৰ মহাদেৱ মন্দিৰত কীৰ্তনঘৰ নিৰ্মাণৰ লাইখুঁটা স্থাপন

**দুমুনিচকী, ১৯ আগষ্ট ঃ** ধৰ্মীয় বিশ্বাস, সামাজিক সম্প্ৰীতি আৰু সাংস্কৃতিক ঐতিহ্যৰ এক সুন্দৰ সমন্বয়ৰ লক্ষ্যৰে দৰং জিলাৰ বাজানা পথাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত টেকেলীয়াকুৰ গ্ৰেণ্টস্থিত বিশ্বেশ্বৰ মহাদেৱ মন্দিৰত আজি পৱিত্ৰ কীৰ্তনঘৰ নিৰ্মাণৰ লাইখুঁটা স্থাপন কৰা হয়। গুৱাহাটীৰ পল্টনবজাৰস্থিত নেপালী মন্দিৰৰ চৌতাৰী সামাজিক সংস্থাৰ বিশেষ উদ্যোগ আৰু সহযোগিতাত নিৰ্মাণ কৰিবলৈ লোৱা কীৰ্তনঘৰটোৰ লাইখুঁটা স্থাপন উপলক্ষে মন্দিৰ প্ৰাংগণত এক ধৰ্মীয় পৰিৱেশৰ সৃষ্টি হয়। লাইখুঁটা স্থাপনৰ পূৰ্বে পুৰোহিতৰ দ্বাৰা বৈদিক ৰীতি-নীতিৰে পূজা-অৰ্চনা সম্পন্ন কৰা হয়। অনুষ্ঠানত চৌতাৰী সামাজিক সংস্থাৰ সভাপতি গোপাল কাৰ্কী ছেত্ৰী, অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সদস্য জীতেন থাপা, অসম গোৰ্খা সন্মিলনৰ দৰং জিলাৰ উপদেষ্টা ৰণ বাহাদুৰ ছেত্ৰীৰ লগতে সংস্থাটোৰ কেইবাগৰাকী বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। কীৰ্তনঘৰ নিৰ্মাণে অঞ্চলটোৰ ধৰ্মীয় আৰু সামাজিক জীৱনক অধিক সমৃদ্ধ কৰাৰ লগতে আগন্তুক দিনত বিভিন্ন ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজনৰ বাবে এক উপযুক্ত পৰিৱেশ গঢ়ি তুলিব বুলি আশা প্ৰকাশ কৰে বিশ্বেশ্বৰ মহাদেৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি গিৰিৰাজ থাপা আৰু সম্পাদক গিৰিণ থাপাই। ইফালে, কীৰ্তনঘৰ নিৰ্মাণৰ বাবে চৌতাৰী সামাজিক সংস্থাৰ তৰফৰ পৰা মন্দিৰ পৰিচালনা সমিতিৰ হাতত আৰ্থিক সাহায্যৰ চেক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। সংস্থাৰ সভাপতি গোপাল কাৰ্কী ছেত্ৰীৰ লগতে উপস্থিত বিষয়ববীয়াসকলে মন্দিৰ পৰিচালনা সমিতিৰ প্ৰতিনিধিৰ হাতত চেকখন অৰ্পণ কৰে। চৌতাৰী সামাজিক সংস্থাৰ এই ধৰ্মীয় আৰু সামাজিক দায়বদ্ধতাৰে গ্ৰহণ কৰা মহৎ পদক্ষেপক স্থানীয় ৰাইজে আন্তৰিকতাৰে আদৰণি জনাই সংস্থাটোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। কীৰ্তনঘৰটোৱে অনাগত দিনত অঞ্চলটোৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# বৰপেটা পৌৰসভাৰ প্ৰাক্তন উপ-পৌৰপতি ঠাকুৰ চন্দ্ৰ দাসৰ মৃত্যু

বিশেষ সংবাদদাতা

**বৰপেটা, ১৯ আগষ্ট ঃ** বিদেশী বহিস্কাৰ আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী বৰপেটা পৌৰ- সভাৰ প্ৰাক্তন পৌৰপতি বৰপেটা বৃন্দাৱনহাটী নিবাসী ঠাকুৰ চন্দ্ৰ দাস (৭৮) কালি পুৱা প্ৰায় ১১- ২০ বজাত হাঁওফাঁও সংক্ৰমণজনিত কাৰণত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত পৰলোক হয়। তেওঁক যোৱা দুই আগষ্টত বৰপেটা মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰে যদিও উন্নত চিকিৎসাৰ বাবে ১২ আগষ্টৰ দিনা গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰে। দাসে বৰপেটা পৌৰসভাৰ সাত নম্বৰ ৱাৰ্ডৰ পৰা ৱাৰ্ড কমিচনাৰ হিচাপে জয়লাভ কৰি ১৯৯৭ৰ ছেপ্টেম্বৰৰ পৰা ২০০১লৈ বৰপেটা পৌৰসভাৰ উপ-পৌৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । সৰুৰে পৰা জাতীয়তাবাদী চিন্তা চৰ্চাৰে উদ্বুদ্ধ দাসে বিদেশী বহিষ্কাৰ আন্দোলনত সংগ্ৰাম পৰিষদৰ লগত জড়িত হৈ অসম আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। তেওঁ অসম গণ পৰিষদৰ স'তে জন্মলগ্নৰে পৰা জড়িত হৈ অ গপ জিলা সমিতি আৰু নগৰ সমিতিৰ নেতৃত্ব বহন কৰিছিল । তেওঁ মৃত্যু পৰ্যন্ত অগপৰ স'তে জড়িত থাকি দলটোক সাংগঠনিকভাৱে শক্তিশালী কৰাত যথেষ্ট উদগণি যোগাইছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি মহোৎসৱত বৃন্দাৱনহাটী ৰাইজে সত্ৰ চৌহদত নিবেদন কৰা কে'বাখনো ধৰ্মমূলক নাটকত ঠাকুৰ দাসে মহিলাৰ চৰিত্ৰত অংশ গ্ৰহণ কৰিছিল। তেওঁ বৃন্দাৱনহাটী পৰিচালনা সমিতিৰ এগৰাকী প্ৰাক্তন সদস্যৰ উপৰি বৃন্দাৱনহাটীস্থ ভাগৱত অধ্যয়ন চক্ৰ আৰু অৰুণ সংঘৰ মৃত্যুৰ সময়লৈকে সম্পাদক আছিল। অগপ দলৰ জ্যেষ্ঠ সদস্য সহজ সৰল আৰু উদাৰমনা প্ৰকৃতিৰ দাসৰ মৃত্যুত বৰপেটাত গভীৰ শোকৰ ছাঁ পৰিছে। বৰপেটাৰ প্ৰাক্তন বিধায়ক তথা অগপ বৰপেটা জিলা সমিতিৰ সভাপতি গুণীন্দ্ৰ নাথ দাস, বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাস, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস অগপৰ জিলা সম্পাদক ধনজিৎ পাঠক প্ৰমুখ্যে বহু সংখ্যক লোকে ঠাকুৰ চন্দ্ৰ দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। বৰপেটা আছু আৰু খিলঞ্জীয়া সুৰক্ষা বাহিনী ,অসমেও গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত দাসে পত্নী সহ দুজন পুত্ৰ, এজনী কন্যা এৰি যায়।

# তেজপুৰত বিধ্বংসী অগ্নিকাণ্ড

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৯ আগষ্ট ঃ** তেজপুৰৰ মুঢ়াতেতেলীত কালি দিনৰ প্ৰায় ১২-৩০ বজাত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত এটা পৰিয়ালৰ সকলো সা-সম্পত্তি জাহ যায়। উল্লেখ্য যে মুঢ়াতেতেলীত জ্যোতিস্মিতা দাসৰ ঘৰত ভাড়াতীয়া হিচাপে থকা আকাশ বসুমতাৰী আৰু মুনু বসুমতাৰী নামৰ দম্পতীৰ কোনো সামগ্ৰীয়েই ৰক্ষা নপৰিল ।ঘটনা সন্দৰ্ভত পৰিয়ালটোৱে প্ৰকাশ কৰা অনুসৰি, আকাশ বসুমতাৰী পুৱাই কামলৈ ওলাই যোৱাৰ বিপৰীতে তেওঁলোকৰ একমাত্ৰ কন্যা বিদ্যালয়লৈ আৰু গৃহিণী মুনু বসুমতাৰী ফাৰ্মাচীলৈ ঔষধ ক্ৰয়ৰ বাবে যোৱাৰ সময়তে এই ঘটনাটো সংঘটিত হয়।

# ন্যায়ালয়ে নাকচ কৰিলে

*এক পৃষ্ঠাৰ পৰা* আবেদনখনেৰে সিদ্ধাৰ্থই তেওঁৰ বিৰুদ্ধে থকা হত্যাৰ গোচৰটো অসমৰ পৰা আন ৰাজ্যলৈ স্থানান্তৰৰ চেষ্টা চলাইছিল। কিন্তু আজি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশদ্বয় বিভি নাগাৰত্ন আৰু আৰ মহাদেৱনৰ খণ্ড বিচাৰপীঠে এই আবেদনখন নাকচ কৰে। তাৰ পৰিৱৰ্তে আবেদনকাৰীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দিয়ে। লগতে বিচাৰপীঠখনে কয় যে বিচাৰৰ প্ৰক্ৰিয়াটো অসমতে ন্যায়িক ব্যৱস্থাৰ মাজেৰে আগবাঢ়িব। গোচৰটো আন ৰাজ্যলৈ স্থানান্তৰৰ কোনো প্ৰয়োজনীয়তা নাই। উল্লেখ্য যে সম্প্ৰতি বাগ্‌সাৰ কাৰাগাৰত বন্দী হৈ থকা সিদ্ধাৰ্থই জামিন বিচাৰিও মুখ থেকেচা খায়। জুবিন গাৰ্গৰ মেনেজাৰ থকাৰ সূত্ৰে শিল্পীজনক লুটি পুতি খাই সিদ্ধাৰ্থই সম্পত্তিৰ পাহাৰ গঢ়িবলৈ সক্ষম হয়। আন আন দিশৰ লগতে অনুষ্ঠান আয়োজনৰ নামতো আয়োজকৰ পৰা অতিৰিক্ত পৰিমাণৰ লাখ লাখ টকা আদায় লৈছিল সিদ্ধাৰ্থই। এছআইটিৰ তদন্তত এনে বহু তথ্য পোহৰলৈ আহিছিল। সিদ্ধাৰ্থৰ এনে কাণ্ডৰ বিষয় জুবিন গাৰ্গ লাহে লাহে অৱগত হৈছিল বুলিও তথ্যত প্ৰকাশ।

# কৃষ্ণাই হাব্ৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৯ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই হাব্ৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৱাল মজিদ শ্বেখৰ (৫৮) ৰ আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে । প্ৰধান শিক্ষকজনে কালি সন্ধিয়া বলবলা চান্দামাৰী মাজৰপাৰাস্থিত নিজ গৃহৰ গা ধুৱা ঘৰত অজ্ঞান হৈ ঢলি পৰে। লগে লগে তেওঁক গোৱালপাৰা ছলেচ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে যোৱা নিশাই গুৱাহাটীলৈ স্থানান্তৰ কৰা হয়।

গুৱাহাটীৰ স্বাগত হাস্পতালত চিকিৎসাধীন অৱস্থাতে আজি পুৱা প্ৰায় ছয় বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। শ্বেখে আজি বহুদিন ধৰি মধুমেহ, উচ্চৰক্তচাপ তথা হৃদৰোগত আক্ৰান্ত হৈ আছিল। চলিত বৰ্ষৰ মাৰ্চৰ ১৬ তাৰিখে কৃষ্ণাই হাব্ৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰা শ্বেখৰ অৱসৰলৈ এতিয়াও প্ৰায় আঢ়ৈ বছৰ কাল বাকী আছিল । তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। আজি দুপৰীয়া তেওঁৰ নশ্বৰ দেহ কৃষ্ণাই হাব্ৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয় চৌহদলৈ অনাৰ পিছত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা বিদ্যালয় পৰিচালনা সমিতিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

মৃত্যুৰ সময়ত তেওঁ নিজ পত্নী, দুই পুত্ৰ আৰু তিনি জীয়ৰী ইহ সংসাৰত এৰি থৈ যায়। আজি আবেলি চান্দামাৰী মাজৰপাৰা কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

GOVT. OF ASSAM
RABHA HASONG AUTONOMOUS COUNCIL SECRETARIAT
DUDHNOI

No. RHAC-12514/GNM/26-27/

ADVERTISEMENT

Applications for financial sponsorship for pursuing GNM training course are hereby invited from economically backward candidates of RHAC area who have cleared Eligibility Test (CEE) for admission into GNM Course in the Solace Institute of Nursing, Goalpara. Such sponsorship will not include Hostel and travel expenses. Age of the candidates should not be less than 18 years and more than 26 years. Candidates must pass 10+2 Examination with minimum 40% aggregate marks and 40% marks in English individually. Interested candidates may apply with the following documents:

1. Certificate of selection (GNM CEE) 2. Cast certificate 3. Recent Pass port size photograph 4.ID proof 5. Address proof 6. Age proof certificate 7. Mark sheets and pass certificates from HSLC onwards.

The application form can be obtained from the Rabha Hasong Autonomous Council Secretariat, Dudhnoi, Goalpara during Office hours. Applications will be received till 05/09/2026. The date and time of Interview will be informed later. The candidates should bring original testimonials at the time of interview.

Sd/-
Principal Secretary
RHAC, Dudhnoi.

DIPR/DF/ADT/619-20-Aug- 26

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯

**২ ভাদ বৃহস্পতিবাৰ ২০ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৫৯।৫৮। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫২।৪। **তিথি ঃ** শুক্লা, অষ্টমী, দং ৪১।১৯।৪৭ ৰাঘ ৯।৩১।৫৩। **নক্ষত্ৰ ঃ** বিশাখা, দং ১৫।১৭।৫৯ ঘঃ ১১।৭।১০। **যোগ ঃ** ব্ৰহ্ম, দং ৪।২৬।৫৮ ঘঃ ৬।৪৬।৪৫। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ, বাঘৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী বৃহস্পতিৰ দশা, ঘঃ ১১।৭।১০ যোৱাত দেৱগণ, হৰিণৰ অস্থি, অষ্টোত্তৰী আৰু বিংশোত্তৰী শনিৰ দশা, শেষ ৰাঘ ৪।৩৮।২৪ যোৱাত বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যাযোগ, মতান্তৰে তিনিমহীয়া পতিহীনা যোগ, ঘঃ ১১।৭।১০ যোৱাত তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ঘঃ ১১।৭।১০ যোৱাত নাই। **যোগিনী ঃ** ঈশানকোণত, ৰাঘ ৯।৩১।৫৩ যোৱাত পূবত। **যাত্ৰা ঃ** শুভ অমৃতযোগ, দক্ষিণত নাই, ৰাঘ ৯।৩১।৫৩ যোৱাত নাই, পাপযোগ দোষ। **শুভকৰ্ম ঃ** দীক্ষা, আৰোগ্যস্নান। **ভক্ষ্যাভক্ষ্য ঃ** নাৰিকল, ৰাঘ ৯।৩১।৫৩ যোৱাত কলমৌ শাক খোৱা নিশেষ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** বিদ্যাৰ্থীসকলে প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিব। চাকৰিয়াল ব্যক্তিৰ বদলিৰ সম্ভাৱনা। প্ৰেম -প্ৰণয়নত আবেগ বৃদ্ধি। শুভ ৰং গুলপীয়া। শুভ সংখ্যা ৬।

**বৃষ ঃ** স্বাস্থ্যৰ ক্ষেত্ৰত সিমান বেয়া দেখা নাযায়। উচ্চ শিক্ষাত সাফল্য লাভ। দাম্পত্য বিবাদ থাকিব। দূৰ ভ্ৰমণৰ ইচ্ছা মনত জাগিব। শুভ ৰং নীলা। শুভ সংখ্যা ৭।

**মিথুন ঃ** দিনটোত অনাৱশ্যক খৰচৰ মাত্ৰা বৃদ্ধি পাব। প্ৰেম-প্ৰণয়নত আবেগ বৃদ্ধি। সন্তানৰ প্ৰতিভাৰ বিকাশ। উচ্চ শিক্ষাত সাফল্য পাব। শুভ ৰং গুলপীয়া। শুভ সংখ্যা ৭।

**কৰ্কট ঃ** চাকৰিয়ালৰ উৎসাহ-উদ্দীপনা বৃদ্ধি পাব। আৰ্থিকত বেয়া দেখা নাযায়। প্ৰেমত শুভ ফল আশা কৰিব পাৰে। বিদ্যাত মজলীয়া। শুভ ৰং নীলা। শুভ সংখ্যা ৫।

**সিংহ ঃ** শাৰীৰিক মধ্যম বুলি ক'ব পৰা যায়। চাকৰিয়ালৰ কাৰণে ভাল। ব্যৱসায়ত নতুন কামত হাত দিব পাৰে। প্ৰেমত শুভ। শুভ ৰং বগা। শুভ সংখ্যা ২।

**কন্যা ঃ** সন্তানৰ প্ৰতি নজৰ ৰাখক। দূৰ ভ্ৰমণৰ যোগ। বিদ্যাৰ্থীসকলৰ দিনটো ভালেই। ঘৰুৱা কামত ব্যস্ত থাকিব। নিৰনুৱাৰ ভাল-বেয়াৰ মাজেৰে দিনটো পাৰ হ'ব। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৬।

**তুলা ঃ** আপুনি আজি ঘৰৰ পৰা ওলোৱাৰ আগতে মন্দিৰত চাকি জ্বলাই ওলাব। সন্তানৰ পৰা ভাল খবৰ পাব। চাকৰিয়ালৰ ভাল। শুভ ৰং ৰঙা। শুভ সংখ্যা ২।

**বৃশ্চিক ঃ** পতি-পত্নীৰ মাজত মনোমালিন্য দেখা যায়। খৰচৰ মাত্ৰা কিছু পৰিমাণে বাঢ়িব। বিদ্যাত শুভ। শুভ ৰং বগা। শুভ সংখ্যা ২।

**ধনু ঃ** সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত আৱেগ বৰ্জন কৰক। বৃদ্ধ ব্যক্তিসকলে নিজৰ শৰীৰৰ প্ৰতি যত্ন লওক। প্ৰেমত অশুভ। শুভ ৰং ক'লা। শুভ সংখ্যা ৬।

**মকৰ ঃ** বিয়া-বাৰুৰ যোগাযোগত বাধা আহিব। দূৰ ভ্ৰমণ কৰিব পাৰে। প্ৰেমত মধ্যম। শুভ ৰং সোণালী। শুভ সংখ্যা ৭।

**কুম্ভ ঃ** সামাজিক ব্যস্ততা বৃদ্ধি হ'ব। বিদ্যাত সিমান ভাল দেখা নাযায়। স্বাস্থ্য ঠিকেই থাকিব। গৱেষণা কৰ্মত অগ্ৰগতি। শুভ ৰং ৰঙা। শুভ সংখ্যা ৬।

**মীন ঃ** দিনটো বিদ্যাত সিমান বাধা নাই। শৰীৰ ভালেই দেখা যায়। বন্ধুৰ পৰা সহায় পাব। প্ৰেমত শুভ। শুভ ৰং গুলপীয়া। শুভ সংখ্যা ২।

## শব্দবেহু ঃ ২০ আগষ্ট ২০২৬

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ■ | ■ | ■ | ২ | ■ | ৩ | | | ৪ |
| ৫ | | ■ | ৬ | | | | ■ | ■ | |
| | ■ | ■ | | ■ | ■ | ■ | ■ | ৭ | |
| ৮ | ৯ | | | ■ | ১০ | | | | ■ |
| ■ | | ■ | | ■ | | ■ | ■ | ■ | ■ |
| ■ | ■ | ■ | ■ | ১১ | ■ | ১২ | ■ | ১৩ | ■ |
| ■ | ১৪ | | | | ■ | ১৫ | | | ১৬ |
| ১৭ | | ■ | ■ | ■ | ■ | | ■ | ■ | |
| | ■ | ■ | ১৮ | | ১৯ | | ■ | ২০ | |
| ২১ | | | | ■ | | ■ | ■ | ■ | |

**পথালিয়ে**
৩। নষ্ট, অপব্যয় (৪)
৫। খং, ক্ৰোধ (২)
৬। দেৱ-দেৱীৰ নাম লিখা গাত লোৱা কাপোৰ (৪)
৭। মনৰ স্থিৰতা বা সংযম (২)
৮। কম বয়সৰ ল'ৰা (৪)
১০। সন্তানৰ প্ৰতি স্নেহ (৪)
১৪। মিঠাই কৰা কাঠৰ থাল (৪)
১৫। বৰ চোকা বিহ (৪)
১৭। যাক ধৰি ৰখা হৈছে (২)
১৮। বিষ্ণু, হৰি (৪)
২০। ৰাগ, ৰোষ, খং (২)
২১। বীণাৰ নিচিনা এবিধ বাদ্যযন্ত্ৰ (৪)

**থিয়কৈ**
১। প্ৰেৰণা, উচতনি (বেয়া কামত) (৪)
২। শকত, ডাঙৰ (২)
৩। পৰাক্ৰমী, শক্তিশালী (২)
৪। দহ সংখ্যক (৩)
৬। টান খোলা থকা এবিধ ডাঙৰ ফল (৪)
৭। শলা, শেল (২)
৯। কাঁড়, শৰ, কুমন্ত্ৰ (২)
১০। গোলাম, চাকৰ, দাস (২)
১১। পাদপ, বৃক্ষ (২)
১২। জমা, পুঁজি (৪)
১৩। গৰম, তাপ (২)
১৪। বায়ু, দেহৰ জোৰা উখহি উঠা ৰোগ (২)
১৬। শ্ৰী, শোভা, শুৱনি হৈ উঠা (৪)
১৭। লাজ বা সংকোচ ভাব নথকা স্বভাৱ (৩)
১৮। বৃদ্ধাৱস্থা, এবিধ টেঙা ফল (২)
১৯। বস্তু থোৱা যতন, যোগ্য ব্যক্তি (২)

**উত্তৰ অহা সংখ্যাত**

**১৯ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**
১। আৱৰণ ৫। মৰহা ৬। কায়া ৭। জলজ ৮। প্ৰকৃত ৯। নভোমণ্ডল ১০। ৰত ১২। নিসনি ১৫। কুশল ১৬। ৰজ ১৮। হাতখৰচ ১৯। নয়ন ২০। কাহিল ২২। বাধা ২৩। গগলা ২৪। নজৰানা

**থিয়কৈ**
১। আৱাজ ২। ৰণজননি ৩। মহাপ্ৰলয় ৪। মায়া ৫। মখমল ৬। কাতৰ ১১। তমাল ১২। নিকৰ ১৩। মহানগৰ ১৪। নখফুলা ১৫। কুচকাৱাজ ১৭। জনধা ২১। ললনা ২২। বাধ্য

C M Y K

## ডিব্ৰুগড় এএমচিএইছ চৌহদত পুনৰ গঢ় লৈ উঠা অবৈধ দোকান উচ্ছেদ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৯ আগষ্ট ঃ** উচ্ছেদ অভিযানৰ এমাহৰ ভিতৰতেই পুনৰ গঢ় লৈ উঠা অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদৰ ভিতৰত অবৈধ ফুড ষ্টলসমূহ আঁতৰাবলৈ আজি ডিব্ৰুগড় পৌৰ নিগমে পুনৰ এক উচ্ছেদ অভিযান চলায়। এই অভিযানত হাস্পতাল চৌহদত পুনৰ আৰম্ভ হোৱা অস্থায়ী তথা অবৈধ দোকানসমূহক লক্ষ্য কৰি ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২০ আগষ্ট ২০২৬ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## এবছৰ বিৰতিত পুনৰ আগন্তুক বৰ্ষত শিক্ষাখণ্ডত গুণোৎসৱ

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ১৯ আগষ্ট ঃ** এটা বছৰ বিৰতিৰ পাছত ৰাজ্যৰ শিক্ষাখণ্ডত পুনৰ গুণোৎসৱ অনুষ্ঠিত আজি সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে সকলো জিলাৰ ছয় পৃষ্ঠাত চাওক

**ছয় জানুৱাৰীৰ পৰা পাঁচ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব ঃমিছন সঞ্চালকৰ জিলা সমন্বয়কলৈ পত্ৰ**

### দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগ

## বৰাকৰ ১৪ নেতাক ছ বছৰৰ বাবে কংগ্ৰেছৰ পৰা নিলম্বিত

**গুৱাহাটী, ১৯ আগষ্ট ঃ** দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে বৰাকৰ ১৪ গৰাকী নেতাক দলৰ পৰা সাময়িকভাৱে নিলম্বন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশ মৰ্মে ২০২৬ ৰ অসম বিধানসভা নিৰ্বাচনৰ সময়ত দলবিৰোধী স্থিতি গ্ৰহণ কৰাৰ বাবে এইসমূহ বিষয়ববীয়াক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছয় বছৰৰ বাবে কংগ্ৰেছ দলৰ পৰা নিলম্বন কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সাংগঠনিক) ৰামান্না বৰুৱা স্বাক্ষৰিত এক নিৰ্দেশনাযোগে এই সিদ্ধান্ত ৰাজহুৱা কৰা হয়। এই সিদ্ধান্ত অনুসৰি নিলম্বিত হোৱা নেতাসকলৰ ভিতৰত আছে শিলচৰ জিলা কংগ্ৰেছ কমিটীৰ উপ-সভাপতি ক্ৰমে ছামছুৰ ৰহমান চৌধুৰী (জন), আক্তাৰ হুছেইন বৰভূঞা, মজিবুৰ ৰহমান চৌধুৰী আৰু সাধাৰণ সম্পাদক ক্ৰমে আজমল ছয় পৃষ্ঠাত চাওক

### দিখৌৰ জলপ্ৰলয়ত সৰ্বস্বান্ত লোকক ক্ষতিপূৰণৰ নামত চলাইছে কাৰচাজি ঃ চৰকাৰৰ বিৰুদ্ধে সৰৱ শইকীয়া

# ৰাইজে সাহায্য নিদিলে বন্যাৰ্তই ভোকত মৰিলেহেঁতেন



*কামৰূপ মহানগৰৰ নৱনিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ।*

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১৯ আগষ্ট ঃ** যোৱা ১৯ জুলাইৰ পৰা আজি এমাহ পৰ্যন্ত দিখৌ নদীৰ প্ৰলয়ংকৰী জলপ্ৰলয়ত জনগণৰ হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে নাজিৰা সমজিলাৰ জনগণ । এনে মহাপ্ৰলয়ত সৰ্বস্বান্ত হোৱা পৰিয়ালৰ লোকক উচিত ক্ষতিপূৰণ প্ৰদান কৰাৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন চৰকাৰে কাৰচাৰ্জি কৰি আছে। আজি নাজিৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম বিধানসভাৰ বিৰোধী দলৰ প্ৰাক্তন দলপতি দেৱব্ৰত শইকীয়াই তেওঁৰ শিমলুগুৰি বৰদুৱাৰ মুখস্থ বাসভৱনত এখন সংবাদমেল সম্বোধন কৰি এমাহ সম্পন্ন হোৱা উজনিৰ বান তথা অসমৰ বান পৰিস্থিতিক লৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰে। সংবাদমেলত শইকীয়াই লগতে কয়, দিখৌ



নদীৰ প্ৰলয়ংকৰী বানত ১০ লাখৰো অধিক জনগণ ক্ষতিগ্ৰস্ত হৈছে । বহু লোকে সৰ্বস্ব হেৰুৱাইছে। কিন্তু এই সংকটৰ সময়ত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ ক'ত বুলি প্ৰশ্ন কৰে শইকীয়াই। অসম চৰকাৰে ক্ষতিগ্ৰস্ত লোকৰ সঠিক মূল্যায়ন কৰিব পৰা নাই বুলি আক্ষেপ প্ৰকাশ কৰি নিৰ্বাচনৰ সময়ত বাৰে বাৰে অসমলৈ অহা বিজেপিৰ শীৰ্ষ নেতাসকল তথা প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী এতিয়া সংকটৰ সময়ত ক'ত বুলিও প্ৰশ্ন কৰে শইকীয়াই। কেন্দ্ৰীয় চৰকাৰে এতিয়াও কিয় বৃহৎ আৰ্থিক সাহায্য ঘোষণা কৰা নাই? এই প্ৰশ্নও উত্থাপন কৰি শইকীয়াই বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ দাবীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি কয় ।ইফালে অবৈধ কয়লা আৰু শিল খননৰ বাবেই এই বান পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি প্ৰকাশ কৰি অসমৰ বানপানীৰ সমস্যা স্থায়ী সমাধানৰ ব্যৱস্থা কৰা হ'ব বুলি ছয় পৃষ্ঠাত চাওক

### ৪২ পুঁজিপতিৰ ৩৫০ লাখ কোটি মাফ কৰা কেন্দ্ৰীয় চৰকাৰে অসমক মাত্ৰ ৩৬৯ কোটি দি কিয় উপহাস কৰিছে ঃ আপ সাংসদ সঞ্জয় সিং

## অসমৰ মহাপ্ৰলয়ক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা কৰক কেন্দ্ৰীয় চৰকাৰে

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৯ আগষ্ট ঃ** 'আমাৰ তিনিদিনীয়া ভ্ৰমণকালত আমি প্ৰত্যক্ষ কৰিছো যে উজনি অসমৰ শিৱসাগৰ জিলাত বানে যি বিভীষিকাময় পৰিৱেশৰ সৃষ্টি কৰিলে ইয়াক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিব লাগে। যিহেতু এই দুৰ্যোগে শিৱসাগৰক বহু পিছলৈ ঠেলি দিলে। পুনৰ শিৱসাগৰ জিলাখনক ঠন ধৰাবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ এক বৃহৎ পুঁজি মোকলাই দিব লাগিব' । এই মন্তব্য আম আদমি পাৰ্টিৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙৰ। যোৱা পৰহিৰ পৰা শিৱসাগৰ জিলাখনৰ বান বিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি আজি শিৱসাগৰ নগৰৰ এখন হোটেলত এখন সংবাদমেল সম্বোধন কৰে সাংসদজনে। সংবাদ মাধ্যমক সম্বোধন কৰি তেওঁ কয় যে এই প্ৰলয়ংকৰী বানে শিৱসাগৰৰ জনজীৱন স্তব্ধ কৰি তুলিলে। ৰাস্তা-ঘাট, স্বাস্থ্য-শিক্ষা, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান ধ্বংস কৰাৰ লগতে প্ৰাণ হেৰুৱালে মানুহৰ পৰা জীৱকূললৈকে। শিৱসাগৰক গতি প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি আহি বৃহৎ অনুদান অসমক দিব লাগে। কিন্তু পৰিতাপৰ বিষয় যে এই দুৰ্যোগৰ পাছত সৰ্বস্বান্ত হৈ পৰা বানাক্ৰান্তক সাহায্য প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক ছয় পৃষ্ঠাত চাওক

### ■কোকৰাঝাৰত 'সুবুংথিনি থান্দৈ' বিনেশ্বৰ ব্ৰহ্মৰ মৃত্যু দিৱস উদ্‌যাপন ■ বিনেশ্বৰ ব্ৰহ্মৰ স্মৃতি সংৰক্ষণৰ বাবে স্মাৰক উদ্যান, ছেমিনাৰ হল-কাম-লাইব্ৰেৰীৰ আধাৰশিলা স্থাপন ■ জাপানীজ ভাষা শিকাৰ কেন্দ্ৰ মুকলি কৰা হ'ব

## বিনেশ্বৰ ব্ৰহ্মৰ কাৰণে বড়ো ভাষা অষ্টম অনুসূচিত অন্তৰ্ভুক্ত হৈছিল ঃ হাগ্ৰামা

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৯ আগষ্ট ঃ** 'বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা 'সুবুংথিনি থান্দৈ' অৰ্থাৎ মানৱতাৰ দূত বিনেশ্বৰ ব্ৰহ্ম অকল এগৰাকী সাহিত্যিকেই নাছিল, তেওঁ আছিল মানৱ দৰদী এগৰাকী সমন্বয়ৰ প্ৰতীক। বড়ো জাতিৰ কাৰণে দেৱৰূপ বিনেশ্বৰ ব্ৰহ্মই যোৱা অৱদান,আত্মবলিদান সদায় স্মৰণীয় হৈ ৰ'ব।' এইদৰে মন্তব্য কৰে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। কোকৰাঝাৰৰ চান্দামাৰীস্থিত বড়ো সাহিত্য সভাৰ প্ৰয়াত সভাপতি 'সুবুংথিনি থান্দৈ' অৰ্থাৎ মানৱতাৰ দূত বিনেশ্বৰ ব্ৰহ্মৰ সমাধিস্থলীৰ প্ৰাংগণত সাহিত্যিকগৰাকীৰ ২৬ সংখ্যক মৃত্যু দিৱসৰ স্মৃতিচাৰণ সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিটিচি প্ৰধান মহিলাৰীয়ে কয় যে সুবুংথিনি থান্দৈ বিনেশ্বৰ ব্ৰহ্মৰ বড়ো সমাজত তথা বিটিচি গঠনৰ ক্ষেত্ৰত ডাঙৰ অৱদান আছে। সেই সময়ত বিএলটি,অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ লগত আলোচনা কৰাৰ বাবে মধ্যস্থতাকাৰী হিচাবে বিনেশ্বৰ ব্ৰহ্মই ডাঙৰ ভূমিকা পালন কৰিছিল। সেই সময়ত যদি ভাৰত চৰকাৰৰ লগত বিএলটিৰ চুক্তি হয় তেন্তে বড়ো ভাষাটো ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে দাবী ছয় পৃষ্ঠাত চাওক

## বিলাসীপাৰাৰ নয়াহাটত চোৰাং গো-ধন ভৰ্তি বিলাসী বাহন সহ আটক-এজন

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ১৯ আগষ্ট ঃ** নামনি অসমত অধিক সক্ৰিয় হৈ পৰিছে চোৰাং গৰু ছিণ্ডিকেট চক্ৰ। বিলাসীপাৰা সমজিলাৰ বিভিন্ন স্থল আৰু নদী পথেৰে ছিণ্ডিকেট চক্ৰই নিতৌ বাংলাদেশলৈ চোৰাং গো-ধন সৰবৰাহ কৰি অহাৰ অভিযোগ বিভিন্ন দল সংগঠনৰ। তেনে চোৰাং গো-ধন ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে নয়াহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নজ্যোতি দিহিঙীয়াই। গোপন সূত্ৰৰ পম খেদি নয়াহাট আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে যোৱা নিশা চলায় এক অভিযান। অভিযানত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বৰকান্দাত চোৰাং গৰু ভৰ্তি বলেৰ' বাহন জব্দ কৰে আৰক্ষীয়ে। আৰক্ষীৰ অভিযানত বিলাসী বাহনখনত বস্তাৰ ভিতৰত সুমুৱাই লৈ অহা চাৰিটা কৈ চোৰাং গৰু জব্দ কৰাৰ লগতে আটক কৰে গৰু ছিণ্ডিকেট চক্ৰৰ সদস্য এজনক। অৱশ্যে বাহনখনৰ চালক জন এন্ধাৰৰ সুযোগ লৈ পলাই যাবলৈ সক্ষম হয়। আটকাধীন ছয় পৃষ্ঠাত চাওক

### ■প্ৰত্যক্ষভাৱে বুজ ল'লে উন্নত সংৰচনাত্মক অভিযান্ত্ৰিকতা-ভূমিকম্প প্ৰতিৰোধ সম্পৰ্কীয় প্ৰযুক্তিৰ

## চেন্নাইস্থিত চিএছআইআৰ-এছইআৰচি ভ্ৰমণ অসমৰ সংবাদ মাধ্যমৰ সম্পাদক-প্ৰতিনিধি দলৰ



**চেন্নাই, ১৯ আগষ্ট ঃ** পিআইবি মিডিয়া ট্যুৰৰ অধীনত তামিলনাডু ভ্ৰমণৰত অসমৰ সংবাদ মাধ্যমৰ সম্পাদক প্ৰতিনিধি দলে চেন্নাইৰ 'চিএছআইআৰ-ষ্ট্ৰাকছাৰেল ইঞ্জিনীয়াৰিং ৰিছাৰ্চ চেণ্টাৰ' (চিএছআইআৰ-এছইআৰচি) ভ্ৰমণ কৰে। তেওঁলোকৰ ভ্ৰমণ কালত জ্যেষ্ঠ সাংবাদিকৰ দলটোৱে অধিক সুৰক্ষিত আৰু শক্তিশালী আন্তঃগাঁথনি প্ৰস্তুত কৰাৰ উদ্দেশ্যে উন্নত সংৰচনাত্মক অভিযান্ত্ৰিক প্ৰযুক্তি, দুৰ্যোগ প্ৰশমন ব্যৱস্থা আৰু ভূমিকম্প প্ৰতিৰোধী প্ৰযুক্তিৰ প্ৰত্যক্ষ জ্ঞান অৰ্জনৰ সুবিধা লাভ কৰে।

চিএছআইআৰ-এছইআৰচিৰ সঞ্চালক ড° এন আনন্দবল্লীৰ চমু ব্যাখ্যাৰে ভ্ৰমণ কাৰ্যসূচী আৰম্ভ হয়। ভাষণত তেওঁ ৰাষ্ট্ৰীয় আন্তঃগাঁথনিৰ বাবে উদ্ভাৱনীমূলক প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰটোৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা আলোকপাত কৰে। তেওঁ প্ৰতিনিধি দলটোক চিএছআইআৰ-এছইআৰচিৰ সংৰচনাত্মক অভিযান্ত্ৰিকতা, ছয় পৃষ্ঠাত চাওক

## মূলাগাভৰু আত্মসহায়ক গোটৰ জীৱিকা সখীৰ বিৰুদ্ধে অভিযোগ

অগ্ৰদূত বাৰ্তা

**সৰুপথাৰ, ১৯ আগষ্ট ঃ** সৰুপথাৰ সমষ্টিৰ পূৰ নাওজান গাঁও পঞ্চায়তৰ অন্তৰ্গত বেতনি পথাৰ অঞ্চলৰ মূলাগাভৰু আত্মসহায়ক গোটৰ জীৱিকা সখী সংগীতা উৰাং আৰু সম্পাদক ফুলতুলি উৰাঙৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে গোটটোৰ একাংশ সদস্যই। গোটৰ সদস্যসকলৰ অভিযোগ অনুসৰি, তেওঁলোকৰ অজ্ঞাতে আৰু কোনো ধৰণৰ আলোচনা নকৰাকৈ গোটটোৰ নামত দুটাকৈ বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰা হৈছে। অভিযোগ মতে, জীৱিকা সখী সংগীতা উৰাঙে গোটটোৰ সম্পাদক ফুলতুলি উৰাঙক লগত ছয় পৃষ্ঠাত চাওক

### ছাত্ৰ একতা সভাৰ সংবাদমেল !

## বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষোভ !

অগ্ৰদূত বাৰ্তা

**বৰমা, ১৯ আগষ্টঃ** আজি বৰমা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক সংবাদমেলত ছাত্ৰ একতা সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। তেওঁলোকে পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ ঘূৰি যোৱাৰ হুংকাৰ দিয়ে। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৰম প্ৰশাসনিক আঁসোৱাহ, স্বেচ্ছাচাৰিতা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ হেতালি খেলাৰ অভিযোগ তুলি আজি বৰমা মহাবিদ্যালয় ছাত্ৰ একতা সভাই এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে। মহাবিদ্যালয় চৌহদত



অনুষ্ঠিত এই সংবাদমেলত একতা সভাৰ ছাত্ৰ প্ৰতিনিধিসকলে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি দিয়ে আৰু একাধিক বিস্ফোৰক অভিযোগ উত্থাপন কৰে। সংবাদমেলত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে অভিযোগ কৰি কয় যে চৰকাৰী নিয়ম অনুসৰি শিক্ষা ব্যৱস্থা বিনামূলীয়া হ'ব লাগে যদিও বড়োলেণ্ড ছয় পৃষ্ঠাত চাওক

### আইটিআইৰ চৌহদত সহকৰ্মীৰে মদ্যপান-অসামাজিক কাৰ্য সংঘটিতৰ অভিযোগ

## ভেৰগাঁও আইটিআইৰ ভাৰপ্ৰাপ্ত অধীক্ষকৰ বিৰুদ্ধে দল-সংগঠনৰ গুৰুতৰ অভিযোগ




অগ্ৰদূত বাৰ্তা

**টংলা, ১৯ আগষ্ট ঃ** অসম আন্দোলনৰ ফল স্বৰূপে অবিভক্ত দৰং জিলা আৰু বৰ্তমান ওদালগুৰি জিলাৰ ভেৰগাঁৱত প্ৰতিষ্ঠা হোৱা ভেৰগাঁও উদ্যোগী প্ৰশিক্ষণ প্ৰতিষ্ঠান অৰ্থাৎ আইটি আইখনে ১৯৮৬ ৰ ছেপ্টেম্বৰৰ পৰাই বৃহত্তৰ অঞ্চলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলক জীৱন জীৱিকাৰ বিভিন্ন ব্যৱহাৰিক জ্ঞানৰ পাঠ্যক্ৰম আগবঢ়াই হেজাৰ হেজাৰ যুৱক-যুৱতীক আত্মনিৰ্ভৰশীল কৰি তুলিছে যদিও অতি সম্প্ৰতি আইটি আইখনৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধীক্ষক দিপু দত্তৰ কু-কৰ্ম কাণ্ডৰ বাবে অঞ্চলটোত শৈক্ষিক বাতাবৰণ বিনষ্ট হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ভেৰগাঁও আঞ্চলিক বড়ো ছাত্ৰ সন্থা, ভেৰগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ভেৰগাঁও আঞ্চলিক আদিবাসী ছাত্ৰ সন্থা আৰু ভেৰগাঁও আঞ্চলিক উন্নয়ন মঞ্চই সমূহীয়াভাৱে এই গৰাকী অধীক্ষকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত কৰি বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষলৈ লিখিত অভিযোগ দাখিল কৰিছে। উক্ত অভিযোগ অনুসৰি অধীক্ষক দিপু দত্তই তেওঁৰ কেইগৰাকীমান কাৰ্যালয়ৰ সহকৰ্মীৰ স'তে প্ৰতিষ্ঠানখনৰ চৌহদত সুযোগ বুজি মদ, মাংস, চিগাৰেট আদি ৰাগিয়াল বস্তু সেৱন কৰি অসামাজিক কাম কাজেৰে পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উত্থাপিত কৰিছে। ভাৰপ্ৰাপ্ত অধীক্ষক দিপু দত্তই সৃষ্টি কৰা এনে অসামাজিক আৰু শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ সম্পৰ্কে অভিযোগ পত্ৰত উল্লেখ কৰে। ভেৰগাঁও অঞ্চলৰ লগতে আইটিআইখনৰ শৈক্ষিক পৰিৱেশ ছয় পৃষ্ঠাত চাওক

### ■ মৰাণ আৰক্ষী থানাত এজাহাৰ দাখিল টাইপা আৰু অসমীয়া যুৱ মঞ্চৰ ■ ঘটনাই প্ৰমাণ কৰিছে পূব অসমত অব্যাহত আছে লালীগুড়ৰ ৰমৰমীয়া বেহা

## জাতীয় সংগঠনৰ নামত লালীগুৰৰ গাড়ীৰ পৰা ধন দাবী কৰি বিপদত পৰিল কে'বাজনো নেতা

অগ্ৰদূত বাৰ্তা

**খোৱাং, ১৯ আগষ্ট ঃ** পূব অসমত অব্যাহত আছে নিষিদ্ধ চুলাই মদ বনোৱা লালীগুড়ৰ ৰমৰমীয়া বেহা। তাৰে সুযোগ গ্ৰহণ কৰি জাতীয় দল-সংগঠনৰ নামত সহজে ধন ঘটিব বিচৰা একাংশ স্বয়ম্ভু নেতাই আৰক্ষীৰ চকুত ধূলি দি ধন দাবী কৰাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত আৰক্ষীৰ ভূমিকাক লৈও প্ৰশ্ন উঠিছে। অভিযোগ অনুসৰি, পূব অসমৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ একাংশৰ বাবে ধন ঘটাৰ কেন্দ্ৰ হৈছে। সূত্ৰত প্ৰকাশ যে ৰাষ্ট্ৰীয় ঘাইপথেৰে সৰবৰাহ হোৱা অবৈধ কাঠ, কয়লা, গৰু আদি বাহনৰ ওপৰত শেন চকু দিয়ে একাংশ স্বয়ম্ভু জাতীয় সংগঠনৰ নেতাই। এইবাৰ মৰাণত জাতীয় সংগঠনৰ নামত লালীগুড়ৰ গাড়ীৰ পৰা ধন দাবী কৰি বিপদত পৰিল কেইবাজনো স্বয়ম্ভু নেতা। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথতে অবৈধভাৱে লালীগুড় সৰবৰাহ কৰা এখন গাড়ী আৱদ্ধ কৰি জাতীয় সংগঠনৰ নামত ধন দাবী কৰা ঘটনাই তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে মৰাণত। তাই আহোম সংগঠন আৰু অসমীয়া যুৱ মঞ্চৰ নাম লৈ গাড়ীৰ গৰাকীক ফোনযোগেৰে ৪০ হেজাৰ টকা ধন দাবী কৰা অডিঅ' ৰেকৰ্ডিং ভাইৰেল হৈ পৰাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ধনদাবী চক্ৰটোক শীঘ্ৰে কৰায়ত্ত কৰাৰ দাবীত তাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাৰ মৰাণ মহকুমা সমিতি আৰু অসমীয়া যুৱ মঞ্চৰ মৰাণ আঞ্চলিক সমিতিয়ে মঙলবাৰে সন্ধিয়া সুকীয়া সুকীয়াকৈ মৰাণ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। তাই আহোম যুৱ পৰিষদে এজাহাৰত উল্লেখ কৰা অনুসৰি ডিমৌ কনাৰ চাংমাই গাঁৱৰ গিৰীণ বৰুৱা (বাবা), কেশৱ কোঁৱৰ, খোৱাং চাৰিআলিৰ নিপম দিহিঙীয়া, মৰাণ উষাপুৰৰ অভিজিৎ বৰগোহাঁয়ে সংগঠনৰ নাম লৈ ধন দাবী কৰি টাই আহোম যুৱ ছয় পৃষ্ঠাত চাওক

## স্বয়ম্ভূ হোমিওপেথি চিকিৎসকক তেওঁলোকৰ চিকিৎসা সেৱা বন্ধৰ আহ্বান হোমিওপেথি চিকিৎসা সন্থাৰ

ষ্টাফ ৰিপৰ্টাৰ

**নগাঁও, ১৯ আগষ্ট ঃ** শেহতীয়াকৈ অসমত কাঠফুলাৰ দৰে বৃদ্ধি পাবলৈ ধৰিছে একাংশ স্বয়ম্ভূ হোমিওপেথি চিকিৎসক আৰু চিকিৎসালয়। এইসকল চিকিৎসকৰ নাই চিকিৎসা বিজ্ঞানৰ কোনো ধৰণৰ বৈধ শিক্ষাগত অৰ্হতা । এতিয়া এনে একাংশ স্বয়ম্ভূ হোমিওপেথি চিকিৎসকে অসমৰ বহু গ্ৰামাঞ্চলৰ লগতে চহৰতো ধনৰ বিনিময়ত চিকিৎসা প্ৰদান কৰিছে একাংশ লোকক। যিটো জনস্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকিস্বৰূপ হৈ পৰিছে এতিয়া। এনে একাংশ স্বয়ম্ভূ হোমিওপেথি চিকিৎসকে বহু সময়ত ৰোগী সকলক বহু পুৰণি দৰব প্ৰদান কৰাৰো প্ৰায়ে অভিযোগ উঠে। সকলোতকৈ ডাঙৰ কথা এইসকল স্বয়ম্ভূ চিকিৎসকে মুকলিকৈয়ে এই চিকিৎসাৰ দোকানখন চলাই আছে দীৰ্ঘদিন ধৰি। ইতিমধ্যে অসম হোমিওপেথি চিকিৎসা প্ৰণালী পৰিষদৰ পঞ্জীয়নভুক্ত নোহোৱা সকলো স্বয়ম্ভু হোমিওপেথি চিকিৎসকক চিকিৎসা প্ৰদানৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে 'অসম হোমিওপেথি চিকিৎসা সন্থাই' । এক প্ৰেছ বিজ্ঞপ্তি জৰিয়তে সন্থাৰ সভাপতি ডাঃ সুভাষ দেৱনাথ আৰু সম্পাদক ডাঃ জয়ন্ত চৌধুৰীয়ে অসম চৰকাৰৰ স্বাস্থ্য বিভাগকো এইসকল ভুৱা চিকিৎসকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱাৰ লগতে নথি পত্ৰ পৰীক্ষা নকৰাকৈ এনে লোকক পাইকাৰী ছয় পৃষ্ঠাত চাওক

### ■ অৱশেষত ন্যায় পালে ধিঙৰ উধানতলাৰ এটা পৰিয়ালে

## বছৰ বছৰ ধৰি বেদখলত থকা চাৰি বিঘাতকৈ অধিক কৃষিভূমি প্ৰশাসনৰ উদ্যোগত বেদখলমুক্ত

অগ্ৰদূত বাৰ্তা।

**ধিং, ১৯ আগষ্ট ঃ** অৱশেষত আজি ন্যায় লাভ কৰিলে ধিঙৰ উধানতলাৰ এটা কৃষক পৰিয়ালে। বিগত বহু বছৰ ধৰি বেদখলত থকা চাৰি বিঘাতকৈ অধিক কৃষিভূমি প্ৰশাসনৰ উদ্যোগত বেদখলমুক্ত কৰি পৰিয়ালটোৰ হাতত চমজাই দিয়া হয়। ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত উধানতলা কিচামৰ এটা কৃষক পৰিয়ালৰ চাৰি বিঘাতকৈ অধিক কৃষিভূমি বিগত বহু বছৰ ধৰি এটা পৰিয়ালে জোৰ-জুলুমকৈ বেদখল কৰি ৰখাৰ অভিযোগ উত্থাপিত হৈছিল। উল্লেখ্য যে ধিঙৰ উধানতলাৰ আব্দুল ছাত্তাৰ, আব্দুল আজিজ, আব্দুল ছুবান, আব্দুল ৰাছিদ আৰু আব্দুল কালামৰ নামত থকা আলিটাঙনী মৌজাৰ উধানতলা কিচামৰ ২২৪ নম্বৰ দাগ আৰু ২৯৭ নম্বৰ পট্টাৰ চাৰি বিঘাতকৈ ছয় পৃষ্ঠাত চাওক

### কলিয়াবৰৰ মিছামুখ পাম চৰকাৰী বিদ্যালয়ত নাই গৃহ, নাই শিক্ষক

## স্বাধীনতাৰ ৮০ বছৰ পাছতো ভঙা পঁজাত পাঠদান



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৯ আগষ্ট ঃ** দেশে স্বাধীনতাৰ ৮০ বছৰ পাৰ কৰাৰ পাছতো আজিও শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ আছে কলিয়াবৰৰ এখন চৰকাৰী বিদ্যালয়। নগাঁও জিলাৰ কলিয়াবৰ শিক্ষা খণ্ডৰ অন্তৰ্গত মিছামুখ পাম চৰকাৰী বিদ্যালয়খনত আজিও ভঙা পঁজাৰ তলত বহি পাঠদান কৰিব লগা হৈছে কণমানি ছাত্ৰ-ছাত্ৰীসকলে। ১৯৮২ত স্থাপিত হোৱা বিদ্যালয়খন ২০১৩ ত প্ৰাদেশিকীকৃত কৰা হৈছিল। কিন্তু ১৩ বছৰ পাৰ হৈ যোৱাৰ পাছতো বিদ্যালয়খনৰ চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আজিও কোনো স্থায়ী গৃহ নিৰ্মাণ কৰা ছয় পৃষ্ঠাত চাওক



**Advertisement Service**

**বিজ্ঞাপন সেৱা**

'দৈনিক অগ্ৰদূত'ত ৰঙীণ

(Display- Clour, Black & white)

আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন

(Classified) প্ৰকাশৰ বাবে

তলৰ নম্বৰত যোগাযোগ কৰক।

9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত

অগ্ৰদূত ভৱন, দিছপুৰ-৬

C M Y K

দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ২ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২০ আগষ্ট ২০২৬

## হস্তী দণ্ডি

**দেশৰ** বন্যহস্তীৰ পৰম্পৰাগত অহা-যোৱা বাট অথবা হস্তী দণ্ডিসমূহ সুৰক্ষিত ৰখাৰ উদ্দেশ্যে সেই পথসমূহ যাতে বাধাৰ সন্মুখীন নহয় নাইবা বন্ধ কৰা নহয় সেই উদ্দেশ্যে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে ৰাজ্যসমূহক আৰু কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ে কোনবিলাক ৰাজ্যত বন্য হস্তীয়ে নিৰাপদে মুক্তভাৱে অহা-যোৱা কৰা পৰম্পৰাগত বাটবোৰত বাধাৰ সৃষ্টি কৰিছে, সেই সন্দৰ্ভত নতুনকৈ জৰীপ কৰিবলৈও নিৰ্দেশ দিছে। উল্লেখ্য যে পশ্চিমবংগৰ হস্তী দণ্ডিসমূহ সুৰক্ষিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ত কৰা এক আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ন্যায়াধীশ ভি মোহনৰ বিচাৰপীঠে এই নিৰ্দেশ দিছে। আবেদনকাৰীয়ে নেপাল আৰু উত্তৰবংগৰ পৰা ওড়িছা আৰু চত্তিছগড় লৈ বন্যহস্তীৰ প্ৰব্ৰজনৰ ক্ষেত্ৰত বাধা দিয়াৰ বাবে সংশ্লিষ্ট ৰাজ্য দুখনে দেৱাল নিৰ্মাণ কৰি বাধাৰ সৃষ্টি কৰাৰ অভিযোগত উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে বন্যহস্তীৰ মুক্তভাৱে বিচৰণৰ ক্ষেত্ৰত বাধা নিদিবলৈ বা হস্তী দণ্ডিসমূহত দেৱাল নিৰ্মাণ বা অন্য কোনো বাধা সৃষ্টি নকৰিবলৈ নিৰ্দেশ দিয়ে। দেশৰ ক’তো বা কোনো ৰাজ্যতে বন্যহস্তীৰ প্ৰব্ৰজন অৰ্থাৎ হাতীৰ পৰম্পৰাগত দণ্ডিসমূহেৰে অহা-যোৱাত বাধা সৃষ্টি নকৰিবলৈ কোৱা হৈছে। যদিহে হস্তী দণ্ডিত বাধা দিয়া বা দেৱাল নিৰ্মাণ কৰা হৈছে, তেন্তে সেইবিলাক উঠাই দিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিছে। বন্যহস্তীৰ সুৰক্ষা আৰু হাতী-মানুহৰ সংঘাতৰ সমস্যা সমাধানৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশ নিশ্চয় অত্যন্ত গুৰুত্বপূৰ্ণ।

বিশেষকৈ নানান তথাকথিত উন্নয়নমূলক কাৰ্যকলাপ, আন্তঃগাঁথনি আদিৰ নিৰ্মাণ, বেদখল, বনাঞ্চলত মানুহৰ বসতি, বন ধ্বংস আৰু বনাঞ্চলৰ সংকোচন আদিৰ ফলত হস্তী-মানুহৰ সংঘাত অকল্পনীয় হাৰত বৃদ্ধি পাইছে আৰু বৃহৎ সংখ্যক মানুহৰ মৃত্যু হৈছে, বহুতো হাতীৰ মৃত্যু হৈছে। এনে এক পৰিস্থিতিত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে সন্মান জনোৱা আৰু ইয়াক কাৰ্যকৰী কৰাটো জৰুৰী হৈ পৰিছে। বন্যহস্তীৰ জাকবিলাকৰ মুক্ত অহা-যোৱা বা বিচৰণত উপৰি উক্ত বিভিন্ন কাৰণৰ বাধা আহিছে।

দেশৰ আনবিলাক ৰাজ্যৰ লগতে অসমতো বন্যহস্তীৰ পৰম্পৰাগত অহা-যোৱা বাট বা হস্তী দণ্ডিসমূহত নানান বাধা সৃষ্টি কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। কিছুমান হস্তী দণ্ডিত দেৱাল আদি নিৰ্মাণ কৰাৰ বিভিন্ন তথ্য প্ৰকাশ পাইছে। বন ধ্বংস, মানুহৰ বসতি স্থাপন, স্থলপথ, ৰেলপথ নিৰ্মাণ, ঔদ্যোগিক কাৰ্য-কলাপকে ধৰি বিভিন্ন নিৰ্মাণ কাৰ্যৰ বাবে হস্তী দণ্ডিবিলাকত বাধাৰ সৃষ্টি হৈছে, কিছুমান হস্তী দণ্ডি বন্ধ হৈছে বুলি সংবাদ মাধ্যমসমূহত প্ৰকাশ পাইছে। উল্লেখ্য যে অসমত বৰ্তমান ৭৩টা পৰম্পৰাগত হস্তী দণ্ডি বা হাতী পাৰ হোৱা বাটৰ মাত্ৰ ৫৯টাহে সক্ৰিয় হৈ আছে; অৰ্থাৎ ১৪টা নিঃশেষ হৈছে বা সেই বাটেৰে বনৰীয়া হাতী অহা-যোৱা কৰিব নোৱাৰা হৈছে। হাতীৰ অহা-যোৱা বাটবিলাক বন্ধ হৈ পৰাৰ বাবেই হওক, নাইবা বন ধ্বংসৰ ফলত অৰণ্য হ্ৰাস পোৱাৰ বাবেই হওক, বনৰীয়া হাতীৰ জাকবিলাক বৰ্তমান জনবসতিপূৰ্ণ অঞ্চলবিলাকৰ ভিতৰলৈ প্ৰৱেশ কৰিছে। বিশেষকৈ অৰণ্য হ্ৰাসৰ ফলত হাতীৰ খাদ্যৰো অভাৱ হ’বলৈ ধৰিছে আৰু খাদ্যৰ সন্ধানত বন্যহস্তীসমূহে জনবসতিপূৰ্ণ অঞ্চল, বিশেষকৈ কৃষিকৰ্ম কৰা গাঁওবাসীসকলৰ ঘৰ-বাৰী, খেতি-পথাৰত খাদ্যৰ সন্ধান কৰিবলৈ লৈছে। ইয়াৰ ফলত হাতী আৰু মানুহৰ মাজত পোনপটীয়াভাৱে সংঘাত সৃষ্টি হৈছে। বহু ঘৰ-বাৰী ধ্বংস হৈছে, হেজাৰ হেজাৰ বিঘা শস্য নষ্ট হৈছে প্ৰতি বছৰে। প্ৰকাশিত তথ্য অনুসৰি যোৱা ২০০০-২০২৩ৰ সময়ছোৱাত অসমত হাতী-মানুহৰ সংঘাতত ১,৪৬৮ জন লোকৰ মৃত্যু হৈছে। কেৱল গোৱালপাৰা জিলাতেই ১৭৫ জন লোকৰ মৃত্যুৰ তথ্য প্ৰকাশ পাইছে। ইয়াৰ বিপৰীতে শোণিতপুৰ পশ্চিমত ১১০, শোণিতপুৰ পূবত ১৫৬, ওদালগুৰিত ১৬৮ জনৰ মৃত্যু হৈছে বন্যহস্তীৰ আক্ৰমণত। অসমৰ ৫২৭ খন গাঁও এনে বন্যহস্তীৰ আক্ৰমণ অথবা হাতী-মানুহৰ সংঘাতৰ বাবে ক্ষতিগ্ৰস্ত হৈছে বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। যোৰহাট, গোলাঘাটৰ পৰা নগাঁও, কাৰ্বি আংলং, গোৱালপাৰা, ওদালগুৰি, শোণিতপুৰলৈকে প্ৰায় সমগ্ৰ অসমত বৰ্তমান বন্যহস্তীৰ আক্ৰমণ, হাতী-মানুহৰ সংঘাত অব্যাহত আছে। হাতীৰ পৰম্পৰাগত অহা-যোৱা বাট বা হস্তী দণ্ডিত স্থলপথ, ৰেলপথ আদি নিৰ্মাণৰ ফলত, বিশেষকৈ চলন্ত বিদ্যুৎস্পৃষ্ট হৈ বা বিহ খোৱাৰ ফলতো বহুতো হাতীৰ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছে। এইবিলাক হাতী-মানুহৰ সংঘাতৰ ফল। ইতিমধ্যে অসমত বন্যহস্তীৰ সংখ্যা বৃদ্ধি পোৱাৰ তথ্যও প্ৰকাশ পাইছে। শেহতীয়া তথ্য অনুসৰি অসমত বৰ্তমান বনৰীয়া হাতীৰ সংখ্যা ৫,৮২৮টা। একাংশ বিশেষজ্ঞৰ মতে এহাতে অসমত অৰণ্য ধ্বংস বা অৰণ্যৰ সংকোচন ঘটিছে আৰু আনহাতে, হাতীৰ সংখ্যা বৃদ্ধি পাইছে (কিছুমান হাতীৰ মৃত্যু হোৱা সত্ত্বেও)। চিন্তাৰ বিষয় যে হাতী-মানুহৰ সংঘাতৰ সমস্যা দূৰ কৰিবলৈ আৰু বনৰীয়া হাতীৰ আক্ৰমণৰ সমস্যাৰ পৰা ৰক্ষা পোৱাৰ বাবে আজিও কোনো নিৰ্ভৰযোগ্য সমাধান কোনেও দাঙি ধৰিব পৰা নাই। কিছুমানে গাঁও আৰু অৰণ্যৰ মাজত জলকীয়া, আদা, নহৰু, কাজিনেমু, ৰবাব টেঙা আদিৰ খেতি কৰিবলৈ পৰামৰ্শ দিছে। এই ক্ষেত্ৰত হস্তী দণ্ডিসমূহ মুক্ত কৰি ৰখাত বিশেষজ্ঞসকলে বিশেষ গুৰুত্ব দিছে।

## খোলা মঞ্চ

### যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**বিষয়টো** মনঃপূত কিন্তু ইয়াৰ উত্তৰ একে আষাৰে দিয়াটো সমীচিন নহয়, কাৰণ এখন চৰকাৰে নিজৰ দেশৰ তথা যুৱ সমাজৰ উন্নতি সাধন কৰাৰ সংকল্প লোৱা দেখো; কিন্তু বাস্তৱত ৰূপায়িত নহয় কেৰোণ অলেখ আছে। এখন দেশক প্ৰগতিশীল কৰি গঢ়ি তুলিবলৈ হ’লে কিছুমান পদক্ষেপ ল’ব লাগিব।

১। যুৱক সকলক শিক্ষিত কৰি তোলাৰ লগতে কাৰিকৰী শিক্ষা প্ৰদান কৰিব লাগিব।

২। থলুৱা শিল্প উদ্যোগবোৰ আধুনিকীকৰণ কৰাৰ লগতে সেইবোৰ বিক্ৰীৰ বজাৰ তৈয়াৰ কৰা।

৩। কৃষিক্ষেত্ৰত ন ন পদক্ষেপ গ্ৰহণ কৰি যুৱকসকলক জড়িত। উদাহৰণস্বৰূপে মীন পালন বা মাশ্বৰুমৰ খেতি। তাৰ কাৰণে প্ৰশিক্ষণৰ লগতে উপযুক্ত আৰ্থিক সাহায্য প্ৰদান কৰা। বৰ্তমান তেনে পদক্ষেপ চৰকাৰে লোৱা দেখিবলৈ পাইছো; কিন্তু ইয়াৰ সম্পূৰ্ণ কাৰ্যকৰী এতিয়াও হৈ উঠা নাই। পাছলৈ আশা কৰিব পাৰি।

**অনামিকা (সংগীতা) কলিতা**

৪। নীট, জী-টেক আদি পৰীক্ষা শুদ্ধভাৱে ৰূপায়িত কৰা।

৫। ডাঙৰ ডাঙৰ উদ্যোগ আদি প্ৰতিষ্ঠা কৰাৰ সুবিধা প্ৰদান কৰি স্থানীয় যুৱকক নিযুক্তি লাভ কৰাত সুবিধা প্ৰদান কৰা।

কিন্তু বাস্তৱত এখন ওলোটা ছবিহে দেখা পোৱা যায়। চৰকাৰে ব্যক্তিগত খণ্ডৰ বৃহৎ উদ্যোগ নিজৰ দেশলৈ অনাৰ প্ৰয়াস কৰে; কিন্তু সাধাৰণ জনতাৰ পৰা পোৱা কিছুমান বাধাৰ কাৰণে কাৰ্যকৰী নহয়। তেনেদৰে কিছুমান যুৱকে যিকোনো কাম কৰিবলৈ আগ্ৰহী নহয়। তেনে কাম কৰিলে নিজৰ সন্মান লাঘৱ হ’ব বুলি ভাবে। শিক্ষা খণ্ডৰ নিযুক্তিৰ ক্ষেত্ৰত চাবলৈ গ’লে বহুত বছৰ ধৰি কিছুমান শিক্ষিত যুৱকে শিক্ষাদান কৰি থাকে পাছত তেওঁলোকে বেতন নাপায়। তেনেকৈ শিক্ষিত নিবনুৱাৰ সৃষ্টি হয়।

বৰ্তমান যুৱক সকলৰ মানসিকতা পৰিৱৰ্তন হৈছে। তেওঁলোক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰে জ্ঞানৰ আভাষ দাঙি ধৰিব পাৰিছে; কিন্তু সেই হিচাপে চৰকাৰ বা সমাজৰ পৰা সেই সুবিধা পোৱা নাই। কিছু দুৰ্নীতিগ্ৰস্ত লোকৰ কাৰণেও কিছুমান চৰকাৰী আঁচনি ফলপ্ৰসূ নহয়। জনসাধাৰণে ইয়াৰ ব্যৱহাৰ কৰি লাভান্বিত হোৱাৰ পৰা বঞ্চিত হয়। গতিকেঅধিক সমস্যাৰে ভৰপূৰ। তথাপিও আশা কৰিব পাৰি।

ফোন ঃ ৭০০২৯৪২৫৯১

# ভেনিজুৱেলা আৰু কলম্বিয়াৰ ভূমিকম্প

### ভেনিজুৱেলা আৰু কলম্বিয়াৰ দৰে ভূমিকম্পপ্ৰৱণ দেশসমূহৰ বাবে সতৰ্কতা অৱলম্বন কৰিব পৰা পথ জটিল নহয় — ইয়াৰ বাবে ভূমিকম্পৰ ঘননিৰীক্ষণ নেটৱৰ্কৰ বিনিয়োগ, সুৰক্ষিত যোগাযোগ ব্যৱস্থা, ৰাজহুৱা শিক্ষা সম্প্ৰসাৰণ আৰু মানুহে আস্থা ৰাখিব পৰা সতৰ্কীকৰণ ব্যৱস্থা গঢ়ি তুলিব লাগিব



**পংকজ কুমাৰ নেওগ**

**ভূমিকম্প** এতিয়াও কোনোধৰণৰ পূৰ্বসংকেত অবিহনে আহিব পাৰে। কৃত্ৰিম বুদ্ধিমত্তা, উপগ্ৰহ-ভিত্তিক পৰ্যৱেক্ষণ আৰু ঘন ভূকম্পন-নিৰ্ণায়ক নেটৱৰ্কৰ ক্ষেত্ৰত যোৱা দশক জুৰি হোৱা ব্যাপক অগ্ৰগতি সত্ত্বেও বিজ্ঞানীসকলে এই কঠোৰ সত্য মানি ল’বলৈ বাধ্য হৈছে। ভূমিকম্প আৰম্ভ হোৱাৰ পাছত চিনাক্তকৰণৰ ক্ষেত্ৰত আমি পূৰ্বতকৈ বহুত দক্ষ হৈ উঠিছো আৰু ইয়াৰ ফলত সম্ভাব্য ক্ষয়-ক্ষতিৰ পৰিমাণ অনুমান কৰাৰ ক্ষমতাও আমাৰ বাঢ়িছে; কিন্তু ভৱিষ্যতে হ’বলগীয়া কোনো ভূমিকম্পৰ সঠিক সময়, স্থান আৰু তীব্ৰতা সম্পৰ্কে আমি এতিয়াও একো আগজাননী দিব নোৱাৰো। এই বিষয়টো আপাতদৃষ্টিত বিফলতা যেন ভাৱ হ’লেও প্ৰকৃততে তেনে নহয়। যোৱা ১০ বছৰত ভূমিকম্পৰ গৱেষণা অধিক বাস্তৱসন্মত হৈ পৰিছে। ভূমিকম্পৰ নিখুঁত ভৱিষ্যদ্বাণীৰ পৰিৱৰ্তে বিজ্ঞানীসকলে এতিয়া এনে কিছুমান বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে যিবোৰে প্ৰকৃততে মানুহৰ জীৱন বচাব পাৰে। এইবোৰৰ ভিতৰত হ’ল উন্নত বিপদৰ পূৰ্বাভাস, দ্ৰুত চিনাক্তকৰণ আৰু ভূমিকম্পৰ আগতীয়া সতৰ্কবাণী ব্যৱস্থা যিয়ে মানুহক তীব্ৰ জোঁকাৰণি আৰম্ভ হোৱাৰ পূৰ্বেই প্ৰয়োজনীয় পদক্ষেপ ল’বলৈ কিছু সময় দিব পাৰে। কেইছেকেণ্ডমানৰ সময় খুব সামান্য যেন লাগিলেও ভূমিকম্পৰ সময়ত এই সামান্য সময়খিনিয়েই ওপৰৰ পৰা ভাঙি পৰা কাঁচৰ তলত থিয় হ’বলগীয়া আৰু কোনো মজবুত টেবুলৰ তলত আশ্ৰয় ল’ব পৰা পৰিস্থিতিৰ পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে।

আগতীয়া সতৰ্কবাণী ব্যৱস্থাই কোনো ফাল্ট বা চ্যুতি ফাটিবলৈ আৰম্ভ কৰাৰ পাছত প্ৰথম দ্ৰুত গতিসম্পন্ন ভূমিকম্পীয় তৰংগ ধৰা পেলাব পাৰে। ইয়াৰ পাছতে সৃষ্টি হোৱা তীব্ৰ জোঁকাৰণিৰ তুলনাত এই তৰংগবোৰ কম ক্ষতিকাৰক। যিহেতু ইলেকট্ৰনিক সংকেতবোৰে ভূমিকম্পীয় তৰংগতকৈ মাটিৰে বেছি বেগেৰে যাত্ৰা কৰে, মানুহে সতৰ্কবাণী প্ৰথমে লাভ কৰা সম্ভৱ। জাপান, মেক্সিকো, টাইৱান আৰু আমেৰিকাৰ দৰে ভূমিকম্পপ্ৰৱণ দেশসমূহত আনকি পাঁচৰ পৰা ২০ ছেকেণ্ডৰ পূৰ্বৰ সতৰ্কবাণীসমূহেও দুৰ্যোগ হ্ৰাস কৰাৰ লগতে আন্তঃগাঁথনি ৰক্ষাত সহায় কৰা দেখা গৈছে। কিন্তু যোৱা দশকটোত এই ব্যৱস্থাসমূহৰ সীমাবদ্ধতা পৰিলক্ষিত হৈছে। এই সতৰ্কীকৰণসমূহ সকলোৰে বাবে সমানভাৱে কাৰ্যকৰী নহয়। ভূমিকম্পৰ কেন্দ্ৰস্থলৰ কাষত থকা লোকসকলে হয়তো কোনো সতৰ্কবাণী লাভ নকৰিব পাৰে কাৰণ সতৰ্কবাণী প্ৰক্ৰিয়াকৰণ কৰি প্ৰেৰণ কৰাৰ আগতেই ভূমিকম্পৰ তৰংগ সেই ঠাই গৈ পায়। এনে ধৰণৰ অঞ্চলক ‘ব্লাইণ্ড জ’ন’ বা ‘অন্ধ অঞ্চল’বুলি কোৱা হয়। ই কোনো ডিজাইনৰ ত্ৰুটি নহয় বৰঞ্চ এটা শাৰীৰিক সীমাবদ্ধতা।

আন এটা শিক্ষা হ’ল যে ডাঙৰ ভূমিকম্পবোৰ আমি ভবাতকৈ প্ৰায়ে বেছি জটিল। এনেবোৰ ভূমিকম্পই সকলো সময়তে একোটা পৰিষ্কাৰ বা নিখুঁত ফাটৰ সৃষ্টি নকৰে। কিছু ভূমিকম্প একাধিক ‘ফল্ট ছেগমেন্ট’ জুৰি বিয়পি পৰে অথবা ক্ৰমিক প্ৰক্ৰিয়াৰে ফাটৰ সৃষ্টি কৰে। ইয়াৰ ফলত এনে ঘটনাৰ মাত্ৰা খৰকৈ অনুমান কৰা কঠিন হয় আৰু প্ৰথম কেইছকেণ্ডৰ গুৰুত্বপূৰ্ণ সময়ত আগতীয়া সতৰ্কবাণীৰ নিৰ্ভুলতা হ্ৰাস কৰিব পাৰে। সতৰ্কীকৰণ ব্যৱস্থাই বুজিবলৈ চেষ্টা কৰি থকাৰ সময়তে হয়তো ভূমিকম্প চলি থাকিব পাৰে। কৃত্ৰিম বুদ্ধিমত্তাই এনেবোৰ ক্ষেত্ৰত এতিয়া সহায় কৰিবলৈ সক্ষম হৈছে। গভীৰ শিক্ষণ ব্যৱস্থাই কিছুমান পৰম্পৰাগত পদ্ধতিতকৈ ভূমিকম্পৰ সংকেত দ্ৰুতভাৱে ধৰা পেলাব পাৰে আৰু স্থান-মাত্ৰাৰ দ্ৰুত অনুমান উন্নত কৰিব পাৰে। কিন্তু এআইয়ে ভৱিষ্যদ্বাণীৰ সমস্যা সমাধান কৰিব পৰা নাই। ই এতিয়াও উচ্চমানৰ ভূ-কম্পন সম্পৰ্কীয় তথ্য আৰু শক্তিশালী নিৰীক্ষণ নেটৱৰ্কৰ ওপৰত নিৰ্ভৰশীল।

এটা আশাব্যঞ্জক অগ্ৰগতি হ’ল ভূকম্পনৰ চেন্সৰ হিচাপে স্মাৰ্টফোনৰ ব্যৱহাৰ। ‘আৰ্থকুৱেক নেটৱৰ্ক এপ’ হৈছে স্মাৰ্টফোনৰ ব্যৱহাৰেৰে কৰিব পৰা ৰাজহুৱা ভূমিকম্পৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা। ই ব্যৱহাৰকাৰীৰ ফোনক গতি চেন্সৰলৈ ৰূপান্তৰিত কৰি বাস্তৱ সময়ত ভূমিকম্প ধৰা পেলায়। যেতিয়া ভূমিকম্প ধৰা পৰে, এপটোৱে ব্যৱহাৰকাৰীলৈ সতৰ্কবাণী প্ৰেৰণ কৰে। ‘মাইশ্বেক’ আৰু ‘এণ্ড্ৰইড আৰ্থকুৱেক এলাৰ্ট’ৰ দৰে ভূমিকম্পৰ সতৰ্কবাণীৰ এপসমূহে দেখুৱাইছে যে লাখ লাখ ফোন এটা বিস্তৃত সতৰ্কীকৰণ নেটৱৰ্ক হিচাপে কাম কৰিব পাৰে। কম আয়ৰ দেশসমূহৰ বাবে এইটো বিশেষকৈ গুৰুত্বপূৰ্ণ যিহেতু ঘন পৰম্পৰাগত ভূমিকম্পীয় আন্তঃগাঁথনিৰ খৰচ বহন কৰা এই দেশসমূহৰ বাবে ব্যয়বহুল। শেহতীয়াকৈ এণ্ড্ৰইড ফোনযোগে ভূমিকম্প ধৰা পেলোৱা ছফটৱেৰ আৰ্থকুৱেক নেটৱৰ্ক এপ’ৰ বিশ্বব্যাপী প্ৰচলনে ৯৮খন দেশৰ ২৫০ কোটি লোকলৈ ভূমিকম্পৰ সতৰ্কীকৰণ সম্প্ৰসাৰিত কৰিছে।

গৱেষণাৰ পৰা এইটোও দেখা গৈছে যে কেৱল প্ৰযুক্তিয়েই যথেষ্ট নহয়। সতৰ্কবাণী এটাই সহায় কৰিব পাৰে যদিহে মানুহে ইয়াক বিশ্বাস কৰে, বুজি পায় আৰু কেনেকৈ



সঁহাৰি জনাব লাগে সেই কথা জানে। জনশিক্ষা, সুস্পষ্ট যোগাযোগ, ঘৰৰ নিৰাপদ স্থান চিনাক্তকৰণ, জৰুৰীকালীন কিট প্ৰস্তুতি আৰু ‘মক’ ভূমিকম্পৰ অনুশীলন আদি সৰল সুৰক্ষামূলক ব্যৱস্থা চেন্সৰ আৰু ছফটৱেৰৰ দৰেই গুৰুত্বপূৰ্ণ। মানুহক বিভ্ৰান্ত কৰা সতৰ্কবাণীক মুঠেই সতৰ্কবাণী হিচাপে ল’ব নোৱাৰি। উদাহৰণস্বৰূপে, প্ৰতিটো আফটাৰশ্বকৰ পাছত জাৰি কৰা সতৰ্কবাণীসমূহ নতুন বৃহৎ ভূমিকম্পৰ বিষয়ে মানুহক সতৰ্ক কৰি দিয়াৰ দৰে কাৰ্যকৰী নহয়। এই শিক্ষাবোৰে ভেনিজুৱেলাত প্ৰকৃততে কি ভুল হৈছিল সেই কথা বুজিবলৈ সহায় কৰে। জাপান বা মেক্সিকোৰ দৰে বৃহৎ পৰিসৰৰ পৰিপক্ক দেশজোৰা ৰাজহুৱা ভূমিকম্পৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা ভেনিজুৱেলাই গঢ়ি তুলিব পৰা নাই অৰ্থাৎ আৰম্ভণিৰে পৰাই সতৰ্ক কৰাৰ ক্ষমতা সীমিত আছিল। অৱশ্যে কিছুসংখ্যক লোকে গুগলৰ এণ্ড্ৰইড ভূমিকম্প সতৰ্কবাণী ব্যৱস্থাৰ জৰিয়তে জোঁকাৰণি আৰম্ভ হোৱাৰ কেইছেকেণ্ডৰ পৰা কেইমিনিটৰ পূৰ্বে সতৰ্কবাৰ্তা লাভ কৰিছিল। সেইদৰে কলম্বিয়াত ভূমিকম্পৰ আগতীয়া সতৰ্কবাৰ্তা প্ৰদানৰ কোনো সুনিৰ্দিষ্ট আৰু দেশজোৰা চৰকাৰী ব্যৱস্থা নাই। যদিও ‘ছাৰ্ভিচিঅ’ জিঅ’লজিকো কলম্বিয়ানো’ ২০০ৰো বেছি ভূকম্পন পৰ্যৱেক্ষণ কেন্দ্ৰ পৰিচালনা কৰে এই যন্ত্ৰসমূহে কেৱল চলি থকা ভূকম্পনহে চিনাক্ত কৰিব পাৰে; জোঁকাৰণি আৰম্ভ হোৱাৰ আগতে ভৱিষ্যদ্বাণী বা জনসাধাৰণক আগতীয়াকৈ সতৰ্কবাৰ্তা জাৰি কৰাৰ ক্ষমতা ইহঁতৰ নাই। স্মাৰ্টফোন-ভিত্তিক কিছু ‘ক্ৰাউডছ’ৰ্চড’ প্লেটফৰ্ম ‘যেনে এণ্ড্ৰইড আৰ্থকুৱেক আৰ্লি ৱাৰ্ণিং ছিষ্টেম সক্ৰিয় হ’লে স্থানীয় পৰ্যায়ত হয়তো সতৰ্কবাৰ্তা দিব পৰা যাব কিন্তু আনুষ্ঠানিক ৰাজ্যচলিত কোনো আন্তঃগাঁথনি অনুপস্থিত।

কে’বাটাও দুৰ্বলতাই হয়তো সমস্যা আৰু বেছি জটিল কৰি তুলিছিল। যদি মানুহ ফাঁট মেলা অঞ্চলৰ ওচৰে-পাঁজৰে থাকে তেন্তে সতৰ্ক হোৱাৰ সুযোগ যথেষ্ট হ্ৰাস পায়। প্ৰাথমিক প্ৰতিবেদনসমূহে ইংগিত দিছিল যে ভেনিজুৱেলাত দুটা বৃহৎ ভূমিকম্প একেৰাহে সংঘটিত হৈছিল আৰু এই পৰিঘটনাই যিকোনো সতৰ্কীকৰণ ব্যৱস্থাৰ বাবে দ্ৰুতভাৱে চিনাক্তকৰণ কৰা কঠিন কৰি তুলিছিল। ইয়াৰ ফলত স্মাৰ্টফোন এপৰ লগতে ৰাষ্ট্ৰীয় পূৰ্ব-সতৰ্কতামূলক ব্যৱস্থাতো সংকেত বিভ্ৰান্তিৰ সৃষ্টি হোৱা যেন লাগে। সাম্প্ৰতিক ভূ-কম্পনজনিত কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত কলম্বিয়াই নিজৰ দুৰ্যোগ মোকাবিলা ব্যৱস্থাক সক্ৰিয়ভাৱে আধুনিক কৰি তুলিছে। কলম্বিয়াৰ ভূতাত্ত্বিক সেৱা ‘এছজিচি’ আৰু নেচনেল ইউনিট ফৰ ডিজাষ্টাৰ ৰিস্ক মেনেজমেণ্টে ‘ইউএনজিআৰডি’ আঞ্চলিক নিৰীক্ষণ আৰু সতৰ্কবাৰ্তা প্ৰদানৰ পৰিচালনা কৰে যদিও এনইচি কৰ্প’ৰেছনৰ দৰে সাম্প্ৰতিক আন্তৰ্জাতিক অংশীদাৰিত্বসমূহে জাপানী আইচিটি প্ৰযুক্তিৰ স’তে পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছে। এই ব্যৱস্থাই ভূমিকম্পৰ আগতীয়া সতৰ্কবাণী ব্যৱস্থা নিয়োগ কৰাত গুৰুত্ব আৰোপ কৰিছে যাতে ভূমিকম্পৰ ঠিক পূৰ্বে অত্যন্ত গুৰুত্বপূৰ্ণ কেইছেকেণ্ডমানৰ আগতীয়া জাননী দিব পাৰে।

বিগত দশকৰ ভূমিকম্পবোৰৰ পৰা যথেষ্ট শিক্ষা আহৰণ কৰিব পৰা গৈছে। আটাইতকৈ ডাঙৰ অগ্ৰগতি ভূমিকম্পৰ ভৱিষ্যদ্বাণী কৰিব পৰা নহয় বৰঞ্চ এখন সমাজে ইয়াক কিমান দ্ৰুতভাৱে ধৰা পেলাব পাৰে, বিপদৰ বাৰ্তা প্ৰচাৰ কৰাৰ লগতে তাৎক্ষণিক প্ৰতিক্ৰিয়াৰ দ্বাৰা সমাজৰ সক্ষমতা বৃদ্ধি প্ৰকাশ কৰিব পাৰে তেনেধৰণৰ উন্নতিৰ যোগেৰেহে আহিছে। ভেনিজুৱেলা আৰু কলম্বিয়াৰ দৰে ভূমিকম্পপ্ৰৱণ দেশসমূহৰ বাবে সতৰ্কতা অৱলম্বন কৰিব পৰা পথ জটিল নহয় — ইয়াৰ বাবে ভূমিকম্পৰ ঘননিৰীক্ষণ নেটৱৰ্কৰ বিনিয়োগ, সুৰক্ষিত যোগাযোগ ব্যৱস্থা, ৰাজহুৱা শিক্ষা সম্প্ৰসাৰণ আৰু মানুহে আস্থা ৰাখিব পৰা সতৰ্কীকৰণ ব্যৱস্থা গঢ়ি তুলিব লাগিব। ভূমিকম্প কেতিয়াও ৰোধ কৰিব নোৱাৰি; কিন্তু সঠিক প্ৰস্তুতিৰে বৃহৎ মাত্ৰাৰ ভূমিকম্পক ভয়াবহ বিপৰ্যয় ৰূপ লোৱাৰ পৰা বাধা দিব পাৰি।

ফোন ঃ ৮৪৫৩০ ৫৮৪৩৫

# লাজ

### স্বাভাৱিক অৱস্থাত এজন ব্যক্তিৰ শালীনতা বা লাজ থকাটো সাধাৰণ কথা; কিন্তু সীমা অতিক্ৰম কৰিলে ই হীনমন্যতাৰ ৰূপ লয়। তেনে ক্ষেত্ৰত ব্যক্তিগত, সামাজিক আৰু কৰ্ম জীৱনত অথন্তৰ লগাটো তেনেই সাধাৰণ। এনে হীনমন্যতাই জীৱনলৈ এদিন ভয়াৱহ দুৰ্যোগ নমাই অনাৰ কথা নুই কৰিব নোৱাৰি। আত্মবিশ্বাস বৃদ্ধি আৰু ইতিবাচক চিন্তাৰ মাজেদিহে লাজৰ নেতিবাচক প্ৰভাৱবোৰ আঁতৰাব পৰা যায়।

অৱলোকন



**চাইৰা ইছলাম বড়া**

**লাজ** এনে এটা চিনাকি শব্দ, যিটো শব্দৰ মহত্ত্ব আমি সকলোৱে জীৱনক বুজি পোৱাৰ দিনৰ পৰাই গভীৰভাৱে উপলব্ধি কৰো। লাজ শব্দটোৰ স’তে আত্মসন্মান আৰু মূল্যবোধ জড়িত হৈ আছে। যিহেতু ই মানৱ সমাজৰ এক অপৰিহাৰ্য অংশ, জীৱনৰ এক অন্যতম মানসিক আৰু নৈতিক অনুভূতি। মানৱীয় আচৰণসমূহৰ ভিতৰত লাজ আটাইতকৈ গুৰুত্বপূৰ্ণ অনুভূতি। শিশু কালৰ পৰা নৈতিক শিক্ষাৰ অংশ হিচাপে লাজৰ আৱৰণ মানুহৰ স্বভাৱত স্বতঃস্ফূৰ্তভাৱে সোমাই পৰে। যিহেতু লাজে মানুহক অশালীন কাম, অপকৰ্ম আদিৰ দৰে অশোভনীয় পৰিস্থিতিৰ পৰা বচাই সংযত কৰি ৰাখে। ইয়াৰ উপৰি লাজ হৈছে নিজৰ ভুল আচৰণৰ বাবে অনুভৱ কৰা এক মানসিক আত্মগ্লানি। এক কথাত ক’বলৈ গ’লে লাজ আমাৰ চৰিত্ৰৰ মুকুট স্বৰূপ। লাজৰ অবিহনে মানুহ আৰু পশুৰ মাজত কোনো পাৰ্থক্য নাথাকে। বিবেক আৰু লাজৰ অনুভূতিয়েহে মানুহক পশুৰ পৰা পৃথক কৰি ৰাখে। সৰ্বসাধাৰণৰ মাজত শিষ্টাচাৰ বজাই ৰখাৰ বাবে লাজেই হৈছে সৰ্বোত্তম মাধ্যম। অৱশ্যে লাজৰ পৰিধি কেৱল আত্মসংযমৰ মাজতেই সীমাবদ্ধ থাকিব লাগে, কোনো কাৰণতে যাতে ই ভয় বা জড়তালৈ পৰিৱৰ্তিত হৈ জীৱনৰ অগ্ৰগতিত বিধি পথালি দিব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত। যিহেতু অতিমাত্ৰা লাজ মানুহৰ উন্নতিৰ পথত হেঙাৰ হৈ পৰে।

ইয়াৰ ফলশ্ৰুতিত ভুক্তভোগীসকলে উপযুক্ত সময়ত সুপ্ত প্ৰতিভাৰ বিকাশ ঘটাব নোৱাৰি জীৱন বাটত পিছপৰি ৰ’ব লগা যন্ত্ৰণাকাতৰ পৰিস্থিতি আহি পৰে। অজান আশংকাত ব্যক্তি বিশেষৰ মাজত গঢ়ি উঠা অতিমাত্ৰা হীনমন্যতা বা সংকোচবোধ জীৱন বাটত আগুৱাই যাব নোৱাৰাৰ প্ৰধান অন্তৰায়। লাজ মানুহৰ চৰিত্ৰৰ এনে এক ভূষণ, যিয়ে নেকি সমাজত শৃংখলা আৰু শালীনতা বৰ্তাই ৰখাত সহায় কৰে। লাজ হৈছে সামাজিক মৰ্যাদা, আত্মসন্মান আৰু বিবেকৰ লগত জড়িত এক মানসিক অনুভূতি, ই হ’ব লাগে কেৱল অন্যায় আৰু অসৎ কৰ্মৰ প্ৰতিহে।লাজে মানুহক সংযত কৰি ৰখাৰ লগতে সুশৃংখল জীৱন গঢ়াত সহায় কৰে। ই মানুহৰ নৈতিক চৰিত্ৰ গঠন, আত্মনিয়ন্ত্ৰণ, শালীনতা ৰক্ষা আৰু সামাজিক শৃংখলা বজাই ৰখাত এক শক্তিশালী ভূমিকা পালন কৰে। অসমীয়া সংস্কৃতিত লাজক নাৰীৰ ভূষণ হিচাপে গণ্য কৰা হয়। মানুহৰ সদ্ গুণসমূহৰ ভিতৰত লাজক অন্যতম হিচাপে গুৰুত্ব আৰোপ কৰা হয়। লাজ অবিহনে সমাজ শৃংখলাবদ্ধ হ’ব নোৱাৰে। লাজ নথকা লোকক নিৰ্লজ্জ বুলি জ্ঞান কৰা হয়। এজন সুস্থ মগজুৰ ব্যক্তিয়ে কেতিয়াও নিৰ্লজ্জ আচৰণ কৰিব নোৱাৰে। যিহেতু ভদ্ৰ আচৰণ আৰু শালীনতা ৰক্ষাইহে মানুহক অন্য প্ৰাণীৰ পৰা পৃথক কৰি



জীৱশ্ৰেষ্ঠৰ আখ্যা দিছে।

প্ৰকৃততে লাজ অনুভৱ কৰা অৰ্থই হৈছে নিজৰ দোষ স্বীকাৰ কৰিব পৰা মনৰ শক্তি। সহজ অৰ্থত লাজ হৈছে আত্মসন্মান, সামাজিক মৰ্যাদা আৰু বিবেকৰ লগত জড়িত এক মানসিক অনুভূতি। স্বাভাৱিক মাত্ৰাত লাজ থাকিলে মানুহ নম্ৰ ভদ্ৰ হয়, কিন্তু কিছুমান লোক স্বভাৱগতভাৱেই অতিমাত্ৰা লাজকুৰীয়া। এক অজান আশংকাৰ সংকোচবোধে তেওঁলোকৰ মনত ক্ৰিয়া কৰি থাকে বাবে সকলোৱে লগত সহজ হ’ব নোৱাৰে, নিজৰ যোগ্যতা প্ৰকাশত বাধাপ্ৰাপ্ত হয়। অহেতুক লাজে ব্যক্তিত্ব বিকাশতো বাধাৰ সৃষ্টি কৰে। সেয়ে হীনমন্যতা বা লাজ উন্নতিৰ পথত কেতিয়াও হেঙাৰ হ’ব নালাগে। জন সমাগমৰ মাজত নিজৰ মন্তব্য প্ৰকাশ কৰিবলৈ সংকোচ কৰাটোও একপ্ৰকাৰ অহেতুক লাজ। মুখ খুলি নিজৰ বক্তব্য প্ৰকাশ কৰিব নোৱাৰাৰ বাবে কৰ্মক্ষেত্ৰতো বেমেজালিৰ সৃষ্টি হৈ প্ৰগতিৰ গতি মন্থৰ হয়। ইয়াৰ উপৰি নতুন চিনাকি লোকৰ স’তে কথা পাতিবলৈ সংকোচ কৰা বাবে সামাজিক অনুষ্ঠান আদিৰ পৰা দূৰত্ব বৰ্তাই ৰখাৰ ফলত বহু সময়ত একাকীত্বত ভুগিব লগা অৱস্থা আহি পৰে। একমাত্ৰ অত্যধিক লাজৰ বাবেই উচিত সময়ত সঠিক সিদ্ধান্ত ল’ব নোৱাৰি বহু মূল্যবান সুযোগ হেৰুৱাব লগাও হয়। ইয়াৰ ফলত আত্মবিশ্বাস হ্ৰাস পায় ব্যক্তিত্ব বিকাশত বাধাপ্ৰাপ্ত হয়। জীৱনৰ প্ৰত্যাহ্বানবোৰ বিশ্বাসীজনৰ স’তে ভাগ-বাটোৱাৰা নকৰি মনৰ ভিতৰতে দমাই ৰাখিলে কালক্ৰমত মানসিক চাপ বা হতাশালৈ পৰিৱৰ্তিত হৈ ভৱিষ্যত জীৱন অন্ধকাৰ হৈ পৰে। স্বাভাৱিক অৱস্থাত এজন ব্যক্তিৰ শালীনতা বা লাজ থকাটো সাধাৰণ কথা; কিন্তু সীমা অতিক্ৰম কৰিলে ই হীনমন্যতাৰ ৰূপ লয়। তেনে ক্ষেত্ৰত ব্যক্তিগত, সামাজিক আৰু কৰ্ম জীৱনত অথন্তৰ লগাটো তেনেই সাধাৰণ। এনে হীনমন্যতাই জীৱনলৈ এদিন ভয়াৱহ দুৰ্যোগ নমাই অনাৰ কথা নুই কৰিব নোৱাৰি। আত্মবিশ্বাস বৃদ্ধি আৰু ইতিবাচক চিন্তাৰ মাজেদিহে লাজৰ নেতিবাচক প্ৰভাৱবোৰ আঁতৰাব পৰা যায়। সেয়ে সীমাৰ ভিতৰত থকা সকলো মানৱীয় গুণেই আদৰণীয়, অন্যথা হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই অধিক।

ফোন ঃ ৯১০১৫১৭৮৪৭

# সকলো কৰ্মচাৰীৰ বাবে সমান পদোন্নতিৰ সুযোগ ঃ যোগ্যতা থাকিলে আগবাঢ়ি যোৱাৰ অধিকাৰ লাগে

অভিমত

**চৰকাৰী** ব্যৱস্থা এখন সুসংগঠিত আৰু জনমুখী কৰি তোলাৰ ক্ষেত্ৰত কৰ্মচাৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অসমৰ চৰকাৰী বিভিন্ন বিভাগত বহু সংখ্যক কৰ্মচাৰীয়ে নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰে নিজৰ কৰ্তব্য পালন কৰি আহিছে। কিন্তু কৰ্মজীৱনত দক্ষতা, অভিজ্ঞতা আৰু যোগ্যতাৰ উপযুক্ত স্বীকৃতি লাভ কৰাটো প্ৰতিজন কৰ্মচাৰীৰ এক ন্যায্য অধিকাৰ। সেয়েহে অসম চৰকাৰৰ সকলো কৰ্মচাৰীৰ বাবে স্বচ্ছ, ন্যায়সংগত আৰু যোগ্যতাভিত্তিক পদোন্নতিৰ ব্যৱস্থা থকাটো অত্যন্ত প্ৰয়োজনীয়।

বৰ্তমান বহু চৰকাৰী বিভাগত পদোন্নতিৰ সুযোগ নিৰ্দিষ্ট পদ, বিভাগীয় নিয়ম বা খালী পদৰ ওপৰত নিৰ্ভৰশীল। ফলত একাংশ কৰ্মচাৰীয়ে দীঘলীয়া সময় ধৰি একেটা পদতে সেৱা আগবঢ়াবলগীয়া হয়। বহু সময়ত কৰ্মচাৰীৰ শিক্ষাগত অৰ্হতা, কৰ্মদক্ষতা, অভিজ্ঞতা আৰু নেতৃত্ব দিয়াৰ সামৰ্থ্য থাকিলেও উপযুক্ত সুযোগৰ অভাৱত তেওঁলোকৰ প্ৰতিভা সম্পূৰ্ণৰূপে ব্যৱহাৰ নহয়।

এনে পৰিস্থিতিয়ে কৰ্মচাৰীৰ মনোবল হ্ৰাস কৰাৰ লগতে প্ৰশাসনৰ কাৰ্যক্ষমতাতো প্ৰভাৱ পেলাব পাৰে।

সেয়েহে ‘এজন কৰ্মচাৰী-এটা পদ’ এই সীমাবদ্ধ ধাৰণাৰ পৰিৱৰ্তে ‘যোগ্যতা, অভিজ্ঞতা আৰু কৰ্মদক্ষতাৰ ভিত্তিত আগবাঢ়ি যোৱাৰ সুযোগ’ সৃষ্টি কৰাটো সময়ৰ দাবী। কৰ্মচাৰীৰ সেৱাকাল, শিক্ষাগত অৰ্হতা, বিভাগীয় পৰীক্ষা, কৰ্মদক্ষতা, সততা আৰু প্ৰশিক্ষণৰ ভিত্তিত পদোন্নতিৰ এক সুসংহত ব্যৱস্থা গঢ়ি তুলিব পাৰি।

ইয়াৰ লগতে এটা গুৰুত্বপূৰ্ণ বিষয় হ’ল এটা বিভাগৰ পৰা আন এটা বিভাগলৈ যোগ্যতা অনুসৰি পদোন্নতি বা কেৰিয়াৰ অগ্ৰগতিৰ সুযোগ। উদাহৰণস্বৰূপে, কোনো কৰ্মচাৰীৰ উচ্চ শিক্ষাগত অৰ্হতা, প্ৰশাসনিক দক্ষতা বা বিশেষ কাৰিকৰী জ্ঞান থাকিলে, উপযুক্ত পৰীক্ষা বা বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে আন বিভাগৰ উচ্চতৰ পদৰ বাবে আবেদন কৰাৰ সুযোগ থাকিব পাৰে। অৱশ্যে এনে ব্যৱস্থা স্বচ্ছ প্ৰতিযোগিতা, সংৰক্ষণ নীতি, সেৱা বিধি আৰু বিভাগীয় প্ৰয়োজনীয়তাৰ স’তে সামঞ্জস্য ৰাখি ৰূপায়ণ কৰিব লাগিব।

এনে আন্তঃবিভাগীয় কেৰিয়াৰ ব্যৱস্থাই চৰকাৰী প্ৰশাসনত প্ৰতিভাৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰিব। এজন কৰ্মচাৰী যি বিভাগত প্ৰথমে নিযুক্তি লাভ কৰিছে, তেওঁ সদায় সেই বিভাগতেই সীমাবদ্ধ হৈ থাকিব লাগিব বুলি ধাৰণা কৰাটো আধুনিক প্ৰশাসনৰ ক্ষেত্ৰত পুনৰ বিবেচনা কৰাৰ প্ৰয়োজন আছে। যোগ্যতা আৰু দক্ষতাৰ ভিত্তিত কৰ্মচাৰীক নতুন দায়িত্ব গ্ৰহণৰ সুযোগ দিলে চৰকাৰী ব্যৱস্থাত নতুন চিন্তা, উদ্ভাৱনী ক্ষমতা আৰু কৰ্মস্পৃহা বৃদ্ধি পাব।

পদোন্নতিৰ ব্যৱস্থাটো অৱশ্যে কেৱল জ্যেষ্ঠতাৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়। জ্যেষ্ঠতা, যোগ্যতা, কৰ্মদক্ষতা, অভিজ্ঞতা আৰু সততা-এই সকলোকে সমন্বিত কৰি এক




মূল্যায়ন পদ্ধতি গঢ়ি তোলা উচিত। লগতে পদোন্নতিৰ প্ৰক্ৰিয়া যাতে কোনো ধৰণৰ পক্ষপাতিত্ব, ৰাজনৈতিক প্ৰভাৱ বা ব্যক্তিগত পছন্দ-অপছন্দৰ দ্বাৰা প্ৰভাৱিত নহয়, তাৰ বাবে স্পষ্ট আৰু জবাবদিহিমূলক নিয়ম থাকিব লাগে।

এনে ব্যৱস্থাৰ আন এটা ডাঙৰ সুফল হ’ব কৰ্মচাৰীৰ মাজত ইতিবাচক প্ৰতিযোগিতা বৃদ্ধি। যদি এজন কৰ্মচাৰীয়ে জানে যে তেওঁৰ পৰিশ্ৰম, দক্ষতা আৰু শিক্ষাগত উন্নয়নে ভৱিষ্যতে উচ্চ পদ লাভৰ পথ মুকলি কৰিব পাৰে, তেন্তে তেওঁ নিজৰ জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰিবলৈ অধিক উৎসাহিত হ’ব। ফলত ব্যক্তিগত উন্নয়নৰ লগতে চৰকাৰী সেৱাৰ মানো উন্নত হ’ব।

অৱশ্যে আন্তঃবিভাগীয় পদোন্নতিৰ ক্ষেত্ৰত কিছুমান সুৰক্ষা ব্যৱস্থাও প্ৰয়োজন। প্ৰতিটো পদৰ বাবে প্ৰয়োজনীয় শিক্ষাগত আৰু কাৰিকৰী অৰ্হতা স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগিব।

প্ৰতিযোগিতামূলক পৰীক্ষা, দক্ষতা পৰীক্ষা বা সাক্ষাৎকাৰৰ দৰে স্বচ্ছ পদ্ধতি ব্যৱহাৰ কৰিব পাৰি। লগতে কোনো বিভাগৰ মূল কৰ্মচাৰীৰ পদোন্নতিৰ সুযোগ যাতে অন্যায়ভাৱে সংকুচিত নহয়, তাৰ বাবেও উপযুক্ত অনুপাত আৰু নীতি নিৰ্ধাৰণ কৰিব লাগিব। চৰকাৰী কৰ্মচাৰী কেৱল এটা পদত কাম কৰা ব্যক্তি নহয়, তেওঁ চৰকাৰী সেৱা ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁৰ অভিজ্ঞতা, জ্ঞান আৰু দক্ষতাক সঠিকভাৱে ব্যৱহাৰ কৰাটো চৰকাৰৰ দায়িত্ব। সেয়েহে অসম চৰকাৰে সকলো বিভাগৰ কৰ্মচাৰীৰ বাবে স্বচ্ছ, যোগ্যতাভিত্তিক, সময়সীমাবদ্ধ আৰু আন্তঃবিভাগীয় কেৰিয়াৰ অগ্ৰগতিৰ সুযোগ সৃষ্টি কৰাৰ বিষয়ে চিন্তা কৰা উচিত।

কৰ্মচাৰীৰ উন্নতি মানেই প্ৰশাসনৰ উন্নতি। যোগ্য কৰ্মচাৰীক যোগ্যতাৰ মৰ্যাদা দিলে তেওঁলোকৰ মনোবল বৃদ্ধি পাব, কৰ্মদক্ষতা উন্নত হ’ব আৰু জনসেৱা অধিক শক্তিশালী হ’ব। সেয়েহে ‘য’তেই নিযুক্তি হওক, যোগ্যতা থাকিলে আগবাঢ়ি যোৱাৰ অধিকাৰ থাকক’— এই নীতিক আধুনিক আৰু জনমুখী অসম চৰকাৰী প্ৰশাসনৰ অন্যতম লক্ষ্য হিচাপে গ্ৰহণ কৰা উচিত।

**গোলাপ চাংমাহ**

ফোন ঃ ৮৬৩৮৭৩৩৭৯৫

# দেখা-দেখিৰ সমাজ আৰু হেৰাই যোৱা মৌলিকতা

**কানুপ্ৰিয়া ডেকা**

**মানুহ** সমাজবদ্ধ জীৱ। জন্মৰ পৰা মৃত্যুলৈকে মানুহে সমাজৰ মাজতেই নিজৰ পৰিচয় বিচাৰে। সমাজে মানুহক শিকায়, গঢ় দিয়ে, চিন্তা কৰিবলৈ বাধ্য কৰে আৰু কেতিয়াবা অজানিতেই মানুহৰ চিন্তাধাৰাৰ সীমাও নিৰ্ধাৰণ কৰি দিয়ে। কিন্তু আধুনিক সমাজৰ এক বিশেষ প্ৰৱণতা ক্ৰমাৎ স্পষ্ট হৈ উঠিছে- দেখা-দেখি। আনজনে যি কৰিছে, আমিও সেয়াই কৰিম; আনজনে যি পিন্ধিছে, আমিও সেয়াই পিন্ধিম; আনজনে যি জীৱন দেখুৱাইছে, আমিও তেনেকৈয়ে জীৱন সজাম। ফলত নিজৰ পছন্দ, নিজৰ চিন্তা, নিজৰ সপোন আৰু নিজৰ স্বকীয়তা ক্ৰমে আনৰ ছাঁত হেৰাই যাবলৈ ধৰিছে।



এসময়ত মানুহে নিজৰ সামৰ্থ্য আৰু প্ৰয়োজন অনুসৰি জীৱন গঢ়িছিল। কাৰোবাৰ ঘৰ সৰু আছিল যদিও তাত আছিল আপোনত্ব; কাপোৰ সাধাৰণ আছিল যদিও তাত আছিল আত্মবিশ্বাস; জীৱন সৰল আছিল যদিও তাত আছিল প্ৰকৃত সুখ। কিন্তু আজিৰ সমাজত বহু সময়ত সুখৰ সংজ্ঞা নিজৰ ভিতৰৰ পৰা নহয়, আনৰ জীৱন চাই নিৰ্ধাৰিত হয়। আনৰ নতুন ফোন দেখিলে নিজৰ ফোনটো পুৰণি যেন লাগে, আনৰ ডাঙৰ ঘৰ দেখিলে নিজৰ ঘৰটো সৰু যেন লাগে, আনৰ ভ্ৰমণৰ ছবি দেখিলে নিজৰ সাধাৰণ জীৱনটো অসম্পূৰ্ণ যেন লাগে। তুলনাৰ এই অদৃশ্য দৌৰত মানুহে কেতিয়াবা নিজৰ জীৱনটো উপভোগ কৰিবলৈ পাহৰি যায়।

সামাজিক মাধ্যমে এই দেখা-দেখিৰ প্ৰৱণতাক আৰু অধিক তীব্ৰ কৰি তুলিছে। মানুহে নিজৰ জীৱনৰ সুখৰ মুহূৰ্তবোৰ প্ৰকাশ কৰাৰ অধিকাৰ নিশ্চয় আছে; কিন্তু সমস্যা তেতিয়াই আৰম্ভ হয় যেতিয়া সেই প্ৰকাশ আনৰ জীৱনৰ স'তে প্ৰতিযোগিতাত পৰিণত হয়। কাৰোবাৰ নতুন পোছাক, কাৰোবাৰ বিলাসী ভ্ৰমণ, কাৰোবাৰ সফলতা, কাৰোবাৰ সম্পৰ্ক-এই সকলোবোৰ দেখি আন এজনেও একেধৰণৰ জীৱন লাভ কৰাৰ হেঁপাহ কৰে। অথচ পৰ্দাৰ আঁৰত থকা বাস্তৱতাখিনি আমি নাজানো। ছবিখন উজ্জ্বল হ'ব পাৰে; কিন্তু ছবিখনৰ আঁৰত থকা জীৱনটো সদায় উজ্জ্বল নহয়। দেখা-দেখিৰ আটাইতকৈ ডাঙৰ ক্ষতিটো হৈছে— ই মানুহৰ মৌলিকতা নষ্ট কৰে। মৌলিকতা মানে কেৱল বেলেগ ধৰণৰ পোছাক পিন্ধা বা বেলেগ ধৰণে কথা কোৱা নহয়। মৌলিকতা মানে নিজৰ চিন্তা নিজে কৰা, নিজৰ পছন্দক সন্মান কৰা, নিজৰ সপোনক নিজৰ ধৰণেৰে অনুসৰণ কৰা। কিন্তু যেতিয়া মানুহে সকলো কথাতে আনক অনুকৰণ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া নিজৰ ভিতৰৰ কণ্ঠটো ক্ৰমে ক্ষীণ হৈ পৰে।

আজিৰ সমাজত বহু যুৱক-যুৱতীৰ মাজত এই প্ৰৱণতা বিশেষভাৱে দেখা যায়। কেৰিয়াৰ বাছনিৰ ক্ষেত্ৰতো কেতিয়াবা নিজৰ আগ্ৰহতকৈ সমাজৰ প্ৰশংসাক অধিক গুৰুত্ব দিয়া হয়। কোনো এটা ক্ষেত্ৰত বহু মানুহ সফল হোৱা দেখিলে নিজৰ যোগ্যতা, আগ্ৰহ আৰু মানসিকতা বিবেচনা নকৰাকৈ সেই একেটা পথত আগবাঢ়িবলৈ চেষ্টা কৰা হয়। কিন্তু আনৰ জোতাযোৰ পিন্ধি নিজৰ বাটত খোজ কাঢ়িব নোৱাৰি। যিটো পথ আন এজনৰ বাবে সফলতাৰ পথ, সেই একেটা পথ আপোনাৰ বাবে সুখৰ পথ নহ'বও পাৰে।

ফেশ্বন, জীৱনশৈলী আৰু উপভোগৰ ক্ষেত্ৰতো দেখা-দেখিৰ প্ৰভাৱ যথেষ্ট। কোনো বস্তু প্ৰয়োজন আছে নে নাই, সেইটো চিন্তা কৰাৰ আগতেই বহুতে ভাবে— ‘আনজনে লৈছে, মইও ল'ব লাগিব।’ এই মানসিকতাই অতিৰিক্ত ভোগবাদৰ জন্ম দিয়ে। প্ৰয়োজন আৰু দেখুৱাবলৈ কৰা খৰচৰ মাজৰ সীমাৰেখাডাল ক্ৰমে অস্পষ্ট হৈ পৰে।

এই প্ৰৱণতাৰ আন এটা ভয়ংকৰ দিশ হৈছে সামাজিক স্বীকৃতিৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতা। মানুহে নিজৰ কামটো ভাল লাগিল নে নাই সেইটোতকৈ কিমানজন মানুহে প্ৰশংসা কৰিলে, কিমানজনৰ লাইক আহিল, কিমানজনৰ কমেণ্ট আহিল—সেইটো লৈ অধিক চিন্তা কৰিবলৈ আৰম্ভ কৰে। ফলত নিজৰ আনন্দৰ নিয়ন্ত্ৰণ নিজৰ হাতত নাথাকি আনৰ আঙুলিৰ স্পৰ্শত থকা পৰ্দাখনৰ হাতত গুচি যায়।

এনে সমাজত মৌলিক চিন্তাইও কেতিয়াবা উপহাসৰ সন্মুখীন হয়। যিজনে সকলোৰে দৰে নকৰে, তাক অদ্ভুত বুলি কোৱা হয়; যিজনে প্ৰচলিত ধাৰণাক প্ৰশ্ন কৰে, তাক বেয়া বুলি ভবা হয়; যিজনে নিজৰ ধৰণেৰে জীৱন যাপন কৰিব বিচাৰে, তাক সমাজৰ বহু মানুহে সহজে গ্ৰহণ কৰিব নোৱাৰে। অথচ ইতিহাসৰ বহু পৰিৱৰ্তন সেইসকল মানুহেই আনিছে, যিসকলে ভিৰৰ স'তে খোজ নিদি নিজৰ পথ নিজে সৃষ্টি কৰিছিল।

ভিৰৰ মাজত হেৰাই যোৱাটো সহজ; কিন্তু ভিৰৰ মাজতো নিজৰ পৰিচয় অটুট ৰখাটোৱেই কঠিন। মৌলিক মানুহে সদায় আনক অনুসৰণ নকৰে; তেওঁ আনৰ পৰা শিকে, কিন্তু নিজৰ বিবেকৰ জৰিয়তে সেই শিক্ষা পৰিশোধন কৰে। অনুকৰণ আৰু অনুপ্ৰেৰণা একে বস্তু নহয়। আনৰ সফলতাৰ পৰা অনুপ্ৰেৰণা লোৱাটো ভাল; কিন্তু নিজৰ অস্তিত্ব মচি আনজনৰ প্ৰতিচ্ছবি হৈ যোৱাটো কেতিয়াও সফলতা নহয়।

সমাজৰো ইয়াত এক ডাঙৰ দায়িত্ব আছে। সন্তানক আনৰ স'তে তুলনা কৰাৰ পৰিৱৰ্তে তেওঁৰ নিজস্ব প্ৰতিভা আৰু আগ্ৰহক সন্মান কৰিব লাগে। বিদ্যালয়ে কেৱল প্ৰতিযোগিতা শিকোৱাৰ পৰিৱৰ্তে সৃষ্টিশীলতা আৰু স্বাধীন চিন্তাৰ মূল্য বুজাব লাগে। অভিভাৱকে ‘মানুহে কি ক'ব?’ এই প্ৰশ্নটোৰ সলনি ‘তোমাৰ বাবে কি ভাল?’ বুলি সুধিব লাগে। সমাজে বেলেগ হোৱা মানুহক উপহাস কৰাৰ পৰিৱৰ্তে তেওঁলোকৰ স্বকীয়তাক সন্মান কৰিবলৈ শিকিব লাগিব।

কাৰণ সকলো ফুল একে নহয়। গোলাপৰ সৌন্দৰ্য জবাৰ দৰে নহয়, জবাৰ সৌন্দৰ্যও শেৱালিৰ দৰে নহয়। তথাপি প্ৰতিটো ফুলেই নিজৰ নিজৰ ৰূপত সুন্দৰ। ঠিক তেনেদৰে প্ৰতিজন মানুহৰ জীৱনৰ বাট, প্ৰতিভা, সপোন আৰু সুখৰ সংজ্ঞাও বেলেগ। আন ফুলৰ দৰে ফুলিবলৈ চেষ্টা কৰি নিজৰ সুবাস হেৰুৱাই পেলোৱাত কোনো গৌৰৱ নাই।

সেয়েহে সময় আহিছে নিজৰ ভিতৰৰ মানুহজনক পুনৰ চিনাক্ত কৰাৰ। আনৰ জীৱন চাই নিজৰ জীৱনক সৰু নকৰো আহক। আনৰ সফলতাক ঈৰ্ষা কৰাৰ সলনি তাৰ পৰা শিক্ষা লওঁ আহক। আনৰ দৰে হোৱাৰ সলনি নিজৰ শ্ৰেষ্ঠ ৰূপটো হ'বলৈ চেষ্টা কৰো আহক। কাৰণ পৃথিৱীত ইতিমধ্যে বহুজন ‘আনৰ দৰে’ হৈ আছে; পৃথিৱীৰ প্ৰয়োজন আৰু এজন নিজৰ দৰে মানুহৰ।

দেখা-দেখিয়ে হয়তো আমাক ভিৰৰ মাজত ঠাই দিব পাৰে; কিন্তু মৌলিকতাইহে আমাক সেই ভিৰৰ মাজত এক সুকীয়া পৰিচয় দিয়ে। আনৰ ছাঁ হৈ জীৱন পাৰ কৰাৰ সলনি নিজৰ অস্তিত্বৰ দীপটো নিজেই জ্বলাই ৰখাই হওক আমাৰ লক্ষ্য। সমাজ সলনি হোৱাৰ অপেক্ষাত নাথাকি, প্ৰথমে নিজৰ ভিতৰৰ অনুকৰণপ্ৰিয় মানুহজনক বিদায় দি নিজৰ চিন্তা, নিজৰ সপোন আৰু নিজৰ স্বকীয়তাক আঁকোৱালি লওঁ। কাৰণ নিজৰ দৰে হৈ থাকিব পৰাটোৱেই আজিৰ দেখা-দেখিৰ পৃথিৱীত আটাইতকৈ ডাঙৰ সাহস।

দেখা-দেখিৰ এই সংস্কৃতি কেৱল বাহ্যিক সাজ-পোছাক, জীৱনশৈলী বা সামাজিক মাধ্যমৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। ই ক্ৰমে মানুহৰ চিন্তা কৰাৰ ধৰণতো প্ৰৱেশ কৰিছে। আজিকালি কোনো এটা বিষয়ত নিজে গভীৰভাৱে চিন্তা কৰাৰ আগতেই বহুতে চাব বিচাৰে- আন মানুহে কি ভাবিছে? কোনটো মত জনপ্ৰিয়? সমাজে কোনটো কথা গ্ৰহণ কৰিছে? ফলত নিজৰ বিবেকৰ পৰা ওলোৱা মতামতটো ক্ৰমে ভিৰৰ মতামতত বিলীন হৈ যায়।

এজন মানুহে যেতিয়া বাৰে বাৰে আনৰ পছন্দক নিজৰ পছন্দ বুলি গ্ৰহণ কৰে, তেতিয়া এদিন তেওঁ নিজেই পাহৰি যায়— ‘মোৰ নিজৰ পছন্দটো আচলতে কি?’ এই প্ৰশ্নটোৱেই মৌলিকতা হেৰুৱাৰ আটাইতকৈ কৰুণ ছবি। মানুহে নিজৰ হাঁহিটোও কেতিয়াবা আনৰ অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰি পেলায়। যি কথাত নিজে সুখী নহয়, তথাপিও সমাজে ভাল পাব বুলি কৰি যায়। যি পথত যাবলৈ মন নাযায়, তথাপিও আনসকলে সেই পথত গৈছে বুলি খোজ দিয়ে।

এইদৰে জীৱনটো কেতিয়াবা নিজৰ নাথাকে; ই হৈ পৰে সমাজৰ আশা-আকাংক্ষাৰ এখন প্ৰতিলিপি।

আচলতে মানুহৰ জীৱন কোনো পৰীক্ষাৰ উত্তৰ কাকত নহয়, য'ত সকলোৰে উত্তৰ একে হ'ব লাগিব। প্ৰতিজন মানুহৰ পৰিস্থিতি বেলেগ, সামৰ্থ বেলেগ, সপোন বেলেগ, অনুভৱ বেলেগ। সেয়েহে আনৰ জীৱনৰ মাপকাঠিৰে নিজৰ জীৱন জুখিবলৈ যোৱাটো নিজৰ প্ৰতি কৰা এক অন্যায়।

আজিৰ সমাজত ‘সফলতা’ৰ সংজ্ঞাও বহু পৰিমাণে দেখা-দেখিৰ দ্বাৰা নিৰ্ধাৰিত হৈছে। ডাঙৰ চাকৰি, ডাঙৰ ঘৰ, দামী গাড়ী, বিদেশ ভ্ৰমণ, বিলাসী জীৱন-এইবোৰেই যেন সফলতাৰ একমাত্ৰ প্ৰতীক। কিন্তু এখন সৰু ঘৰত শান্তিৰে হাঁহি থকা পৰিয়ালটোও সফল হ'ব পাৰে। নিজৰ পছন্দৰ কাম কৰি সন্তুষ্ট হৈ থকা মানুহজনো সফল হ'ব পাৰে। আনকি নিজৰ মানসিক শান্তি অটুট ৰাখি সৰল জীৱন যাপন কৰা মানুহজনৰ সফলতাও কোনো ধন-সম্পত্তিৰে জুখিব নোৱাৰি।

সফলতাৰ উচ্চতা সকলোৰে বাবে একে নহয়। কাৰোবাৰ বাবে আকাশ চুই পোৱাই সফলতা, আন কাৰোবাৰ বাবে নিজৰ মানুহখিনিৰ স'তে শান্তিৰে এদিন পাৰ কৰাটোৱেই সফলতা।

দেখা-দেখিৰ সমাজে মানুহক আনৰ জীৱনৰ বাহ্যিক সৌন্দৰ্য দেখুৱাই নিজৰ জীৱনৰ অন্তৰংগ দুখবোৰ পাহৰিবলৈ বাধ্য কৰে। আমি আনৰ হাঁহি দেখো, কিন্তু সেই হাঁহিৰ আঁৰৰ চকুপানী নেদেখোঁ। আমি আনৰ সফলতা দেখোঁ, কিন্তু সেই সফলতাৰ আঁৰৰ ৰাতিবোৰ নাজানো। আমি আনৰ সুখৰ ছবি দেখোঁ, কিন্তু তেওঁলোকৰ নীৰৱ যুদ্ধবোৰ নাজানো। তথাপিও সেই অসম্পূৰ্ণ তথ্যৰ ওপৰত ভিত্তি কৰি নিজৰ জীৱনক অসম্পূৰ্ণ বুলি ভাবি লওঁ।

এইখিনিতেই মানুহে এটা কথা মনত ৰখা উচিত সামাজিক মাধ্যমত দেখা এখন ছবি এখন সম্পূৰ্ণ জীৱন নহয়।

নিজৰ মৌলিকতা ৰক্ষা কৰিবলৈ সাহস লাগে। কাৰণ ভিৰৰ স'তে মিলি যোৱাটো সহজ, কিন্তু ভিৰৰ পৰা পৃথক হৈ নিজৰ বিশ্বাসত থিয় হৈ থকাটো কঠিন। যিজনে ‘সকলোৱে কৰিছে’ বুলি কোনো কাম নকৰি ‘মোৰ বাবে এইটো উচিত নে?’ বুলি নিজকে সোধে, সেইজনেই প্ৰকৃত অৰ্থত স্বাধীন চিন্তাৰ অধিকাৰী।

সেয়েহে আমি সন্তানক কেৱল ‘আনৰ দৰে হোৱা’ বুলি শিকোৱাৰ পৰিৱৰ্তে ‘নিজৰ শ্ৰেষ্ঠ ৰূপটো হোৱা’ বুলি শিকাব লাগিব। তেওঁক আনৰ স'তে তুলনা কৰাৰ সলনি তেওঁৰ নিজৰ গতিক সন্মান কৰিব লাগিব। কাৰণ গছ এজোপাই আন গছৰ দৰে ওখ হ'বলৈ চেষ্টা নকৰে; সি নিজৰ শিপা মজবুত কৰি নিজৰ আকাশ বিচাৰে।

সমাজখনো তেতিয়াহে সুস্থ হ'ব, যেতিয়া মানুহে মানুহৰ পাৰ্থক্যক সমস্যা বুলি নাভাবি সৌন্দৰ্য বুলি গ্ৰহণ কৰিব। সকলোৰে চিন্তা একে নহ'ব পাৰে, সকলোৰে সপোন একে নহ'ব পাৰে, সকলোৰে জীৱনৰ পথ একে নহ'ব পাৰে আৰু সেইটোৱেই স্বাভাৱিক।

মৌলিকতা মানে সকলোতকৈ বেলেগ হোৱা নহয়; মৌলিকতা মানে নিজৰ ভিতৰৰ সত্যটোৰ স'তে বিশ্বাসঘাতকতা নকৰা।

শেষত হয়তো এয়াই ক'ব পাৰি-সমাজে আমাক বহুতো মুখ দেখুৱাব, বহুতো পথ দেখুৱাব, বহুতো আদৰ্শৰ নাম দিব; কিন্তু জীৱনটো আমাৰ। গতিকে পথ বাছনি কৰাৰ অধিকাৰো আমাৰেই হোৱা উচিত। আনৰ ছাঁত থিয় হৈ নিজৰ অস্তিত্ব বিচাৰি পোৱাটো অসম্ভৱ। নিজৰ ভিতৰৰ পোহৰক জ্বলাই ৰাখিলেহে সেই পোহৰে আমাৰ পথক চিনাকি কৰি তুলিব।

আনৰ দৰে হৈ প্ৰশংসা পোৱাতকৈ, নিজৰ দৰে হৈ হয়তো অলপ অকলশৰীয়া হোৱাই ভাল; কাৰণ ভিৰে নাম পাহৰিব পাৰে, কিন্তু মৌলিকতাই মানুহক ইতিহাসত নিজৰ চিন ৰাখিবলৈ শিকায়। *ফোন ঃ ৯৩৬৫৮১০৮৬২*

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

## ডিব্ৰুগড়! ডিব্ৰুগড়!

### ৰূপোৱালী বালি, সোণোৱালী খোজ

**বিশ্বজিৎ বৰুৱা**



**ডেভিড স্কটৰ ব্যক্তিগত চৰিত্ৰ**

মেজৰ হোৱাইটৰ মতে ডেভিড স্কটৰ আটাইতকৈ উল্লেখযোগ্য গুণ আছিল তেওঁৰ অসাধাৰণ মানৱীয়তা। তেওঁ কেৱল এজন দক্ষ প্ৰশাসক নাছিল; তেওঁ দুখীয়া, অসহায় আৰু দুৰ্দশাগ্ৰস্ত লোকসকলৰ প্ৰতি আন্তৰিক সহানুভূতি প্ৰকাশ কৰিছিল। তেওঁৰ দুৱাৰ সকলো সময়তে মুকলি আছিল। ধনী-দুখীয়া, উচ্চ-নীচ সকলো মানুহেই তেওঁৰ ওচৰলৈ যাব পাৰিছিল। অসমীয়া, খাচি, গাৰো, বাঙালী, ইউৰোপীয়— সকলো জাতি আৰু সম্প্ৰদায়ৰ লোকৰ স'তে তেওঁ সমান সৌজন্য আৰু মৰ্যাদাৰে ব্যৱহাৰ কৰিছিল। তেওঁৰ অধীনস্থ কৰ্মচাৰীসকলৰ বহুতে তেওঁক ভয়ত নহয়, আন্তৰিক স্নেহ আৰু শ্ৰদ্ধাৰ বাবে অনুসৰণ কৰিছিল।

**অসমত ডেভিড স্কটৰ প্ৰধান প্ৰশাসনিক নীতি ঃ**

অসাধাৰণ মানৱীয় গুণৰ বাবেই বোধহয় স্কটৰ কঠোৰ নীতি-নিৰ্দেশনা সহজতে কাৰ্যকৰী হৈছিল। কঠোৰ নিয়মৰ স'তে মানৱতা প্ৰতিটো নিৰ্দেশতে সংপৃক্ত হৈ থকাটো মন কৰিবলগীয়া। স্কটে কিন্তু নিয়ম-বহিৰ্ভূত প্ৰশাসন বিশ্বাস কৰিছিল। সীমান্তৱৰ্তী অঞ্চলসমূহৰ বাবে বংগদেশত প্ৰচলিত সাধাৰণ ৰেগুলেচনসমূহ অসমত উপযুক্ত নহয় বুলি কৈছিল। তেওঁৰ পূৰ্বৰ প্ৰস্তাৱসমূহে অৱশেষত ১৮২২ৰ ৰেগুলেচন প্ৰণয়নত প্ৰভাৱ পেলাইছিল। এই বিধিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক বিশেষ প্ৰশাসনিক ব্যৱস্থাৰ সৃষ্টি কৰিছিল। এই ব্যৱস্থাত কমিছনাৰক ৰাজহ, আৰক্ষী, দেৱানী আৰু ফৌজদাৰী বিচাৰ আদি বিষয়ত ব্যাপক ক্ষমতা প্ৰদান কৰা হৈছিল।


**থলুৱা প্ৰশাসনিক** উজনি অসমত স্কটে নতুন ব্যৱস্থা তাৎক্ষণিকভাৱে প্ৰৱৰ্তন নকৰি পাইক খেল ব্যৱস্থাৰ ৰাখিছিল। আনহাতে,

**প্ৰতিষ্ঠানসমূহৰ সংৰক্ষণ ঃ**

বংগদেশৰ জমিদাৰী ব্যৱস্থাৰ দৰে কিছুমান উপাদান অব্যাহত নামনি অসমত প্ৰচলিত পৰগণা ব্যৱস্থা আৰু চৌধুৰীসকলৰ দৰে স্থানীয় ৰাজহ বিষয়াসকলক প্ৰশাসনত ভূমিকা পালন কৰিবলৈ দিয়া হৈছিল। স্কটে প্ৰচলিত অসমীয়া ৰাজহ ব্যৱস্থাক ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিয়মীয়া ৰাজহ সংগ্ৰহৰ প্ৰয়োজনীয়তাৰ স'তে সমন্বয় কৰাৰ চেষ্টা কৰিছিল। তেওঁ প্ৰশাসনক বহলভাৱে নামনি পশ্চিম অসম আৰু উজনি পূব অসম হিচাপে পৃথকভাৱে বিবেচনা কৰিছিল। ইয়াৰ আঁৰত দুয়োটা অঞ্চলৰ ভিন্ন ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ স্বীকৃতি আছিল।

তেওঁৰ ৰাজহ নীতিত ক্ৰমান্বয়ে নগদ ৰাজহ পৰিশোধ আৰু অধিক পদ্ধতিগত ৰাজহ নিৰ্ধাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল যদিও একে সময়তে কিছুমান থলুৱা ব্যৱস্থাও অব্যাহত ৰখা হৈছিল। ইয়াৰ বাবে স্কটৰ অন্যতম উল্লেখযোগ্য প্ৰশাসনিক পৰীক্ষা আছিল থলুৱা আদালত আৰু পঞ্চায়ত ব্যৱস্থাৰ প্ৰৱৰ্তন। এই আদালত আৰু পঞ্চায়তসমূহক অসমীয়া সমাজত প্ৰচলিত পৰম্পৰাগত সামূহিক বিবাদ নিষ্পত্তিৰ ব্যৱস্থাৰ এক ৰূপান্তৰিত ধাৰাবাহিকতা হিচাপে উপস্থাপন কৰা হৈছিল। অৱশ্যে ইয়াত ব্ৰিটিছ জুৰী আৰু এচেছৰ ব্যৱস্থাৰ কিছুমান উপাদানো সংযোজন কৰা হৈছিল। ১৮২৮ত চৰকাৰে স্কটে প্ৰৱৰ্তন কৰা কে'বাখনো থলুৱা আদালত আৰু পঞ্চায়তৰ ব্যৱস্থা আনুষ্ঠানিকভাৱে অনুমোদন কৰিছিল।

**প্ৰশাসনিক ক্ষমতাৰ কেন্দ্ৰীকৰণ ঃ**




যদিও স্কটে থলুৱা প্ৰতিষ্ঠানসমূহক কিছু পৰিমাণে স্বীকৃতি দিছিল, তেওঁৰ প্ৰশাসনিক ব্যৱস্থাই একে সময়তে কমিছনাৰৰ হাতত যথেষ্ট ব্যাপক ক্ষমতা কেন্দ্ৰীভূত কৰিছিল। দেৱানী ন্যায়, ফৌজদাৰী ন্যায়, ৰাজহ আৰু আৰক্ষী— এই সকলো ক্ষেত্ৰ তুলনামূলকভাৱে একীভূত প্ৰশাসনিক কাঠামোৰ অধীনলৈ অনা হৈছিল।

**আকস্মিক পৰিৱৰ্তনৰ পৰিৱৰ্তে ক্ৰমান্বয়ে ৰূপান্তৰ ঃ**

স্কটে ব্ৰিটিছ প্ৰশাসনিক প্ৰতিষ্ঠানসমূহক কোনো ধৰণৰ আকস্মিক আৰু সম্পূৰ্ণ ৰূপত অসমত প্ৰৱৰ্তন কৰিলে সামাজিক আৰু প্ৰশাসনিক অস্থিৰতা সৃষ্টি হ'ব পাৰে বুলি ধাৰণা কৰিছিল বুলি অনুমান কৰিব পাৰি। সেয়েহে তেওঁৰ নীতি আছিল স্থানীয় পৰিস্থিতিৰ স'তে সামঞ্জস্য ৰাখি ক্ৰমান্বয়ে ব্ৰিটিছ প্ৰশাসনিক ব্যৱস্থাৰ অন্তৰ্ভুক্তি। অৱশ্যে এই প্ৰক্ৰিয়াৰ চূড়ান্ত উদ্দেশ্য আছিল ইষ্ট ইণ্ডিয়া কোম্পানীৰ ঔপনিৱেশিক শাসন অধিক সুদৃঢ় কৰা। ডেভিড স্কটৰ দায়িত্ব কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰতে সীমাবদ্ধ নাছিল; উত্তৰ-পূৰ্বাঞ্চলৰ বিস্তৃত সীমান্ত অঞ্চলৰ প্ৰশাসনো তেওঁৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্ভুক্ত আছিল। তেওঁৰ প্ৰশাসনে খামতি, চিংফৌ আৰু অন্যান্য সীমান্তৱৰ্তী জনগোষ্ঠীৰ স'তে সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কূটনৈতিক আলোচনা, ৰাজনৈতিক চুক্তি আৰু সামৰিক প্ৰস্তুতি- এই তিনিওটা পদ্ধতি ব্যৱহাৰ কৰিছিল। মন কৰিব লগীয়া ডেভিড স্কটক কেৱল এগৰাকী ‘দয়ালু বা উদাৰ প্ৰশাসক’ হিচাপে মূল্যায়ন কৰাটোৱেই যথেষ্ট নহয়। তেওঁৰ নীতিসমূহৰ মাজত এক গুৰুত্বপূৰ্ণ দ্বন্দ্ব আছিল। তেওঁ স্থানীয় প্ৰতিষ্ঠানসমূহক প্ৰশাসনৰ বাবে উপযোগী বুলি বিবেচনা কৰি সংৰক্ষণ কৰিছিল; কিন্তু একে সময়তে সেই প্ৰতিষ্ঠানসমূহক ক্ৰমবৰ্ধমান ব্ৰিটিছ ঔপনিৱেশিক ৰাষ্ট্ৰৰ প্ৰশাসনিক কাঠামোৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছিল। সেয়েহে পঞ্চায়ত, পাইক খেল আৰু পৰগণা ব্যৱস্থাক একে সময়তে দুটা দৃষ্টিকোণৰ পৰা চাব পাৰি- এফালে এইবোৰ আছিল স্থানীয় প্ৰশাসনিক পৰম্পৰাৰ প্ৰতি ঔপনিৱেশিক প্ৰশাসনৰ একধৰণৰ অভিযোজন আৰু আনফালে এইবোৰেই আছিল ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত নিজৰ শাসন ক্ৰমে সুদৃঢ় কৰাৰ মাধ্যম। এই বিষয়ৰ অধ্যয়নৰ বাবে সূৰ্য কুমাৰ ভূঞাৰ In the Days of the Company এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। বিশেষকৈ ১৮২৬-২৮ৰ নতুন শাসন ব্যৱস্থা আৰু ডেভিড স্কটৰ নীতিৰ বিষয়ে ইয়াত মূল্যৱান তথ্য পোৱা যায়।

**অসুস্থতা আৰু অন্তিম দিনবোৰ ঃ**

১৮৩১ৰ আৰম্ভণিৰ পৰাই ডেভিড স্কটৰ স্বাস্থ্য দ্ৰুত অৱনতি ঘটিবলৈ আৰম্ভ কৰে। দীঘলীয়া পৰিশ্ৰম, অসমৰ অস্বাস্থ্যকৰ জলবায়ু, অনবৰতে ভ্ৰমণ আৰু দায়িত্বৰ বোজাই তেওঁৰ শৰীৰক ক্লান্ত কৰি তুলিছিল।

চিকিৎসকসকলে তেওঁক পাহাৰৰ শীতল জলবায়ুত বিশ্ৰাম ল'বলৈ পৰামৰ্শ দিয়ে। সেয়ে তেওঁ চেৰাপুঞ্জীলৈ যায়; কিন্তু তেওঁৰ স্বাস্থ্য আৰু উন্নত নহ'ল। মেজৰ হোৱাইটে উল্লেখ কৰিছে যে শেষৰ দিনবোৰত তেওঁ নিজেও উপলব্ধি কৰিছিল যে মৃত্যু ওচৰ চাপি আহিছে। তথাপি শেষ মুহূৰ্তলৈকে তেওঁ চৰকাৰী কাম আৰু ব্যক্তিগত দায়িত্বৰ বিষয়ে চিন্তা কৰি আছিল। নিজৰ ব্যক্তিগত বিষয়সমূহ যাতে সঠিকভাৱে নিষ্পত্তি হয়, তাৰ বাবে তেওঁ বন্ধু আৰু সহকাৰীসকলক নিৰ্দেশ দি গৈছিল।

**দেহাৱসান ঃ**

১৮৩১ত চেৰাপুঞ্জীত ডেভিড স্কটৰ মৃত্যু ঘটে। তেওঁৰ মৃত্যুৰ খবৰ সমগ্ৰ অসম আৰু উত্তৰ-পূব সীমান্তত গভীৰ শোকৰ সৃষ্টি কৰে। ব্ৰিটিছ বিষয়া, স্থানীয় অভিজাত, খাচি, গাৰো আৰু অসমীয়া বহু লোকেই তেওঁৰ মৃত্যুক ব্যক্তিগত ক্ষতি হিচাপে অনুভৱ কৰিছিল। মেজৰ হোৱাইটৰ ভাষাত, ডেভিড স্কট কেৱল এজন চৰকাৰী কৰ্মচাৰী নাছিল; তেওঁ অঞ্চলটোৰ উন্নতিৰ স'তে নিজৰ জীৱন আৰু হৃদয় একাত্ম কৰি তুলিছিল।

**চেৰাপুঞ্জীৰ সমাধি ঃ**

ডেভিড স্কটৰ স্মৃতিত চেৰাপুঞ্জীত স্থানীয় লোকৰ ইচ্ছাক সঁহাৰি জনাই চৰকাৰী ব্যয়ত এটা স্মৃতিসৌধ নিৰ্মাণ কৰা হৈছিল। সেই সময়ত ব্ৰিটিছ ভাৰতত এনে সন্মান অতি বিৰল আছিল। ম'ৰ্ছ ষ্টিফেনছে উল্লেখ কৰিছে যে ভাগলপুৰৰ অগাষ্টাছ ক্লিভলেণ্ডৰ সমাধিৰ পাছত এনে স্থানীয় লোকৰ দাবীত চৰকাৰী স্মৃতিসৌধ নিৰ্মাণৰ আন উদাহৰণ নাছিল। স্মৃতিসৌধটো কৰ্ণেল টিকেলৰ নক্সা অনুসৰি নিৰ্মাণ কৰা হৈছিল। এই সৌধটো এটা পাহাৰৰ শিখৰত স্থাপন কৰা হৈছিল এনেকুৱা এক স্থানত, যি ডেভিড স্কটৰ অত্যন্ত প্ৰিয় আছিল। তাতেই তেওঁ চিৰনিদ্ৰাত শয়ন কৰি আছে।

**মেজৰ হোৱাইটৰ মূল্যায়ন ঃ**

মেজৰ হোৱাইটে শেষত ডেভিড স্কটৰ বিষয়ে এই ধৰণৰ অভিমত প্ৰকাশ কৰিছে— অসমত ব্ৰিটিছ শাসনৰ প্ৰাৰম্ভিক যুগত যিসকল ব্যক্তিয়ে গভীৰ আৰু স্থায়ী প্ৰভাৱ পেলাইছিল, ডেভিড স্কট তেওঁলোকৰ অন্যতম। তেওঁ বলপ্ৰয়োগৰ তুলনাত আস্থা, ভয়ৰ তুলনাত ন্যায় আৰু দমনৰ তুলনাত সমন্বয়ৰ ওপৰত অধিক বিশ্বাস কৰিছিল।

তেওঁৰ শাসন পদ্ধতি নিখুঁত নাছিল। কেতিয়াবা তেওঁ ভুলো কৰিছিল। কিন্তু তেওঁ সদায় অসমৰ জনগণৰ কল্যাণ আৰু শান্তিকেই লক্ষ্য হিচাপে আগত ৰাখিছিল। এই কাৰণেই তেওঁৰ মৃত্যুৰ বহু বছৰ পিছতো অসম, খাচি পাহাৰ আৰু গাৰো পাহাৰৰ বহু লোকৰ স্মৃতিত ‘ডেভিড স্কট’ নামটো সন্মানৰ স'তে উচ্চাৰিত হৈ আছিল আৰু আজিও এই বিদেশী প্ৰশাসকজনে সকলোৱেড স্কটে অসমত যি প্ৰশাসনিক পৰম্পৰা গঢ়ি গ'ল সেয়া বাদ দি কোনো প্ৰশাসনিক বিষয়াই জনস্বাৰ্থত কাম কৰাটো সম্ভৱ নহয়। *আগলৈ*

*ফোন ঃ ৯৪৩৫০২৮০০৮*

# চতিয়া থানা, য'ত দেশৰ ভিতৰতে সৰ্বপ্ৰথম ৰাষ্ট্ৰীয় পতাকা উত্তোলন হৈছিল

**অঞ্জন বাচকোটা**

**চতিয়াৰ সচেতন ৰাইজে স্থানীয় বহু কেইটা সংস্থা-সংগঠনৰ সহযোগত ২০ আগষ্টত ‘চতিয়া দিৱস’ হিচাপে যোৱা ২০২২ৰ পৰা উদ্‌যাপন কৰি আহিছে**

**১৯৪২ত** মহামানৱৰ মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি আৰম্ভ হোৱা অহিংস আন্দোলনে এক ব্যাপক ৰূপ লাভ কৰিছিল। তাতে ১৯৪২ত বোম্বাইত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ পূৰ্ণ স্বাধীনতা (স্বৰাজ)ৰ প্ৰস্তাৱে যিদৰে শাসক পক্ষৰ নিদ্ৰা হৰণ কৰিছিল একেদৰে দেশবাসীৰ মাজত স্বাধীনতা সংগ্ৰামক ত্বৰান্বিত কৰিছিল। বোম্বাই অধিবেশনৰ এই প্ৰস্তাৱৰ পাছতে মহাত্মা গান্ধী প্ৰমুখ্যে দেশৰ আগশাৰীৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলক ন আগষ্টত ব্ৰিটিছ প্ৰশাসনে আটক কৰিলে। বোম্বাই অধিবেশনৰ পৰা পথত গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক প্ৰশাসনে ধুবুৰীত আটক কৰে (*স্বাধীনতাৰ সোণোৱালী জয়ন্তী বৰ্ষৰ ‘স্মৃতিগ্ৰন্থ’, ১৯৯৭, চতিয়া, সম্পাদক ঃ লীলা কটকী, পৃ. ৬৪*)। এফালে ‘ভাৰত ত্যাগৰ প্ৰস্তাৱ’ অন্যহাতে জাতীয় কংগ্ৰেছৰ কেন্দ্ৰীয় তথা প্ৰাদেশিক নেতাসকলৰ গ্ৰেপ্তাৰে ’৪২ৰ আন্দোলনক এক সুকীয়া গতি প্ৰদান কৰিলে। ইয়াৰ মাজতে জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰত ত্যাগ আন্দোলন সম্পূৰ্ণ ‘অহিংস নীতি’ৰ মাজেদিহে সম্পাদন হ'ব লাগিব বুলি দৃঢ়তাৰে কৈছিল।

সৰ্বভাৰতীয় পৰ্যায়ত জাতীয় কংগ্ৰেছ দলে গ্ৰহণ কৰা প্ৰায় প্ৰতিটো কাৰ্যসূচীতে অসমৰ অংশগ্ৰহণ আছিল যদিও ভাৰত ত্যাগ আন্দোলনে ব্যাপকতা লাভ কৰিছিল। ’৪২ ৰ জন আন্দোলন দমন কৰিবলৈ চৰকাৰ প্ৰশাসনে চলোৱা দমন, উৎপীড়নে প্ৰজাগণক আন্দোলনত অংশগ্ৰহণ কৰিবলৈ উদগনিহে যোগাইছিল। এই ’৪২ ৰ ভাৰত ত্যাগ আন্দোলনত গ্ৰহণ কৰা অন্যান্য প্ৰস্তাৱ তথা কাৰ্যসূচীসমূহৰ ভিতৰত ‘থানে দখল’ৰ (থানা দখল) কাৰ্যসূচীটো আছিল এক অন্যতম।

ব্ৰিটিছৰ প্ৰশাসনীয় ব্যৱস্থাৰ এক অন্যতম থলী আছিল চৰকাৰে স্থাপন কৰা থানাসমূহ। প্ৰতিখন জিলাত আৰক্ষী মুখ্যালয় স্থাপনৰ জৰিয়তে জিলা সদৰ আৰু সেই জিলাৰ বিভিন্ন ঠাইত দেশৰ শান্তি-শৃংখলা, প্ৰশাসনিক ব্যৱস্থা নিয়ন্ত্ৰণৰ বাবে থানাদি স্থাপন কৰা হৈছিল। এই উদ্ধৃতিৰ আলমত আমি ক'ব পাৰো যে চতিয়া থানাখন ১৮৬১তে স্থাপন হৈছিল।

চতিয়া থানাৰ ক্ষেত্ৰ জীয়া ভৰলী নদীৰ পূব প্ৰান্তৰ পৰা পশ্চিমে বুঢ়ীগাং নদীলৈকে, উত্তৰে ডফলা পাহাৰ আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তাৰিত আছিল। গতিকে স্বাভাৱিকতে ভাব হয় উক্ত দিনা পতাকা উত্তোলন, থানা দখল, থানা অৱৰোধৰ কাৰ্যসূচী সফল কৰিবলৈ জামুগুৰিহাট, নাগশংকৰ, বিশ্বনাথ চাৰিআলি আৰু বিভিন্ন ঠাইৰ পৰা বহু লোকৰ সমাগম হৈছিল আৰু শান্তিপূৰ্ণভাৱে পতাকা উত্তোলনৰ কাৰ্যসূচী হৈছিল।

জাতীয় কংগ্ৰেছৰ বোম্বাই অধিবেশনত গ্ৰহণ কৰা ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনক সাফল্যমণ্ডিত কৰিবলৈ কে'বাটাও শ্লোগান ৰচনা কৰা হৈছিল। ইয়াৰে ‘কৰিম কিম্বা মৰিম’, ‘সমুখ সমৰ সমুখত মুক্তি যুঁজাৰু হুচিয়াৰ’ আদিয়ে মুক্তিকামী জনতাৰ মনত প্ৰাণৰ সঞ্চাৰ কৰিছিল, আন্দোনৰ প্ৰতি উদ্বুদ্ধ কৰিছিল। একেদৰে ৰূপকোঁৰৰ জ্যোতি প্ৰসাদ আগৰৱালাই ৰচনা কৰা বিপ্লৱী গীত মাতেও অসমীয়া দেশপ্ৰেমীসকলৰ মনত দেশাত্মবোধৰ ভাব জাগৃত কৰাৰ লগতে দেশৰ কাৰণে মৃত্যু জিনিবলৈ সাহ দিছিল। সেইবাবেই মৃত্যু বাহিনীৰ সৈনিকসকলে মৃত্যুলৈ ভয় নকৰো বুলি নিজৰ আঙুলিৰ তেজেৰে প্ৰতিজ্ঞা পত্ৰত চহী কৰিব পাৰিছিল। কিমানখিনি দেশাত্মবোধ, দেশমাতৃৰ প্ৰতি ভাল পোৱা আৰু দেশক পৰাধীনতাৰ শিকলিৰ মেৰপেছৰ পৰা মুক্তি দিয়াৰ তাড়না থাকিলে একো একোজন সাধাৰণ গঞাই নিজৰ ৰক্ত ৰঞ্জিত স্বেচ্ছা পত্ৰ লিখি ‘মোৰ মৃত্যুৰ বাবে আন কোনো দায়ী নহয়, দেশৰ মুক্তিৰ বাবে মই নিজেই আগবাঢ়ি আহিছো’ বুলি মুকলিকৈ স্বাক্ষৰ কৰি দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নামি পৰিব পাৰে!

১৯৪২ৰ ‘ভাৰত ত্যাগ’ আন্দোলনৰ প্ৰস্তাৱে স্বাধীনতা সংগ্ৰামীসকলৰ মনত আশাৰ সঞ্চাৰ জগাই তুলিছিল। আমাৰ অসমতো দিগ্‌দৰ্শী নেতাসকলৰ প্ৰচেষ্টাত শান্তি বাহিনী, মৃত্যু বাহিনী আৰু কংগ্ৰেছ দলৰ স্বেচ্ছা সেৱকসকলৰ দ্বাৰা গাঁৱে গাঁৱে আন্দোলনক ত্বৰান্বিত কৰা হৈছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা প্ৰস্তাৱ-সিদ্ধান্ত আদিবোৰ পত্ৰাচাৰৰ দ্বাৰা প্ৰাদেশিক সমিতি, জিলা সমিতি, আঞ্চলিক সমিতি তথা গাঁৱৰ প্ৰতিজনৰ মাজলৈ বিস্তাৰিত হৈছিল। ’৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ চতিয়াত ব্যাপক প্ৰভাৱ পৰিছিল। চতিয়াৰ শিক্ষক, ছাত্ৰ, কৃষক-বণুৱা, মহিলা-যুৱতী, শিক্ষয়িত্ৰী, শিপিনী আদি সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰিছিল। চতিয়াত মহিলাসকলৰ নেতৃত্ব দিছিল স্বাধীনতা সংগ্ৰামী স্বৰ্ণপ্ৰভা মহন্তই আৰু বহুকেইগৰাকী মহিলাই কাৰাবৰণ খাটিবলগীয়া হৈছিল।

ৰূপকোঁৰৰ ‘বিশ্ব বিজয়ী নৱ জোৱান’ শীৰ্ষক এই কালজয়ী গীতটো চতিয়াতে ৰচনা কৰিছিল আৰু চতিয়াৰ ঔখোৱা বাকৰিত জ্যোতি প্ৰসাদ আগৰৱালাৰ নেতৃত্বত স্বেচ্ছাসেৱকসকলক প্ৰশিক্ষণ দিয়া হৈছিল।

এই গীতসমূহে জাতীয় কংগ্ৰেছৰ ভলন্টিয়াৰ, মৃত্যু বাহিনী আৰু শান্তি বাহিনীৰ কেডাৰসকলক শিকাইছিল গান মাষ্টৰ গোলক চন্দ্ৰ শইকীয়াই। এই কাৰ্যৰ বাবে তেওঁক ব্ৰিটিছ চৰকাৰে ১৯৩২ত চাৰি মাহ কাৰাদণ্ড বিহিছিল।

অসমৰ প্ৰায় নেতৃস্থানীয় কংগ্ৰেছী নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পাছত তেজপুৰৰ কংগ্ৰেছ অফিচত অমিয় কুমাৰ দাসৰ নিৰ্দেশ মৰ্মে কৰ্মকৰ্তা আৰু স্বেচ্ছা সেৱকসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। সেই বৈঠকত অমিয় কুমাৰ দাস (নৰিয়া দেহৰ বাবে গ্ৰেপ্তাৰ হোৱা নাছিল) সহিতে বিজয় চন্দ্ৰ ভাগৱতী, বিমান চন্দ্ৰ বৰা আৰু ১২ জন স্বেচ্ছাসেৱকৰ উপস্থিতিত দৰং জিলাৰ অন্যতম থানা- চতিয়া থানাত ‘থানা দখল, থানা অৱৰোধ’ৰ বাবে নিৰ্বাচিত কৰি বিমান চন্দ্ৰ বৰাক এই ঐতিহাসিক কাৰ্য সমাধা কৰিবলৈ দায়িত্ব প্ৰদান কৰা হৈছিল।




তেজপুৰত অনুষ্ঠিত সেই আলোচনাৰ পিছতেই সেই দিনাই বিমান চন্দ্ৰ বৰা চতিয়াত আহি উপস্থিত হৈ চতিয়াৰ বহু কেইজনৰ স'তে আলোচনা কৰি চতিয়াৰ প্ৰতিখন গাঁৱতে স্বায়ত্তশাসনৰ বাবে নিজকে প্ৰস্তুত কৰি ব্ৰিটিছৰ অধীনৰ কোনো অনুষ্ঠান-প্ৰতিষ্ঠানত সহযোগ নকৰিবলৈ, কৰ কাটল আদি নিদিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ লগতে চতিয়া থানা দখলৰ বাবে জিলা নেতৃত্বই দিয়া দায়িত্ব আৰু এই সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া যোজনাৰ বিষয়েও ৰাইজক বুজনি দিয়ে।

১৯৪২ৰ ১১ আগষ্টত চতিয়াৰ কছাৰী গাঁও নামঘৰত আয়োজিত বিৰাট জনসভাত ভাষণ দিয়াৰ অপৰাধত বিজয় চন্দ্ৰ ভাগৱতী আৰু কামাখ্যা ত্ৰিপাঠীক গ্ৰেপ্তাৰ কৰা হৈছিল। জ্যোতি প্ৰসাদ আগৰৱালাৰ কাৰ্যসূচী অনুসৰি ৰাজ্যৰ প্ৰতিখন থানা দখল, ত্ৰিৰংগা পতাকা উত্তোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। কিন্তু চতিয়াত সাংগঠনিক কাম-কাজ অতি সক্ৰিয়তাৰে অনুষ্ঠিত হৈ থকাৰ বাবে মুক্তিকামী জনতাই দেশৰ হকে কিবা কৰাৰ বাসনাত উদগ্ৰীৱ হৈ উঠে। গাঁৱে গাঁৱে আন্দোলনে তীব্ৰ বিস্তৃতি লাভ কৰিলে। কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি নিজকে সাজু কৰি তুলিছিল। চতিয়া হাইস্কুলৰ শিক্ষক-ছাত্ৰই স্কুল এৰি ওলাই আহিছিল। চতিয়া হাইস্কুলৰ শিক্ষক বিমান চন্দ্ৰ বৰা, বলো বৰমুদৈ, মহেন্দ্ৰনাথ বৰকটকী, থুলেশ্বৰ হাজৰিকা আৰু বিহালী হাইস্কুলৰ পৰা ডিম্বেশ্বৰ হাজৰিকা, কুলধৰ হাজৰিকাই চাকৰি বাদ দি আন্দোলনত যোগ দিছিল। চতিয়া হাইস্কুলৰ ছাত্ৰসকল আছিল- দেবেন্দ্ৰনাথ শৰ্মা, বীৰেন বৰকটকী, স্বৰ্ণপ্ৰভা মহন্ত, চেনীধৰ দাস, পোৱাল বৰুৱা, চন্দ্ৰ বৰা আদি লগতে তেওঁলোকৰ সহপাঠীসকল।

সেই অনুসৰি নিৰ্ধাৰিত সময়তকৈ এমাহ পূৰ্বে অৰ্থাৎ ১৯৪২ৰ ২০ আগষ্টৰ দিনাই চতিয়া থানাত পতাকা উত্তোলনৰ কাৰ্যসূচী সমাপন কৰাটো ঠিক হ'ল আৰু সেইমতে অতি গোপনে প্ৰচাৰ-প্ৰসাৰ চলোৱা হ'ল। উক্ত দিনা চতিয়া হাইস্কুলৰ পৰা শিক্ষক-ছাত্ৰৰ নেতৃত্বত শোভাযাত্ৰা উলিয়াই কছাৰী গাঁও, হাজাৰিমল, বাৰভূঞাই দি ৰেল লাইন চৰাইজনীয়া হৈ হাস্পতাল পথেদি মৰনৈৰ কাষেৰে চতিয়া থানাত উপস্থিত হৈ থানা অৱৰোধ কৰি থানা চৌহদত ৰাজহুৱাভাৱে সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে ত্ৰিৰংগা পতাকা উত্তোলন কৰে। শোভাযাত্ৰাকাৰীসকলে দুশমান ত্ৰিৰংগা পতাকা, পাঁচখনমান শান্তিৰ পতাকা লৈ জয় ধ্বনি, দেশ প্ৰেমমূলক শ্ল'গান দি আগবাঢ়িছিল। থানা দখলৰ বাবে অহা সকলো লোক থানা চৌহদত প্ৰৱেশ কৰিব নোৱাৰি থানাৰ উত্তৰে থকা ৰাস্তাত থিয় দিছিল, জনতাৰ গছক থানাৰ দুৱাৰমুখ পৰ্যন্ত পাইছিল। থানা দখলৰ পাছতেই বিমান চন্দ্ৰ বৰাৰ সভাপতিত্বত এখন জনসভা অনুষ্ঠিত হৈছিল। বিমান চন্দ্ৰ বৰাই সাধাৰণ জনতাক থানা দখলৰ অৰ্থ বুজাই দিছিল। তেওঁৰ উদাত্ত ভাষণে স্বাধীনতা সংগ্ৰামীৰ মনত স্বাধীনতাৰ আশা সঞ্চাৰিত কৰিছিল। সেই শোভাযাত্ৰাৰ সমুখভাগত আছিল বলোৰাম বৰমুদৈ আৰু ডিম্বেশ্বৰ হাজৰিকা। স্বৰ্ণপ্ৰভা মহন্তই হাতত ডাঙৰ ত্ৰিৰংগা পতাকা লৈ আহিছিল আৰু ছাত্ৰসকলে হাতেৰে আঁকা সৰু সৰু পতাকা লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। সমগ্ৰ দেশৰ ভিতৰতেই চতিয়া থানাতেই পোন প্ৰথমবাৰৰ বাবে ত্ৰিৰংগা পতাকা উত্তোলন কৰা হৈছিল। চতিয়া থানা চৌহদত পতাকা উত্তোলন কৰাৰ অপৰাধত উক্ত নিশা বিমান চন্দ্ৰ বৰা, ডিম্বেশ্বৰ হাজৰিকা, মহেন্দ্ৰ বৰকটকী, বীৰেন বৰকটকী, কুলধৰ হাজৰিকা, চন্দ্ৰনাথ বৰা, শ্ৰেণীধৰ দাস, বলোৰাম বৰমুদৈ, দেবেন্দ্ৰ নাথ শৰ্মা, বিপ্লৱী নেতা পোৱাল বৰুৱা আদিক আটক কৰা হৈছিল।

তেজপুৰ জিলা কংগ্ৰেছ অথবা লোকনায়ক অমিয় কুমাৰ দাসকে প্ৰমুখ্য কৰি প্ৰাদেশিক নেতৃত্বই চতিয়া থানাতেই প্ৰথম ত্ৰিৰংগা পতাকা উত্তোলন হ'ব লাগে বুলি চতিয়া থানাক নিৰ্বাচন কৰাৰ আঁৰৰ কাহিনী জানিবলৈ আমি ১৯৪২ ৰ পৰা ১০ বছৰ আগলৈ অৰ্থাৎ ১৯৩২লৈ ফিৰি যাব লাগিব। ১৯৩২ৰ ১৮ মাৰ্চত চতিয়াৰ মালৰ গাঁৱৰ ভূমিধৰ বৰদলৈয়ে চতিয়াৰ পৰা গৈ তেজপুৰৰ কছাৰী ঘৰত উৰি থকা ব্ৰিটিছৰ ইউনিয়ন জেক নমাই কংগ্ৰেছৰ ত্ৰিবৰ্ণ ৰঞ্জিত পতাকা উৰুৱাই ‘মহাত্মা গান্ধীকী জয়’, ‘বন্দে মাতৰত’, ‘ভাৰত মাতাকী জয়’ ধ্বনি দিছিল। তেতিয়াই প্ৰাদেশিক নেতাসকলৰ মনত ভাব হৈছিল বেলেগ কোনেও কৰিব নোৱৰা কাম চতিয়াৰ মানুহে কৰিব পাৰিব। সেই সময়ত ভূমিধৰ বৰদলৈয়ে প্ৰদৰ্শন কৰা সাহসক মূলধন হিচাপে লৈ ১৯৪২ত অৰ্থাৎ তেজপুৰৰ কছাৰী ঘৰত পতাকা উত্তোলন কৰাৰ সুদীৰ্ঘ ১০ বছৰৰ পিছতো চতিয়াতে পুনৰবাৰ ইতিহাস ৰচিবলৈ দিহা কৰিছিল নেতৃত্বই আৰু এই কাৰ্যত সফলো হৈছিল।

এইদৰে সমগ্ৰ দেশৰ ভিতৰতে পোন প্ৰথমবাৰৰ বাবে ত্ৰিৰংগা পতাকা উত্তোলন কৰা ঐতিহ্যমণ্ডিত চতিয়া থানাখন চতিয়াৰ বিধায়ক (বৰ্তমান নদুৱাৰ সমষ্টি) পদ্ম হাজৰিকা, চতিয়াবাসী ৰাইজ তথা নেতৃস্থানীয় সংস্থা-সংগঠনৰ একাণপতীয়া প্ৰচেষ্টাত ঐতিহাসিক কীৰ্তিচিহ্ন হিচাপে প্ৰতিষ্ঠা হয়।

চতিয়াৰ সচেতন ৰাইজে স্থানীয় বহু কেইটা সংস্থা-সংগঠনৰ সহযোগত ২০ আগষ্টত ‘চতিয়া দিৱস’ হিচাপে যোৱা ২০২২ৰ পৰা উদ্‌যাপন কৰি আহিছে।

উল্লেখ্য যে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই ২০২৪ৰ ২৯ আগষ্টৰ দিনা অসম বিধানসভাৰ পবিত্ৰ মজিয়াত ‘চতিয়া দিৱস’ৰ তাৎপৰ্য ব্যাখ্যা কৰি এই দিৱসটোক চৰকাৰী মৰ্যাদা প্ৰদানৰ বাবে অনুৰোধ জনায়। বিধায়কৰ অনুৰোধৰ প্ৰতি তাৎক্ষণিকভাৱে সঁহাৰি জনাই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০২৫ বৰ্ষৰ পৰা চৰকাৰীভাৱে চতিয়া দিৱস উদ্‌যাপনৰ সিদ্ধান্ত ঘোষণা কৰে। ২০২৫ বৰ্ষৰ পৰা চৰকাৰী পৃষ্ঠপোষকতাত চতিয়া দিৱস উদ্‌যাপিত হৈ আহিছে।

*ফোন ঃ ৭০০২৭০২২৬৮*



## চেন্নাইস্থিত চিএছআইআৰ-এছইআৰচি

তিনি পৃষ্ঠাৰ পৰা বহনক্ষম নিৰ্মাণ পদ্ধতি, উদ্ভাৱনী সামগ্ৰী, গাঁথনিগত স্বাস্থ্য নিৰীক্ষণ আৰু দুৰ্যোগ প্ৰশমন প্ৰযুক্তিৰ কাম-কাজৰ বিষয়ে অৱগত কৰে।

ভ্ৰমণৰ সময়ত সংবাদ মাধ্যমৰ প্ৰতিনিধি দলটোৱে চিএছআইআৰ-এছইআৰচিৰ দুটা বিশেষ কৰ্মশালা-গৱেষণাগাৰ পৰিদৰ্শন কৰে, য'ত বিশেষজ্ঞ আৰু বিষয়াসকলে বিভিন্ন উন্নত প্ৰযুক্তি, সঁজুলি আৰু গৱেষণা পদ্ধতি প্ৰদৰ্শন কৰে। প্ৰতিনিধি দলটোক ভূমিকম্প পৰীক্ষণ, গাঁথনিগত প্ৰতিৰোধ ক্ষমতা আৰু অৱক্ষয় পৰীক্ষণ (fatigue testing) সম্পৰ্কীয় প্ৰদৰ্শনী প্ৰদৰ্শন কৰা হয়, যিয়ে ভৱন আৰু আন্তঃগাঁথনিসমূহক ভূমিকম্প আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰিবলৈ কেনেকৈ নক্সা প্ৰস্তুত আৰু পৰীক্ষা কৰিব পৰা যায়, তাৰ স্পষ্ট ধাৰণা প্ৰদান কৰে।

## মূলাগাভৰু আত্মসহায়ক গোটৰ জীৱিকা

তিনি পৃষ্ঠাৰ পৰা লৈ সৰুপথাৰৰ অসম গ্ৰামীণ বিকাশ বেংকৰ পৰা ছলাখ টকা আৰু সৰুপথাৰ এপেক্স বেংকৰ পৰা তিনি লাখ টকা ঋণ গ্ৰহণ কৰে। গোটটোত মুঠ ১১গৰাকী সদস্য থকাৰ বিপৰীতে বাকী ন গৰাকী সদস্যই এই ঋণ সন্দৰ্ভত অৱগত নহয় অভিযোগ কৰিছে। ফলত বৰ্তমান তেওঁলোক ঋণৰ বোজা আৰু বেংকৰ কিস্তি পৰিশোধক লৈ বিপাঙত পৰিছে। ইফালে, গোটটোৰ একাংশ সদস্যই আৰু অধিক গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে, জীৱিকা সখীগৰাকীয়ে বেংকত গোটৰ সদস্যসকলৰ চহী জালিয়াতি কৰি ঋণ গ্ৰহণ কৰাৰ সন্দেহ আছে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা সংশ্লিষ্ট বেংক বা কৰ্তৃপক্ষৰ তদন্তৰ পাছতহে স্পষ্ট হ'ব। ঘটনাটোক লৈ মঙ্গলবাৰে মূলাগাভৰু আত্মসহায়ক গোটৰ সকলো সদস্য স্থানীয় গাঁও প্ৰধানৰ ওচৰত উপস্থিত হৈ বিষয়টো মীমাংসা কৰি দিবলৈ আহ্বান জনায়। সদস্যসকলে দাবী কৰে যে তেওঁলোকৰ অজ্ঞাতে গ্ৰহণ কৰা ঋণৰ ধন জীৱিকা সখীগৰাকীয়ে নিজাববীয়াকৈ বেংকত পৰিশোধ কৰাৰ বাবে এখন লিখিত চুক্তি কৰি দিব লাগে। সদস্যসকলৰ অভিযোগ অনুসৰি, আত্মসহায়ক গোট গঠন কৰাৰ মূল উদ্দেশ্য আছিল গাঁৱৰ মহিলাসকলে একেলগে বেংকৰ পৰা ঋণ লৈ সেই ধনেৰে বিভিন্ন উপাৰ্জনমুখী কাম আৰম্ভ কৰি স্বাৱলম্বী হোৱা। কিন্তু গোটৰ সদস্যসকলক একো নজনোৱাকৈ বৃহৎ পৰিমাণৰ ধন ঋণ লোৱাৰ ফলত এতিয়া তেওঁলোকৰ ওপৰত অনাকাংক্ষিত ঋণৰ বোজা পৰিছে। আনহাতে, জীৱিকা সখী সংগীতা উৰাঙে সদস্যসকলৰ ওচৰত ঋণৰ ধন পৰিশোধৰ বাবে পাঁচ বছৰ সময় বিচাৰি অনুৰোধ জনোৱা বুলি জানিব পৰা গৈছে। কিন্তু এই প্ৰস্তাৱত একাংশ সদস্যই আপত্তি প্ৰকাশ কৰি কয় যে তেওঁলোকে যি ঋণ লোৱাৰ বিষয়ে অৱগত নাছিল, সেই ঋণৰ কিস্তি পৰিশোধৰ দায়িত্ব তেওঁলোকে কিয় ল'ব। গোটটোৰ সদস্যসকলে স্পষ্টভাৱে কয়, আমি আত্মসহায়ক গোটত যোগদান কৰাৰ উদ্দেশ্য আছিল বেংকৰ পৰা নিয়ম মাফিক ঋণ লৈ উপাৰ্জনমুখী কাম কৰি স্বাৱলম্বী হোৱা। জীৱিকা সখীগৰাকীয়ে আমাক উচিত পথ দেখুওৱাৰ পৰিৱৰ্তে আমাৰ অজ্ঞাতে আমাৰ গোটৰ নামত দুটাকৈ বেংকৰ পৰা মোটা অংকৰ ধন ঋণ লৈছে। সেয়েহে এই ঋণৰ দায়িত্ব আমি নলওঁ। ঘটনাটোৱে অঞ্চলটোত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এতিয়া গোটটোৰ সদস্যসকলৰ মূল দাবী হৈছে তেওঁলোকৰ অজ্ঞাতে ঋণ কেনেকৈ গ্ৰহণ কৰা হ'ল, বেংকৰ নথি-পত্ৰত কাৰ কাৰ চহী ব্যৱহাৰ কৰা হৈছে আৰু ঋণ গ্ৰহণৰ ক্ষেত্ৰত নিয়ম-নীতি মানি চলা হৈছিল নে নাই, সেই সন্দৰ্ভত নিৰপেক্ষ তদন্ত কৰা হওক। লগতে অভিযোগসমূহৰ সত্যতা প্ৰমাণিত হ'লে দোষী ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈও সদস্যসকলে দাবী জনাইছে। অৱশ্যে, উত্থাপিত অভিযোগসমূহৰ সন্দৰ্ভত সঠিক তদন্তৰ পাছতহে প্ৰকৃত সত্য পোহৰলৈ আহিব।

## ডিব্ৰুগড় এএমচিএইছ চৌহদত পুনৰ গঢ়

তিনি পৃষ্ঠাৰ পৰা লোৱাৰ লগতে পৌৰ বিষয়াসকলে হাস্পতালৰ আশে-পাশে থকা জাবৰ-জোঁথৰ আৰু অনাময় ব্যৱস্থাৰ ওপৰতো চোকা নজৰ ৰাখে। এই অভিযানৰ সময়ত চিকিৎসা মহাবিদ্যালয় চৌহদৰ ভিতৰত গুটখা আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী কৰা ব্যৱসায়ীসকলকো উচ্ছেদ কৰা হয়। স্বাস্থ্য সেৱা প্ৰদান কৰা এটা চিকিৎসা প্ৰতিষ্ঠানৰ ভিতৰত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰীয়ে স্বাস্থ্যৰ প্ৰতি প্ৰবল ভাবুকিৰ সৃষ্টি কৰা বিপদৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষই বিশেষ উদ্বেগ প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা ১৭ জুলাইত চলোৱা এক পৰিষ্কাৰ-পৰিচ্ছন্নতা সজাগতামূলক অভিযানত এখন দোকানৰ টয়লেটৰ ভিতৰত খাদ্য সংৰক্ষণ কৰি ৰখাৰ তথ্য পোহৰলৈ আহিছিল। ঠিক তেনেদৰে, ৩১ মে'ত চলোৱা আন এক অভিযানত যান-জঁটৰ সৃষ্টি কৰা অবৈধ দোকানসমূহ ভাঙি পেলোৱা হৈছিল। তদুপৰি, ২০২৪ৰ ডিচেম্বৰতো ছুপাৰ স্পেচিয়েলিটি ইউনিট, ৰক্ত বেংক আৰু হোষ্টেল অঞ্চলৰ ওচৰৰ পৰা অনুজ্ঞাপত্ৰহীন দোকানসমূহ আঁতৰাই দিয়া হৈছিল। বাটৰ হকাৰ (পথৰ ব্যৱসায়ী) আইন, ২০১৪-ৰ অধীনৰ মহানগৰ খনৰ ১১ টা মুখ্য পথত ২৮ টা নিৰ্ধাৰিত ব্যৱসায়িক অঞ্চল ডিএমচিয়ে অধিসূচিত কৰা সত্ত্বেও, এএমচিএইছৰ দৰে প্ৰতিষ্ঠানৰ ভিতৰত নীতি-নিয়ম শিথিল হোৱাৰ লগে লগে উলংঘনকাৰীসকল পুনৰ সক্ৰিয় হৈ পৰে। ইয়াৰ ফলত কম সময়ৰ ব্যৱধানত বাৰে বাৰে এনে অভিযান চলাবলগীয়া হৈছে। ডিএমচিৰ বিষয়াসকলে দোহাৰে যে এএমচিএইছ আৰু মহানগৰখনৰ অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানসমূহত এনে আকস্মিক পৰিদৰ্শন অব্যাহত থাকিব আৰু পুনৰ অপৰাধ কৰাসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। 'যোৱা মাহত উচ্ছেদ কৰাৰ পাছতো এই দোকানবোৰ পুনৰ ঘূৰি অহাটো অত্যন্ত দুৰ্ভাগ্যজনক। ইয়াৰ পৰাই স্পষ্ট হৈ পৰে যে আমাক কেৱল এদিনীয়া পদক্ষেপ নহয়, বৰঞ্চ নিৰৱচ্ছিন্ন সতৰ্কতাৰ প্ৰয়োজন। আমি বুজি পাওঁ যে ব্যৱসায়ীসকলৰ জীৱিকা জড়িত হৈ আছে; কিন্তু হাস্পতাল চৌহদৰ ভিতৰত জনস্বাস্থ্য আৰু সুৰক্ষাক জলাঞ্জলি দি সেয়া হ'বলৈ দিব নোৱাৰি। বাৰে বাৰে নিয়ম উলংঘা কৰিলে ভৱিষ্যতে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব।'এগৰাকী বিষয়াই এইদৰে আজি সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

## অসমৰ মহাপ্ৰলয়ক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা

তিনি পৃষ্ঠাৰ পৰা বৰ্তমান আগবঢ়াইছে কেৱল ৩৬৯ কোটি টকাৰ অৰ্থ সাহায্য। অসম ইমান দুৰ্যোগৰ মাজত থকাৰ পাছতো কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি কৰা অৱহেলাক লৈ তেওঁ আশ্চৰ্য প্ৰকাশ কৰে। তেওঁ কয় যে বিশেষকৈ নিৰ্বাচনৰ সময়ত অসমলৈ আহি বান পৰিস্থিতিৰ পৰা অসমক উদ্ধাৰ কৰিম বুলি বিগত তিনিটা নিৰ্বাচনত অসমবাসীক প্ৰতিশ্ৰুতি দিয়াৰ পাছতো ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহ এতিয়া ক'ত গ'ল বুলি তেওঁ প্ৰশ্ন কৰে। অসমৰ জনগণক এতিয়া ভুৱা প্ৰতিশ্ৰুতি নালাগে, এতিয়া অসমক লাগে বানপানীৰ স্থায়ী সমাধান। অসমৰ বানপানীৰ স্থায়ী সমাধান মোদী চৰকাৰে কেনেকৈ কৰিব ইয়াক অসমৰ জনগণৰ আগত তথ্যভিত্তিক সমাধান সূত্ৰ দাঙি ধৰিব লাগিব। যিহেতু এই সংকটৰ সময়ত বানত আক্ৰান্ত লোকৰ ঘৰ-ভেটি-খেতি-খোলা-পশুধন-ব্যৱসায় আদি সকলো ধ্বংস হৈ গ'ল। অসমক পুনৰ সংস্থাপনৰ বাবে বৃহৎ পুঁজিৰ প্ৰয়োজন। এতিয়া গাফিলতিৰ সময় নহয়। কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে পুঁজি তাৎক্ষণিকভাৱে প্ৰদান কৰিব লাগে বুলি তেওঁ দাবী কৰে সাংসদ সিঙে। সাংসদজনে সংবাদমেলত উল্লেখ কৰে যে অসমৰ বানৰ প্ৰসংগত কে'বাটাও দাবী উত্থাপন কৰি তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ ইতিমধ্যে এখন পত্ৰ প্ৰেৰণ কৰিছে। প্ৰথমে তেওঁ অসমৰ বানক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা কৰাৰ দাবী কৰাৰ লগতে ভাৰতৰ সকলো সাংসদৰ পৰা অসমৰ এই বিপদৰ সময়ত আৰ্থিক সাহায্য আহ্বান জনায়। লগতে তেওঁ বানত ক্ষতিগ্ৰস্ত লোকক ন্যূনতম ১০ লাখ টকাৰ ক্ষতিপূৰণ দিবলৈ চৰকাৰক দাবী জনায়। তেওঁ কয় যে কেৱল কথাৰে নহয় বিপদৰ সময়ত ৰাইজৰ মাজত থাকি নিজৰ সততাৰ প্ৰমাণ দিবলৈ তেওঁ আহ্বান জনায়। সংবাদমেলত তেওঁ কয় যে ভাৰতৰ চৰকাৰে ৪২ পুঁজিবাদীক পাঁচশ লাখ কোটি টকাৰ ভিতৰত ৩৫০ লাখ কোটি টকাৰ ঋণ ইতিমধ্যে মাফ কৰি দিছে। যদি ইমান টকা পুঁজিবাদীক মাফ কৰিব পাৰে তেন্তে অসমৰ বিপদৰ সময়ত ২০ হেজাৰ কোটি টকা কিয় দিব নোৱাৰে কেন্দ্ৰীয় চৰকাৰে বুলি তেওঁ প্ৰশ্ন কৰে। আনহাতে, খনিজ ধনৰ ওপৰত চৰকাৰে নতুন আইন প্ৰযোজ্য কৰি সাধাৰণ জনতাৰ অধিকাৰক বেপাৰীসকলৰ স্বাৰ্থত অগ্ৰাধিকাৰ দিছে। এতিয়াৰ পৰা ৰাজ্যসমূহৰ খনিজ পদাৰ্থ ৰাজ্যসমূহৰ ইখতিয়াৰ নাথাকিব। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ খনিজ পদাৰ্থসমূহ পুঁজিপতি কৰ্পৰেট গোষ্ঠীৰ হাতত তুলি দিবলৈ ৰাজ্যসমূহৰ নিজ সম্পদৰ ওপৰত থকা অধিকাৰ কৰ্তন কৰিবলৈ ইতিমধ্যে দুখজনক বিধেয়ক গৃহীত কৰিছে। ই অনাগত সময়ৰ বাবে ৰাজ্যসমূহৰ বাবে এক ভয়ংকৰ বিষয় হ'ব বুলি আজিৰ সংবাদমেলত সাংসদ সঞ্জয় সিঙে উল্লেখ কৰে।

## বিনেশ্বৰ ব্ৰহ্মৰ কাৰণে বড়ো ভাষা

তিনি পৃষ্ঠাৰ পৰা ৰাখিব লাগে বুলি বিনেশ্বৰ ব্ৰহ্মই আমাক পৰামৰ্শ দিছিল। আজি একমাত্ৰ বিনেশ্বৰ ব্ৰহ্মৰ কাৰণেই বড়ো ভাষা অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈছে। সেইকাৰণে আজি বড়ো জাতিৰ কাৰণে বিনেশ্বৰ ব্ৰহ্মৰ যি অৱদান আছে সেয়া আমি কেতিয়াও পাহৰিব নালাগে বুলি মন্তব্য কৰে মহিলাৰীয়ে। বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি সভাত ভাষণ দি মহিলাৰীয়ে কয় যে বড়ো সাহিত্য সভাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়তো প্ৰয়াত সাহিত্যিকগৰাকীয়ে বড়ো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা বিভিন্ন সংগঠনৰ স'তে আলোচনাৰ জৰিয়তে বড়োলেণ্ড সমস্যাৰ এক শান্তিপূৰ্ণ সমাধানৰ বাবে আন্তৰিক প্ৰচেষ্টা চলাইছিল বুলি মহিলাৰীয়ে উল্লেখ কৰে।

'বড়ো জনগোষ্ঠীৰ বাবে বিনেশ্বৰ ব্ৰহ্মই আগবঢ়োৱা অৱদান আমি কেতিয়াও পাহৰিব নোৱাৰো। বড়োলেণ্ড আন্দোলনত জীৱন আহুতি দিয়া লোকসকলৰ লগতে বিনেশ্বৰ ব্ৰহ্মৰ অৱদান আৰু ত্যাগ যাতে নৱপ্ৰজন্মই সদায় স্মৰণ কৰে তাৰ বাবে স্মাৰক ভৱন, সংগ্ৰহালয়, উদ্যান আৰু অন্যান্য প্ৰতিষ্ঠান নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে,' বুলি মহিলাৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। মহিলাৰীয়ে কয় যে বড়ো সাহিত্য সভাৰ বাবে প্ৰথম বছৰত ১০ কোটি টকা আৰু চানমাৰীত বিনেশ্বৰ ব্ৰহ্মৰ মেমিনাৰ হল-কাম-লাইব্ৰেৰী আৰু বিনেশ্বৰ ব্ৰহ্ম উদ্যানৰ বাবে প্ৰথম বছৰত পাঁচ কোটি টকা আৱণ্টন কৰা হৈছে। প্ৰয়োজন সাপেক্ষে পৰৱৰ্তী বছৰসমূহত এই আৱণ্টন বৃদ্ধি কৰা হ'ব বুলিও তেওঁ কয়। প্ৰকল্পসমূহৰ নিৰ্মাণত উচ্চমানৰ সামগ্ৰী আৰু উন্নত কাৰিকৰী মান বজাই ৰাখিবলৈ ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগক কঠোৰ নিৰ্দেশ দিয়ে মহিলাৰীয়ে। 'স্মাৰক প্ৰকল্পসমূহ যাতে বিনেশ্বৰ ব্ৰহ্মাৰ ঐতিহ্যৰ উপযুক্ত আৰু দীৰ্ঘস্থায়ী প্ৰতীক হৈ উঠে তাৰ বাবে গুণগত মানৰ ক্ষেত্ৰত কোনো আপোচ নকৰিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ পূৰ্বে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে বিনেশ্বৰ ব্ৰহ্মৰ সমাধিস্থলত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাখনত ৰাজ্যৰ কেবিনেট মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে সম্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বিনেশ্বৰ ব্ৰহ্মই বড়ো সমাজ তথা বড়ো ভাষা আৰু সাহিত্যৰ বৃহত্তৰ স্বাৰ্থত আগবঢ়োৱা অৱদানৰ সম্পৰ্কে বহলাই কয়। সভাৰ আৰম্ভণিতে বড়ো সাহিত্য সভাৰ অৰ্ধনমিত পতাকা উত্তোলন কৰে বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীয়ে। ইয়াৰ পাছত প্ৰয়াত বিনেশ্বৰ ব্ৰহ্মৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে। আজিৰ অনুষ্ঠানত বিধায়ক মানেশ্বৰ ব্ৰহ্ম, প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, এমচিএলএ ধনেশ্বৰ গয়াৰী আৰু যুবিৰাজ বসুমতাৰীকে ধৰি বহু গণ্যমান্য ব্যক্তি, বিষয়া, বড়ো সাহিত্য সভাৰ সদস্য আৰু শুভাকাংক্ষী উপস্থিত থাকে।

### কোকৰাঝাৰত জাপানীজ ভাষা শিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব ঃ হাগ্ৰামা

আনপিনে, সভাৰ অন্তত কোকৰাঝাৰত জাপানীজ ভাষা শিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি আজি হাগ্ৰামা মহিলাৰীয়ে এই কথা সংবাদ মাধ্যমৰ আগত ঘোষণা কৰে। বিটিচি প্ৰধান মহিলাৰীয়ে কয় যে যোৱা ১৭ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গুৱাহাটীত ৰাজ্য চৰকাৰ আৰু বিটিচি পৰিষদৰ মাজত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। উক্ত সভাখনত সৰ্বসন্মতিক্ৰমে কোকৰাঝাৰত জাপানীজ ভাষা শিক্ষা কেন্দ্ৰ এটা স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। এইটো খুবেই ভাল সিদ্ধান্ত। মহিলাৰীয়ে কয় যে 'আমি যদি আমাৰ বিটিচি অঞ্চলত জাপানীজ ভাষা শিকাব পাৰো তেন্তে'লে জাপান, চীন, কোৰিয়াত কাম কৰিবলৈ বহু সুবিধা পাব। ইয়াৰ পাছত অঞ্চলত আমি আৰু চাইনীজ ভাষা শিক্ষা কেন্দ্ৰও লাহে লাহে কৰিম। ইয়াৰ জৰিয়তে অঞ্চলটোৰ লোকসকলৰ বাবে ভাষা শিক্ষা আৰু সাংস্কৃতিক বিনিময়ৰ নতুন সুযোগ সৃষ্টি হ'ব বুলিও মহিলাৰীয়ে আশা প্ৰকাশ কৰে। ইয়াৰ উপৰিও বিটিচিৰ ৰাজ্য চৰকাৰৰ লগত লোৱা আমাৰ মাজত হোৱা পৰ্যালোচনা সভাত বিদেৰ কাৰ্যসূচীৰে আলোচনা হৈছে যাতে এখন শতাংশৰ ভিতৰত ৯০ শতাংশৰ কাম সম্পূৰ্ণ কৰা হৈছে। আৰু ১০ শতাংশ আমাৰ অলপ আলোচনা কৰিবলগীয়া আছে। মুঠৰ ওপৰত আমি যিখিনি এজেণ্ডা লৈ বিটিচি চৰকাৰৰ পৰা উপস্থাপন কৰিছো ৯০ শতাংশ হৈ গ'ল, ১০ শতাংশ আলোচনা আৰু অলপ লাগিব।

## কৃষি উৎপাদন- ঐক্যবদ্ধ বজাৰমুখী প্ৰয়াসেহে এফপিঅ'ক শক্তিশালী কৰিব ঃ বৰা

**গুৱাহাটী, ১৯ আগষ্ট ঃ** ভাৰতীয় কিষাণ সংঘ, অসমৰ স'তে জড়িত লক্ষ্মী কো-অপাৰেটিভ ফাৰ্মাৰ প্ৰডিউছাৰ অৰ্গেনাইজেছন (এফপিঅ')ৰ উদ্যোগত বৰপেটা জিলাৰ পাটবাউসীত এটা নতুন সৰিয়হ তেলৰ মিল স্থাপন কৰা হৈছে। এই মিলটোৰ সৰিয়হৰ তেল উৎপাদন ক্ষমতা প্ৰতিদিনে ২.৫ টন। এই তেলৰ মিলটো মুখ্যমন্ত্ৰী উৎকৰ্ষ আঁচনিৰ অধীনত স্থাপন কৰা হৈছে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে কৃষকৰ সামূহিক উদ্যোগক উৎসাহিত কৰা, কৃষিজাত উৎপাদনত মূল্য সংযোজন কৰা আৰু কৃষক সমাজৰ বাবে উপযুক্ত বজাৰ সৃষ্টি কৰা। এই এফপিঅ'টোত ৪৫০ গৰাকী কৃষক জড়িত হৈ আছে। এই পদক্ষেপে কৃষকসকলৰ আয় বৃদ্ধিৰ লগতে গ্ৰাহকসকলক বিশুদ্ধ আৰু জৈৱিকভাৱে উৎপাদিত সৰিয়হ তেল উপলব্ধ কৰাত সহায় কৰিব। উদ্বোধনী অনুষ্ঠানত কে'বাগৰাকীও বিশিষ্ট অতিথি আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। তেওঁলোকৰ ভিতৰত আছিল এনচিডিচিৰ আঞ্চলিক সঞ্চালক অমিত কুমাৰ নিগম; এনচিডিচিৰ সহকাৰী সঞ্চালক মহেন্দ্ৰ কুমাৰ মীনা; সুশীলা ফাউণ্ডেছন ফৰ এগ্ৰিকালচাৰেল এণ্ড ৰুৰেল ডেভেলপমেণ্টৰ সভাপতি ভাবেশ দাস; এফপিঅ'ৰ মুখ্য কাৰ্যবাহী বিষয়া পল্লৱী সিন্দে ডেকা; সভাপতি শৈলেন পাঠক; সঞ্চালক হংস দাস; সঞ্চালক বিশ্বজিৎ দাস; সঞ্চালক দিগন্ত ডেকা; আৰু ভাৰতীয় কিষাণ সংঘ, অসমৰ সাংগঠনিক কৃষ্ণকান্ত বৰা। ইয়াৰ উপৰি সামাজিক আৰু কৃষি ক্ষেত্ৰৰ স'তে জড়িত বহু বিশিষ্ট ব্যক্তিও অনুষ্ঠানত উপস্থিত থাকে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কিষাণ সংঘৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰাই ডাকৰ উদ্ধৃতিৰে খেতি আৰু বেপাৰ একেলগে আগুৱাই নিনিলে কৃষকৰ আৰ্থিক উন্নয়ন সম্ভৱ নহয় বুলি মত পোষণ কৰে । তেওঁ কয়, কৃষি উৎপাদন আৰু ঐক্যবদ্ধ বজাৰমুখী প্ৰয়াসেহে এফপিঅ'ক শক্তিশালী কৰিব পাৰে। এফপিঅ'টোৰ এই নতুন উদ্যমে বৰপেটাৰ ৰাইজক উপকৃত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এনচিডিচিৰ আঞ্চলিক সঞ্চালক অমিত কুমাৰ নিগমে শক্তিশালী এফপিঅ' প্ৰশাসনিক পৰিচালনা, পেছাদাৰী ব্যৱস্থাপনা আৰু চৰকাৰী আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ গুৰুত্বৰ ওপৰত বক্তব্য প্ৰদান কৰে। তেওঁ এফপিঅ'ৰ বহনক্ষম বিকাশ আৰু কৃষকসকলৰ অধিক অৰ্থনৈতিক লাভ নিশ্চিত কৰাৰ বাবে চৰকাৰী আঁচনিসমূহৰ যথাযথ ক্ৰিয়ান্বয়ণ আৰু বেংকিঙৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে।

অনুষ্ঠানত বৰপেটাৰ বিখ্যাত সৰিয়হ তেলৰ ব্ৰেণ্ড 'পুষ্পা'ৰ স্বত্বাধিকাৰীও উপস্থিত থাকে। তেওঁ বিপণন কৌশল, সামগ্ৰীৰ প্ৰচাৰ আৰু সামগ্ৰী বিপণনৰ স'তে জড়িত কাৰিকৰী দিশসমূহৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ব্যৱহাৰিক পৰামৰ্শ আগবঢ়ায়। এই পৰামৰ্শসমূহে এফপিঅ'টোক নিজৰ সৰিয়হ তেলৰ ব্যৱসায়ৰ বিকাশ আৰু সম্প্ৰসাৰণত সহায় কৰিব ।

এই তেল মিলটোৰ স্থাপনে অঞ্চলটোৰ কৃষকৰ পৰা গ্ৰাহকলৈ যোগান শৃংখল শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব, মধ্যভোগী নথকা বাবে কৃষকৰ আয় বৃদ্ধিত অৰিহণা যোগোৱাৰ আশা কৰা হৈছে।

## বিলাসীপাৰাৰ নয়াহাটত চোৰাং

তিনি পৃষ্ঠাৰ পৰা গৰু ছিণ্ডিকেট চক্ৰৰ সদস্যজন বগৰীবাৰীৰ বুলবুল মিঞা বুলি জানিব পৰা গৈছে । চোৰাং গৰু সমূহ বাংলাদেশ লৈ সৰবৰাহ কৰাৰ সন্দেহ ৰাইজৰ । গো-ধন ভৰ্তি বলেৰ' বাহন খনৰ নম্বৰ এএছ ০৬ এ পি ১৮১৪।

## স্বয়ম্ভূ হোমিওপেথি চিকিৎসকক

তিনি পৃষ্ঠাৰ পৰা ঔষধ ব্যৱসায়ীসকলে পাইকাৰী মূল্যত অধিক মাত্ৰাত ঔষধ বিক্ৰীৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। লগতে চিকিৎসাৰ নামত এনে দুষ্কাৰ্য কৰা লোকসকলৰ বিৰুদ্ধে বিহিত প্ৰশাসনিক তথা আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও উল্লেখ কৰে 'অসম হোমিওপেথি চিকিৎসা সন্থাই' ।

## বৰাকৰ ১৪ নেতাক ছ বছৰৰ

তিনি পৃষ্ঠাৰ পৰা হুছেইন লস্কৰ, ছাইন আহমেদ লস্কৰ, মহবুব হুছেইন (ৰিপন), হানিফ আলম মজুমদাৰ, আলতাফ হুছেইন লস্কৰ (টিটু) আৰু নজীৰ আহমেদ লস্কৰ।

ইয়াৰ উপৰি অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ইজাজ লস্কৰ, সংখ্যালঘু বিভাগৰ সাধাৰণ সম্পাদক জহুৰ চৌধুৰী, সোনাই মণ্ডল কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কাদিৰ আহমেদ লস্কৰ, জিলা সংখ্যালঘু বিভাগৰ প্ৰাক্তন সভাপতি আনছাৰ হুছেইন বৰলস্কৰ আৰু সোনাই সমষ্টিৰ যুৱ কংগ্ৰেছৰ সভাপতি ৰাকিব আহমেদ মজুমদাৰকো নিলম্বন কৰা হৈছে।

## জাতীয় সংগঠনৰ নামত

তিনি পৃষ্ঠাৰ পৰা পৰিষদৰ মান মৰ্যাদা হানি কৰিছে। সেইদৰে জাতীয় সংগঠনৰ নাম লৈ কোনো অসাধু চক্ৰই যাতে ধনদাবীৰ দৰে কাৰ্য কৰিব নোৱাৰে তাৰ প্ৰতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে সংগঠন দুটাই। দুটা সংগঠনৰ এজাহাৰ লাভ কৰাৰ পাছতে মৰাণ আৰক্ষীয়ে এজাহাৰত নাম উল্লেখ থকা স্বয়ম্ভু নেতাসকলক বিচাৰি অভিযান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি আৰক্ষীৰ চকুৰ আগতে এইবোৰ ঘটনা ঘটি থাকে যদিও একাংশ আৰক্ষীয়ে নীৰৱ দৰ্শকৰ ভূমিকা লয়।

## ভেৰগাঁও আইটিআইৰ ভাৰপ্ৰাপ্ত

তিনি পৃষ্ঠাৰ পৰা আৰু সামাজিক পৰিৱেশ বিনষ্ট নহ'বলৈ অধীক্ষক দত্তৰ ওপৰত উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই সংগঠনসমূহে। উল্লেখ্য যে এইগৰাকী অধীক্ষক জিলাখনৰ মাজবাট আইটিআইৰ স্থায়ী অধীক্ষক যদিও অধীক্ষকজনৰ অৱহেলা আৰু দায়িত্ব জ্ঞানহীনতাৰ বাবে ৪০ গৰাকী প্ৰশিক্ষনাৰ্থীয়ে ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা বঞ্চিত হয় বুলি জানিব পৰা গৈছে। এনচিভিটিৰ ৪০ প্ৰশিক্ষণাৰ্থীৰ যথা সময়ত বিভাগীয় নথি পৰীক্ষা নকৰাত বিভাগীয়ভাৱে অতিৰিক্ত দুমাহ সময় লাভ কৰিও অধীক্ষক দত্তৰ ভুলত ফাইনেল পৰীক্ষাত বহিব নোৱাৰিব বুলি জানিব পৰা গৈছে। কিন্তু পৰিস্থিতি বিষম দেখি দত্তই দিল্লীৰ বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি ৰিপিতাৰ্চ পৰীক্ষাৰ স'তে উক্ত ৪০ গৰাকী প্ৰশিক্ষণাৰ্থীক পৰীক্ষাত বহিব পৰা ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। এনে এজন অধীক্ষকৰ ওপৰত কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয় বিষয়।

## বছৰ বছৰ ধৰি বেদখলত থকা

তিনি পৃষ্ঠাৰ পৰা অধিক কৃষিভূমি একে গাঁৱৰে মন্নাচ আলী, আক্কাচ আলী আৰু জাহেদ আলিয়ে দীৰ্ঘদিন ধৰি বেদখল কৰি ৰখাৰ অভিযোগ আছিল। এই ঘটনাৰ পাছতে নিজৰ ভূমিৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে আব্দুল ছাত্তাৰৰ পৰিয়ালে আদালতৰ দ্বাৰস্থ হয়। নগাঁও জিলা আদালতত চলা গোচৰৰ অন্তত ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি আজি ধিং ৰাজহ চক্ৰৰ বিষয়ববীয়া, স্থানীয় আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত উক্ত ভূমিত আজি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। প্ৰশাসনৰ উদ্যোগত ভূমিখিনি বেদখলমুক্ত কৰাৰ লগতে আব্দুল ছাত্তাৰৰ পৰিয়ালক উক্ত কৃষিভূমি চমজাই দিয়া হয়। ইপিনে, ভূমিখিনি বেদখলমুক্ত কৰি প্ৰকৃত দাবীদাৰ পৰিয়ালক চমজাই দিয়াৰ সময়তে বেদখলৰ অভিযোগত অভিযুক্ত লোকসকলে পৰিয়ালটোৰ সদস্যসকলক বিভিন্ন ধৰণে ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাক লৈ ভুক্তভোগী পৰিয়ালটোৱে নিজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা বিচাৰি নগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত আবেদন জনাইছে। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত চৰ্চা অব্যাহত আছে।

## এবছৰ বিৰতিত পুনৰ আগন্তুক

তিনি পৃষ্ঠাৰ পৰা মিছন সমন্বয়কলৈ এই সম্পৰ্কীয় জাননী প্ৰেৰণ কৰে। ইয়াত উল্লেখ কৰা অনুসৰি অহা আগন্তুক বৰ্ষৰ ছয় জানুৱাৰীৰ পৰা পাঁচ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত এই গুণোৎসৱ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ গুণোৎসৱ ১৩ খন জিলাক সামৰি সাত, আঠ আৰু ন জানুৱাৰীত অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত ১২ খন জিলাক সামৰি ২০, ২১ আৰু ২২ জানুৱাৰীত গুণোৎসৱ অনুষ্ঠিত হ'ব। আনহাতে তিনি, চাৰি আৰু পাঁচ ফেব্ৰুৱাৰীত ১০ খন জিলাক সামৰি তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হ'ল- বৰপেটা, বজালী, কৰিমগঞ্জ, কামৰূপ মহানগৰ, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, গোলাঘাট, শিৱসাগৰ, দক্ষিণ শালমাৰা-মানকাচৰ, ওদালগুৰি, যোৰহাট আৰু কাৰ্বি আংলং। দ্বিতীয় পৰ্যায়ৰ জিলাকেইখন হ'ল বাগ্‌সা, বিশ্বনাথ, চিৰাং, চৰাইদেউ, ধুবুৰী, হাইলাকান্দি, হোজাই, কামৰূপ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং। তৃতীয় পৰ্যায়ৰ জিলাকেইখন হ'ল বঙাইগাঁও, ধেমাজি, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাছাও আৰু মাজুলী।

## স্বাধীনতাৰ ৮০ বছৰ পাছতো

তিনি পৃষ্ঠাৰ পৰা হোৱা নাই। ফলত বৰষুণ আহিলেই পাঠদান বন্ধ হৈ পৰে। শ্ৰেণীকোঠাত জমা হয় বৰষুণৰ পানী। বিদ্যালয়খনৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল শিক্ষকৰ অভাৱ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত মাত্ৰ দুজন শিক্ষকহে আছে বিদ্যালয়খনত। সেই দুজন শিক্ষকেই প্ৰাক-প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈকে পাঁচটা শ্ৰেণী চলাব লগা হৈছে। ফলত পাঠদানৰ মান যথেষ্ট হ্ৰাস পাইছে। বিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে, পূৰ্বতে চৰকাৰৰ পৰা এটা গৃহ লাভ কৰিছিল যদিও সেইটো পৰ্যাপ্ত নহয়। এটা গৃহত তিনিটা শ্ৰেণী চলোৱা হয়, বাকী দুটা শ্ৰেণী চলিব লগা হয় ভঙা পঁজাৰ তলত। এই বিষয়ে বিদ্যালয়ৰ প্ৰধান শিক্ষকগৰাকীয়ে কয়, 'ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আমি চৰকাৰক বাৰে বাৰে অনুৰোধ কৰিছো। কিন্তু আজিলৈকে কোনো ব্যৱস্থা হোৱা নাই। আমি চৰকাৰক আকৌ এবাৰ আহ্বান জনাইছো, ছাত্ৰ-ছাত্ৰীসকলৰ মুখলৈ চাই অন্ততঃ এটা হ'লেও স্থায়ী চৰকাৰী গৃহ আৰু অধিক শিক্ষক নিয়োগ কৰক।' স্থানীয় ৰাইজেও এই বিষয়টোক লৈ তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। তেওঁলোকৰ দাবী, শিক্ষাৰ নামত এই ধৰণৰ অৱহেলা মানি ল'ব নোৱাৰি। অতি শীঘ্ৰে চৰকাৰে হস্তক্ষেপ নকৰিলে তেওঁলোকে বৃহত্তৰ আন্দোলনৰ পথ ল'ব। মিছামুখ পামৰ দৰে এখন প্ৰান্তীয় অঞ্চলৰ বিদ্যালয়ৰ এই দৈন্য দশাই প্ৰশ্নৰ সৃষ্টি কৰিছে - স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰাৰ মাজতে প্ৰকৃততে আমি বৌদ্ধিকতাৰ দিশত কিমান আগবাঢ়িছো?

## নগাঁও জিলা আয়ুক্তৰ ভুৱা ছীল বনাবলৈ আহি ৰাইজৰ হাতত ধৰা পৰিল প্ৰৱঞ্চক

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১৯ আগষ্ট ঃ** নগাঁও জিলা আয়ুক্তৰ ভুৱা ছীল বনাবলৈ আহি আজি ৰাইজৰ হাতত ধৰা পৰিল এটা প্ৰৱঞ্চক। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমানে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্য অব্যাহত আছে। জানিব পৰা মতে আজি পুৱাৰ ভাগতে ধিং বজাৰত থকা বেনহুৰ' ব্যৱসায়ীক প্ৰতিষ্ঠানখনলৈ নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ এটা পুৰণা ভুৱা ছীলৰ আৰ্হিলৈ নতুনকৈ বনাবলৈ আহে এজন নাবালক। ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰীগৰাকীয়ে নাবালকজনৰ এনে কাৰ্যত সন্দেহ ঘণীভূত হয়। পাছত তেওঁ ছীলটো নগাঁও জিলা আয়ুক্তৰ ছীল ভুৱাকৈ বনাবলৈ অহাটো নিশ্চিত হৈ নাবালকজনক সোধপোছ আৰম্ভ কৰাত তেওঁ কয়, যে এই ছীলটো মোক বেলেগ এজন মানুহে বনালৈ দিছে। তেওঁ অকণমান আঁতৰত থকা বুলি জানিবলৈ দিয়ে। পাছত ব্যৱসায়ীজনে ছীলটো ৰখাই নাবালকজনক তেওঁক ছীল বনাবলৈ দিয়া মানুহজনক দোকানখনলৈ মাতি আনিবলৈ কয়। ব্যৱসায়ীজনৰ কথা মতেই নাবালকজনে সেই ব্যক্তিজনৰ ওচৰলৈ গৈ এই সমস্ত কথা বিৱৰি কোৱাত তেওঁ দোকানখনত আহিবলৈ অমান্তি হোৱা বুলি কোৱাৰ লগতে নাবালকজনক ছীলটো লৈ আন এখন দোকানত বনাবলৈ নিৰ্দেশ দিয়ে। নাবালকজনেও প্ৰৱঞ্চকজনৰ কথাখিনি আহি বেনহুৰ' ব্যৱসায়ীক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীগৰাকীক কোৱাত তেওঁৰ প্ৰতি আৰু দুগুণ সন্দেহ ঘণীভূত হোৱাত বিছাৰি যায়। ব্যৱসায়ীক প্ৰতিষ্ঠানখনৰ পৰা নাতি দূৰৈত তেওঁ ৰৈ থকা অৱস্থাতে বেনহুৰ' ব্যৱসায়ীক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰীৰে তেওঁক জৰাবদিহী কৰে। তদুপৰি তেওঁ নগাঁও জিলা কাৰ্যালয়ৰ স'তে যোগাযোগ কৰি নিশ্চিত হয় যে এয়া এক প্ৰৱঞ্চকৰ কু- কাণ্ড। লগে লগে তেওঁ স্থানীয় ৰাইজৰ সহযোগত প্ৰৱঞ্চকটোক আৱদ্ধ কৰি ৰাখি ধিং আৰক্ষীক খবৰ দিয়ে। কিছু সময়ৰ পিছতে ঘটনাস্থলীত আহি উপস্থিত হোৱা ধিং আৰক্ষীক স্থানীয় ৰাইজে গতাই দিয়ে প্ৰৱঞ্চকটোক। এই প্ৰৱঞ্চকটোৰ পৰা আৰক্ষীয়ে আৰু বহু আপত্তিজনক নথি পত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। ইফালে এই সমগ্ৰ ঘটনাটোৰ সন্দৰ্ভত বেনহুৰ' ব্যৱসায়ীক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী মণিমুগ্ধ নাথে কয়, এজন ব্যৱসায়ী হিচাপে আমাৰ এক দায়িত্ববোধ থাকিব লাগে। যে আমি যি বস্তু বনাম বা বনাব লাগে। বা যিজন মানুহে যিটো বস্তু বনাবলৈ আহিছে, সেইটো বনোৱাৰ তেওঁৰ অধিকাৰ আছে নে নাই। এই গোটেই কথাখিনি আমি চাই ল'ব লাগে আৰু এই দায়িত্ববোধখিনি মই ভাবো আমাৰ প্ৰত্যেকজন ব্যৱসায়ীয়ে থাকিব লাগে। ধৃত লোকজন জুৰীয়াৰ এমৰান হুছেইন খান বুলি জানিব পৰা গৈছে। আৰক্ষীৰ জেৰাত এই প্ৰৱঞ্চক চক্ৰটোৰ আৰু বহুত ন ন তথ্য উদ্ধাৰ হ'ব পাৰে বুলি সচেতন মহলে সন্দেহ প্ৰকাশ কৰিছে।

## চাপৰৰ ৰৌমাৰী-পাখিৰিৰতলত ফাৰ্মাচীত জব্দ ন সহস্ৰাধিক নিচাযুক্ত টেবলেট

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১৯ আগষ্ট ঃ** অসম আৰক্ষীৰ ধুবুৰীস্থিত জিলা অপৰাধ ইউনিট আৰু চাপৰ আৰক্ষীয়ে চাপৰ চহৰৰ ৰৌমাৰী-পাখিৰিৰতলত কালি বিয়লি এক আকস্মিক অভিযান চলাই এখন ফাৰ্মাচীৰ পৰা ন সহস্ৰাধিক নিচাযুক্ত 'য়াবা' নামৰ টেবলেট জব্দ কৰাৰ লগতে ইয়াৰ স'তে জড়িত দুজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্যমতে, এক গোপন সূত্ৰৰ খবৰলাভকৰি 'জিলা ক্ৰাইম ইউনিট'ৰ উপ-পৰিদৰ্শক দীপজ্যোতি মালাকৰ আৰু চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমনি চৌধুৰীৰ যুটীয়া নেতৃত্বত আৰক্ষীৰ দলে উপৰিউক্ত স্থানত থকা 'চুহানা ড্ৰাগ ডিষ্ট্ৰিবিউটৰ' নামৰ ফাৰ্মাচীখনত বিয়লি অভিযান চলায়। বিয়লিৰ পৰা নিশা প্ৰায় ন বজালৈকে মাৰাথন অভিযান চলাই নক্স সহস্ৰাধিক য়াবা টেবলেট জব্দ কৰে। জব্দকৃত ১০৬০ গ্ৰাম য়াবা টেবলেটৰ বজাৰ মূল্য চ কোটি টকাৰো অধিক বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে। আৰক্ষীয়ে জব্দকৃত নিচা জাতীয় সামগ্ৰীৰ লগতে এই অবৈধ ব্যৱসায়ৰ স'তে জড়িত মোগৰব আলী আৰু চান্দাম হুছেইন নামৰ ড্ৰাগছ ব্যৱসায়ী দুজনক ফাৰ্মাচীখনৰ পৰা গ্ৰেপ্তাৰ কৰি থানালৈ লৈ আনে। চাপৰবাসী ৰাইজে আৰক্ষীৰ এই তৎপৰতাত সন্তুষ্টি প্ৰকাশ কৰি চাপৰ অঞ্চলত বৰবিহ ড্ৰাগছৰ বেহা বন্ধ কৰাৰ লগতে অঞ্চলটোত চলি থকা জুৱা আৰু তীৰখেল বন্ধ কৰিবলৈ দাবী উত্থাপন কৰিছে।

## খাৰাঘাটৰ গেছ নৰ্থ ইষ্ট গেছ গ্ৰীডৰ স'তে সংযোগ স্থাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৯ আগষ্ট ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ গেছভিত্তিক অৰ্থনীতি শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে (অ'এনজিচি)। গোলাঘাট জিলাৰ খোৰাঘাট (জিজিএছ-১) ত গেছ পৰিবহণৰ সুবিধা সফলতাৰে কাৰ্যক্ষম কৰি অতিৰিক্ত প্ৰাকৃতিক গেছ নৰ্থ ইষ্ট গেছ গ্ৰীডৰ জৰিয়তে পৰিবহণৰ ব্যৱস্থা কৰা হৈছে। ই নতুন সংযোগৰ ফলত অ'এনজিচিৰ যোৰহাট সম্পদৰ পৰা দৈনিক প্ৰায় এক লাখ এছচিএম গেছ ব্যৱহাৰৰ পথ মুকলি হৈছে। এই ব্যৱস্থাই আপাৰ আসাম ছেলফৰ অতিৰিক্ত গেছ প্ৰক্ৰিয়াকৰণ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ গেছ গ্ৰীডলৈ পৰিবহণত সহায় কৰিব। উল্লেখ্য যে ইন্দ্ৰ ধনুচ গেছ গ্ৰীড লিমিটেড-এ নিৰ্মাণ কৰা নৰ্থ ইষ্ট গেছ গ্ৰীডৰ স'তে এই সংযোগে অঞ্চলটোৰ গেছ পৰিবহণ ব্যৱস্থাক অধিক শক্তিশালী কৰিব। ইয়াৰ লগতে দেৰগাঁও ডিমাপুৰ পাইপ লাইন ইতিমধ্যে কাৰ্যক্ষম হোৱাত নগালেণ্ডো নৰ্থ ইষ্ট গেছ গ্ৰীড আৰু নেচনেল গেছ গ্ৰীডৰ সৈতে সংযুক্ত হৈছে। আনহাতে, যোৰহাট এছেট-ৰ অধিক উৎপাদনশীল ক্ষেত্ৰসমূহক গেছ গ্ৰীডৰ সৈতে সংযোগ কৰাৰ বাবে অ'এনজিচিয়ে জনতাপথাৰ আৰু কচুমাৰীগাঁৱতো সুবিধা বিকশিত কৰি আছে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'লে অঞ্চলটোত গেছৰ উপলব্ধতা অধিক বৃদ্ধি পোৱাৰ লগতে গেছ অপচয় হ্ৰাস পাব বুলি অ'এনজিচিয়ে প্ৰকাশ কৰিছে। উন্নত গেছ যোগানে ব্যক্তি, উদ্যোগ, পৰিবহণ আৰু বিদ্যুৎ খণ্ডত নতুন সম্ভাৱনা সৃষ্টি কৰাৰ লগতে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক আৰু আন্তঃগাঁথনিগত বিকাশত সহায় কৰিব বুলি আশা কৰা হৈছে।

## বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ

তিনি পৃষ্ঠাৰ পৰা বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহে নিজ খেয়াল-খুচি মতে পৰীক্ষাৰ মাচুল সংগ্ৰহ কৰি আহিছে। ইয়াৰ ফলত সাধাৰণ তথা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকল তীব্ৰ আৰ্থিক সমস্যাৰ মুখত পৰিবলগীয়া হৈছে। ইফালে, বিশ্ববিদ্যালয়খনৰ শৈক্ষিক কেলেণ্ডাৰ সম্পূৰ্ণৰূপে ব্যাহত হোৱাৰ অভিযোগ তুলি ছাত্ৰ প্ৰতিনিধিসকলে কয় যে সময়মতে পৰীক্ষাৰ ফলাফল ঘোষণা নকৰাটো বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এক নিয়মত পৰিণত হৈছে। পৰৱৰ্তী পৰ্যায়ৰ নামভৰ্তিৰ সময় উকলি যোৱাৰ পাছতো ফলাফল প্ৰকাশ কৰাত বিশ্ববিদ্যালয়খন ব্যৰ্থ হয়, যাৰ বাবে এশ-একাংশ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যৎ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়া হৈছে। কেৱল সেয়াই নহয়, সংবাদমেলত এক গুৰুতৰ বিত্তীয় আৰু অধিকাৰ খৰ্বৰ অভিযোগ উত্থাপন কৰি ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকলে কয় যে যুৱ মহোৎসৱত অংশগ্ৰহণৰ বাবে বৰমা মহাবিদ্যালয়ৰ নামত অহা চৰকাৰী অনুদান বড়োলেণ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বেআইনীভাৱে নিজে গ্ৰহণ কৰে। অকল ধনেই নহয়, মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক যুৱ মহোৎসৱত প্ৰতিযোগিতা কৰাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰি এক চৰম অন্যায় কৰিছে। সংবাদমেলৰ জৰিয়তে ছাত্ৰ একতা সভাই বড়োলেণ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষক স্পষ্ট সকীয়নি প্ৰদান কৰি কয় যে যদিহে অতি শীঘ্ৰে এই সমগ্ৰ আঁসোৱাহ আৰু সমস্যাসমূহৰ স্থায়ী সমাধান কৰা নহয়, তেন্তে বৰমা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনৰ পৰা আঁতৰি পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ যোৱাৰ বাবে জোৰদাৰ আন্দোলন আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব।

## ৰাইজে সাহায্য নিদিলে বন্যাৰ্তই ভোকত

তিনি পৃষ্ঠাৰ পৰা জয়ঢোল কোবাই আহিছিল নিৰ্বাচনৰ পূৰ্বে অহা বিজেপিৰ শীৰ্ষ নেতাসকলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক কটাক্ষ কৰি শইকীয়াই কয়, 'নিৰ্বাচনৰ সময়ত বাৰে বাৰে অসমলৈ আহে আৰু ডাঙৰ ডাঙৰ ভাষণ দিয়ে। এতিয়া ক'ত আছে?'

আনহাতে, ৩৬৯ কোটি টকাৰ সাহায্যই বানপীড়িতৰ সমস্যা সমাধান কৰিব নোৱাৰে বুলিও মন্তব্য কৰে তেওঁ। স্থায়ী সমাধানৰ ক্ষেত্ৰত কেতিয়া ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰশ্ন উত্থাপন কৰি শইকীয়াই কয়- 'তিনিটা নিৰ্বাচনতে প্ৰধানমন্ত্ৰীয়ে বানমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি আজিও কেৱল প্ৰতিশ্ৰুতি হৈয়ে থাকিল।

'আদানী-আম্বানীৰ কাৰণে সকলো কৰে, অথচ অসমৰ বানাক্ৰান্তক ৩৬৯ কোটি টকা দিয়া হয়।' এই ধনেৰেই বানাক্ৰান্ত ৰাইজক সৰ্বতোপ্ৰকাৰে সহায় কৰিব পৰা সম্ভৱ নহয় বুলি মন্তব্য কৰে শইকীয়াই। দুৰ্যোগ প্ৰশমন আইনৰ বিধি অনুসৰি চৰকাৰে সাহায্য নিদিয়াৰ অভিযোগ উত্থাপন কৰে শইকীয়াই।প্ৰশাসনে মুখ্যমন্ত্ৰীক বিপথে পৰিচালিত কৰিছে নেকি প্ৰশ্ন উত্থাপন কৰি শইকীয়াই কয়, দিখৌ নদীৰ প্ৰলয়ংকৰী বানৰ এমাহ উকলি যোৱাৰ পাছতো সৰ্বস্বান্ত হোৱা লোকৰ পুনঃসংস্থাপনৰ কোনো ব্যৱস্থা কৰা নাই চৰকাৰে। বৰ্তমানলৈকে ২৮ হেজাৰ বন্যাৰ্তই সাহায্য লাভ কৰা বুলি প্ৰশাসনে ঘোষণা কৰিলে যদিও কোন গাঁৱত কিমান জনে সাহাৰ্য লাভ কৰিছে তাৰ তথ্য স্পষ্ট নকৰাত ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ উপৰি প্ৰথম তিনি দিনত ৰাইজে সাহায্য আগনবঢ়োৱা হ'লে বন্যাৰ্তক খাবলৈ নাপায় মৰিলেহেঁতেন বুলি মন্তব্য। হিমাচল প্ৰদেশৰ ২০২৩ৰ বানপানীৰ সময়ত কংগ্ৰেছ মুখ্যমন্ত্ৰী শুখবিন্দৰ সিং সুখুৱে আইন সংশোধন ঘটাই বন্যাৰ্তক সাত লাখ টকাৰ সাহায্য দিয়াৰ লগতে ৪,৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰিছিল আৰু অসমত এতিয়াও মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰলৈ বাট চাই আছে বুলি সমালোচনা কৰে শইকীয়াই। প্ৰত্যেকজন বন্যাৰ্তক কমেও সাত লাখ টকাৰ ক্ষতিপূৰণ দিবলৈ দাবী জনাই শইকীয়াই অ'এনজিচিয়ে চৰকাৰক তেল মাৰিবলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ধন দিছে যদিও উজনিৰ বৰ্নাত্যক সহায় কৰা নাই বুলি চৰকাৰক তীব্ৰ সমালোচনা কৰে শইকীয়াই।



## এইবাৰ মহুৱাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা কৃষ্ণনগৰ আদালতৰ

**নিউজ ব্যুৰ' কলকাতা, ১৯ আগষ্ট ঃ** কৃষ্ণনগৰৰ তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে কৃষ্ণনগৰ জিলা আদালতে। মহুৱাৰ বিৰুদ্ধে পূৰ্বে গোচৰ ৰুজু কৰিছিল ঘূৰ্ণীৰ কে'বাগৰাকীও মহিলাই। মহুৱাই একাধিক আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত মহিলাই আদালতৰ দ্বাৰস্থ হৈছিল। এই গোচৰত কে'বাবাৰো শুনানি গ্ৰহণৰ পাছত আজি সশৰীৰে আদালতত উপস্থিত হ'বলৈ মহুৱাক নিম্ন আদালতে নিৰ্দেশ দিছিল। কিন্তু মহুৱাই আদালতত হাজিৰ নোহোৱাত কৃষ্ণনগৰ জিলা আদালতে সাংসদগৰাকীৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে। ফলত স্বাভাৱিকতে অধিক বিপাকত পৰিল তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকী।

### লগতে সন্তান মুছা, মুবাছছাৰা মানেকাকো সাক্ষাৎ কাৰাবন্দী বুছৰাৰ

# ইমৰান জীৱিত ঃ উচ্চতম নিৰ্দেশৰ পাছত ইমৰানক সাক্ষাৎ পত্নী-ভগ্নীৰ

**নিউজ ব্যুৰ' ইছলামাবাদ, ১৯ আগষ্ট ঃ** ২০২৩ৰ অক্টোবৰত গ্ৰেপ্তাৰৰ পাছৰে পৰা পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আদিয়ালা কাৰাগাৰত বন্দী হৈ আছে। দীৰ্ঘদিন ধৰি ইমৰানৰ কোনো খবৰ লাভ কৰা নাছিল বুলি পৰিয়ালৰ লোকে দাবী কৰি আহিছে। ইমৰানৰ কাৰাগাৰত মৃত্যু হোৱা বুলিও সাংবাদিকসহ একাংশ লোকে শংকা প্ৰকাশ কৰিছিল। অৱশেষত দীৰ্ঘ নমাহৰ পাছত পত্নী বুছৰা বিবি আৰু ভগ্নী ন'ৰিন নিয়াজিক সাক্ষাৎ কৰিলে কাৰাবন্দী প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে। মঙলবাৰে পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে ৪৮ ঘণ্টাৰ ভিতৰতে অসুস্থ ইমৰানক বেচৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰাবলৈ আৰু পৰিয়ালৰ লোকক সাক্ষাতৰ সুবিধা দিবলৈ নিৰ্দেশ দিছিল। আদালতৰ এই নিৰ্দেশনাৰ পাছত আজি কাৰাগাৰলৈ গৈ ইমৰানক সাক্ষাৎ কৰিলে তেওঁৰ ভগ্নী আৰু পত্নী। পাকিস্তানৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিত লগতে উল্লেখ কৰা অনুসৰি, ইমৰানৰ ভগ্নীয়ে ১৫ মিনিট ধৰি কাৰাবন্দী ভ্ৰাতৃৰ স'তে কথা পাতিছিল। অৱশ্যে কাৰাগাৰৰ কনফাৰেন্স ৰুমত ইমৰানক পৰিয়ালৰ লোকে সাক্ষাৎ কৰাৰ সবিশেষ তথ্য প্ৰশাসনে সদৰী



কৰা নাই। আনহাতে, পত্নী বুছৰাই কনফাৰেন্স ৰুমত প্ৰায় ৩০-৩৫ মিনিট সময় ইমৰানক সাক্ষাৎ কৰিছিল। প্ৰসংগত উল্লেখ্য যে ইমৰান পত্নীও আদিয়ালা কাৰাগাৰতে বন্দী হৈ আছে। বুছৰাই ইমৰানৰ লগতে সন্তান মুছা, মুবাছছাৰা মানেকা আৰু ননদ মেহৰুনিচ্ছাকো সাক্ষাৎ কৰিছিল। কালি পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে অসুস্থ ইমৰানক ছিফটা ইণ্টাৰনেচনেল হাস্পতালত ভৰ্তি কৰাবলৈ নিৰ্দেশ দিছিল আৰু ১৬ ছেপ্টেম্বৰলৈকে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনক উক্ত চিকিৎসালয়ত ৰাখিবলৈ নিৰ্দেশত উল্লেখ কৰিছিল। প্ৰতি সপ্তাহত কমেও এদিন পৰিয়ালৰ লোকক ইমৰানৰ স'তে সাক্ষাতৰ অনুমতি দিবলৈকো আদালতে নিৰ্দেশ জাৰি কৰিছিল। একেটা নিৰ্দেশনাত আদালতে ইমৰানৰ চিকিৎসাৰ বাবে কমিটী গঠন কৰি ইমৰানৰ ভগ্নী ড° উজমা খানক কমিটীত অন্তৰ্ভুক্ত কৰিবলৈ কৈছিল। আদালতৰ নিৰ্দেশৰ পাছত আজি ইমৰানক কাৰাগাৰত সাক্ষাতৰ সুযোগ লাভ কৰিলে পত্নী আৰু ভগ্নীয়ে। এই সাক্ষাতৰ পাছত ইমৰান যে জীৱিত আছে সেয়া প্ৰমাণিত হ'ল।

## ফ্ল'ৰিডাত ভাৰতীয় মূলৰ পিয়াৰ ডেম'ক্ৰেটিক পাৰ্টিৰ প্ৰাইমাৰী নিৰ্বাচনত জয়



**নিউজ ব্যুৰ', ফ্ল'ৰিডা, ১৯ আগষ্ট ঃ** আমেৰিকাৰ ফ্ল'ৰিডাত ভাৰতীয় মূলৰ পিয়া দাণ্ডিয়াই ডেম'ক্ৰেটিক পাৰ্টিৰ প্ৰাইমেৰী নিৰ্বাচনত জয়লাভ কৰিলে। অহা তিনি নৱেম্বৰত অনুষ্ঠিত হ'ব লগা আমেৰিকাৰ মধ্যৱৰ্তী নিৰ্বাচনত ৰিপাব্লিকান প্ৰাৰ্থীৰ স'তে পিয়াই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। পিয়াই আমেৰিকাৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেনটেটিভৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। মঙলবাৰে অনুষ্ঠিত ফ্ল'ৰিডাত প্ৰাইমেৰী নিৰ্বাচনত পিয়াই প্ৰতিদ্বন্দ্বী কেছিয়া অৰ্লিক ৬১.৩ শতাংশ ভোটৰ ব্যৱধানত পৰাস্ত কৰিছিল। উল্লেখ্য যে ভাৰতীয় মূলৰ পিয়াৰ জন্ম ফ্ল'ৰিডাত হৈছিল আৰু তেওঁ এগৰাকী শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। ২৮ বছৰ বয়সতে তেওঁ হাৰ্লেমত এখন হাইস্কুল প্ৰতিষ্ঠা কৰিছিল আৰু দেশৰ সৰ্বকনিষ্ঠ বিদ্যালয়ৰ অধ্যক্ষ হিচাপে পৰিচিত হৈছিল। পৰৱৰ্তী সময়ত পিয়াই হোৱাইট হাউছৰ ফেল' হিচাপে ডমেষ্টিক পলিচি কাউন্সিল আৰু শিক্ষা বিভাগতো কৰ্মৰত হৈছিল। যদি নৱেম্বৰত পিয়া জয়ী হয়, তেন্তে ফ্ল'ৰিডাৰ পৰা মাৰ্কিন কংগ্ৰেছলৈ নিৰ্বাচিত হোৱা তেওঁ হ'ব প্ৰথম দক্ষিণ এছীয় মাৰ্কিন নাগৰিক।

## প্ৰশ্নকাকত ফাদিলৰ পাছত তৎপৰ চৰকাৰ ঃ এনটিএৰ প্ৰশ্নকাকত প্ৰস্তুত কৰা ৬০০ বিশেষজ্ঞক অব্যাহতি




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ আগষ্ট ঃ** মেডিকেল পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে আয়োজিত নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিল আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ নেট পৰীক্ষাৰ প্ৰশ্নকাকতৰ বিসংগতিৰ পাছত নেচনেল টেষ্টিং এজেন্সী (এনটিএ)-য়ে প্ৰশ্নকাকত তৈয়াৰ কৰাৰ পৰা আৰম্ভ কৰি অনুবাদ কৰাৰ কামত নিয়োজিত প্ৰায় ৬০০ বিশেষজ্ঞ আৰু অধ্যাপকৰ টীমক অব্যাহতি দিলে। তেওঁলোকৰ স্থানত এতিয়া নতুন বিশেষজ্ঞৰে টীম গঠন কৰা হ'ব। ইয়াৰ লগতে এনটিএয়ে প্ৰশ্নকাকত তৈয়াৰ কৰাৰ প্ৰক্ৰিয়া অধিক কঠোৰ আৰু সুৰক্ষিত কৰাৰো সিদ্ধান্ত ল'লে। ইয়াৰ বাবে এনটিএয়ে চাৰিটা পৰ্যায়ৰ অনুসন্ধান প্ৰণালী প্ৰয়োগ কৰিব যাতে প্ৰশ্নকাকত ফাদিল হোৱাৰ পৰা আৰম্ভ কৰি অন্যান্য বিসংগতি আঁতৰ কৰিব পাৰি।


## ক'কৰোচৰ পৰা ছাত্ৰক আঁতৰি থাকিবলৈ আহ্বান জনোৱা মুখ্যমন্ত্ৰী বিজয়ে কিয় নিৰ্দেশনা প্ৰত্যাহাৰ কৰিলে?

**নিউজ ব্যুৰ', চেন্নাই, ১৯ আগষ্ট ঃ** তামিলনাডু চৰকাৰে শিক্ষাৰ্থীসকলক ক'কৰোচ জনতা পাৰ্টি (চিজেপি) আৰু বামপন্থী দলৰ বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণৰ পৰা বিৰত থাকিবলৈ অলপতে আহ্বান জনাইছিল। কিন্তু হঠাতে এই নিৰ্দেশনা প্ৰত্যাহাৰ কৰিলে বিজয়ৰ চৰকাৰে। চৰকাৰে দাবী কৰা নিৰ্দেশত বিদ্যালয় আৰু কলেজৰ শিক্ষাৰ্থীক ৰাজনৈতিক বিক্ষোভ কাৰ্যসূচীৰ পৰা আঁতৰত থাকিবলৈ আহ্বান জনাইছিল আৰু চিজেপিয়ে চৰকাৰৰ এই পদক্ষেপক অসাংবিধানিক আখ্যা দি বিৰোধিতা কৰিছিল। আজি বিজয় চৰকাৰে পূৰ্বে জাৰি কৰা এই নিৰ্দেশনা প্ৰত্যাহাৰ কৰিলে। ৰাজ্যখনৰ উচ্চ



শিক্ষা বিভাগে জাননী জাৰি কৰি পূৰ্বৰ নিৰ্দেশনা প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰিলে। সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি, চিজেপিসহ বিভিন্ন দল-সংগঠনে বিজয় চৰকাৰৰ উক্ত পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰাৰ প্ৰতি লক্ষ্য ৰাখি তামিলনাডু চৰকাৰে পূৰ্বে জাৰি কৰা নিৰ্দেশ প্ৰত্যাহাৰ কৰিলে।

## আফ্ৰিকাত সোণৰ খনিত ভয়াৱহ দুৰ্ঘটনাত মৃত্যু কমেও ৩০ জনৰ



**নিউজ ব্যুৰ', আৱা, ১৯ আগষ্ট ঃ** আফ্ৰিকাৰ সোণৰ খনিত পুনৰ ভূমিস্খলনৰ ঘটনাত কমেও ৩০ জন লোকৰ মৃত্যু হ'ল। মঙলবাৰে এই দুৰ্ঘটনা সংঘটিত হৈছিল চেন্ট্ৰেল আফ্ৰিকান ৰিপাব্লিকৰ পশ্চিমাঞ্চলৰ আৱাত থকা এটা স্বৰ্ণ খনিত। সংবাদ মাধ্যমৰ সূত্ৰত উল্লেখ কৰা অনুসৰি অবৈজ্ঞানিক পদ্ধতিৰে উক্ত খনিৰ পৰা স্বৰ্ণ উত্তোলন কৰা হৈছিল। এই কাৰণতে খনিত ভূমিস্খলন হোৱা বুলি সন্দেহ কৰা হৈছে। দুৰ্ঘটনাৰ সময়ত উক্ত খনিত যথেষ্টসংখ্যক শ্ৰমিক কৰ্মৰত আছিল আৰু সেয়েহে মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ সম্ভাৱনা আছে।

## হৰমুজক মাৰ্কিন ভূখণ্ড দাবী ট্ৰাম্পৰ, কটাক্ষ ইৰানৰ ঃ বাস্তৱৰ পৰা ৭,০০০ মাইল দূৰৈত...


**নিউজ ব্যুৰ', তেহৰান, ১৯ আগষ্ট ঃ** ইৰানৰ শীৰ্ষ নিৰাপত্তা কৰ্মকৰ্তা ম'হছেন ৰেজায়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে হৰমুজ প্ৰণালীক লৈ কৰা দাবীক তীব্ৰ কটাক্ষ কৰিলে। ৰেজায়ে কয় যে গুৰুত্বপূৰ্ণ এই জলপথ পুনৰ খুলি দিয়াৰ ক্ষেত্ৰত আমেৰিকাৰ



অক্ষমতা আৰু হৰমুজৰ মালিকানা দাবী কৰাৰ মাজত যি ব্যৱধান আছে, সেয়া আমেৰিকাৰ ৰাজধানী ৱাশ্বিংটনৰ পৰা হৰমুজ প্ৰণালীৰ মাজৰ ৭,০০০ মাইলৰ দূৰত্বতকৈ অধিক। নিজৰ প'ষ্টৰ স'তে ৰেজায়ে বিশ্ব মানচিত্ৰৰ ছবি শ্বেয়াৰ কৰি লগতে এইদৰে লিখিলে, 'কিছু স্বপ্ন বাস্তৱৰ পৰা বহু দূৰৈত...।' হৰমুজ প্ৰণালীক আমেৰিকাৰ নতুন ভূখণ্ড বুলি ৰাষ্ট্ৰপতি ট্ৰাম্পে দাবী কৰাত আজি সামাজিক মাধ্যমত ইৰানৰ নিৰাপত্তা মুৰব্বীয়ে এইদৰে কটাক্ষ কৰিলে। ৰেজায়ে লগতে কয় যে হৰমুজ ইৰানৰ আছিল, আছে আৰু ভৱিষ্যতেও ইৰানৰ হৈ থাকিব। এই গুৰুত্বপূৰ্ণ জলপথ আমেৰিকাই দখল কৰাৰ দাবী ট্ৰাম্পৰ এক ভ্ৰান্ত স্বপ্ন বুলিও ইৰানৰ নিৰাপত্তা প্ৰধানে মন্তব্য কৰিলে।

## সাংবাদিক তেজপালৰ যাৱজ্জীৱন কাৰাদণ্ডৰ দাবীৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ গোৱা চৰকাৰ


**নিউজ ব্যুৰ' নতুন দিল্লী, ১৯ আগষ্ট ঃ** ধৰ্ষণৰ গোচৰত 'টেহেলকা'ৰ প্ৰতিষ্ঠাপক জ্যেষ্ঠ সাংবাদিক তৰুণ তেজপালক অলপতে বোম্বে উচ্চ ন্যায়ালয়ে ১০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল। এই ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল গোৱা চৰকাৰ। আবেদনত গোৱা চৰকাৰে উল্লেখ কৰা অনুসৰি ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত ১০ বছৰৰ কাৰাদণ্ড পৰ্যাপ্ত নহয় আৰু সেয়েহে যৌন অপৰাধী তেজপালক যাৱজ্জীৱন কাৰাদণ্ড বিহা হওক। উল্লেখ্য যে ২০১৩ত গোৱাত এক কনফাৰেন্সৰ সময়ত এগৰাকী মহিলা সহকৰ্মীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ তেজপালৰ বিৰুদ্ধে হৈছিল। উক্ত অভিযোগত ২০১৩ তে তেজপালক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ২০১৪ৰ জুলাইত তেওঁ জামিনত মুক্তি লাভ




কৰিছিল। ইয়াৰ পাছত ২০১৭ত তেজপালৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উঠিছিল আৰু ২০২১ত এই গোচৰত তেওঁ ৰেহাই লাভ কৰিছিল। এই ৰায়ক প্ৰত্যাহ্বান জনাই গোৱা চৰকাৰ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল আৰু যোৱা ছয় আগষ্টত ধৰ্ষণৰ গোচৰত বোম্বে উচ্চ ন্যায়ালয়ৰ গোৱা বিচাৰপীঠে তেজপালক দোষী সাব্যস্ত কৰি ১০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল।

## জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী আব্দুল্লাক সাক্ষাৎ কৰি মাৰ্কিন ৰাষ্ট্ৰদূতে কাশ্মীৰক ভাৰতৰ অবিচ্ছেদ্য অংগ অভিহিত কৰিলে

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৯ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাক সাক্ষাৎ কৰিলে ভাৰতস্থ আমেৰিকাৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গ'ৰে। আজি দুপৰীয়া শ্ৰীনগৰৰ আব্দুল্লা বাসভৱনত জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰীৰ স'তে এক বৈঠকত মিলিত হৈছিল মাৰ্কিন ৰাষ্ট্ৰদূত গ'ৰ। আমেৰিকাৰ নতুন ৰাষ্ট্ৰদূত গ'ৰৰ শ্ৰীনগৰ ভ্ৰমণ একাধিক দিশৰ পৰা তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। শ্ৰীনগৰত উপস্থিত হৈ মাৰ্কিন ৰাষ্ট্ৰদূতজনে কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি নৰেন্দ্ৰ মোদীৰ চৰকাৰে এই অঞ্চলক পূৰ্বৰ তুলনাত অধিক নিৰাপদ কৰি তুলিলে বুলি মন্তব্য কৰিলে। গ'ৰে কাশ্মীৰক ভাৰতৰ এক অসাধাৰণ সুন্দৰ আৰু গুৰুত্বপূৰ্ণ অংশ বুলি অভিহিত কৰিলে। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী আব্দুল্লাৰ স'তে নিজৰ ফটো সামাজিক মাধ্যমত প্ৰকাশ কৰি গ'ৰে কয় যে উভয় পক্ষৰ অৰ্থনৈতিক সহযোগিতাত ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক অধিক শক্তিশালী হ'ব। গ'ৰৰ এই ভ্ৰমণৰ পাছত জম্মু-কাশ্মীৰত আন্তৰ্জাতিক পৰ্যটন আৰু বিদেশী বিনিয়োগৰ নতুন সুযোগ সম্ভাৱনা মুকলি হ'ব বুলিও আশা কৰা হৈছে।



## তৃতীয় সন্তানৰ জন্মত এবছৰৰ মাতৃত্বকালীন ছুটী ঘোষণা তামিলনাডু চৰকাৰৰ




**নিউজ ব্যুৰ', চেন্নাই, ১৯ আগষ্ট ঃ** তামিলনাডুৰ চি যোছেফ বিজয়ৰ চৰকাৰে ৰাজ্যৰ মহিলা চৰকাৰী কৰ্মীৰ বাবে বৃহৎ ঘোষণা কৰিলে। এতিয়াৰে পৰা তামিলনাডুত তৃতীয় সন্তান জন্মৰ ক্ষেত্ৰতো এবছৰত মাতৃত্বকালীন ছুটী লাভ কৰিব মহিলা চৰকাৰী কৰ্মীয়ে। পূৰ্বে এই সুবিধা মহিলা চৰকাৰী কৰ্মীক প্ৰথম আৰু দ্বিতীয় সন্তানৰ জন্মৰ ক্ষেত্ৰত প্ৰদান কৰা হৈছিল। এতিয়াৰে পৰা বিজয়ৰ চৰকাৰে তৃতীয় সন্তান জন্মৰ ক্ষেত্ৰতো চৰকাৰী মহিলা কৰ্মচাৰীক এবছৰৰ মাতৃত্বকালীন ছুটী প্ৰদান কৰিব। তামিলনাডু বিধানসভাত এই ঘোষণা কৰিলে ৰাজ্যখনৰ মানৱ সম্পদ ব্যৱস্থাপনা মন্ত্ৰী ডি শৰৎকুমাৰে। ইমানদিনে ৰাজ্যখনত তৃতীয় সন্তান জন্মৰ ক্ষেত্ৰত মহিলা চৰকাৰী কৰ্মচাৰীক সৰ্বাধিক ১২ সপ্তাহৰ ছুটী দিয়া হৈছিল।



## ক্ষেপণাস্ত্ৰ আক্ৰমণৰ অভিযোগ, ইৰানৰ স'তে বাণিজ্য বন্ধ ঘোষণা আমিৰশ্বাহিৰ

**নিউজ ব্যুৰ', তেহৰান, ১৯ আগষ্ট ঃ** নিৰাপত্তাৰ কাৰণ প্ৰদৰ্শন কৰি ইৰানৰ স'তে সকলো ধৰণৰ বাণিজ্যিক সম্পৰ্ক বন্ধ কৰিলে সংযুক্ত আৰব আমিৰশ্বাহিয়ে। দেশখনৰ অভিযোগ, পাৰস্য উপসাগৰত তেওঁলোকৰ জলসীমাত থকা জাহাজক লক্ষ্য হিচাপে লৈ ইৰানে দুটাকৈ বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। ইৰানৰ এই ক্ষেপণাস্ত্ৰ আক্ৰমণৰ কাৰণত দেশখনৰ স'তে আমিৰশ্বাহিয়ে সকলো বাণিজ্যিক সম্পৰ্ক বাতিল কৰাৰ সিদ্ধান্ত ল'লে। অৱশ্যে তেহৰানে আমিৰশ্বাহিৰ অভিযোগ অস্বীকাৰ কৰিলে। ইৰানে এইদৰে ক'লে, 'এই ধৰণৰ পদক্ষেপ প্ৰতিবেশীসুলভ আচৰণৰ পৰিপন্থী। এই ঘটনাই প্ৰতিবেশী দেশসমূহৰ মাজত আস্থা আৰু নিৰাপত্তা বৃদ্ধিৰ প্ৰচেষ্টাক ব্যাহত কৰিব।'

## নৱেম্বৰত প্ৰকাশ পাব কংগ্ৰেছ নেত্ৰী ছোনিয়াৰ আত্মজীৱনী ঃ খোল খাব বহু ৰহস্য




**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৯ আগষ্ট ঃ** কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীৰ আত্মজীৱনী গ্ৰন্থ 'বিলংগিং ঃ এ জাৰ্ণি অৱ লাভ' অহা ১০ নৱেম্বৰত প্ৰকাশ পাব। প্ৰকাশক অলফ্ৰেড এ নাফে কালি এই কথা ঘোষণা কৰিলে। এই জীৱনী গ্ৰন্থত ছোনিয়াই নিজৰ ৰাজনৈতিক জীৱনৰ আৰম্ভণিৰ পৰা বিভিন্ন অভিজ্ঞতাৰ কথা সদৰী কৰিছে। ২০০৪ত প্ৰধানমন্ত্ৰীৰ পদ নাকচ কৰাৰ সিদ্ধান্তৰ প্ৰকৃত কাৰণো কংগ্ৰেছ নেত্ৰীগৰাকীয়ে তেওঁৰ জীৱনী গ্ৰন্থত ব্যক্ত কৰিছে। ছোনিয়াই ইটালীত শৈশৱ যাপন কৰাৰ পৰা কেমব্ৰিজ বিশ্ববিদ্যালয়ত ৰাজীৱ গান্ধীক লগ পোৱালৈকে বিভিন্ন ব্যক্তিগত অপ্ৰকাশিত কথাও এই গ্ৰন্থত উল্লেখ কৰিছে। ৰাজনীতিত কিয় জড়িত হৈছিল, কিয় ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ বিৰল সুযোগ লাভৰ পাছতো তেওঁ এই পদ প্ৰত্যাখান কৰিছিল— এনেবোৰ বিষয়তো প্ৰথমবাৰলৈ কংগ্ৰেছ নেত্ৰীগৰাকীয়ে জীৱনী গ্ৰন্থখনত সদৰী কৰিছে।

## নীট বিতৰ্কৰ মাজতে ইউপিএছচিৰ প্ৰিলিমত আঠটা প্ৰশ্ন ভুল ঃ নতুন বিতৰ্ক




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ আগষ্ট ঃ** প্ৰশ্নকাকত ফাদিল আৰু ভুলৰ বিতৰ্কই সংগ নেৰা হৈছে কেন্দ্ৰৰ চৰকাৰক। কিছুদিন পূৰ্বে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিল হোৱাত নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পাছত শেহতীয়াভাৱে ইউজিচি-নেট পৰীক্ষাতো ভুল প্ৰশ্নসহ একাধিক বিসংগতিৰ কাৰণত তিনিটা বিষয়ত নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি নেচনেল টেষ্টিং এজেন্সী (এনটিএ)য়ে ঘোষণা কৰিলে। এইবাৰ প্ৰশ্নৰ সন্মুখীন হ'ল কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউপিএছচি)। চলিত বৰ্ষৰ ইউপিএছচিৰ প্ৰিলিমিনাৰি পৰীক্ষাত জেনেৰেল ষ্টাডিজৰ প্ৰশ্নকাকত-১ত আঠটা প্ৰশ্ন ভুল আৰু ত্ৰুটিপূৰ্ণ আছিল বুলি অভিযোগ কৰি এদল প্ৰাৰ্থীয়ে চেণ্ট্ৰেল এডমিনিষ্ট্ৰেটিভ ট্ৰাইবুনেল (কেট)ৰ দ্বাৰস্থ হ'ল। শুনানিৰ পাছত কেটৰ নতুন দিল্লীৰ বিচাৰপীঠে এই বিষয়ত ইউপিএছচিলৈ আনুষ্ঠানিক জাননী প্ৰেৰণ কৰি উত্তৰ বিচাৰিলে। অভিযোগকাৰী প্ৰাৰ্থীয়ে জেনেৰেল ষ্টাডিজ প্ৰশ্নকাকত-১ৰ আঠটা প্ৰশ্ন আৰু প্ৰভিচনেল উত্তৰ সন্দৰ্ভত আপত্তি দৰ্শালে। পৰীক্ষাৰ্থীৰ অভিযোগ, একাংশ প্ৰশ্নৰ উত্তৰ ভুল আৰু কিছু প্ৰশ্নৰ কোনো সঠিক বিকল্প নাছিল। কিছু প্ৰশ্ন নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বাহিৰত আছিল বুলিও প্ৰাৰ্থীয়ে অভিযোগ কৰিছে। প্ৰিলিমছৰ জেনেৰেল ষ্টাডিজ প্ৰশ্নকাকত-১ৰ 'এ' শিতানৰ প্ৰশ্ন নম্বৰ ৭, ১১, ৪৫, ৬০, ৬২, ৮২, ৮৬ আৰু ৯৬ প্ৰশ্ন বিসংগতিপূৰ্ণ আছিল বুলি পৰীক্ষাৰ্থীয়ে কেটত অভিযোগ দাখিল কৰিলে।

## পঞ্জাৱৰ গেংষ্টাৰ মেজৰ সিঙক 'ৱাণ্টেড' ঘোষণা এফবিআইৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৯ আগষ্ট ঃ** আমেৰিকাৰ তদন্তকাৰী সংস্থা ফেডাৰেল ব্যুৰ' অৱ ইনভেষ্টিগেচন (এফবিআই)-এ পঞ্জাৱৰ গেংষ্টাৰ মেজৰ সিঙক 'ৱাণ্টেড' ঘোষণা কৰিলে। এফবিআইৰ মতে, সিং আন্তঃৰাষ্ট্ৰীয় অপৰাধ গোটৰ স'তে জড়িত আছে আৰু তেওঁ জগ্গু ভগৱানপুৰীয়া গেঙৰ সদস্য। ভগৱানপুৰীয়াৰ গেং আমেৰিকাৰ লছ এঞ্জেলছসহ অন্যান্য অঞ্চলত সক্ৰিয় হৈ আছে। সিঙৰ বিৰুদ্ধে ৰিক' আইনৰ অধীনত ষড়যন্ত্ৰত জড়িত থকাৰ অভিযোগ আছে। তদুপৰি অনুজ্ঞাপত্ৰবিহীন অস্ত্ৰৰ ক্ৰয়-সৰবৰাহৰ ব্যৱসায়ৰ স'তে জড়িত থকাৰ অভিযোগো সিঙৰ বিৰুদ্ধে আমেৰিকাত আছে। নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু বিক্ৰীৰ স'তেও সিং জড়িত। এফবিআইৰ তথ্যত লগতে উল্লেখ কৰা অনুসৰি সিঙৰ বিৰুদ্ধে আমেৰিকাৰ কেলিফৰ্ণিয়া যুক্তৰাষ্ট্ৰীয় আদালততো গোচৰ আছে। যোৱা ২৫ জুনত সিঙৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছিল। এনেবোৰ অপৰাধৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত এফবিআয়ে সিঙক 'ৱাণ্টেড' তালিকাভুক্ত কৰিলে।




## ২৬ পাকিস্তানী সৈনিকক হত্যাৰ দাবী বিএলএৰ, সাতদিনত ২২ স্থানত আক্ৰমণ বেলুচ বিদ্ৰোহীৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৯ আগষ্ট ঃ** পাকিস্তানৰ অশান্ত বেলুচিস্তান প্ৰদেশত পাকিস্তানী সেনাৰ উৎপীড়ন আৰু অত্যাচাৰৰ বিৰোধিতা কৰি অহা বিদ্ৰোহী সংগঠন বেলুচিস্তান লিবাৰেচন আৰ্মি (বিএলএ)য়ে দাবী কৰা অনুসৰি যোৱা ন আগষ্টৰ পৰা ১৫ আগষ্টৰ সময়ছোৱাত সংগঠনটোৰ সদস্যই পাকিস্তানী সেনাৰ ২৬ সৈনিক আৰু চৰকাৰী নিৰাপত্তা বাহিনীৰ স'তে জড়িত জোৱানক হত্যা কৰিছিল। বিএলএৰ আক্ৰমণত যথেষ্টসংখ্যক নিৰাপত্তাকৰ্মী আহত হোৱা বুলিও বিদ্ৰোহী সংগঠনটোৱে দাবী কৰিছে। বিএলএয়ে লগতে সদৰী কৰা অনুসৰি, ন আগষ্টৰ পৰা ১৫ আগষ্টৰ সময়ছোৱাত তেওঁলোকে বেলুচিস্তান প্ৰদেশৰ ২২ টা স্থানত আক্ৰমণ চলাইছিল। উল্লেখ্য যে বিএলএয়ে বিগত কে'বা দশক ধৰি স্বতন্ত্ৰ বেলুচিস্তানৰ দাবী উত্থাপন কৰি আহিছে। যোৱা ১১ আগষ্টত বিএলএয়ে স্বতন্ত্ৰ বেলুচিস্তান দিৱসো পালন কৰিছিল।

দৈনিক অগ্ৰদূত

## স্বাস্থ্য

# নীৰৱে হাড় দুৰ্বল কৰা এক গুৰুত্বপূৰ্ণ সমস্যা





মহিলাৰ ক্ষেত্ৰত মেনোপজৰ পাছত অস্থিঅ'পৰ'ছিছৰ আশংকা বৃদ্ধি পাব পাৰে। মেনোপজৰ সময়ত শৰীৰত ইষ্ট্ৰ'জেন হৰম'নৰ মাত্ৰা হ্ৰাস পায়। ইষ্ট্ৰ'জেনে হাড়ৰ স্বাস্থ্য ৰক্ষাত ভূমিকা পালন কৰে। সেয়ে মেনোপজৰ পাছত হাড়ৰ ক্ষয় তুলনামূলকভাৱে দ্ৰুত হ'ব পাৰে।

মহিলাৰ স্বাস্থ্যৰ কথা আলোচনা কৰোঁতে বহু সময়ত ঋতুস্ৰাৱ, গৰ্ভধাৰণ, মাতৃত্ব, PCOS বা স্তন স্বাস্থ্যৰ দৰে বিষয়বোৰেই আগস্থান পায়। কিন্তু বয়স বঢ়াৰ লগে লগে মহিলাৰ স্বাস্থ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পৰা আন এটা গুৰুত্বপূৰ্ণ সমস্যা হৈছে অস্থিঅ'পৰ'ছিছ। সহজ ভাষাত ক'বলৈ গ'লে, অস্থিঅ'পৰ'ছিছ হৈছে হাড়ৰ ঘনত্ব আৰু শক্তি কমি যোৱা এক অৱস্থা, যাৰ ফলত হাড় ক্ৰমে ভংগুৰ হৈ পৰে আৰু সামান্য আঘাততে হাড় ভাঙি যোৱাৰ আশংকা বৃদ্ধি পায়। আমাৰ শৰীৰৰ হাড়ক আমি বহু সময়ত কেৱল শৰীৰৰ গাঁথনি বুলি ভাবো। কিন্তু হাড়ে শৰীৰক আকৃতি দিয়াৰ লগতে শৰীৰৰ ওজন বহন কৰে, পেশীক সহায় কৰে আৰু গুৰুত্বপূৰ্ণ অংগসমূহক সুৰক্ষা দিয়ে। সেয়ে হাড়ৰ স্বাস্থ্য ভাল হৈ থকাটো সামগ্ৰিক স্বাস্থ্যৰ বাবে অত্যন্ত প্ৰয়োজনীয়।

মহিলাৰ ক্ষেত্ৰত মেনোপজৰ পাছত অস্থিঅ'পৰ'ছিছৰ আশংকা বৃদ্ধি পাব পাৰে। মেনোপজৰ সময়ত শৰীৰত ইষ্ট্ৰ'জেন হৰম'নৰ মাত্ৰা হ্ৰাস পায়। ইষ্ট্ৰ'জেনে হাড়ৰ স্বাস্থ্য ৰক্ষাত ভূমিকা পালন কৰে। সেয়ে মেনোপজৰ পাছত হাড়ৰ ক্ষয় তুলনামূলকভাৱে দ্ৰুত হ'ব পাৰে। ইয়াৰ অৰ্থ এইটো নহয় যে কেৱল মেনোপজৰ পাছৰ মহিলাৰহে অস্থিঅ'পৰ'ছিছ হয়। কম বয়সতো পুষ্টিৰ অভাৱ, শাৰীৰিক সক্ৰিয়তাৰ অভাৱ, কিছুমান ৰোগ, কিছুমান ঔষধৰ দীৰ্ঘদিনীয়া ব্যৱহাৰ, ধূমপান, অতিমাত্ৰা সুৰাপান বা পৰিয়ালত অস্থিঅ'পৰ'ছিছৰ ইতিহাস থাকিলে আশংকা বৃদ্ধি পাব পাৰে।

অস্থিঅ'পৰ'ছিছৰ আটাইতকৈ চিন্তনীয় দিশটো হৈছে আৰম্ভণিতে ইয়াৰ কোনো স্পষ্ট লক্ষণ নাথাকিব পাৰে। অৰ্থাৎ হাড়ৰ ঘনত্ব কমি গৈ থাকিলেও ব্যক্তিজনে নিজৰ শৰীৰত বিশেষ পৰিৱৰ্তন অনুভৱ নকৰিব পাৰে। বহু সময়ত প্ৰথম সংকেত হিচাপে হাড় ভঙাৰ ঘটনাই সমস্যাটো প্ৰকাশ কৰে। সাধাৰণভাৱে পৰি যোৱা, সামান্য আঘাত পোৱা বা দৈনন্দিন কাম-কাজৰ সময়তো কঁকাল, মেৰুদণ্ড বা হাতৰ হাড় ভাঙি যাব পাৰে।

দীৰ্ঘদিনীয়া পিঠিৰ বিষ, সময়ৰ স'তে উচ্চতা কমি অহা বা মেৰুদণ্ডৰ স্বাভাৱিক আকৃতি সলনি হোৱা আদি কিছুমান লক্ষণ হ'ব পাৰে। কিন্তু এইবোৰৰ আন বহু কাৰণো থাকিব পাৰে। সেয়ে এনে সমস্যা থাকিলে নিজে সিদ্ধান্ত নলৈ চিকিৎসকৰ পৰামৰ্শ লোৱাটো উচিত।

হাড়ৰ স্বাস্থ্যৰ বাবে কেলচিয়াম অতি গুৰুত্বপূৰ্ণ। কিন্তু কেৱল কেলচিয়াম খালেই হাড় শক্তিশালী হৈ থাকিব বুলি ভাবিব নালাগে। শৰীৰে কেলচিয়াম সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ ভিটামিন ডি-ৰো প্ৰয়োজন হয়। গাখীৰ আৰু দুগ্ধজাত খাদ্য, সেউজীয়া শাক-পাচলি, ডালি, বাদাম আৰু অন্যান্য পুষ্টিকৰ খাদ্য খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰিব পাৰি। ভিটামিন ডি লাভৰ ক্ষেত্ৰত সূৰ্যৰ পোহৰো এক গুৰুত্বপূৰ্ণ উৎস। অৱশ্যে খাদ্য বা পৰিপূৰক কিমান পৰিমাণে প্ৰয়োজন, সেয়া ব্যক্তিভেদে পৃথক হ'ব পাৰে।

বিশেষকৈ চিকিৎসকৰ পৰামৰ্শ অবিহনে অধিক মাত্ৰাত কেলচিয়াম বা ভিটামিন D supplement গ্ৰহণ কৰাটো উচিত নহয়। হাড় সুস্থ ৰখাৰ বাবে নিয়মীয়া শাৰীৰিক সক্ৰিয়তাও অতি গুৰুত্বপূৰ্ণ। খোজ কঢ়া, চিৰি বগোৱা, শৰীৰৰ সামৰ্থ অনুসৰি strength exercise balance exercise আদি উপকাৰী হ'ব পাৰে।

বিশেষকৈ বয়স বঢ়াৰ লগে লগে ভাৰসাম্য ৰখাৰ ক্ষমতা উন্নত কৰা ব্যায়াম গুৰুত্বপূৰ্ণ, কাৰণ পৰি যোৱাৰ সম্ভাৱনা কমাব পাৰিলে হাড় ভঙাৰ আশংকাও কমে।

অৱশ্যে কোনো ব্যক্তিৰ ইতিমধ্যে হাড় যথেষ্ট দুৰ্বল বুলি ধৰা পৰিছে বা আগতে হাড় ভাঙিছে, তেন্তে ব্যায়াম আৰম্ভ কৰাৰ আগতে চিকিৎসক বা উপযুক্ত বিশেষজ্ঞৰ পৰামৰ্শ লোৱা উচিত। যিসকল মহিলাৰ মেনোপজ হৈছে, বয়স বৃদ্ধি পাইছে, আগতে সামান্য আঘাততে হাড় ভাঙিছে, পৰিয়ালত অস্থিঅ'পৰ'ছিছ বা হাড় ভঙাৰ ইতিহাস আছে, শৰীৰৰ ওজন অতি কম, শাৰীৰিক সক্ৰিয়তা কম বা কিছুমান বিশেষ ঔষধ দীৰ্ঘদিন ধৰি গ্ৰহণ কৰি আছে তেওঁলোকে নিজৰ হাড়ৰ স্বাস্থ্যৰ বিষয়ে অধিক সজাগ হোৱা উচিত। কিছুমান ক্ষেত্ৰত চিকিৎসকে Bone Mineral Density (BMD) বা DEXA scan কৰিবলৈ পৰামৰ্শ দিব পাৰে। এই পৰীক্ষাৰ জৰিয়তে হাড়ৰ ঘনত্বৰ বিষয়ে মূল্যায়ণ কৰিব পাৰি। কাৰ কেতিয়া এই পৰীক্ষা কৰা উচিত, সেয়া বয়স আৰু ব্যক্তিগত আশংকাৰ ওপৰত নিৰ্ভৰ কৰে।

অস্থিঅ'পৰ'ছিছ থকা ব্যক্তিৰ ক্ষেত্ৰত সাধাৰণ পৰি যোৱাও গুৰুতৰ হ'ব পাৰে। সেয়ে ঘৰত মজিয়া পিছল নোহোৱা, বাথৰুমত সুৰক্ষাৰ ব্যৱস্থা কৰা, পৰ্যাপ্ত পোহৰ ৰখা আৰু খোজ কঢ়াৰ সময়ত সাৱধান হোৱা আদি সৰু সৰু কথাবোৰো গুৰুত্বপূৰ্ণ। বিশেষকৈ বয়সীয়া মহিলাসকলে ঘৰৰ ভিতৰত বা বাহিৰত পৰি যোৱাৰ সম্ভাৱনা কমাবলৈ পৰিৱেশটো সুৰক্ষিত কৰি ৰখা উচিত।

অস্থিঅ'পৰ'ছিছ ধৰা পৰিলে আতংকিত হোৱাৰ প্ৰয়োজন নাই। ইয়াৰ বাবে চিকিৎসাৰ বিভিন্ন পদ্ধতি আছে। ব্যক্তিজনৰ বয়স, হাড়ৰ ঘনত্ব, হাড় ভঙাৰ আশংকা আৰু অন্যান্য স্বাস্থ্যজনিত বিষয়ৰ ওপৰত ভিত্তি কৰি চিকিৎসকে উপযুক্ত চিকিৎসা নিৰ্ধাৰণ কৰে।

সেয়ে হাড়ৰ স্বাস্থ্যক লৈ সন্দেহ থাকিলে নিজে কোনো ঔষধ আৰম্ভ নকৰি চিকিৎসকৰ পৰামৰ্শ লোৱাটোৱেই আটাইতকৈ নিৰাপদ পথ। হাড়ৰ যত্ন কেৱল বৃদ্ধ বয়সত আৰম্ভ কৰিবলগীয়া বিষয় নহয়। শৈশৱ আৰু যৌৱনত হাড়ৰ শক্তি গঢ় লৈ উঠে। সেয়ে সৰুৰে পৰা পুষ্টিকৰ খাদ্য, পৰ্যাপ্ত শাৰীৰিক সক্ৰিয়তা আৰু স্বাস্থ্যকৰ জীৱনশৈলীৰ অভ্যাস গঢ়ি তোলাটো ভৱিষ্যতৰ হাড়ৰ স্বাস্থ্যৰ বাবে গুৰুত্বপূৰ্ণ। মহিলাসকলে নিজৰ স্বাস্থ্যৰ ক্ষেত্ৰত "এইটো বয়সৰ বাবে হৈছে" বুলি বহু সমস্যাক আওকাণ কৰে। কিন্তু দীৰ্ঘদিনীয়া পিঠিৰ বিষ, উচ্চতা কমি অহা বা সামান্য আঘাততে হাড় ভঙাৰ দৰে ঘটনাক স্বাভাৱিক বুলি এৰি দিয়া উচিত নহয়।

অস্থিঅ'পৰ'ছিছ বহু সময়ত নীৰৱে আগবাঢ়ে। কিন্তু সজাগতা, সঠিক খাদ্যাভ্যাস, নিয়মীয়া শাৰীৰিক সক্ৰিয়তা, পৰি যোৱাৰ পৰা সাৱধানতা আৰু প্ৰয়োজন অনুসৰি স্বাস্থ্য পৰীক্ষাৰ জৰিয়তে ইয়াৰ আশংকা কমাব পাৰি। মহিলাৰ স্বাস্থ্য মানে কেৱল ৰোগ নথকাই নহয়; জীৱনৰ প্ৰতিটো বয়সতে শক্তিশালী আৰু স্বনিৰ্ভৰ হৈ থকাৰ ক্ষমতাও ইয়াৰ অংশ। সেয়ে মেনোপজৰ পাছত বা বয়স বঢ়াৰ লগে লগে হাড়ৰ স্বাস্থ্যক অৱহেলা নকৰি সময়মতে সজাগ হওক।

## ঘৰুৱা দিহা

# স্বামীয়ে খৰচ নিদিলে এয়া কেৱল সংসাৰৰ সমস্যা নহয়, সেয়া আপোনাৰ আইনী অধিকাৰো

বিবাহৰ পাছত এগৰাকী মহিলাৰ ভৰণ-পোষণ, খাদ্য, বাসস্থান, চিকিৎসা আৰু দৈনন্দিন প্ৰয়োজনীয়তা পূৰণ কৰাটো কেৱল পাৰিবাৰিক দায়িত্বৰ বিষয় নহয়; বহু ক্ষেত্ৰত ইয়াৰ স'তে মহিলাগৰাকীৰ আইনী অধিকাৰো জড়িত হৈ থাকে। যদি স্বামীয়ে সামৰ্থ থকাৰ পাছতো ইচ্ছাকৃতভাৱে পত্নীক সংসাৰৰ প্ৰয়োজনীয় খৰচ নিদিয়ে, টকা-পইচাৰ বাবে সম্পূৰ্ণৰূপে অসহায় কৰি ৰাখে, বা আৰ্থিকভাৱে নিয়ন্ত্ৰণ কৰি মানসিক চাপ সৃষ্টি কৰে, তেন্তে পৰিস্থিতি আৰু ঘটনাৰ প্ৰকৃতি অনুসৰি ইয়াক Economic Abuse বা আৰ্থিক নিৰ্যাতন হিচাপে বিবেচনা কৰিব পৰা যায়। Protection of Women from Domestic Violence Act, ২০০৫-ৰ অধীনত ঘৰুৱা হিংসাৰ অৰ্থ কেৱল মাৰপিট বা শাৰীৰিক নিৰ্যাতনতে সীমাবদ্ধ নহয়। আৰ্থিক নিৰ্যাতনো ইয়াৰ অন্তৰ্গত হ'ব পাৰে। অৰ্থাৎ, এগৰাকী মহিলাই নিজৰ আৰু সন্তানৰ প্ৰয়োজনীয় খৰচৰ বাবে সম্পূৰ্ণৰূপে অসহায় হৈ থাকিবলগীয়া হোৱাটো স্বাভাৱিক বা সহ্য কৰিবলগীয়া বিষয় বুলি ধৰি ল'ব নালাগে।




যদি আপোনাৰ ক্ষেত্ৰতো এনে সমস্যা আছে, প্ৰথমে শান্ত হৈ পৰিস্থিতিটো বুজি লওক। স্বামীয়ে কেতিয়াৰ পৰা খৰচ দিয়া বন্ধ কৰিছে, কিমান খৰচৰ প্ৰয়োজন, সন্তানৰ পঢ়া-শুনা বা চিকিৎসাৰ খৰচ কোনে বহন কৰিছে এইবোৰৰ তথ্য সংৰক্ষণ কৰি ৰাখক। বেংক লেনদেন, মেছেজ, বিল, চিকিৎসাৰ নথি বা আন প্ৰাসংগিক প্ৰমাণ থাকিলে সেইবোৰ সযতনে ৰাখিব পাৰে।

আইন অনুসৰি পৰিস্থিতি আৰু যোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰি এগৰাকী মহিলাই ভৰণ-পোষণ, আৰ্থিক সাহায্য, বাসস্থান আৰু সুৰক্ষাৰ বাবে উপযুক্ত আইনী প্ৰতিকাৰ বিচাৰিব পাৰে। অৱশ্যে প্ৰতিটো ঘটনাৰ তথ্য-পাতি বেলেগ হোৱা বাবে আপোনাৰ নিৰ্দিষ্ট অধিকাৰ আৰু কোনটো আইনী ব্যৱস্থা উপযুক্ত হ'ব। সংসাৰৰ সমস্যা হোৱাটো বেলেগ কথা, কিন্তু নিজৰ মৌলিক প্ৰয়োজনীয়তা পূৰণৰ বাবে সম্পূৰ্ণ অসহায় হৈ থাকিবলগীয়া হোৱাটো কোনো মহিলাৰ ভাগ্য বুলি মানি ল'ব নালাগে। নিজৰ অধিকাৰ জানক। প্ৰয়োজন হ'লে আইনী সহায় লওক। অন্যায়ক নীৰৱে সহ্য নকৰি আইনসন্মতভাৱে নিজৰ অধিকাৰৰ বাবে আগবাঢ়ক।

## পাকঘৰৰ ইটো সিটো

# চিমনী পৰিষ্কাৰ আৰু যতনৰ সহজ ঘৰুৱা দিহা



ৰান্ধনীঘৰৰ চিমনীটো নিয়মীয়াকৈ পৰিষ্কাৰ নকৰিলে তাত তেল, ধোঁৱা আৰু ধূলি জমা হৈ চিমনীটো বেয়া হৈ যাব পাৰে। ফলত ৰান্ধনীঘৰত ধোঁৱা বেছি হোৱাৰ লগতে চিমনীৰ কাৰ্যক্ষমতাও কমি যায়। বহুদিন ধৰি পৰিষ্কাৰ নকৰিলে তেলীয়া মলিনতা কঠিন হৈ পৰে আৰু পৰিষ্কাৰ কৰাটোও কঠিন হয়। চিমনী পৰিষ্কাৰ কৰাৰ আগতে প্ৰথমে বিদ্যুৎ সংযোগ বন্ধ কৰি ল'ব লাগে। তাৰ পাছত চিমনীৰ ফিল্টাৰটো সাৱধানে খুলি ল'ব। ফিল্টাৰত জমা হোৱা তেলীয়া মলিনতা আঁতৰাবলৈ গৰম পানীত অলপ ডিচৱাছিং লিকুইড দি ফিল্টাৰটো কিছু সময় তিয়াই ৰাখিব পাৰি। তাৰ পিছত কোমল ব্ৰাছ বা স্পঞ্জেৰে লাহে লাহে ঘঁহি পৰিষ্কাৰ কৰি ভালদৰে পানীৰে ধুই সম্পূৰ্ণ শুকুৱাইহে পুনৰ লগাব লাগে। যদি ফিল্টাৰত তেল বহুদিন ধৰি জমা হৈ কঠিন হৈ থাকে, তেন্তে গৰম পানী আৰু ডিচৱাছিং লিকুইডত অলপ বেছি সময় তিয়াই ৰাখিলে লেতেৰাবোৰ কোমল হৈ আহে। কিন্তু ফিল্টাৰৰ ধাতু বা কোটিং নষ্ট কৰিব পৰা অতি শক্তিশালী ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ নকৰাই ভাল। চিমনীৰ বাহিৰৰ অংশটোও নিয়মীয়াকৈ পৰিষ্কাৰ কৰিব লাগে। কোমল কাপোৰত অলপ ডিচৱাছিং লিকুইড বা উপযুক্ত ক্লিনাৰ লৈ মচি ল'ব পাৰি। পৰিষ্কাৰ কৰাৰ সময়ত পানী যাতে চিমনীৰ ভিতৰৰ বৈদ্যুতিক অংশত নোসোমায়, সেইটো বিশেষভাৱে মন কৰিব লাগে। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল চিমনীটো কিমান সঘনাই পৰিষ্কাৰ কৰিব লাগে সেয়া ৰন্ধনৰ পৰিমাণ আৰু তেল-মছলাৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে। ঘৰত যদি প্ৰায় প্ৰতিদিনে ৰন্ধা-বঢ়া হয় আৰু ভজা-পোৰা বেছি কৰা হয় যদি, তেন্তে ফিল্টাৰটো অধিক সঘনাই পৰিষ্কাৰ কৰাটো ভাল। নিয়মীয়াকৈ পৰিষ্কাৰ কৰিলে চিমনীৰ ছাকচন ভাল থাকে আৰু ৰান্ধনীঘৰৰ ধোঁৱা-গন্ধও কমে।

চিমনীৰ ফিল্টাৰ, ডাক্ট আৰু ভিতৰৰ অংশ নিজে পৰিষ্কাৰ কৰিব পৰা যায় নে পেছাদাৰী চাৰ্ভিচিংৰ প্ৰয়োজন আছে, সেয়া চিমনীৰ মডেল আৰু নিৰ্মাতাৰ নিৰ্দেশনাৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে যিকোনো অংশ খুলি পৰিষ্কাৰ কৰাৰ আগতে ব্যৱহাৰকাৰীৰ মেনুৱেলখন এবাৰ চাই লোৱাটো নিৰাপদ। সৰু এটা অভ্যাসে চিমনীটো বহুদিন ভালকৈ চলি থকাত সহায় কৰিব পাৰে ৰন্ধা শেষ হোৱাৰ লগে লগে ফিল্টাৰ আৰু চিমনীৰ বাহিৰত তেলৰ চিটিকনি জমা হৈ থাকিবলৈ নিদি কোমল কাপোৰেৰে মচি থোৱা ভাল। তেতিয়া তেল কঠিন হৈ ডাঠ আৱৰণ সৃষ্টি নকৰে আৰু পিছত পৰিষ্কাৰ কৰাও সহজ হয়। চিমনী পৰিষ্কাৰ কৰাৰ সময়ত বিদ্যুৎ সংযোগ বন্ধ কৰাটো অতি জৰুৰী। মটৰ, ছুইচ বা বৈদ্যুতিক অংশত পানী বা ভিজা ক্লিনাৰ ব্যৱহাৰ নকৰিব।

## স্বাৱলম্বন

# নিজৰ কথা নিজে কোৱা ঃ যোগাযোগ দক্ষতাই মহিলাক কেনেকৈ স্বাৱলম্বী কৰে



স্বাৱলম্বিতা মানে কেৱল নিজৰ উপাৰ্জন থকা নহয়। এগৰাকী মহিলাই নিজৰ কথা স্পষ্টকৈ ক'ব পৰা, নিজৰ মতামত প্ৰকাশ কৰিব পৰা, প্ৰয়োজনৰ সময়ত "নহয়" বুলি ক'ব পৰা আৰু আনৰ সন্মুখত আত্মবিশ্বাসেৰে নিজৰ অধিকাৰ আৰু প্ৰয়োজনীয়তাৰ কথা উত্থাপন কৰিব পৰা এইবোৰো স্বাৱলম্বিতাৰ গুৰুত্বপূৰ্ণ অংশ। বহু মহিলাৰ মাজত প্ৰতিভা, জ্ঞান আৰু অভিজ্ঞতা থাকে। কিন্তু মানুহৰ সন্মুখত কথা ক'বলৈ সংকোচ কৰে। সভাত মতামত দিবলৈ ভয় কৰে, সাক্ষাৎকাৰত নিজৰ যোগ্যতাৰ কথা ভালদৰে প্ৰকাশ কৰিব নোৱাৰে, আনকি নিজৰ কামৰ উচিত মূল্য বিচাৰিবলৈও দ্বিধাবোধ কৰে। ফলত বহু সময়ত যোগ্যতা থকাৰ পাছতো তেওঁলোক পিছ পৰি থাকে।



সেয়েহে যোগাযোগ দক্ষতা শিকা এগৰাকী মহিলাৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱনৰ বাবে অত্যন্ত প্ৰয়োজনীয়। কথা কোৱাৰ দক্ষতা জন্মগত হ'বই লাগিব বুলি কোনো কথা নাই। নিয়মিত অনুশীলনৰ জৰিয়তে যিকোনো মহিলাই এই দক্ষতা গঢ়ি তুলিব পাৰে। প্ৰথমে নিজৰ পৰিয়াল বা চিনাকি মানুহৰ সন্মুখত কোনো এটা বিষয়ত দুই-চাৰি মিনিট কথা কোৱাৰ অভ্যাস কৰিব পাৰি। পিছলৈ সৰু গোট, সভা বা সামাজিক অনুষ্ঠানত নিজৰ মতামত প্ৰকাশ কৰাৰ চেষ্টা কৰিব পাৰি।

ইয়াৰ লগতে শুনাৰ দক্ষতাও যোগাযোগৰ এটা গুৰুত্বপূৰ্ণ অংশ। ভালদৰে নুশুনি কেৱল কথা কৈ যোৱাটো ভাল যোগাযোগ নহয়। আনৰ কথা মনোযোগেৰে শুনি, বিষয়টো বুজি, তাৰ পাছত নিজৰ মতামত প্ৰকাশ কৰিব পাৰিলে কথোপকথন অধিক ফলপ্ৰসূ হয়। এগৰাকী মহিলাৰ বাবে নিজৰ পৰিচয় স্পষ্টকৈ দিব পৰাটোও গুৰুত্বপূৰ্ণ। তেওঁ কি কৰে, কি জানে, কি কাম কৰিব পাৰে আৰু তেওঁৰ লক্ষ্য কি এই কথাবোৰ আত্মবিশ্বাসেৰে প্ৰকাশ কৰিব পৰা উচিত। নিজৰ যোগ্যতা লুকুৱাই ৰখা বিনয় নহয়; বহু ক্ষেত্ৰত ই নিজৰ সম্ভাৱনাক সীমাবদ্ধ কৰি ৰখা।

যোগাযোগ দক্ষতা থাকিলে কৰ্মক্ষেত্ৰতো ইয়াৰ সুফল পোৱা যায়। সহকৰ্মীৰ স'তে কথা পতা, ঊৰ্ধ্বতন বিষয়াৰ সন্মুখত নিজৰ সমস্যা উত্থাপন কৰা, গ্ৰাহকৰ সৈতে যোগাযোগ কৰা, কোনো কামৰ দায়িত্ব লোৱা বা নতুন সুযোগৰ বাবে আবেদন কৰা প্ৰতিটো ক্ষেত্ৰতে আত্মবিশ্বাসেৰে কথা ক'ব পৰা ক্ষমতাই সহায় কৰে। নিজৰ পৰিশ্ৰমৰ উচিত মূল্য বিচৰাৰ ক্ষেত্ৰতো যোগাযোগ দক্ষতা অতি প্ৰয়োজনীয়। বহু মহিলাই ভাল কাম কৰে, কিন্তু নিজৰ পাৰিশ্ৰমিকৰ কথা ক'বলৈ সংকোচ কৰে। নিজৰ কামৰ মান, সময় আৰু পৰিশ্ৰমৰ বিষয়ে স্পষ্টকৈ বুজাই ন্যায্য পাৰিশ্ৰমিক বিচাৰিব পৰাটোও পেছাগত স্বাৱলম্বিতাৰ অংশ।

আনহাতে, যোগাযোগ দক্ষতা মানে উচ্চস্বৰে বা কঠোৰভাৱে কথা কোৱা নহয়। দৃঢ়তা আৰু অভদ্ৰতাৰ মাজত পাৰ্থক্য আছে। নিজৰ কথা শান্তভাৱে, যুক্তিসংগতভাৱে আৰু সন্মান বজাই ৰাখি ক'ব পৰাটোৱেই প্ৰকৃত আত্মবিশ্বাস। বিশেষকৈ ছোৱালী আৰু কিশোৰীসকলক সৰুৰে পৰাই এই দক্ষতা গঢ়ি তুলিবলৈ উৎসাহিত কৰা উচিত। বিদ্যালয়ৰ বিতৰ্ক, বক্তৃতা, সাংস্কৃতিক অনুষ্ঠান, দলীয় আলোচনা বা বিভিন্ন সামাজিক কাৰ্যসূচীত অংশগ্ৰহণৰ সুযোগ দিলে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি পাব। ভুল হোৱাৰ ভয়ত তেওঁলোকক দমাই ৰখাৰ পৰিৱৰ্তে ভুলৰ পৰা শিকিবলৈ উৎসাহিত কৰিব লাগে। এগৰাকী মহিলাই যেতিয়া নিজৰ কথা স্পষ্টকৈ ক'বলৈ শিকে, তেতিয়া তেওঁৰ আত্মবিশ্বাস বৃদ্ধি পায়। তেওঁ নিজৰ সিদ্ধান্তৰ বিষয়ে আনৰ স'তে আলোচনা কৰিব পাৰে, অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰে, নিজৰ কামৰ সুযোগ বিচাৰিব পাৰে আৰু প্ৰয়োজনত সহায় বিচাৰিবলৈও সংকোচ নকৰে। সেয়ে স্বাৱলম্বী মহিলা মানে কেৱল নিজৰ উপাৰ্জন থকা মহিলা নহয়; নিজৰ কণ্ঠস্বৰ, সিদ্ধান্ত আৰু পৰিচয়ৰ ওপৰত আস্থা থকা মহিলাও। নিজৰ কথা ক'বলৈ শিকক। আনৰ কথা শুনিবলৈ শিকক। প্ৰশ্ন কৰিবলৈ শিকক। প্ৰয়োজনত নিজৰ অধিকাৰৰ কথা ক'বলৈ শিকক। কাৰণ বহু সময়ত জীৱনত আগবাঢ়িবলৈ আটাইতকৈ প্ৰয়োজনীয় প্ৰথমটো পদক্ষেপ হ'ল নিজৰ কণ্ঠস্বৰক বিশ্বাস কৰা।

## ফেশ্বন

# অফিচ ৱেৰৰ বাবে এলিগেণ্ট ফেশ্বন

অফিচলৈ যোৱাৰ পোছাক কেৱল সুন্দৰ দেখাবলৈ পিন্ধা কাপোৰ নহয়। আপোনাৰ ব্যক্তিত্ব, আত্মবিশ্বাস, ৰুচিবোধ আৰু পেছাদাৰী ভাৱমূৰ্তিৰো ই এক গুৰুত্বপূৰ্ণ অংশ। বিশেষকৈ মহিলাৰ ক্ষেত্ৰত অফিচ ৱেৰত আৰাম, পৰিপাটি আৰু এলিগেণ্ট ষ্টাইল এই তিনিটাৰ সুন্দৰ সমন্বয়েই এটা সম্পূৰ্ণ লুক সৃষ্টি কৰিব পাৰে।



অফিচলৈ যোৱাৰ পোছাক কেৱল সুন্দৰ দেখাবলৈ পিন্ধা কাপোৰ নহয়। আপোনাৰ ব্যক্তিত্ব, আত্মবিশ্বাস, ৰুচিবোধ আৰু পেছাদাৰী ভাৱমূৰ্তিৰো ই এক গুৰুত্বপূৰ্ণ অংশ। বিশেষকৈ মহিলাৰ ক্ষেত্ৰত অফিচ ৱেৰত আৰাম, পৰিপাটি আৰু এলিগেণ্ট ষ্টাইল এই তিনিটাৰ সুন্দৰ সমন্বয়েই এটা সম্পূৰ্ণ লুক সৃষ্টি কৰিব পাৰে।

আজিৰ দিনত অফিচ ৱেৰৰ ফেশ্বন মানেই কেৱল ফৰ্মেল চাৰ্ট-পেণ্ট বা সাধাৰণ শাৰী নহয়। পৰম্পৰাগত পোছাকৰ পৰা আৰম্ভ কৰি আধুনিক ৱেষ্টাৰ্ণ ৱেৰলৈকে বিভিন্ন ষ্টাইলক নিজৰ ব্যক্তিত্ব আৰু কৰ্মক্ষেত্ৰৰ পৰিৱেশৰ স'তে মিলাই ল'ব পাৰি। অৱশ্যে ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল অতিৰিক্ত নহৈ, সঠিকভাৱে ষ্টাইল কৰা।

অফিচ ৱেৰৰ ক্ষেত্ৰত শাৰী এক চিৰন্তন পছন্দ। বিশেষকৈ কটন, লিনেন, পাট, মুগা বা হেণ্ডলুমৰ শাৰীয়ে একে সময়তে পৰম্পৰাগত আৰু পেছাদাৰী ৰূপ দিব পাৰে। অফিচৰ বাবে শাৰী বাছনি কৰোঁতে অত্যধিক গধুৰ ডিজাইন বা বেছি জিলিকনি থকা শাৰীৰ পৰিৱৰ্তে মৃদু ৰং, সৰু ব'ৰ্ডাৰ আৰু পৰিপাটি ডিজাইনৰ শাৰী বাছি ল'ব পাৰি। কটন শাৰীৰ স'তে কনট্ৰাষ্ট বা একে টোনৰ ব্লাউজ, সৰু কাণফুলি আৰু এটা ঘড়ী এইখিনিয়েই যথেষ্ট।

শাৰীৰ আঁচলটো পৰিপাটিকৈ ৰাখি, অতিৰিক্ত গহনা বা অত্যধিক মেকআপ পৰিহাৰ কৰিলে লুকটো অধিক সুন্দৰ হৈ উঠে।

দৈনন্দিন অফিচ ৱেৰৰ বাবে কুৰ্তা-পেণ্ট অন্যতম সুবিধাজনক পছন্দ। বিশেষকৈ দীঘল বা মিডি লেংথৰ চিম্পল কুৰ্তাৰ স'তে ষ্ট্ৰেইট পেণ্ট বা চিগাৰেট পেণ্টে এক পৰিপাটি লুক সৃষ্টি কৰে।

অফিচৰ বাবে পেষ্টেল শ্বেড, বগা, পাতল নীলা, অলিভ গ্ৰীণৰ দৰে ৰং বাছি ল'ব পাৰি। সৰু প্ৰিণ্ট থাকিলে একেবাৰে ক্লাছি লাগে।

কুৰ্তাৰ স'তে ডুপাট্টা ল'লে সেয়া অত্যধিক দীঘল বা জটিলভাৱে মেৰিয়াই নলৈ পৰিপাটিকৈ ৰাখিব পাৰি। আৰামদায়ক ফুটৱেৰ আৰু এটা হেণ্ডবেগৰ স'তে এই লুকটো সম্পূৰ্ণ কৰিব পাৰি। যিসকলে ৱেষ্টাৰ্ণ ফৰ্মেল ৱেৰ পছন্দ কৰে, তেওঁলোকৰ বাবে ৱেল ফিটেড চাৰ্ট আৰু ট্ৰাউজাৰ এক উৎকৃষ্ট বিকল্প।বগা, নীলা, ক্ৰীম বা পেষ্টেল ৰঙৰ চাৰ্টৰ স'তে ক'লা গ্ৰেক্স পিন্ধিলে এক স্মাৰ্ট লুক আহে । ইয়াৰ ওপৰত পাতল ব্লেজাৰ যোগ কৰিলে মিটিং বা প্ৰেজেণ্টেচনৰ বাবে লুকটো আৰু অধিক প্ৰফেচনেল হৈ উঠে। ইয়াত ফিট অতি গুৰুত্বপূৰ্ণ। পোছাকটো বেছি টাইট বা অত্যধিক ঢিলা হোৱাৰ পৰিৱৰ্তে শৰীৰৰ গঠনৰ স'তে স্বাভাৱিকভাৱে মিলি যোৱাটোৱেই বেছি আকৰ্ষণীয়। অফিচ ৱেৰত ৰঙৰ ব্যৱহাৰেও ব্যক্তিত্ব প্ৰকাশ কৰে। অৱশ্যে বহুতো উজ্জ্বল ৰং একেলগে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে এটা পাতল ৰঙ ব্যৱহাৰ কৰক।

## গৃহসজ্জা

# খিৰিকীৰ কাষৰ সৰু ঠাইখিনিকে বনাওক আপোনাৰ আৰামৰ কোণ



ঘৰৰ প্ৰতিটো ঠাইৰ নিজস্ব একোটা সৌন্দৰ্য থাকে। কিন্তু খিৰিকীৰ কাষৰ ঠাইখিনিৰ কথাই অলপ বেলেগ। বাহিৰৰ পোহৰ, মুকলি বতাহ আৰু চাৰিওফালৰ পৰিৱেশৰ স'তে ঘৰখনক সংযোগ কৰা এই সৰু ঠাইখিনিক অলপ যতনেৰে সজাই তুলিলে ই হৈ উঠিব পাৰে আপোনাৰ ঘৰৰ আটাইতকৈ প্ৰিয় আৰু শান্তিৰ কোণ।

ইয়াৰ বাবে ডাঙৰ ঠাই বা বহুত টকাৰ প্ৰয়োজন নাই। খিৰিকীৰ তলত যদি অলপ ঠাই থাকে, তেন্তে তাত এখন সৰু বেঞ্চ বা আৰামদায়ক চকী ৰাখিব পাৰি। তাৰ ওপৰত কোমল কুশ্বন আৰু এখন সৰু গাৰু ৰাখিলে বহাৰ ঠাইখন অধিক আৰামদায়ক হৈ পৰিব। ঠাই কম হ'লে ভাঁজ কৰিব পৰা চকী বা সৰু ষ্টুলো ব্যৱহাৰ কৰিব পাৰি। এই কোণটো সজোৱাৰ ক্ষেত্ৰত ৰঙৰ সামঞ্জস্যও গুৰুত্বপূৰ্ণ। খিৰিকীৰ পৰ্দা, কুশ্বন আৰু সৰু কাৰ্পেটৰ ৰং একে ধৰণৰ বা পৰস্পৰৰ স'তে মিল থকা হ'লে ঠাইখন দেখিবলৈ অধিক পৰিপাটি লাগে। পাতল আৰু কোমল ৰঙে এনে এটা কোণক শান্ত আৰু মুকলি অনুভৱ দিব পাৰে। আনহাতে, এটা উজ্জ্বল ৰঙৰ কুশ্বন বা সৰু ডেকৰেচন পিছে ঠাইখনত অলপ জীৱন্ত ভাব আনিব পাৰে। খিৰিকীৰ কাষত গছ ৰাখিলেও সৌন্দৰ্য বহুগুণে বৃদ্ধি পায়। পোহৰ পোৱা ঠাইত উপযুক্ত ইনড'ৰ প্লাণ্ট, সৰু ফুলৰ টাব বা হেংগিং প্লাণ্ট ৰাখিব পাৰি। অৱশ্যে গছ বেছি দি ঠাইখন ভৰাই পেলোৱাৰ পৰিৱৰ্তে দুই-এজোপা গছ সঠিক স্থানত ৰখাটোৱেই অধিক সুন্দৰ। সেউজীয়া পাতৰ সৈতে বাহিৰৰ প্ৰাকৃতিক দৃশ্য মিলি এই সৰু কোণটোক আৰু সতেজ কৰি তুলিব। যদি আপুনি পঢ়ি ভাল পায়, তেন্তে এই ঠাইখনক সৰু ৰিডিং কৰ্ণাৰ হিচাপেও ব্যৱহাৰ কৰিব পাৰে। এখন সৰু কিতাপৰ ৰেক বা দুখনমান প্ৰিয় কিতাপ ওচৰতে ৰাখিব পাৰি। সন্ধিয়া পঢ়াৰ বাবে এটা সৰু লেম্প বা কোমল পোহৰৰ লাইট যোগ কৰিলে কোণটো অধিক আকৰ্ষণীয় হৈ উঠিব।



কেৱল কিতাপ পঢ়াই নহয়, পুৱাৰ চাহ, সন্ধিয়াৰ কফি, সংগীত শুনা অথবা কিছু সময় নীৰৱে বহি থকাৰ বাবেও এই ঠাইখিনি ব্যৱহাৰ কৰিব পাৰি। আজিৰ ব্যস্ত জীৱনত নিজৰ বাবে কিছু সময় উলিয়াবলৈ ঘৰৰ ভিতৰতে এনে এটা ব্যক্তিগত কোণ থকাটোও একপ্ৰকাৰৰ বিলাসিতা।

অৱশ্যে সজোৱাৰ নামত খিৰিকীৰ কাষৰ ঠাইখিনি অত্যধিক বস্তুৰে ভৰাই পেলোৱা উচিত নহয়। এই কোণটোৰ মূল সৌন্দৰ্যই হৈছে ইয়াৰ সৰলতা আৰু মুকলিভাৱ। এখন আৰামদায়ক আসন, দুটামান কুশ্বন, এজোপা সেউজীয়া গছ আৰু প্ৰয়োজন অনুসৰি কোমল পোহৰ ইমানখিনিয়েই যথেষ্ট। পুৰণি সামগ্ৰীকো নতুন ৰূপ দি এই কোণটো সজাব পাৰি। ঘৰত থকা পুৰণি কাঠৰ বাকচক সৰু টেবুল হিচাপে ব্যৱহাৰ কৰিব পাৰি, পুৰণি কুশ্বনৰ কভাৰ সলাই নতুন ৰূপ দিব পাৰি অথবা পৰিয়ালৰ কোনো পুৰণি ফটো এখন সৰু ফ্ৰেমত সজাই ওচৰত ৰাখিব পাৰি। এনে ব্যক্তিগত স্মৃতিয়ে ঠাইখনক কেৱল সুন্দৰেই নহয়, আপোন কৰি তোলে। আচলতে গৃহসজ্জাৰ সৌন্দৰ্য ডাঙৰ ডাঙৰ পৰিৱৰ্তনত নহয়, সৰু সৰু চিন্তাশীল পৰিৱৰ্তনত লুকাই থাকে। খিৰিকীৰ কাষৰ অৱহেলিত ঠাইখিনিক অলপ মৰম আৰু সৃষ্টিশীলতাৰে সজাই লওক। হয়তো সেই ঠাইখনেই এদিন হৈ উঠিব আপোনাৰ দিনটোৰ আটাইতকৈ বিশ্ৰামৰ মুহূৰ্তটোৰ ঠিকনা। এখন খিৰিকী, অলপ পোহৰ, এখন আৰামদায়ক আসন আৰু নিজৰ বাবে কিছু সময় কেতিয়াবা সুন্দৰকৈ জীয়াই থাকিবলৈ ইয়াতকৈ বেছি একো নালাগে।



ভাষাৰ স'তে এক দীঘলীয়া আৰু বৈচিত্ৰ্যময় সম্পৰ্ক দিতিমণি গগৈৰ। একাধাৰে অনুবাদক, গল্পকাৰ আৰু সাহিত্যিক হিচাপে নিজৰ সৃষ্টিশীল পৰিচয় গঢ়ি তোলাৰ সমান্তৰালভাৱে তেওঁ উচ্চ ন্যায়ালয়ৰ অনুবাদ শাখাৰ স্পেচিয়েল অফিচাৰ তথা হেড হিচাপেও গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। বৰ্তমান তেওঁৰ দায়িত্বৰ পৰিসৰ কেৱল অনুবাদৰ মাজতে সীমাবদ্ধ হৈ থকা নাই; প্ৰশাসনিক দায়িত্বই তেওঁৰ কৰ্মক্ষেত্ৰৰ এক বৃহৎ অংশ আগুৰি আছে। অনুবাদ শাখাৰ নেতৃত্ব দিয়াৰ লগতে বিভিন্ন প্ৰশাসনিক বিষয় চোৱাচিতা কৰাৰ এই অভিজ্ঞতাই তেওঁৰ পেছাগত জীৱনলৈ এক বিশেষ মাত্ৰা সংযোজন কৰিছে। তাৰ সমান্তৰালভাৱে সাহিত্যৰ ক্ষেত্ৰতো দিতিমণি গগৈৰ যাত্ৰা সমানে উল্লেখযোগ্য।

# ভাষাৰ পৃথিৱীত দায়িত্ব আৰু সৃষ্টিশীলতাৰ সমন্বয়ে দিতিমণি গগৈৰ অনন্য যাত্ৰা

ভাষাৰ স'তে এক দীঘলীয়া আৰু বৈচিত্ৰ্যময় সম্পৰ্ক দিতিমণি গগৈৰ। একাধাৰে অনুবাদক, গল্পকাৰ আৰু সাহিত্যিক হিচাপে নিজৰ সৃষ্টিশীল পৰিচয় গঢ়ি তোলাৰ সমান্তৰালভাৱে তেওঁ উচ্চ ন্যায়ালয়ৰ অনুবাদ শাখাৰ স্পেচিয়েল অফিচাৰ তথা হেড হিচাপেও গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। বৰ্তমান তেওঁৰ দায়িত্বৰ পৰিসৰ কেৱল অনুবাদৰ মাজতে সীমাবদ্ধ হৈ থকা নাই; প্ৰশাসনিক দায়িত্বই তেওঁৰ কৰ্মক্ষেত্ৰৰ এক বৃহৎ অংশ আগুৰি আছে। অনুবাদ শাখাৰ নেতৃত্ব দিয়াৰ লগতে বিভিন্ন প্ৰশাসনিক বিষয় চোৱাচিতা কৰাৰ এই অভিজ্ঞতাই তেওঁৰ পেছাগত জীৱনলৈ এক বিশেষ মাত্ৰা সংযোজন কৰিছে। তাৰ সমান্তৰালভাৱে সাহিত্যৰ ক্ষেত্ৰতো দিতিমণি গগৈৰ যাত্ৰা সমানে উল্লেখযোগ্য। 'মই মালালাই কৈছো'ৰ দৰে গ্ৰন্থৰ অনুবাদে পাঠকৰ মাজত বিশেষ সমাদৰ লাভ কৰাৰ লগতে অনুবাদক হিচাপে তেওঁৰ পৰিচয় সুদৃঢ় কৰিছে। আনহাতে, গল্প আৰু অন্যান্য সাহিত্যিক চৰ্চাৰ মাজেৰে তেওঁ ভাষাক কেৱল অনুবাদৰ মাধ্যম হিচাপে নহয়, অনুভৱ, চিন্তা আৰু সৃষ্টিশীল প্ৰকাশৰ মাধ্যম হিচাপেও ব্যৱহাৰ কৰি আহিছে।

এগৰাকী সাহিত্যিকৰ সংবেদনশীলতা আৰু এগৰাকী প্ৰশাসকৰ দায়িত্ববোধ— এই দুয়োটা ভিন্ন অথচ পৰস্পৰ পৰিপূৰক অভিজ্ঞতাই দিতিমণি গগৈৰ চিন্তা আৰু কৰ্মজগতক কেনেদৰে গঢ় দিছে? অনুবাদৰ পৰা প্ৰশাসনিক দায়িত্বলৈ তেওঁৰ কৰ্মজীৱনৰ এই পৰিৱৰ্তন কেনেকুৱা? সাহিত্য, ভাষা আৰু পেছাগত দায়িত্বৰ এই বহুমাত্ৰিক অভিজ্ঞতাক লৈ দিতিমণি গগৈৰ স'তে শ্ৰীময়ীৰ এক অন্তৰংগ আলাপ।

১। আপুনি একাধাৰে গল্পকাৰ, কবি আৰু অনুবাদক লগতে উচ্চ ন্যায়ালয়ৰ অনুবাদ শাখাৰ বিশেষ বিষয়া (স্পেচিয়েল অফিচাৰ) হিচাপে কাম কৰি আছে। সাহিত্যিক অনুবাদ আৰু আইনী অনুবাদ - দুয়োটা ক্ষেত্ৰতে ভাষাৰ শুদ্ধতা অতি গুৰুত্বপূৰ্ণ। কিন্তু দুয়োটা ক্ষেত্ৰৰ উদ্দেশ্য আৰু দায়বদ্ধতা সম্পূৰ্ণ পৃথক। আপোনাৰ অভিজ্ঞতাত এই দুয়ো ধৰণৰ অনুবাদে আপোনাৰ ভাষাবোধ আৰু লেখকসত্তাক কেনেদৰে প্ৰভাৱিত কৰিছে?

- হয়, মই সাহিত্য আৰু আইনী দুয়োটা ক্ষেত্ৰতে অনুবাদৰ স'তে সুদীৰ্ঘ সময় জড়িত। মই অসমীয়া মাধ্যমত পঢ়া-শুনা কৰিছিলো। পৰৱৰ্তী সময় ইংৰাজী সাহিত্যৰ ছাত্ৰী হৈছিলো। শৈশৱৰে পৰা গ্ৰন্থৰ প্ৰতি মোৰ প্ৰৱল আগ্ৰহ। সকলো গ্ৰন্থ কিনি আনিব নোৱাৰিলেও ধাৰ কৰি হ'লেও পঢ়িছিলো। ডিগ্ৰী পঢ়াৰ সময়লৈকে মোৰ ঘৰত সৰু এটা লাইব্ৰেৰী গঢ় লৈ উঠিছিল। ইংৰাজী সাহিত্যৰ ছাত্ৰী হিচাপেও মই ইংৰাজী সাহিত্যৰ অনেক গ্ৰন্থ পঢ়িছিলো। সেই সময়ত গ্ৰন্থাগাৰৰ ভূমিকাও গৰুত্বপূৰ্ণ আছিল। গ্ৰন্থগাৰৰ পৰাও অনেক গ্ৰন্থ আনি পঢ়িছিলো। কৰ্মজীৱন আৰম্ভ কৰিছিলো *দ্য ছেন্টিনেল* কাকতৰ এগৰাকী উপ-সম্পাদকৰূপে আৰু পাছলৈ তাৰ দেওবৰীয়া আলোচনী মেলাঞ্জ (melange) ৰ উপ-সম্পাদনাৰ দায়িত্বত আছিলো। তেতিয়াও মই পেছাগতভাৱে ইংৰাজী ভাষাত লিখিছিলো আৰু মোৰ নিজৰ অনুভূতি জড়িত লেখাবোৰ লিখিছিলো অসমীয়াত। সেইবোৰ *দৈনিক প্ৰতিদিন, সম্ভাৰ, আজিৰ অসম* কাকতৰ দেওবৰীয়া পৰিপূৰিকা আদিত প্ৰকাশ হৈছিল। মোৰ খুব ইচ্ছা আছিল যাতে মই এনেকুৱা এটা কাম কৰি থাকিব পাৰো, য'ত দুয়োটা ভাষাতে মই সমানে কাম কৰি যাব পাৰো। হয়তো এয়া এক ঐশ্বৰিক সংযোগ মই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অনুবাদ শাখাত যোগদান কৰিলো। পেছাগতভাৱে মই অসমীয়া অথবা বাংলা ভাষাৰ পৰা ইংৰাজী ভাষালৈ অনুবাদ কৰিব লাগে। যিহেতু উচ্চ ন্যায়ালয়ৰ চৰকাৰী কাম-কাজ ইংৰাজী ভাষাত হয়, গতিকে গোচৰৰ স'তে জড়িত সকলো তথ্য ইংৰাজী ভাষালৈ অনুবাদ কৰিব লাগে। এই অনুবাদ কাৰ্যত আমাৰ সীমাবদ্ধতা থাকে। আমি কোনোধৰণৰ সম্পাদনা কৰিব নোৱাৰো। কাৰণ মূল তথ্যৰ হুবহু ইংৰাজী তৰ্জমা উপস্থাপন কৰাটো অত্যন্ত জৰুৰী আৰু গুৰুত্বপূৰ্ণ। যিহেতু ন্যায়ালয়ত দুটা পক্ষৰ মাজত যুক্তি প্ৰদৰ্শন হয়। চৰকাৰী অনুবাদকৰ দায়িত্ব অত্যন্ত গুৰুত্বপূৰ্ণ, তেওঁলোকৰ সামান্য একোটা ভুলে গোচৰৰ গতি সলনি কৰি গোচৰত জড়িত মানুহ এজনৰ জীৱনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে সম্পূৰ্ণ আক্ষৰিক অনুবাদ কৰি পঢ়িবলৈ একেবাৰে অশুৱলা কৰি অনুবাদ কৰিব লাগে। ভাষাত ব্যুৎপত্তি থকা যিকোনো এজন লোকেই এনে পেছাদাৰী অনুবাদো তথ্যৰ বিকৃতি নোহোৱাকৈ শুৱলাকৈ উপস্থাপন কৰিব পাৰে।

সাহিত্য ক্ষেত্ৰৰ অনুবাদৰ ক্ষেত্ৰত বহু কথা বেলেগ। সাহিত্যত তথ্যৰ লগতে গদ্য চয়ন, লেখনশৈলী, ভাষাৰ মাধুৰ্য এইবোৰ অত্যন্ত গুৰুত্বপূৰ্ণ কথা। যিকোনো এটা কথা বেলেগ ভাষাৰ পৰা অনুবাদ কৰিবলৈ হ'লে সেই লেখাটো কেনে পৰিৱেশ পৰিস্থিতিত লিখা হৈছে সেই পৰিৱেশ পৰিস্থিতিত নিজকে খাপ খুৱাই লৈ যিসকল পাঠকৰ বাবে লিখা হৈছে বা অনুবাদ কৰা হৈছে, সেইসকল পাঠকৰ ৰুচি অনুযায়ী ভাষাক গঢ় দিব লগা হয়। যদি শিশুসকলৰ বাবে লিখা হৈছে, তেন্তে ভাষাটো যাতে সৰল হয় তাৰ প্ৰতি নজৰ দিব লগা হয়। সেইদৰে আন আন বয়সৰ বা আন আন শ্ৰেণীৰ পাঠকৰ বাবে লিখোতেও তেনেদৰে আন আন বিভিন্ন দিশৰ প্ৰতি মনোযোগ দিব লগা হয়। অনুবাদৰ উপৰি ভাষাৰ সৰলতা কেনেকৈ বজাই ৰাখিব পাৰি সেইবোৰ কথা অত্যন্ত গৰুত্বপূৰ্ণ। কেৱল সৰল নহয়, প্ৰাঞ্জল ভাষা একোটাইহে পাঠকক ধৰি ৰাখিব পাৰে।

কেতিয়াবা কেতিয়াবা পেছাদাৰীভাৱেও গ্ৰন্থৰ কাম কৰি গৈছো। মূল সুঁতিৰ সাহিত্য নহ'লেও আইনী ইতিহাস সম্বলিত দুখন গ্ৰন্থ ক্ৰমান্বয়ে 'কৰ্টছ অৱ ইণ্ডিয়া- পাষ্ট টু প্ৰেজেন্ট' আৰু 'গৌহাটী হাই কৰ্ট — হিষ্ট্ৰী এণ্ড হেৰীটেজ' শীৰ্ষক দুখন বিশাল গ্ৰন্থৰ মুখ্য অনুবাদকৰ কাম কৰিছো। এই দুয়োটা প্ৰচেষ্টা গৌহাটী উচ্চ নয়ায়ালয়ৰ তৰফৰ পৰা লোৱা। এই দুখন গ্ৰন্থ আইনী হ'লেও অসমীয়া সাহিত্যৰ এক সমল হৈ ৰ'ব বুলি মোৰ বিশ্বাস। এই সমগ্ৰ প্ৰক্ৰিয়াটোত দীৰ্ঘদিন ধৰি সাহিত্য ক্ষেত্ৰত কাম কৰি যোৱা অভিজ্ঞতাই এই দুখন গ্ৰন্থৰ প্ৰস্তুতিৰ পৰা প্ৰকাশলৈকে লৈ যোৱাত মোক যথেষ্ট সহায় কৰিছে।

২। 'মই মালালাই কৈছো'ৰ দৰে এখন গ্ৰন্থ অনুবাদ কৰি অসমীয়া পাঠকৰ ওচৰলৈ এগৰাকী বিশ্বখ্যাত ব্যক্তিৰ জীৱন, সংগ্ৰাম আৰু চিন্তাক লৈ অহাটো এক গুৰুত্বপূৰ্ণ কাম। এখন অনুবাদ গ্ৰন্থ সফল হ'বলৈ কেৱল মূল ভাষাৰ অৰ্থ অসমীয়ালৈ ৰূপান্তৰ কৰাই যথেষ্ট নে? আপোনাৰ অনুবাদ-দৰ্শনটো কেনেধৰণৰ?

- 'মই মালালাই কৈছো' গ্ৰন্থখনে পাঠকৰ পৰা যথেষ্ট মৰম বুটলিবলৈ সক্ষম হৈছে। অনুবাদ গ্ৰন্থখন পঢ়ি বহুতে মোক জনাইছে যে গ্ৰন্থখন অনুবাদ কৰা যেন নালাগে, এখন মৌলিক গ্ৰন্থ যেনেই লাগে। পাঠকৰ পৰা এনে মন্তব্য পালে এগৰাকী অনুবাদক হিচাপে নিজকে সফল যেন লাগে। এনে মন্তব্যই সূচায় যে— মই যে গোটেই কাহিনীভাগ ইংৰাজী ভাষাৰ পৰা আনি নিজৰ ভাষাত উপস্থাপন কৰোতে সফল হৈছো। এখন কিতাপৰ সফল অনুবাদ কৰিবলৈ হ'লে সেই কিতাপখন কেনে সামাজিক আৰু সাংস্কৃতিক পটভূমিত ৰচিত হৈছে, কিতাপখনে কেনে বিষয় বা কোনটো সময়ক প্ৰতিনিধিত্ব কৰিছে — এই কথাবোৰলৈ লক্ষ্য ৰাখিহে অনুবাদৰ দিশে আগবাঢ়িব লাগে। আমি বহু মহৎ সাহিত্য অনুবাদৰ যোগেদিহে পঢ়িবলৈ পাইছো। মেক্সিম গৰ্কীৰ মা, আবুল লেইচ ডাঙৰীয়াই অনুবাদ কৰা হাও গ্ৰীণ ৱাজ মাই ভেলী আদি পঢ়ি থাকোতে মনে মনে অনুবাদকলৈ কৃতজ্ঞতা জনাইছিলো কাৰণ আমি কল্পনাৰ পাখি গুজি সেই বিশেষ সময়ৰ বিশেষ ঠাইলৈ উৰি গৈ চৰিত্ৰবোৰৰ স'তে একাত্ম হৈ পৰিব পাৰিছিলো কেৱল তেওঁলোকৰ সুন্দৰ অনুবাদ আৰু লেখনশৈলীৰ জৰিয়তে। গতিকে মোৰ অনুবাদ দৰ্শন বুলি যদি কোৱা, তেন্তে ভাষাটো অতি গুৰুত্বপূৰ্ণ। উৎস ভাষাত যদি কোনো কথা জটিল ভাষাতো উপস্থাপন কৰা হৈছে, তেন্তে তাৰ সৰল ভাঙনি কৰি পাঠকৰ বাবে সহজ কৰি তোলাতো অনুবাদকৰ কৰ্তব্য। অসমৰ আনন্দ চন্দ্ৰ আগৰৱালা দেৱক 'ভাঙনি কোঁৱৰ' বুলি জনা যায়। তেওঁ ৰচনা কৰা 'জীৱন সংগীত' নামৰ কবিতাটো দৰাচলতে কবি লংফেলোৰ Psalm of Life নামৰ কবিতাৰ অসমীয়া ভাঙনিহে। কিন্তু কবিতাটোৰ প্ৰত্যেকটো শাৰী কবিয়ে ইমান সুন্দৰ ভাঙনি কৰিছে যে পাঠকৰ মনত চিৰদিনৰ বাবে সাঁচ বহুৱাই থৈ গৈছে। উদাহৰণ স্বৰূপে, আমি সততে আওৰাই থকা এই শাৰীকেইটা পঢ়িলেই গম পোৱা যায় তেওঁৰ অনুবাদৰ বিষয়ে— *মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ আমিও কৰিব পাৰোঁ জীৱন গঢ়িত, অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে থৈ যাব পাৰো খোজ সময় বালিত।* কবিতাটোৰ বিষয়ে কৈ নিদিলে কোনেও ক'ব নোৱাৰে যে এইটো এটা অনূদিত কবিতা। অনুবাদকৰ সাফল্য সেইখিনিতে। 'মই মালালাই কৈছো'ৰ পাছতো মই কেবাখনো গ্ৰন্থ অনুবাদ কৰিছো— শেহতীয়াকৈ উৰ্দু লেখক ইছমত ছুগতাইৰ 'লিফটিং দ্য ভেইল'ৰ অসমীয়া অনুবাদ কৰিলো 'ওৰণি গুচাই' নামেৰে। শেহতীয়াকৈ এগৰাকী ব্ৰিটিছ লেখক আইৰিছ মেকফাৰলেনৰ 'দ্য চিলড্ৰেন অৱ বাৰ্ড গড হিল'ৰ অসমীয়া ৰূপান্তৰ কৰিলো 'চৰাইদেউ পাহাৰৰ শিশুবোৰ' নামেৰে।

৩। ন্যায়ালয়ত অনুবাদৰ কাম কৰোতে এটা শব্দৰ অৰ্থ, বাক্যৰ গঠন বা ভাষাৰ সামান্য ভুলেও গুৰুতৰ পৰিণতি আনিব পাৰে। আনহাতে, সাহিত্যত কেতিয়াবা শব্দৰ আক্ষৰিক অৰ্থতকৈ অনুভূতিয়ে অধিক গুৰুত্ব লাভ কৰে। এই দুটা বিপৰীত অভিজ্ঞতাই এগৰাকী অনুবাদক হিচাপে আপোনাৰ ধাৰণাক কেনেদৰে গঢ় দিছে?

- হয়, মই আগৰ প্ৰশ্নৰ উত্তৰতে কৈছো যে গোচৰৰ নথিৰ শুদ্ধ অনুবাদ কৰাতো অত্যন্ত গুৰুত্বপূৰ্ণ। গোচৰৰ নথি অনুবাদ কৰোতে মূল তথ্যৰ কোনো ভ্ৰান্তি যাতে নঘটে তাৰ প্ৰতি আমি সদা সতৰ্ক হৈ থাকিব লাগে। এইক্ষেত্ৰত আমি প্ৰতিদিনেই বেলেগ বেলেগ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। বহুতো ভাষ্য বা জবানবন্দী যিকোনো অঞ্চলত প্ৰচলিত থলুৱা কথিত ভাষাতেই লিপিবদ্ধ কৰা হয়। গতিকে বহুতো কথিত শব্দৰ অৰ্থ বিচাৰিও হাবাথুৰি খাব লগা হয়। আনকি কেতিয়াবা কিছুমান শব্দ অভিধানতো বিচাৰি পোৱা নাযায়।

সাহিত্যত আক্ষৰিক অৰ্থতকৈ কেৱল অনুভূতি থাকিব লাগিব বুলি ক'ব নোৱাৰি, আন বহুতো দিশ থাকে। উন্নত গদ্যশৈলী যিকোনো লেখাৰ বাবেই প্ৰথম প্ৰয়োজন। উৎস ভাষাত থকা সাহিত্যই কি প্ৰতিনিধিত্ব কৰিছে সেই কথাও গুৰুত্বপূৰ্ণ। গল্প, কবিতাৰ ক্ষেত্ৰত আৱেগ-অনুভূতিক প্ৰতিনিধিত্ব কৰে শব্দই। আনবোৰ দিশতকৈ কবিতাৰ অনুবাদ হয়তো আটাইতকৈ জটিল। কাৰণ, নিৰ্বাচিত সীমাবদ্ধ শব্দৰ ভিতৰত উৎস ভাষাৰ পৰা লক্ষ্য ভাষালৈ সেই কবিতাৰ অৰ্থ অটুট ৰাখি পাঠকৰ মাজলৈ আগবঢ়াই দিয়াটো সহজসাধ্য নহয়।

পেছাগতভাৱে আইনী তথ্যৰ অনুবাদ কৰা আৰু সাহিত্যৰ অনুবাদ দুয়োটা ক্ষেত্ৰতে মোৰ লক্ষ্য এটাই — উপযুক্ত শব্দ নিৰ্বাচন কৰি অনূদিত ৰূপটোক শুদ্ধভাৱে উপস্থাপন কৰা। আৱেগ অনুভূতিকো যিহেতু শব্দই প্ৰতিনিধিত্ব কৰে গতিকে শব্দ নিৰ্বাচন কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। এইক্ষেত্ৰত আন এটা কথা যোগ দিবই লাগিব যে কেৱল অভিধান চাই শব্দ নিৰ্বাচন কৰি উন্নত গদ্য লিখি উলিয়াব নোৱাৰি। তাৰবাবে প্ৰচুৰ অধ্যয়ন কৰি নিজৰ শব্দৰ ভঁৰাল চহকী কৰিবই লাগিব।

৪। এগৰাকী গল্পকাৰ হিচাপে আপুনি মানুহৰ জীৱন, মনস্তত্ত্ব আৰু সমাজৰ বিভিন্ন স্তৰক কেনেদৰে গল্পৰ মাজলৈ আনে? আপোনাৰ বাবে গল্পৰ জন্ম প্ৰথমে কিবা ঘটনা, চৰিত্ৰ, অনুভৱ নে কোনো বিশেষ চিন্তাৰ পৰা হয়?

- মোৰ একমাত্ৰ গল্প সংকলন 'সাৰে আছানে জোনাকী পৰুৱা'ত সন্নিবিষ্ট প্ৰায়বোৰ গল্পই জীৱনৰ বাস্তৱ দিশটোৰ প্ৰতিফলন ঘটাইছে। দৈনন্দিন জীৱনৰ সৰু সৰু ঘটনাৰ মাধ্যমেৰে মোৰ গল্পবোৰ গঢ় লৈ উঠিছে। মোৰ গল্পৰ ভাষাও সৰল। কাব্যিকতাক মই গল্পৰ মাজত আশ্ৰয় দিয়া নাই। অথচ মোৰ কবিতাবোৰ খুবেই অনুভূতিপ্ৰৱণ। মোৰ 'শংখ নিনাদ শীৰ্ষক কবিতা সংকলনত সন্নিবিষ্ট প্ৰত্যেকটো কবিতাই গভীৰ অনুভূতিপ্ৰৱণ।

মই ড° ভবেন্দ্ৰনাথ শইকীয়া ছাৰৰ গল্পবোৰ পঢ়ি তেওঁৰ গল্পৰ সেই সৰল, বাস্তৱিক দিশবোৰ খুব ভাল পাইছিলো। সেইদৰে বাংলা লেখক সুনীল গঙ্গোপাধ্যায়ৰ গল্পবোৰেও মোক খুবেই প্ৰভাৱান্বিত কৰে। অৱশ্যে, মই খুব সীমিত সংখ্যক গল্পহে লিখিছো।

৫। বৰ্তমান সময়ত অনুবাদ সাহিত্যই অসমীয়া পাঠকৰ বাবে বিশ্বসাহিত্যৰ দুৱাৰ মুকলি কৰিছে। কিন্তু ক'ৰবাত যেন তেওঁলোক স্বীকৃতিৰ পৰা বঞ্চিত হৈ ৰয়। এই ক্ষেত্ৰত আপুনি কি ক'ব?

--শুনিবলৈ বেয়া লাগিলেও এটা কথা স্বীকাৰ কৰিবই লাগিব আজিকালিৰ যুগটো হৈছে প্ৰচাৰৰ যুগ। অহৰহ নিজৰ আৰু নিজৰ সৃষ্টিৰ প্ৰচাৰ কৰিব লাগিব। কিতাপ এখন লিখিলেও সেইখনৰ যথেষ্ট প্ৰচাৰৰ প্ৰয়োজন। মোৰ বাবে পাঠকৰ পোৱা সঁহাৰিয়েই সৰ্বোচ্চ স্বীকৃতি। আন স্বীকৃতিৰ কথালৈ চিন্তা কৰা নাই। লিখা কামটো মই একমাত্ৰ নিজৰ মনৰ তাড়নাত কৰো। মই এইক্ষেত্ৰত কেতিয়াও কোনো প্ৰতিযোগিতাত নামিব নোখোজো।

৬। আপোনাৰ সাহিত্যিক পৰিচয় আৰু পেছাগত পৰিচয়, দুয়োটা ক্ষেত্ৰতে ভাষাই মূল ভূমিকা পালন কৰে। আজিৰ সময়ত, যেতিয়া এ আই বা কৃত্ৰিম বুদ্ধিমত্তাই ভাষাৰ ক্ষেত্ৰখন দ্ৰুতগতিত সলনি কৰি আছে, তেনে সময়ত এজন মানৱ অনুবাদক আৰু সাহিত্যিকৰ প্ৰকৃত বিশেষত্ব ক'ত বুলি আপুনি ভাবে? ভৱিষ্যতৰ অনুবাদ আৰু সাহিত্যৰ ক্ষেত্ৰখনক লৈ আপুনি কি ক'ব?

- অনুবাদৰ ক্ষেত্ৰখনত এ আই বা কৃত্ৰিম বুদ্ধিমত্তাই নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে দেখা গৈছে যে আন্তৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা যিকোনো গ্ৰন্থ অতি কম সময়ৰ ভিতৰতে অনুবাদ হয় আৰু বজাৰত উপলব্ধ হয়। প্ৰত্যেক অনুবাদকে জানে একোখন গ্ৰন্থ এজন মানৱ অনুবাদকে অনুবাদ কৰিবলৈ কিমান সময় লয়। কিন্তু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত অনুবাদ কৰিলেও ভালদৰে সম্পাদনা কৰা খুবেই জৰুৰী। পেছাগত ভাৱেও মই কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছো। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি গুৰুত্বপূৰ্ণ ৰায়সমূহ ভাৰতৰ বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ কাম হাতত লোৱা হৈছে। গৌহাটী উচ্চ ন্যায়ালয়তো আমি এই কাম হাতত লৈছো। অনুবাদ শাখাৰ মুৰব্বী হিচাপে এয়া মোৰ বাবে এক গুৰুত্বপূৰ্ণ দায়িত্ব। ইতিমধ্যে অসমীয়াকে ধৰি প্ৰায় আটাইবোৰ ভাৰতীয় ভাষালৈ অনুবাদ কৰাৰ এক নিৰ্দেশনা আহি পৰিছে। বৃহৎসংখ্যক ৰায় অনুবাদ কৰাটো যিহেতু এক ডাঙৰ প্ৰত্যাহ্বান গতিকে এই সম্পাদনৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লোৱা হৈছে। এই কাৰ্যত বহুলভাৱে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি এটা সিদ্ধান্তত উপনীত হৈছো যে কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত আমি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি কাম কৰিব নোৱাৰোঁ। ইয়াক আমাৰ ব্যক্তিগত সহায়ক হিচাপে লৈ কাম কৰিব লাগিব। ইয়াৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হোৱাটো যেনেকৈ এটা ভুল সিদ্ধান্ত হ'ব, ই মানুহৰ আসন গ্ৰহণ কৰিব বুলি ভবাটোও ভুল হ'ব। কিন্তু সঠিকভাৱে পৰামৰ্শ দি বা ইনষ্ট্ৰাকছন দি ইয়াক আমি ব্যক্তিগত সহায়ক হিচাপে ব্যৱহাৰ কৰিলে ই আমাৰ বহু কষ্ট লাঘৱ কৰিব। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৰা অনুবাদ সদায়েই সম্পাদনা কৰা উচিত। অন্যথা বহু ত্ৰুটি ৰৈ যোৱাৰ সম্ভাৱনা আছে আৰু থাকিব।

## সৌন্দৰ্য চৰ্চা

# চকুৰ সৌন্দৰ্যৰ লগতে সুৰক্ষাও জৰুৰী ঃ ৱাটাৰপ্ৰুফ আইলাইনাৰ কেনেকৈ সঠিকভাৱে আঁতৰাব?



চকু হৈছে মুখৰ সৌন্দৰ্যৰ অন্যতম আকৰ্ষণীয় অংশ। সামান্য কাজল, আইলাইনাৰ, মাস্কাৰা বা আইশ্বেড'ৰেই মুখৰ সম্পূৰ্ণ ৰূপ সলনি কৰি দিব পাৰে। বিশেষকৈ ৱাটাৰপ্ৰুফ আইলাইনাৰ বা মাস্কাৰাই দীঘলীয়া সময়লৈ মেকআপ অটুট ৰাখে। কিন্তু চকু সজোৱাটো যিমান গুৰুত্ব, দিনটোৰ শেষত সেই মেকআপ সঠিকভাৱে আঁতৰোৱাৰো সিমানেই গুৰুত্ব আছে।

চকুত লগোৱা মেকআপ বহু সময় ধৰি নাতৰালে আইলাইনাৰ, মাস্কাৰা বা আইশ্বেড'ৰ অৱশিষ্ট চকুৰ পতা আৰু চকুৰ গুৰিত জমা হৈ থাকিব পাৰে। ইয়াৰ ফলত চকুত জ্বলা-পোৰা, খজুৱতি, ৰঙা পৰা, পানী ওলোৱা বা অস্বস্তিৰ সৃষ্টি হ'ব পাৰে। সেয়েহে চকুৰ মেকআপ আঁতৰোৱাৰ সময়ত অলপ সাৱধানতা অৱলম্বন কৰাটো অত্যন্ত জৰুৰী।

ৱাটাৰপ্ৰুফ আইলাইনাৰ সাধাৰণ পানীৰে সহজে নাতৰে। সেয়ে জোৰকৈ চকু ঘঁহি মচি পেলোৱাৰ সলনি উপযুক্ত মেকআপ ৰিম'ভাৰ ব্যৱহাৰ কৰাটোৱেই ভাল। প্ৰথমে এটা কটন পেড বা কপাহেৰে আই-মেকআপ ৰিম'ভাৰ লগাই লওক। তাৰ পাছত চকু বন্ধ কৰি সেই কটন পেডটো চকুৰ ওপৰত কেইছেকেণ্ডমান আলফুলে ধৰি ৰাখক। ইয়াৰ ফলত আইলাইনাৰ আৰু মাস্কাৰা কোমল হৈ আহিব। তাৰ পিছত চকুৰ পতা অতি লাহে লাহে মচি আঁতৰাই দিয়ক। একে ঠাইত বাৰে বাৰে ঘঁহি থাকিব নালাগে।

মেকআপ যদি সম্পূৰ্ণকৈ আঁতৰি যোৱা নাই, পুনৰ অলপ ৰিম'ভাৰ ব্যৱহাৰ কৰি লাহে লাহে পৰিষ্কাৰ কৰক।

মাইচেলাৰ ৱাটাৰো চকুৰ মেকআপ আঁতৰাবলৈ ব্যৱহাৰ কৰিব পাৰি। কিন্তু ৱাটাৰপ্ৰুফ আইলাইনাৰ বা মাস্কাৰাৰ ক্ষেত্ৰত ৱাটাৰপ্ৰুফ মেকআপ আঁতৰাবলৈ উপযোগী মাইচেলাৰ ৱাটাৰ বাছি লোৱাটো ভাল।

নকল আইলেচ লগালে চকু অধিক আকৰ্ষণীয় দেখায়। কিন্তু সেইবোৰ খোলাৰ সময়ত বিশেষ সাৱধান হোৱা উচিত। আঠা লাগি থকা অংশটো হঠাৎ টানি খুলিলে চকুৰ ক্ষতি হ'ব পাৰে। প্ৰথমে উপযুক্ত আই মেকআপ ৰিম'ভাৰ ব্যৱহাৰ কৰি আঠাটো অলপ কোমল কৰি লওক। তাৰ পাছত বাহিৰৰ কোণৰ পৰা অতি লাহে লাহে আইলেচটো খুলিব। জোৰকৈ টানি বা নখেৰে খুচৰি আঠা আঁতৰাব নালাগে। কিছুমান মানুহে নাৰিকল তেল বা আমণ্ড অইল ব্যৱহাৰ কৰি চকুৰ মেকআপ আঁতৰায়। কিন্তু চকুৰ অতি ওচৰত যিকোনো তেল ব্যৱহাৰ কৰাৰ সময়ত সাৱধান হোৱা উচিত। তেল চকুৰ ভিতৰত সোমালে অস্বস্তি, ধোঁৱা ধোঁৱা দেখা বা জ্বলা-পোৰা হ'ব পাৰে। সেয়ে চকুৰ ভিতৰত নোসোমোৱাকৈ বাহিৰৰ অংশত অতি কম পৰিমাণে ব্যৱহাৰ কৰিব লাগে। যদি চকু সংবেদনশীল হয় বা আগতে কোনো চকুৰ সমস্যা থাকে, তেন্তে নতুন কোনো সামগ্ৰী ব্যৱহাৰ কৰাৰ আগতে বিশেষজ্ঞৰ পৰামৰ্শ লোৱাই ভাল। চকুৰ ছাল মুখৰ আন অংশৰ তুলনাত অতি কোমল আৰু সংবেদনশীল। সেয়ে মেকআপ আঁতৰোৱাৰ সময়ত বেছি চাপ প্ৰয়োগ কৰিলে চকুৰ পতাৰ ছালত অস্বস্তি বা জ্বলা-পোৰা হ'ব পাৰে। বিশেষকৈ মাস্কাৰা বা আইলাইনাৰ আঁতৰাবলৈ বাৰে বাৰে জোৰেৰে ঘঁহি থকাটো উচিত নহয়।

মেকআপ আঁতৰোৱাৰ পাছত পৰিষ্কাৰ পানীৰে মুখ ধুই ল'ব পাৰে। চকুৰ চাৰিওফাল পৰিষ্কাৰ, শুকান আৰু মেকআপমুক্ত কৰি ৰখাটো অভ্যাসত পৰিণত কৰক। চকুৰ মেকআপৰ ক্ষেত্ৰত কেৱল আঁতৰোৱাৰ পদ্ধতিয়েই নহয়, ব্যৱহাৰ কৰা সামগ্ৰীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাও গুৰুত্বপূৰ্ণ। আইলাইনাৰ মাস্কাৰা, আইশ্বেড' ব্ৰাছ, মেকআপ ব্ৰাছ বা কৃত্ৰিম আইলেচ আনৰ স'তে শ্বেয়াৰ নকৰাই ভাল। মেকআপৰ সামগ্ৰী পুৰণি হৈ গ'লে বা তাৰ গন্ধ, গঠন বা ৰূপ সলনি হ'লে ব্যৱহাৰ নকৰাই নিৰাপদ। চকুত মেকআপ কৰাৰ পাছত যদি অত্যধিক জ্বলা-পোৰা, বিষ, ৰঙা পৰা, ফুলা, পুঁজ বা দৃষ্টিশক্তিৰ পৰিৱৰ্তন দেখা দিয়ে, তেন্তে কেৱল ঘৰুৱা উপায়ত নিৰ্ভৰ নকৰি চকুৰ চিকিৎসকৰ পৰামৰ্শ লোৱা উচিত। সৌন্দৰ্যৰ বাবে চকু সজোৱাটো নিশ্চয় ভাল লগা কথা। কিন্তু সৌন্দৰ্যৰ লগতে চকুৰ স্বাস্থ্যৰ প্ৰতিও সমান গুৰুত্ব দিব লাগে। সঠিক সামগ্ৰী বাছি লোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা আৰু শোৱাৰ আগতে চকুৰ মেকআপ সম্পূৰ্ণৰূপে আঁতৰোৱা এই সৰু সৰু অভ্যাসবোৰেই চকুক সুস্থ আৰু সুৰক্ষিত ৰখাত সহায় কৰিব পাৰে।



# শ্বৰিফা বেগম ঃ যাৰ হাতৰ শ্ৰমেৰে গঢ় লৈ উঠিল এখন সংসাৰ

জীৱন সদায় একে গতিত নচলে। কেতিয়াবা সুখৰ মাজতে হঠাতে নামি আহে দুখৰ অমানিশা আৰু সেই অন্ধকাৰৰ মাজৰ পৰাই এগৰাকী নাৰীয়ে নিজৰ সাহস, ধৈৰ্য আৰু শ্ৰমেৰে নতুন পোহৰৰ সন্ধান কৰে। শ্বৰিফা বেগম তেনে এগৰাকী সংগ্ৰামী নাৰী, যাৰ জীৱনে শ্ৰম, ত্যাগ আৰু মাতৃত্বৰ এক অনন্য কাহিনী কঢ়িয়াই লৈ ফুৰিছে।

শ্বৰিফা বেগমৰ আচল ঘৰ নগাঁৱৰ ৰহাত। বিয়াৰ পাছত স্বামীৰ স'তে গুৱাহাটীলৈ গুছি আহিছিল। স্বামীয়ে এটা ভাল চাকৰি কৰিছিল। সংসাৰখনো নিজৰ গতিত আগবাঢ়িছিল। দুজনী ছোৱালী আৰু এজন ল'ৰা সন্তানেৰে ঘৰখন ভৰি আছিল। সন্তানকেইটাক লৈ সৰু-সৰু সপোনেৰে ভৰা আছিল এখন সাধাৰণ সুখৰ সংসাৰ। কিন্তু হঠাতে সকলো সলনি হৈ গ'ল। স্বামী অচিন ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিল। সন্তানকেইটা তেতিয়া সৰু। স্বামীৰ মৃত্যুৰ লগে লগে শ্বৰিফাৰ মূৰৰ ওপৰত যেন আকাশখন খহি পৰিল। সংসাৰৰ উপাৰ্জনকাৰী মানুহজন নোহোৱা হৈ পৰাত তিনিটা সন্তানৰ ভৱিষ্যৎ, ঘৰ-সংসাৰৰ খৰচ, পঢ়া-শুনা সকলো দায়িত্ব একেলগে আহি পৰিল তেওঁ চম্ভালিব লগা হ'ল । সেই সময়ত শ্বৰিফাই কি কৰিব, ক'লৈ যাব, কেনেকৈ সংসাৰ চলাব একোৱেই যেন বুজি পোৱা নাছিল। কিন্তু সন্তানকেইটাৰ মুখলৈ চাই তেওঁ ভাবিলে যে তেওঁ হাৰ মানি ৰৈ দিলে নহ'ব। জীৱনে যি কঠিন পৰিস্থিতি তেওঁৰ সন্মুখত থিয় কৰাইছিল, সেই পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবেই তেওঁ বাচি ল'লে শ্ৰমৰ পথ।

মানুহৰ ঘৰে ঘৰে কাম কৰিবলৈ আৰম্ভ কৰিলে শ্বৰিফাই। দিনটোৰ প্ৰায় ছয়-সাত ঘণ্টা আনৰ ঘৰত কাম কৰে। সেই উপাৰ্জনৰ পৰাই ঘৰ ভাড়া দিয়া, সংসাৰ চলোৱা, সন্তানকেইটাক পঢ়ুওৱা, তেওঁলোকৰ প্ৰয়োজন পূৰণ কৰিলে। নিজৰ বাবে হয়তো বহু সপোন আধৰুৱা হৈ ৰ'ল, কিন্তু সন্তানকেইটাৰ সপোন যাতে আধৰুৱা নহয়, তাৰ বাবে শ্বৰিফাই নিজৰ জীৱনটোকে উৎসৰ্গা কৰিলে। সময় আগবাঢ়িল। ছোৱালীকেইজনী ডাঙৰ হ'ল। এগৰাকী ছোৱালীক বিয়া দিলে। আনগৰাকী ছোৱালীয়েও এতিয়া নিজে কাম কৰি নিজৰ ভৰিত থিয় হ'বলৈ সক্ষম হৈছে। ল'ৰাজনকো সৰুৰে পৰা পঢ়া-শুনা কৰোৱাৰ পৰা আৰম্ভ কৰি জীৱনত থিয় হ'বলৈ প্ৰয়োজনীয় সহায়খিনি শ্বৰিফাই কৰি আহিছে। ল'ৰাজনৰ বাবে এখন বাইক কিনি দিয়া, পাছত এখন টমটম কিনি দিয়াৰ দৰে ডাঙৰ দায়িত্বও শ্বৰিফাই নিজৰ সামৰঞ্জথ্য অনুযায়ী পূৰণ কৰিছে। আজি ল'ৰাজনে টমটম চলাই নিজৰ জীৱন-জীৱিকা আগবঢ়াই নিছে। সন্তানকেইটাক নিজৰ ভৰিত থিয় কৰাব পাৰিছে এয়াই যেন শ্বৰিফাৰ জীৱনৰ আটাইতকৈ ডাঙৰ সফলতা। কিন্তু আশ্চৰ্যজনক কথাটো হ'ল সন্তান ডাঙৰ হ'ল বুলিয়েই শ্বৰিফাই নিজৰ শ্ৰমৰ পথ এৰি দিয়া নাই। আজিও তেওঁ আনৰ ঘৰত কাম কৰে। আজিও পুৱাই ওলাই যায়, দিনটোৰ বহু সময় শ্ৰম কৰে। কাৰণ তেওঁৰ বাবে কাম কেৱল উপাৰ্জনৰ মাধ্যম নহয়; কাম মানে আত্মনিৰ্ভৰতা, নিজৰ সন্মান আৰু জীৱনটোক নিজৰ শক্তিৰে আগুৱাই নিয়াৰ সাহস।

স্বামী যেতিয়া ঢুকাইছিল, সন্তানকেইটা আছিল সৰু। সেই সময়ত শ্বৰিফাৰ সন্মুখত কোনো সহজ পথ নাছিল। তেওঁ কাৰো ওপৰত নিৰ্ভৰ কৰি বহি নাথাকিল। কান্দি কান্দি জীৱন পাৰ কৰাৰ পৰিৱৰ্তে নিজে কাম কৰিবলৈ ল'লে। মানুহৰ ঘৰে ঘৰে কাম কৰিলে, নিজৰ সন্তানক পঢ়ুৱালে, বিয়া দিলে, সংস্থাপিত কৰিলে আৰু আজিও নিজৰ জীৱনটো শ্ৰমৰ মাজেৰেই আগুৱাই লৈ গৈছে।

শ্বৰিফা বেগমৰ কাহিনী কেৱল এগৰাকী বিধৱা মাতৃৰ কাহিনী নহয়। এয়া এগৰাকী নাৰীৰ আত্মনিৰ্ভৰতাৰ কাহিনী। এয়া সেইসকল নাৰীৰ কাহিনী, যিসকলে জীৱনৰ কঠিন সময়ত ভাগ্যক দোষ দি বহি নাথাকি নিজৰ হাত দুখনকেই শক্তি কৰি লয়। সমাজে সফলতা বহু সময়ত টকা-পইচা, চাকৰি বা ডাঙৰ পদবীৰে জুখে। কিন্তু শ্বৰিফাৰ দৰে এগৰাকী নাৰীৰ সফলতাৰ মাপকাঠি বেলেগ। তেওঁৰ সফলতা হৈছল সন্তানকেইটাক মানুহ কৰা, তেওঁলোকক নিজৰ ভৰিত থিয় কৰোৱা আৰু কঠিন জীৱন সংগ্ৰামৰ মাজতো নিজৰ আত্মসন্মান অটুট ৰখা। এগৰাকী মাতৃৰ হাতত যেতিয়া সন্তানৰ ভৱিষ্যৎ গঢ়াৰ দায়িত্ব আহি পৰে, তেতিয়া সেই হাত কিমান শক্তিশালী হৈ উঠিব পাৰে শ্বৰিফা বেগম তাৰেই জীৱন্ত উদাহৰণ। তেওঁৰ কষ্টৰ উপাৰ্জনেৰে এখন ঘৰ চলে, তিনিটা সন্তান ডাঙৰ হ'ল, দুজনী ছোৱালীৰ জীৱন আগবাঢ়িল আৰু ল'ৰাজনো নিজৰ ভৰিত থিয় হ'ল। এই সংগ্ৰামৰ মূল্য কোনো টকাৰে জুখিব নোৱাৰি।

## বিতৰ্ক


# দুৰ্নীতি ৰোধ কৰাত মহিলাৰ ভূমিকা অশেষ ঃ মহিলাৰ সামাজিক দায়বদ্ধতা থাকিব লাগিব



**অপৰ্ণা মজুমদাৰ,** ব্যৱসায়ী

প্ৰাকৃতিকভাৱে নাৰী মমতাময়ী। নাৰীৰ মৰমে পৃথিৱীখনকে সলনি কৰি দিব পাৰে। নাৰীৰ বাবে যদি ট্ৰয় নগৰ ধ্বংস হ'ব পাৰে আকৌ নাৰীৰ বাবেই ডিভাইন কমেডীৰ দৰে সাহিত্যৰো সৃষ্টি হ'ব পাৰে। আজিৰ বিষয়বস্তু পৃথক হোৱাৰ বাবে এই সকলোবোৰ ইতিহাসৰ পৰা কিছু নিলগত থাকি বিষয়বস্তু পৰ্যালোচনা কৰাৰ প্ৰয়াস ৰাখিছো। দুৰ্নীতি ৰোধ কৰাত নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। নাৰীয়ে পৰিয়ালত নৈতিক শিক্ষা প্ৰদান, সমাজত সজাগতা সৃষ্টি আৰু কৰ্মক্ষেত্ৰত সততাৰে কাম কৰি সমাজৰ পৰা দুৰ্নীতি আঁতৰ কৰাত এক অনবদ্য ভূমিকা পালন কৰিব পাৰে। মূলতঃ আইতাসকলে সাধুকথাৰ জৰিয়তে শিশুসকলক নৈতিক শিক্ষা দিয়াৰ প্ৰয়াস কৰাৰ পাছৰে পৰাই নীতি বৈপৰিত্য কাম কৰিবলৈ শিশুসকল কিছু শংকিত হোৱা দেখা যায়। এয়া মাত্ৰ আৰম্ভণিহে। এনেকৈ গৈ গৈ শিশু যেতিয়া কাৰোবাৰ পত্নী হয় তেতিয়াই মূল দায়িত্ব আহি পৰে কেনেকৈ নিজৰ স্বামীক দুৰ্নীতিপৰায়ণ হোৱাৰ পৰা দূৰত ৰাখিব পাৰে। বাস্তৱ কথাবোৰত বৈজ্ঞানিক স্থিতি থাকে। এই যে কাষৰ বৰুৱানীৰ ঘৰত ডাঙৰ টিভি আনিছে, সেই কথা ডেকেনীয়ে নিজৰ গিৰিয়েকক কৈছে। আপুনি ডাঙৰ চাকৰি কৰিলে কি হ'ব। চাওক বৰুৱানীৰ গিৰিয়েকে আজি ৪২ ইঞ্চিৰ টিভি আনিছে। কালি পৰহিলৈ দামী গাড়ীও কিনিব। আমাৰ হে একো নহ'ব। ঘৈণীয়েকৰ এই মানসিকতাৰ বিৰুদ্ধে ডেকাই প্ৰাথমিক অৱস্থাত মাত মাতিছিল যদিও পিছলৈ স্থিতি সলনি কৰিবলৈ বাধ্য হ'ল। বিলাসবহুল ঘৈণীয়েকৰ ইচ্ছামতেই গিৰিয়েক ডেকাই দৰমহাৰ টকাৰে নহয় বাহিৰা উপাৰ্জন কৰাৰ মন কৰিলে। চাকৰি কৰা মানে আৰু কি ব্যৱসায় কৰিব। নিজৰ চাকৰিটোকে ব্যৱসায়লৈ ৰূপান্তৰ কৰিব ধৰিলে। খুব কম দিনৰ ভিতৰতে ডেকেনীয়ে ফুটনি মাৰিব পৰাকৈ ডেকাৰ অৱস্থা নদন-বদন হৈ পৰিল। দুৰ্নীতিৰ শীৰ্ষ বিন্দুত উপনীত হ'ল। এই যে কথাখিনি কৈছোঁ- এয়াই দুৰ্নীতিৰ পাতনি। আজিৰ তাৰিখত দুৰ্নীতি কি পৰ্যায়ত সংঘটিত হৈ আছে সকলোৱে জানে। দুৰ্নীতিৰ পোতাশালত এতিয়া সকলো পোত গৈছে। আৰু যিসকলে যোৱা নাই তেওঁলোকেও কিছুদিন পিছত যাবলৈ বাধ্য হ'ব। ভোগবাদী মানসিকতাৰ বাবেই এয়া সকলো সম্ভৱ হৈছে। পুৰুষপ্ৰধান আমাৰ সমাজত পুৰুষসকলে বিবাহৰ আগতে সা-সম্পত্তিক লৈ ইমান আগ্ৰহ প্ৰকাশ নকৰে। কিন্তু বিবাহৰ পিছত সলনি হয় পুৰুষসকল। কিছু পৰিমাণে তেওঁলোকে লোভ কৰিবলৈ আৰম্ভ কৰে। আৰম্ভ হয় নিজৰ পৰ্যায়ত সীমাহীন দুৰ্নীতিৰ। সেয়েহে এগৰাকী নাৰী হিচাপে ক'ব বিচাৰো আমি যদি লোভ-মোহৰ পৰা কিছু নিলগত থাকি কেৱল মানুহ হোৱাৰ স্বাৰ্থত নিজৰ মানুহজনক নতুবা সন্তানক নিষ্ঠাবান কৰি তোলক দেখিব আপোনাৰ নিচিনা অনেকে এই প্ৰয়াস কৰাৰ বাবেই দেশ অথবা সমাজখনে সলনি হৈ যাব। দুৰ্নীতি স্তব্ধ হ'লে সমাজত ধনী-দুখীয়াৰ ব্যৱধানো কমি আহিব। ভাতৃত্ববোধেৰে সমাজ জাতিস্কাৰ হৈ উঠিব।

# মহিলাই দুৰ্নীতি ৰোধ সম্পূৰ্ণ কৰিব নোৱাৰে ঃ মহিলাসকলক কিছু দায়িত্বই বোজা কৰি ৰাখে



**ভনিতা বৰ্মন,** গৃহিণী

স্বাভাৱিকতে মহিলাক ঘৰ একোখনৰ পৰিচালিকা হিচাপে অভিহিত কৰা হয়। কিন্তু কাৰ্যতঃ এয়া এক অস্পষ্ট ধাৰণাহে। মহিলা এগৰাকীয়ে সন্তানৰ পৰা আৰম্ভ কৰি স্বামী, শহুৰ-শাহু সকলোৰে দায়িত্ব মূৰ পাতি লয়। সীমাহীন দায়িত্ব যদিও কৰ্তব্য কিন্তু একেখিনিয়েই। সদা ব্যস্ত জীৱন-যাপনৰ বাবে সৰহভাগ মহিলাই বহু কথা আওকাণ কৰিবলগীয়া হয়। এনে পৰিস্থিতেই সমাজত ঘটা দুৰ্নীতি অথবা তাৰ উৎস আদিৰ সন্ধান কৰিবলৈ আহৰি নাপায়। আজিৰ আলোচনাত সমাজৰ এক ব্যাধিস্বৰূপ দুৰ্নীতিৰ কথাৰ আলোকপাত কৰিব বিচৰা হৈছে যেতিয়া মনৰ কিছু কথা প্ৰকাশ কৰিব বিচাৰিছো।

মহিলা হ'লেও আপাত আমি এগৰাকী মানুহ। সমাজৰ পৰা দুৰ্নীতি নিবাৰণ হোৱাটো আমি কামনা কৰো। কিন্তু মহিলাই এই ক্ষেত্ৰত যোগাব পৰা অৰিহণাক লৈ মোৰ কেতিয়াবা সন্দেহ ওপজে। কিয়নো শেহতীয়াকৈ আমি সংবাদ মাধ্যমত দেখিবলৈ পাইছো কিদৰে চৰকাৰী চাকৰিয়াল মহিলাই দুৰ্নীতিৰে ধন ঘটি অগাধ সম্পত্তি ঘটিছে। নিজেও এগৰাকী মহিলা হোৱা বাবে এটা কথা উনুকিয়াব বিচাৰিম যে মই যদি ঘৰুৱা বেৰৰ ভিতৰত সীমাবদ্ধ হৈ নাথাকিলো হয় তেন্তে হয়তো মোৰ চাকৰিয়াল স্বামীকো দুৰ্নীতিৰ স'তে সহমত পোষণ কৰাৰ বাবে জোৰ দিলো হয়। কিয়নো একাংশক বাদ দি আমি বেছিভাগেই লোভী। আমি আনৰ কথা পৰিহাৰ কৰি কেৱল মাত্ৰ নিজৰ পৰিয়ালৰ এক সু-নিশ্চিত ভৱিষ্যত বিচাৰো। আৰু ইয়াতেই আৰম্ভ হয় দুৰ্নীতি।

নিজৰ সংকীৰ্ণ স্বাৰ্থৰ কথা ভাবি আমি পাহৰি যাও এই মকৰা জাল হৈ পৰা দুৰ্নীতিৰ আঁচোৰাত এদিন আমাৰ নাতি-নাতিনীয়ে ভৰি দিব। সমাজৰ নতুন পুৰুষসকলে বেয়া খোজ দিয়াৰ বাবে আমাৰ চৌপাশ কিমান মলীন হ'ব। সেই কথাৰ উমান ল'বলৈ যেন আজি আমি অক্ষম। মাত্ৰ নিজৰ মোহত নিজেই আজি বন্দী। এনেকৈ কিমাননো দিন চলিব? আজি নহ'লেও এদিন এই দুৰ্নীতিৰ অভিশাপে আমাৰ পৃথিৱীখন যেতিয়া নিঃশেষ কৰিব তেতিয়া আমি উপলব্ধি কৰিম আমি প্ৰকৃততে কিহৰ মায়াজালত সোমাই আছিলো। এই ক্ষণতে ক'ব বিচাৰো-অন্ততঃ আজিৰ পৰাই মহিলাসকলে লোভ-মোহৰ এৰাই চলক। নিজৰ স্বামী-পুত্ৰ-বোৱাৰীক দুৰ্নীতিৰ পৰা আঁতৰত ৰখাৰ বাবে চেষ্টা কৰক। তেতিয়া সমাজ হৈ পৰিব এখন ফুলনিবাৰী। শ্ৰেণী বৈষম্যতাৰ বিপৰীতে এখন ভাতৃত্ববোধৰ সমাজ আৰু দেশ গঠন হ'ব।






# জিএমচিয়ে নলা-নৰ্দমা পৰিষ্কাৰ নকৰাৰ

*এক পৃষ্ঠাৰ পৰা* ১২ ঘণ্টা পাৰ হোৱাৰ পাছতো বহু অঞ্চলৰ পৰিস্থিতি স্বাভাৱিক হৈ নুঠিল। নিশা এই প্ৰতিবেদন যুগুতোৱাৰ সময়তে মহানগৰীখনৰ কে'বাটাও অঞ্চল একাঠু পৰ্যন্ত বুৰ গৈ আছে। এই পৰিস্থিতিত আজি দিনজুৰি গুৱাহাটীৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হয়। এতিয়াও পানীত বুৰ গৈ আছে অনিল নগৰ, নবীন নগৰ, ৰুক্মিণীনগৰ, সাউকুছি, সাতগাঁও, বৃহত্তৰ হাতীগাঁৱৰ বহু পৰিয়ালৰ ঘৰৰ মজিয়া। আজি বিয়লিলৈকে অনিল নগৰ আৰু ৰুক্মিণীগাঁৱত বানত আবদ্ধ লোকক এছডিআৰএফে নাৱেৰে উদ্ধাৰ অভিযান অব্যাহত ৰাখে। বৰষুণৰ ফলতে অসম ৰাজ্যিক চিৰিয়াখানাৰ এখন বৃহত্তৰ সুৰক্ষা বেৰো আজি ভাঙি পৰে। ইয়াৰ ফলত এটা পৰিয়ালৰ বাসগৃহ কথমপি ৰক্ষা পৰে। পানীৰ প্ৰকোপ পথত অব্যাহত থকাত বহু ছাত্ৰ-ছাত্ৰী আজি শিক্ষানুষ্ঠানত উপস্থিত হ'ব নোৱাৰিলে। বানৰ প্ৰকোপৰ মাজতে আকৌ হাতীগাঁৱৰ মূল পথত জলবৰ্ডৰ এটাল নলী ফাটি গৈ আন এক দুৰ্দশাগ্ৰস্ত পৰিস্থিতিৰ সৃষ্টি কৰে। [illegible] নলা আছে যদিও পানী বহনৰ সক্ষমতা বেছিভাগেই হেৰুৱাই পেলাইছে। [illegible] সাধাৰণ নাগৰিকক পুতিগন্ধময় অৱস্থালৈ ঠেলি দিছে। [illegible] আমাৰ কোনো মূল্য নাই। আমাৰ নাগৰিক হোৱাৰ যেন কোনো অধিকাৰেই নাই।'

# কাৰ্বি পাহাৰৰ শিলৰ লোভতে চৰকাৰৰ

*এক পৃষ্ঠাৰ পৰা* ৰাজ্যত প্ৰতিক্ৰিয়া অব্যাহত আছে। এই চৰকাৰী প্ৰস্তাৱৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে বিভিন্ন দল-সংগঠনে। আনকি বিৰোধী কংগ্ৰেছে কাৰ্বি আংলঙৰ শিলৰ লোভতে বিজেপি নেতৃত্বাধীন চৰকাৰে কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল হ্ৰাসৰ সিদ্ধান্ত লৈছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। [illegible]

[illegible]

[illegible]

# যোৰহাটত যুৱতীৰ মৃত্যুৰ ঘটনাৰ মূল

*এক পৃষ্ঠাৰ পৰা* [illegible]

**ড্ৰাগছ পাৰ্টিৰ মাজতে মৃত্যু অম্বেষাৰ :** [illegible]

**'অত্যধিক ড্ৰাগছ সেৱনৰ ফলতে মৃত্যু'-আৰ্বিয়ানৰ দাবী :** [illegible]

**'আমি অম্বেষাক মৰা নাই'-দুই যুৱতীৰ দাবী :** [illegible]

**'১৬ বছৰ বয়সৰ পৰাই ড্ৰাগছ সেৱন কৰিছিল পুত্ৰই'**

[illegible]

**'এয়া পৰিকল্পিত হত্যাকাণ্ড'-ভগ্নীৰ ন্যায় বিচাৰি আৰক্ষী থানাৰ সন্মুখত ভাতৃ**

[illegible]

**অম্বেষা কাণ্ডই উদঙাইছে ড্ৰাগছৰ ভয়াবহ ছবি**

[illegible]

**পোহৰলৈ আহিছে নতুন নতুন নাম, বাঢ়িছে প্ৰশ্ন :**

[illegible]

# এইবাৰ ককৰোচৰ স্কুল ঠিক

*এক পৃষ্ঠাৰ পৰা* নক্সাল'ক কটাক্ষ কৰি চিজেপিৰ সমৰ্থনত 'ডিমাগী বনো, অন্ধ ভক্ত নেহী' ধ্বনি দিছে জনপ্ৰিয় অভিনেতাজনে। এই ধ্বনি দি তেওঁ (চিজেপি)ৰ চৰকাৰী স্কুল ঠিক কৰক অভিযানলৈ সমৰ্থন ঘোষণা কৰিছে। উল্লেখ্য যে চিজেপিৰ প্ৰতিষ্ঠাপক অভিজিত দিপকেৰ জন্মগাঁও লিম্বালা (মহাৰাষ্ট্ৰ)ৰ স্কুলৰ অধ্যক্ষজনে অলপতে সুৰাপান কৰি কৰ্মস্থলীত উপস্থিত হোৱাক লৈ দিপকে সৰৱ হৈ উঠে। অধ্যক্ষজনক তাৎক্ষণিকভাৱে নিলম্বনৰ দাবী উত্থাপন কৰে চিজেপিৰ প্ৰতিষ্ঠাপকজনে। এই দাবীত সেও হৈ কৰ্তৃপক্ষই অধ্যক্ষক নিলম্বন কৰে। ইয়াক এক বিজয়ৰূপে সংগঠনটোৱে গ্ৰহণ কৰিছে। এনে অৱস্থাতে সংগঠনটোলৈ পুনৰ সমৰ্থন ঘোষণা কৰি অভিনেতা প্ৰকাশ ৰাজে কয়, 'প্ৰথমটো বৃহৎ সফলতাৰ বাবে মই ককৰোচক ধন্যবাদ জনাইছো। ডিমাগী বনো, অন্ধ ভক্ত নেহী (প্ৰশ্ন সোধা, অন্ধভক্ত নহ'বা)।' উল্লেখ্য যে দেশৰ বিধ্বস্ত ৰাজহুৱা খণ্ডৰ স্কুল শিক্ষা ব্যৱস্থাৰ উন্নতি সাধনৰ বাবেও শেহতীয়াভাৱে দিপকেই ধ্বনি দিবলৈ লৈছে। আনকি প্ৰতিষ্ঠাৰ সময়ৰে পৰা বিতৰ্কত থকা পিএম কেয়াৰ্ছ ফাণ্ডৰ ধন চৰকাৰী স্কুলসমূহৰ উন্নয়নৰ বাবে ব্যয় কৰিবলৈও চিজেপিয়ে দাবী উত্থাপন কৰিছে। কেৱল সেয়াই নহয়, মন্ত্ৰী-আমোলাৰ পৰা আৰম্ভ কৰি চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ সন্তানক চৰকাৰী স্কুলত পঢ়ুওৱাটো বাধ্যতামূলক কৰিবলৈ সংগঠনটোৱে দাবী উত্থাপন কৰিবলৈ লৈছে। এই ক্ষেত্ৰতো বহুতৰে সমৰ্থন লাভ কৰিছে চিজেপিয়ে। অভিনেতা প্ৰকাশ ৰাজে গঠনৰ সময়ৰ পৰাই চিজেপিক সমৰ্থন কৰি আহিছে।

# মানৱ সৃষ্ট বানপানীৰ আঁৰৰ

*এক পৃষ্ঠাৰ পৰা* কৰক, প্ৰকৃতি ধ্বংস কৰি বান প্ৰলয় সৃষ্টি নকৰিব, প্ৰকৃতি ধ্বংস কৰি মানুহৰ মৃত্যু লীলা নচলিব, কাজিৰঙা ধ্বংস কৰাৰ চক্ৰান্ত বন্ধ কৰক, কাজিৰঙাত হোষ্টেল-ৰেষ্টুৰেন্ট বনোৱা বন্ধ কৰক, কৃষক উচ্ছেদ বন্ধ কৰক, কৃষকক সহজ উপায়েৰে পট্টা দিয়ক, বৃহৎ নদী বান্ধ দিয়া বন্ধ কৰক, অসমত বুলড'জাৰৰ দমন নীতি বন্ধ কৰক' আদি ধ্বনি দি চৌপাশ কপাই তোলে। এই প্ৰতিবাদী কাৰ্যসূচীত নেতৃত্বত দিয়ে অসম মজুৰি শ্ৰমিক ইউনিয়নৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি কৃষ্ণকান্ত গগৈ, ঝাৰখণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ হৈ অৰ্জুন তিৰ্কী, ৰতন হেমৰম, ৰমা গড়, নতুন অসম ছাত্ৰ সন্মিলন (নাচা)ৰ নেতা যতীন মুৰ্ম্মু, অসম মজুৰি শ্ৰমিক ইউনিয়নৰ চৰাইদেউ ইউনিয়নৰ জিলাৰ সভাপতি লক্ষীধৰ গগৈ, সম্পাদক ৰাজু কাৰোৱা , লক্ষীৰাম পাতৰ আৰু প্ৰকৃতি সুৰক্ষা সমাজৰ হৈ ভাণ্ডুৰাম কেৰকেটা আৰু নিৰোদ কেৰ্কেটাই। এই সম্পৰ্কত প্ৰতিবাদী কাৰ্যসূচীৰ উদ্যোক্তাই কয়, 'কয়লা মাফিয়াৰ বিৰুদ্ধে সকীয়নি প্ৰেৰণ কৰা হৈছে। যদি প্ৰকাশনে ইয়াৰ ব্যৱস্থা নল'লে ভৱিষ্যত আমাৰ তীব্ৰতৰ গণ আন্দোলন গঢ়ি তোলা হ'ব।'

# ধেমাজিত অৱস্থান ধৰ্মঘট

*এক পৃষ্ঠাৰ পৰা* আন্তঃৰাজ্যিক সীমা সমস্যা নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাধান কৰাৰ দাবীত আজি ঐক্যমঞ্চ ধেমাজিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত ধেমাজিৰ কাছাৰী ময়দানৰ সমীপত দিনৰ ১১ বজাৰ পৰা এক বজালৈ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। উল্লেখ্য যে অৰুণাচলৰ সীমা বিবাদৰ ফলত ধেমাজি জিলাৰ মিংমাং-বদতিত যোৱা ১০ আগষ্টত অৰুণাচলী দুৰ্বৃত্তৰ গুলিত ১১ জন ভূমিপুত্ৰ অসমীয়া গুৰুতৰভাৱে আহত হোৱাৰ উপৰি আঠজনৰ অৱস্থা অতি সংকটজনক হৈ ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত আজিও চিকিৎসাধীন হৈ থকা ঘটনাক লৈ আজিও চেপা উত্তেজনা অব্যাহত আছে মিংমাং বদতি অঞ্চলত। ইয়াৰ প্ৰতিবাদত ঐক্যমঞ্চ ধেমাজিৰ উদ্যোগত আৰু স্থানীয় ৰাইজে অৱস্থান ধৰ্মঘট পালন কৰে। ধৰ্মঘটৰ অন্তত প্ৰতিবাদকাৰীসকলে বিভিন্ন দাবী সম্বলিত স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। অহা সাতদিনৰ ভিতৰত এই দাবীসমূহ পূৰণ নহ'লে অষ্টম দিনা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। প্ৰতিবাদকাৰীসকলে উত্থাপন কৰা আন দাবীসমূহৰ অন্যতম হ'ল অসমৰ মাটিত স্থাপন কৰা অৰুণাচলৰ নিৰাপত্তাৰক্ষী কেম্প শীঘ্ৰেই স্থানান্তৰ কৰা, অসম-অৰুণাচলৰ আন্তঃৰাজ্যিক সীমা অঞ্চলত বসবাস কৰা প্ৰতিজন অসমৰ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰা, অসম-অৰুণাচলৰ আন্তঃৰাজ্যিক সীমাৰ পৰা অৰুণাচলৰ ভিতৰলৈ ২০ কিলোমিটাৰ পৰ্যন্ত প্ৰতিজন নাগৰিকৰ পৰা মৰাণ অস্ত্ৰ-শস্ত্ৰ আৰু অনুজ্ঞাপত্ৰ বাতিল কৰা আৰু উক্ত গুলিবিদ্ধসকলক এককালীন সাহায্য দুই লাখৰ পৰা পাঁচ লাখলৈ বৃদ্ধি কৰা।

# ৰঙিয়াত একেদিনাই দুটাকৈ

*এক পৃষ্ঠাৰ পৰা* তাৰাকুছিত। গুৰকুছিত এগৰাকী কিন্নৰক ভাড়াঘৰত একেলগে বাস কৰা প্ৰেমিক যুৱকে দাৰে ঘপিয়াই হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযুক্ত সোণা বাবু আলী নামৰ যুৱকজনে ৰঙিয়াৰ পৰা পলায়ন কৰি পাছত গোৱালপাৰা জিলাৰ লক্ষীপুৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। উল্লেখ্য যে গুৰকুছিত দীৰ্ঘদিনৰ পৰা একাংশ কিন্নৰে ভাড়াতীয়া হিচাপে থাকি ৰেলত ভিক্ষা মাগি জীৱন নিৰ্বাহ কৰি আহিছে। তেনে এগৰাকী কিন্নৰ হ'ল আছমা বেগম। বৰপেটা জিলাৰ প্ৰকৃত বাসিন্দা আছমাৰ লগত বিগত দুবছৰৰ পৰা গোৱালপাৰাৰ সোণা বাবু আলীৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে আৰু সেই সূত্ৰে দুয়ো একেলগে ভাড়াঘৰত থাকিবলৈ লয়। আজি পুৱা ভাড়াঘৰটোৰ ভিতৰৰ পৰা দৰ্জাৰ তলেৰে তেজৰ সোঁত হৈ অহা একাংশ ভাড়তীয়াই প্ৰত্যক্ষ কৰে। লগে লগে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। আৰক্ষীকো খবৰ দিয়া হয়। পাছত আৰক্ষী উপস্থিত হৈ দৰ্জা খোলাত আছমাৰ বিবস্ত্ৰ ৰক্তাক্ত মৃতদেহ মজিয়াত পৰি থকা সকলোৱে প্ৰত্যক্ষ কৰে। মৃতদেহটোৰ মূৰৰ ওচৰত এখন দা পৰি আছিল। ডিঙি কটা অৱস্থাত উদ্ধাৰ কৰা মৃতদেহটো আৰক্ষীয়ে পাছত মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। একেলগে বাস কৰা সোণা বাবুৰ বিচাৰ-খোচাৰ কৰা হয় যদিও কোনেও বিচাৰি নাপালে। গতিকে সোণা বাবুই এই হত্যাকাণ্ড সংঘটিত কৰি পলায়ন কৰা বুলি সকলোৱে সন্দেহ কৰে। বিয়লি লক্ষীপুৰ আৰক্ষী থানাত গোৱালপাৰাৰ প্ৰকৃত বাসিন্দা সোণা বাবু নামৰ যুৱকজনে আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে হত্যাকাণ্ডত ব্যৱহাৰ হোৱা বুলি সন্দেহ কৰা দাখনো জব্দ কৰিছে। ফৰেনছিক বিশেষজ্ঞৰ দলে ঘটনাস্থলীৰ পৰা নমুনা সংগ্ৰহ কৰে।

ইপিনে, স্বামীৰ অবৈধ সম্পৰ্কত বাধা দিয়াৰ বাবে তাৰাকুছিত পত্নীক হত্যাৰ দ্বিতীয়টো ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, হত্যাকাণ্ড সংঘটিত কৰা তকছেদ আলী নামৰ লোকজনৰ এগৰাকী মহিলাৰ লগত দীৰ্ঘদিনৰ পৰা অবৈধ সম্পৰ্ক আছে। এই বিষয়ে তকছেদৰ পত্নী ছাহিদা বেগম অৱগত হৈছিল। ফলত স্বামীৰ এই সম্পৰ্কত বাধা প্ৰদান কৰিছিল। ইয়াকে লৈ দুয়োৰে মাজত সংঘাত চলি আহিছিল। আজি দুপৰীয়া ছাহিদা বেগমে গা ধুই থকা অৱস্থাতে তকছেদে ঘপিয়াই হত্যা কৰে। ডিঙিত দাৰ ঘাপ পৰা ছাহিদাৰ মৰণকাতৰ চিঞৰ শুনি চুবুৰীয়া লোকসকল দৌৰি আহে। ৰাইজে তকছেদক ধৰাৰ চেষ্টা চলায়। কিন্তু পত্নীক ঘপিওৱা দাখন লৈ তকছেদে ৰাইজকো ঘপিয়াবলৈ খেদি যায়। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষীও উপস্থিত হৈছে। আৰক্ষীক দেখিও তকছেদে মাৰিবলৈ খেদি যায়। তেতিয়াই এজন আৰক্ষীসহ দুজন আহত হয়। দাৰ ঘাপ পৰা স্থানীয় যুৱকজনৰ আঘাতো গুৰুতৰ। পাছত আৰক্ষীৰ দলে কৌশলেৰে তকছেদক কৰায়ত্ত কৰি দাখন কাঢ়ি ল'বলৈ সক্ষম হয় আৰু থানালৈ লৈ যায়। উল্লেখ্য যে তকছেদ আলীৰ অবৈধ সম্পৰ্কক লৈ স্থানীয় ৰাইজৰ এখন সভাও কেইদিনমান পূৰ্বে অনুষ্ঠিত হৈছিল। সেই সভাৰ জৰিয়তেও বিষয়টো আৰক্ষীক অৱগত কৰা হৈছিল। তাৰ পাছতে আৰক্ষীৰ দল তকছেদৰ ঘৰত উপস্থিত হৈছিল। তেতিয়া তকছেদে ভৱিষ্যতে আৰু সংশ্লিষ্ট মহিলাগৰাকীৰ লগত সম্পৰ্ক নাৰাখে বুলি লিখিত প্ৰতিশ্ৰুতি দিছিল। কিন্তু পাঁচটা সন্তানৰ পিতৃ তকছেদে কেইদিনমান পাছৰে পৰা পুনৰ অবৈধ সম্পৰ্কত লিপ্ত হয়। তাৰ পাছতে ছাহিদাৰ লগত তকছেদৰ সংঘাত অধিক বৃদ্ধি হয় আৰু আজি তাৰেই পৰিণতিত হত্যাকাণ্ডটো সংঘটিত হয়।

# পুনৰ মাৰ্কিন ডলাৰৰ বিপৰীতে

*এক পৃষ্ঠাৰ পৰা* আনকি একাংশ বিশ্লেষকৰ মতে, এই প্ৰণালী পুনৰ মুকলিৰ বাবে ইতিমধ্যে ম্যাদ উকলা আমেৰিকা যুক্তৰাষ্ট্ৰ-ইৰান শান্তিচুক্তি পুনৰ উজ্জীৱিতকৰণৰ প্ৰতি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইচ্ছা প্ৰকাশ কৰাৰ সম্ভাৱনা তেনেই ক্ষীণ। উল্লেখ্য যে হৰমুজ প্ৰণালী বন্ধ হৈ থকাৰ ফলত আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য বৃদ্ধি পাই আছে। ইয়াৰ প্ৰভাৱত ভাৰতীয় টকাৰ মূল্য অৱনমন অব্যাহত আছে। কাৰণ ভাৰতে প্ৰয়োজনীয় খাৰুৱা তেলৰ সিংহভাগেই আমদানি কৰি আছে। ইয়াৰ বাবদ বুজন পৰিমাণৰ ডলাৰ দেশৰ পৰা বাহিৰলৈ ওলাই যায়। সম্প্ৰতি ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ অৱস্থা অধিক অসুৰক্ষিত হৈছে বুলিও একাংশ অৰ্থনীতিবিদে মন্তব্য কৰিছে।

আনহাতে, টকাৰ মূল্যৰ অৱনমন ৰোধৰ বাবে শেহতীয়াভাৱে ভাৰতীয় ৰিজাৰ্ভ বেংকে এক নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ আধাৰত বেংকে অহা ৩১ আগষ্টত অন্ত পৰিবলগীয়া বিদেশী প্ৰতিষ্ঠানক প্ৰদান কৰা ৰেহাইত বিদেশী মুদ্ৰাৰ সলনি সুবিধা আগতীয়াকৈয়ে বন্ধ কৰিছে। তৎসত্ত্বেও টকাৰ মূল্যৰ অৱনমন ৰোধ হ'ব নে নাই সেয়া নিশ্চিত হোৱা নাই। এই সম্পৰ্কত জাৰ্মান বেংক কমাৰ্জ বেংকৰ বিশ্লেষকসকলৰ মতে, ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰা সলনিৰ এই সুবিধা আগতীয়াকৈ বন্ধ কৰিলেও ভাৰতীয় অৰ্থনীতি প্ৰত্যাশা কৰা ধৰণে উপকৃত নহয়।

## গৰুচোৰৰ সন্ত্ৰাস

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৯ আগষ্ট ঃ** চতিয়া আৰক্ষীৰ চৰম ব্যৰ্থতাৰ বাবেই গৰু চোৰৰ দলৰ ৰম্যভূমি হৈ পৰিছে বৃহত্তৰ চতিয়া অঞ্চল। এটা পষেকৰ ভিতৰতে চতিয়া থানাৰ অন্তৰ্গত কুমাৰচুক, গোসাঁইচুক, মেতেৰাগাঁও, বহুৱাবাৰী গাঁৱৰ কে'বাজনো গৃহস্থৰ গোহালি চোৰে উদং কৰাৰ পাছত যোৱা নিশা পুনৰ চোৰে অভিযান চলাই বৰুৱাচুকৰ পাৰ্থ শইকীয়া নামৰ গৃহস্থজনৰ গোহালিৰ পৰা চাৰিটাকৈ গৰু চুৰকৰি নিয়ে। চতিয়া থানাৰ পৰা আধা কিলোমিটাৰতকৈ কম দুৰত্বৰ বৰুৱাচুকত চোৰৰ দলে চলোৱা সন্ত্ৰাসত হতচকিত হৈ পৰিছে সাধাৰণ ৰাইজ।

# মহানগৰীত নৱবিবাহিতা

*এক পৃষ্ঠাৰ পৰা* কৰি পতি-পত্নীৰ মাজত সংঘাত লগাৰ কথা উল্লেখ আছে। কিন্তু এই টোকাটো প্ৰকৃততে কোনে লিখিছিল তাকে লৈ নিশ্চিত নহয় আৰক্ষী। সেয়েহে টোকাটো ফৰেনচিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

হাজোৰ ৰামদিয়াৰ প্ৰকৃত বাসিন্দা হীৰকজ্যোতিৰ লগত ৰিম্পীয়ে যোৱা জানুৱাৰীত পলাই আহিছিল। তাৰ পাছত একেলগে থাকি এমাহ পূৰ্বে আইনী বিবাহত আৱদ্ধ হৈছিল। পলাই অহাৰ পাছৰে পৰা পিতৃৰ ঘৰৰ লগত ৰিম্পীৰ সম্পৰ্ক বিশেষ নাছিল। যোৱা নিশা প্ৰায় ১২ বজাত ৰিম্পীৰ পিতৃৰ ঘৰৰ মানুহে দিছপুৰ আৰক্ষী থানাৰ পৰা এটা ফোনকল লাভ কৰিছিল। সেই ফোনকলটোৰে আৰক্ষীয়ে পিতৃৰ ঘৰৰ মানুহক ৰিম্পীৰ মৃত্যু হোৱা বুলি খবৰ দিছিল। নিশাই ৰিম্পীৰ পিতৃৰ ঘৰৰ লোক ভাড়াঘৰত উপস্থিত হৈছিল। দিছপুৰ আৰক্ষীক পৰিয়ালৰ লোকে অভিযোগ দিয়া অনুসৰি এয়া আত্মহত্যাৰ ঘটনা মুঠেই নহয়। তেওঁলোকে দাবী কৰে যে হীৰকে ৰিম্পীক হত্যা কৰিছে। কাৰণ ওলমি থকা মৃতদেহটোৰ আঁঠু মজিয়াত লাগি আছিল। কোঠাৰ দুৱাৰখনো বাহিৰৰ পৰা খোলা আছিল। তদুপৰি দেহৰ বিভিন্ন স্থানত আঘাতৰ চিন থকা বুলিও পৰিয়ালৰ লোকে আৰক্ষীক অভিযোগ দাখিল কৰে। এই অভিযোগৰ ভিত্তিতে আৰক্ষীয়ে হীৰকজ্যোতি কলিতাক গ্ৰেপ্তাৰ কৰে।

# কাজিৰঙাৰ বিতৰ্ক মৰিষণৰ কৌশল

*এক পৃষ্ঠাৰ পৰা* সভাপতি দিলীপ শইকীয়াই। আজি অনুষ্ঠিত দলৰ এখন সাংগঠনিক বৈঠকৰ পাছত শইকীয়াই বিষয়টোত বিশেষকৈ কংগ্ৰেছক সমালোচনা কৰি কয় যে সাংসদ ৰকিবুল হুছেইনেও এতিয়া গঁড়ৰ সুৰক্ষাৰ কথা কয়। গৌৰৱ গগৈকো ৰাইজে সমুচিত প্ৰত্যুত্তৰ দিছে। শইকীয়াই কয়, 'বিশেষকৈ কংগ্ৰেছৰ বিষয়টোত ভূমিকা হাস্যকৰ হৈছে। এতিয়া ৰকিবুল হুছেইনে গঁড়ৰ সুৰক্ষাৰ কথা ক'লে ভাল নালাগে। ৰকিবুল হুছেইন বনমন্ত্ৰী থকাৰ সময়ত কাজিৰঙাত চোৰাং চিকাৰীৰ হাতত ২৩৯ টা গঁড়ৰ মৃত্যু হৈছিল। তেৱেঁই এতিয়া গঁড়ৰ সুৰক্ষাৰ কথা কৈছে। বিজেপিৰ চৰকাৰ হোৱাৰ পাছতহে কাজিৰঙাত গঁড় সুৰক্ষিত হৈছে। গৌৰৱ গগৈৰো কথা একেই। সেই কাৰণে গৌৰৱ গগৈৰ বিৰুদ্ধে হেজাৰ হেজৰ লোকে প্ৰতিবাদ কৰিছে।' উল্লেখ্য যে আজি বৈঠকখনত কাজিৰঙাৰ পৰিস্থিতি শাসক পক্ষৰ অনুকূলে অনাৰ বিষয়েও আলোচনা কৰা হয়। তাৰ বাবে চৰকাৰৰ যুক্তিক তথ্যসহকাৰে ৰাইজৰ ওচৰলৈ সিদ্ধান্ত লোৱা হয়। বৈঠকত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন আৰু দলৰ সাংগঠনিক কৰ্মসূচীৰ বিষয়ে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থকা বৈঠকত নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সাংগঠনিক কাম-কাজৰ ওপৰত আলোচনা কৰা হয়। কাইলৈও এই সম্পৰ্কত আন এখন বৈঠক আহ্বান কৰা হৈছে। আজিৰ আলোচনাৰ ভিত্তিত নিৰ্বাচনটোক লৈ শইকীয়াই কয়, 'নগাঁৱৰ নিৰ্বাচন আমাৰ বাবে কঠিন হ'ব। উপ- নিৰ্বাচনটোত জয়লাভ কৰা আমাৰ বাবে সহজ নহয়। তথাপি আমি যুঁজ দিম আৰু জিকাৰ লক্ষ্য আগত ৰাখি নিৰ্বাচনত নামিম। আমি আশা কৰিছো যে একমাত্ৰ উন্নয়নৰ স্বাৰ্থত সংখ্যাগুৰু - সংখ্যালঘু সকলোৱে এনডিএৰ প্ৰাৰ্থীক সমৰ্থন জনাব। চামগুৰিৰ উপ-নিৰ্বাচনত আমাৰ দলৰ প্ৰাৰ্থীয়ে ২৪ হেজাৰ ভোটত জয়লাভ কৰিছিল। যোৱা বিধানসভা নিৰ্বাচনতো যথেষ্ট সংখ্যক সংখ্যালঘু ভোটাৰে এনডিএক সমৰ্থন জনায়।' শইকীয়াই এইবুলিও কয় যে ইতিমধ্যে নগাঁও লোকসভা সমষ্টিৰ বিভিন্ন দলৰ তৃণমূলৰ জনপ্ৰতিনিধিয়ে এনডিএত যোগদান কৰিছে।

আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই দিল্লী যাত্ৰা কৰা সন্দৰ্ভত শইকীয়াই কয় যে পূৱ অসমৰ বান জটিলতাৰ মোকাবিলা কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে পৰ্যাপ্ত পুঁজিৰ যোগান ধৰিব বুলি তেওঁলোক আশাবাদী। আজিৰ বৈঠকখনত দলৰ মৰ্চাবোৰৰ আগন্তুক তিনি মাহৰ কৰ্মসূচী নিৰ্ধাৰণ কৰা হয়।

# পূব অসমৰ বিধ্বংসী বানৰ কাৰণ মানৱসৃষ্ট

*এক পৃষ্ঠাৰ পৰা* দুৰ্যোগৰ উৎপত্তি হ'ল নেকি সেয়া আমি জুকিয়াই চালো। কিন্তু দেখা গ'ল যে এই দুৰ্যোগৰ কাৰণ জলবায়ু পৰিৱৰ্তন নহয়। কাৰণ এনে পৰিমাণৰ বৰষুণ পূৰ্বেও অসম তথা উত্তৰ পূৱত হৈছে।' একেদৰে এই অধ্যয়ন সম্পৰ্কত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কয়, 'প্ৰতিটো দুৰ্যোগৰ বাবে জলবায়ু পৰিৱৰ্তনক দায়ী কৰা উচিত নহয়। তথ্যই কয় যে অসম তথা উত্তৰ পূৱত সামগ্ৰিকভাৱে ঋতুকালীন বৰষুণৰ ঘাটি আছে।' আনহাতে, উক্ত অধ্যয়নত কোৱা হয়, অপৰিকল্পিত নগৰীকৰণ, দ্ৰুততৰে বনাঞ্চল ধ্বংস, জলাভূমি ধ্বংস, খহনীয়া আদি হৈছে পূব অসমৰ এই বিধ্বংসী বানৰ কাৰণ।' অধ্যয়নটোৰ সম্পৰ্কত ইম্পেৰিয়েল কলেজৰ পৰিৱেশ নীতি কেন্দ্ৰৰ জলবায়ু বিজ্ঞানৰ অধ্যাপক ফ্ৰেডৰিক অট্ট'ৰেও কয়। জলবায়ু পৰিৱৰ্তনে অধিকাংশ ভাৰতীয়ৰ জীৱন যাত্ৰা কঠিন কৰি তুলিলেও প্ৰতিটো দুৰ্যোগৰ বাবে জলবায়ু পৰিৱৰ্তন দায়ী নহয়। অসমৰ বিধ্বংসী বানৰ কাৰণ হৈছে পৰিৱেশ ধ্বংস আৰু আন্তঃগাঁথনিৰ সীমাবদ্ধতা।' লক্ষ্যণীয় যে এই অধ্যয়নত লগতে আঙুলিয়াই দিয়া হৈছে যে যোৱা ১৯ জুলাই বা তাৰ পূৰ্বে যি পৰিমাণত পূব অসম বা নগালেণ্ডত বৰষুণ হৈছিল তেনে হাৰৰ বৰষুণ দুবছৰৰ পাছত আকৌ হোৱাৰ সম্ভাৱনা আছে।

কেনেদৰে এনে দুৰ্যোগ প্ৰতিহত কৰিব পাৰি!

শতাধিক লোকৰ প্ৰাণহানি কৰা আৰু বিস্তৰ সা-সম্পত্তি ধ্বংস কৰা পূব অসমৰ বিধ্বংসী বানৰ লেখীয়া ভয়ংকৰ দুৰ্যোগৰ পুনৰাবৃত্তি ৰোধৰো দিহা দিছে বিশ্ব বতৰ কাৰণ নিৰূপণ সংস্থাই। সংস্থাৰ বিজ্ঞানীসকলৰ মতে, পৰম্পৰাগত মথাউৰি নিৰ্মাণ কৰি এনে বান দুৰ্যোগ প্ৰতিহত কৰিব নোৱাৰি। এনে মথাউৰিৰ বাবে ক্ষয়-ক্ষতিৰ অধিক বৃদ্ধিৰহে আশংকা আছে। গতিকে মথাউৰি নিৰ্মাণ বা নৈক নিয়ন্ত্ৰণ কৰাৰ পৰিৱৰ্তে জলাভূমি সংৰক্ষণ, বানে ডুবুওৱা অঞ্চলসমূহত পকী উন্নয়নৰ কাম হ্ৰাস কৰা, নলা-নৰ্দমাৰ উন্নতি সাধন আদি কৰা উচিত।

আনহাতে, এই বিধ্বংসী বানে ৰাজহুৱা স্বাস্থ্য ব্যৱস্থা অধিক দুৰ্বল অৱস্থা তুলি ধৰিলে বুলিও এই বিজ্ঞানীসকলৰ প্ৰতিবেদনত কোৱা হৈছে। এনে অৱস্থাত সংক্ৰমণশীল ৰোগৰ প্ৰচণ্ড প্ৰাৰ্দুভাৱ ঘটাৰো আশংকা কৰিছে বিজ্ঞানীসকলে। মুঠতে এই বানে লাখ লাখ লোকৰ জীৱন-জীৱিকালৈ ভাবুকি সৃষ্টি কৰা বুলিও এই বিজ্ঞানীসকলে আঙুলিয়াই দিছে। অসমৰ ভূমি ঔপনিবেশিক কালৰ পৰাই বানৰ ক্ষেত্ৰত স্পৰ্শকাতৰ বুলিও বিজ্ঞানীসকলৰ প্ৰতিবেদনত কোৱা হৈছে। বিশেষকৈ ব্ৰহ্মপুত্ৰই বছৰি বানৰ সৃষ্টি কৰি আহিছে। ফলত ব্ৰহ্মপুত্ৰ নৈ বাহিনীৰ বাবে বিগত এটা দশকত ৰাজ্যত ১০ৰ পৰা ১৫ হেজাৰ কোটি টকাৰ ক্ষয়-ক্ষতি হ'ল বুলিও এই বিজ্ঞানীসকলে উল্লেখ কৰিছে।

# ইউপিএছচিক চাওক, কোনো সমস্যা

*এক পৃষ্ঠাৰ পৰা* জাননী জাৰি কৰে। উচ্চতম ন্যায়ালয়ে কয়, 'ইউপিএছচিলৈ চাওক। কোনো ধৰণৰ সমস্যা নোহোৱাকৈ এই পৰীক্ষা পৰিচালিত হৈছে। ইউপিএছচিয়ে যিদৰে পৰীক্ষা ব্যৱস্থা পৰিচালনা কৰে, সেইদৰেই নেচনেল টেষ্টিং এজেন্সী (এনটিএ)ক অধিক দক্ষ আৰু আধুনিক ব্যৱস্থাৰে গঢ়ি তুলিব লাগিব।'

উল্লেখ্য যে পৰীক্ষাকেন্দ্ৰিক বিতৰ্কত সাঙোৰ খাই থকা এনটিএৰ উন্নয়নৰ বাবে কেন্দ্ৰই দুখনকৈ বিশেষজ্ঞ সমিতি গঠন কৰিছে। ইয়াৰে এখন ২০২৪ত নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিলৰ পাছত ইছৰ'ৰ প্ৰাক্তন অধ্যক্ষ কে ৰাধাকৃষ্ণণৰ নেতৃত্বত আৰু এখন অলপতে ইনফ'ছিছৰ সহ প্ৰতিষ্ঠাপক নন্দন নিলেকানিৰ নেতৃত্বত গঠন কৰে। এই সমিতি দুখনে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত কেন্দ্ৰই এনটিএৰ সংস্কাৰৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়া জনাবলৈ আজি ন্যায়ালয়ে কেন্দ্ৰলৈ জাননী জাৰি কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ নীট-ইউজিৰ প্ৰশ্নকাকত ফাদিলৰ পাছত এনটিএৰ গাঁথনিগত সংস্কাৰ বিচাৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় দুটাকৈ চিকিৎসক সংগঠন। সংস্থা দুটাৰ আবেদনৰ শুনানি গ্ৰহণ কৰি আজি ন্যায়াধীশ পিএছ নৰসিংহ আৰু ন্যায়াধীশ আলোক আৰাধেৰ এখন বিচাৰপীঠে কয়, 'আমি কেৱল এটা বিশেষ পৰীক্ষাৰ কথা কোৱা নাই। এনটিএক ইউপিএছচিৰ দৰে বিজ্ঞানসন্মত আৰু নিবেদিত সংস্থাৰূপে গঢ়ি তোলাৰ পোষকতা কৰিছো।' ৰাধাকৃষ্ণণ আৰু নিলেকানি সমিতিৰ পৰামৰ্শৰ ভিত্তিত কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই কথা শপতনামাযোগে জনাবলৈ নিৰ্দেশ জাৰি কৰি এই আবেদনৰ শুনানি অহা তিনি সপ্তাহৰ পাছত গ্ৰহণৰ সিদ্ধান্ত লয় বিচাৰপীঠখনে। ইয়াৰ পূৰ্বে কেন্দ্ৰৰ হৈ ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰি ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই নীট-ইউজিৰ পৰীক্ষা পানী নসৰকা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি জনায়। ইয়াৰ উদাহৰণস্বৰূপে তেওঁ প্ৰশ্নকাকত পৰিবহণৰ সময়ত জিপিএছ ব্যৱহাৰ আদিৰ কথা উল্লেখ কৰে। মেহতাৰ এই ভাষ্য শুনাৰ পাছত ন্যায়াধীশ নৰসিংহই কয়, 'এনেবোৰ ব্যৱস্থা ৰাধাকৃষ্ণণ সমিতিৰ গণ্ডিত আছে। আমি ক'বলৈ বিচৰাটো হ'ল কেৱল এটা পৰীক্ষাই নহয়, এনটিএৰ গোটেই ব্যৱস্থাটোৱে সুৰক্ষিত হ'ব লাগে। পৰীক্ষা পৰিচালনাৰ এক গোপন ব্যৱস্থা আৰু এক যথোপযুক্ত প্ৰতিষ্ঠাপনীক গাঁথনিৰ কথা।' ৰাধাকৃষ্ণণ সমিতিয়ে এনে ধৰণৰ পৰামৰ্শ আগবঢ়োৱা বুলিও ন্যায়ালয়ে মন্তব্য কৰে। ন্যায়ালয়ে লগতে এনটিএৰ এটা সুকীয়া ডিজিটেল আন্তঃগাঁথনিৰ ব্যৱস্থা আছে নে নাই সেই কথাও জানিবলৈ বিচাৰে। তেতিয়া ছলিচিটৰ জেনেৰেল মেহতাই ন্যায়ালয়ক অৱগত কৰে যে কেন্দ্ৰই এনটিএৰ এনে বিভাগৰ বাবে বিষয়া নিযুক্তিৰ প্ৰক্ৰিয়া হাতত লৈছে।

# বিভাগৰ নাম সলনিয়ে সাৰ, অসমত

*এক পৃষ্ঠাৰ পৰা* গুৰুত্বসহকাৰে লোৱা হৈছে। ইয়াৰ অংশ হিচাপে জলবায়ুৰ পৰিৱৰ্তনৰ প্ৰভাৱ নিয়ন্ত্ৰণৰ বাবে অসম চৰকাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। কে'বাখনো নীতিও গ্ৰহণ কৰা হৈছে। কিয়নো অসমত বতৰৰ ভয়াৱহ পৰিৱৰ্তন হৈছে। কিন্তু তেনে পদক্ষেপ আৰু নীতি ৰূপায়ণৰ বিপৰীতে বাজেটত ধাৰ্য কৰা হৈছে অতি ন্যূনতম পৰিমাণৰ পুঁজি। তাতোকৈও উদ্বেগৰ বিষয়টো হ'ল যে বাজেটত ধাৰ্য কৰা পুঁজি চৰকাৰে কেৱল নথি-পত্ৰতে আৱদ্ধ কৰি ৰাখিছে। ধাৰ্য কৰা পুঁজি মোকলাই নিদিয়াৰ ঘটনাও ঘটিছে। বিভাগৰ নাম সলনি কৰাৰ পাছত যোৱা ছটা বিত্তীয় বৰ্ষত জলবায়ুৰ পৰিৱৰ্তন ৰোধৰ বাবে ধাৰ্য কৰা হয় মাত্ৰ তিনি কোটি ১৬ লাখ টকা। সেই অনুসৰি, ২০২০-২১ত ২৪.৮ লাখ টকা, ২০২১-২২ত ৭৩.৬৬ লাখ টকা, ২০২২-২৩ত ৭১.৮ লাখ টকা, ২০২৩-২৪ত ৫৮.৯৫ লাখ টকা, ২০২৪-২৫ত ৪২.৮ লাখ টকা আৰু ২০২৫-২৬ত ৪৩.৮ লাখ টকা আৱণ্টন দিয়া হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে পুঁজি মোকলাই দিয়াৰ ক্ষেত্ৰত বিষয়টো এটা সীমাৰ মাজত স্থবিৰ হৈ ৰৈছে। ২০২০-২১, ২০২১-২২ আৰু ২০২২-২৩ত আৱণ্টিত পুঁজিৰ এটা অংশহে মোকলাই দিয়া হয়। তাৰ বিপৰীতে ২০২৩-২৪ আৰু ২০২৪-২৫ত বাজেটত প্ৰস্তাৱিত পুঁজি চৰকাৰে আৱণ্টনে নিদিলে। ফলস্বৰূপে পুঁজিৰ অভাৱত বিভাগটোৰ কাম-কাজত যতি পৰিছে।

জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহতাৰ প্ৰভাৱ অসমত কিদৰে পৰিছে তাৰ উল্লেখ স্বয়ং বিভাগটোৱে কৰিছে। বাজেটত পুঁজি বিচাৰি প্ৰস্তাৱ দাখিলৰ সময়ত অসমত পৰিস্থিতিৰ জটিলতাৰ প্ৰতিবেদনো বিভাগটোৱে বিত্ত বিভাগক দাখিল কৰে। সেই প্ৰতিবেদনত গভীৰ উদ্বেগেৰে উল্লেখ কৰা হৈছে যে বতৰ পৰিৱৰ্তনে অসমত অস্বাভাৱিক বৰষুণৰ মাত্ৰা অধিক হোৱাৰ বিপৰীতে আৱতৰীয়া বানপানীৰ তাণ্ডৱ বৃদ্ধি হৈছে। বনাঞ্চলৰ বাহিৰৰ পৰিৱেশটো বাদেই ভিতৰত থকা জলাশয়ৰ পৰিসীমা আৰু জলস্তৰ হ্ৰাস হৈছে। বেক্টেৰিয়াজনিত ৰোগৰ প্ৰভাৱ অসমত বৃদ্ধি হোৱাৰ অন্যতম কাৰণ হৈছে জলবায়ুৰ পৰিৱৰ্তন। স্বাভাৱিক সময়ত বৰষুণৰ পৰিমাণ নিম্নগামী হোৱাত কৃষি উৎপাদনত প্ৰভাৱ পৰিছে। মানুহ আৰু বন্যপ্ৰাণীৰ মাজত অসমত সংঘাত বৃদ্ধিৰো অন্যতম কাৰণ জলবায়ুৰ পৰিৱৰ্তন বুলি বিভাগটোৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে। গৰমৰ প্ৰকোপত অসমত মৃত্যু আৰু ৰোগজনিত হাৰ বৃদ্ধি হোৱাৰো উল্লেখ ইয়াত কৰা হৈছে। এনে কে'বাটাও কাৰণ উল্লেখ কৰি বিভাগটোৱে গ্ৰহণ কৰা নীতিৰ উল্লেখো বিত্ত বিভাগত দিয়া প্ৰতিবেদনত কৰা হৈছে। তাত উল্লেখ কৰা অনুসৰি জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে অসম চৰকাৰে এতিয়ালৈকে কে'বাখনো নীতি তথা আঁচনি গ্ৰহণ কৰিছে। তেনে চাৰিখন নীতি হ'ল- অসম সৌৰ শক্তি উৎপাদন প্ৰসাৰ নীতি, অসম বৈদ্যুতিক বাহন নীতি, অসম কৃষি বনানীকৰণ নীতি আৰু আছাম এনাৰ্জি কনজাৰভেচন বিল্ডিং কোড। এই মূল বিষয়বোৰ উল্লেখ কৰি বাজেটত পৰিৱেশ, বন আৰু জলবায়ুৰ পৰিৱৰ্তনৰ বিভাগে উপযুক্ত পৰিমাণৰ পুঁজি বিচাৰে। কিন্তু তাৰ পৰিৱৰ্তে চৰকাৰে বিষয়টোৰ জটিলতাৰ তুলনাত অতি কম পৰিমাণৰ পুঁজি বাজেটত ধাৰ্য কৰে। এই পুঁজিও আৱণ্টন দিয়াৰ পৰা বিত্ত বিভাগ বিৰত আছে। প্ৰসংগক্ৰমে উল্লেখ যে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহৰ স'তে মোকাবিলা কৰিবলৈ আৰু ৰাজ্যৰ জলবায়ুৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত স্থিতিস্থাপকতা শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন, জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ নিৰ্দেশাৱলী অনুসৰি অসম চৰকাৰে বিগত ২০১৫তে প্ৰথম অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰিছিল। ইয়াৰ পাছত ২০২১-৩০ৰ বাবে এই পৰিকল্পনা সংশোধন কৰা হয়। সংশোধিত পৰিকল্পনাখনত কৃষি আৰু সংলগ্ন খণ্ড, শক্তি, জলসম্পদ, অৰণ্য-জৈৱ বৈচিত্ৰ্য, স্বাস্থ্য, নগৰীয়া-গাঁৱলীয়া আৱাস, দুৰ্যোগ প্ৰশমন আৰু পৰিকল্পিত শিক্ষা ক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হয়। এনেদৰে উদ্বেগজনক বিষয়টোৰ প্ৰসাৰতা অধিক বৃদ্ধি হোৱাৰ বিপৰীতে অসম চৰকাৰৰ বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ যথেষ্ট নিশকতীয়া হোৱা বুলি বিভাগটোৰ মজিয়াতে চৰ্চা হৈ আহিছে। তাৰ ওপৰতে আকৌ পুঁজি মোকলাই দিয়াটো চৰকাৰে চূড়ান্ত কাৰ্পণ্যতা প্ৰকাশ কৰাটো গভীৰ উদ্বেগৰ বিষয় হিচাপে পৰিগণিত হৈছে। পুঁজি আৱণ্টন নিদিলেও প্ৰকৃতি ধ্বংস যজ্ঞ অসমত ব্যাপক ৰূপত চলিছে। প্ৰকৃতি ধ্বংসৰ পৰিণাম এমাহ পূৰ্বে পূৱ অসমত হোৱা বিধ্বংসী বান বুলিও সৰ্বত্ৰ আলোচিত হৈছে।

**বৃহত্তৰ আজাৰা অঞ্চলত অস্তিত্বহীন আৰক্ষী -প্ৰশাসন**

# গধূলি বজাৰৰ পৰা ভি আই পি চ'কলৈ একাংশ ব্যৱসায়ী-স্থানীয় লোকৰ দখলত পদপথ




অগ্ৰদূত বাৰ্তা
আজাৰা, ১৯ আগষ্ট ঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ আজাৰা অঞ্চলত আৰক্ষী -প্ৰশাসন যেন অস্তিত্বহীন হৈ পৰিছে। আনটো বাদেই খোদ প্ৰধান পথ এটাৰ দুয়োফালে পথাচাৰীৰ খোজ কাঢ়ি অহা যোৱাৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা দুটাকৈ পদপথ একাংশ ব্যৱসায়ী আৰু স্থানীয় লোকে সম্পূৰ্ণভাৱে বেদখল কৰি নিজৰ অধীনলৈ নিয়া কাৰ্যৰ বিৰুদ্ধে অঞ্চলটোৰ সচেতন লোক সকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে ২০২৩ -২৪ বিত্তীয় বৰ্ষত তেতিয়াৰ পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ বিশেষ তৎপৰতাত তথা সমষ্টি পুনৰ গঠনৰ পাছত নতুনকৈ জালুকবাৰী সমষ্টিত অন্তৰ্ভুক্ত হোৱা অন্যতম গুৰুত্বপূৰ্ণ পথ হিচাপে পৰিগণিত হৈ অহা গধূলিবজাৰৰ পৰা ভি আই পি সংযোগী পথটো যান-বাহনৰ বৰ্দ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি বহল কৰাৰ লগতে পথাচাৰীয়ে সুচল ভাবে খোজ কাঢ়ি অহা - যোৱা কৰাৰ সুবিধাৰ বাবে পথটোৰ দুয়োফালে পদপথসহ নতুনকৈ নিৰ্মাণ কৰা হৈছিল। অসম চৰকাৰৰ লোক নিৰ্মাণ পথ বিভাগৰ পশ্চিম গুৱাহাটী পথ সমমণ্ডলে পদপথসহ পথটো আহল বহলকৈ নিৰ্মাণ কৰাৰ ফলত পথচাৰীয়ে যান-বাহন চলাচল কৰাৰ ক্ষেত্ৰত পূৰ্বৰ তুলনাত বহুখিনি সুচল হয়। গুৰুত্বপূৰ্ণ বিষয়টো এয়ে যে প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৰাৰ দুয়োফালে পথচাৰীৰ খোজ কাঢ়ি অহা যোৱাৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা পদপথ দুটাৰ প্ৰায় ৯০ শতাংশ পথচোৱাৰ দাঁতিত থকা একাংশ ব্যৱসায়ী আৰু স্থানীয় লোকে বেদখল কৰি নিজৰ সীমাৰ ভিতৰত সুমুৱাই লৈছে। ফলত পথাচাৰীয়ে বাধ্যত পৰি মূল পথতে অহা যোৱা কৰিবলগীয়া হৈছে। আনকি মূল পথতে অহা যোৱা কৰিবলগীয়া হোৱাত মাজে সময়ে কোনো বাহনৰ খুন্দাত দুৰ্ঘটনাত পতিত হৈ পথাচাৰী আহত হবলগীয়া কেবাটাও ঘটনা সংঘটিত হৈছে। লক্ষণীয় বিষয়টো এয়ে যে পদপথ বেদখলৰ দৰে গুৰুতৰ অপৰাধজনিত ঘটনা এটাত আজাৰা অঞ্চলৰ স্থানীয় প্ৰশাসন ক্ৰমে-আজাৰা ৰাজহ চক্ৰ, আজাৰা আৰক্ষী থানা, আজাৰা গাওঁ পঞ্চায়ত , বামছাৰাণী উন্নয়ন খণ্ড, দীপৰ বিল জিলা পৰিষদ আদিয়ে কিয় দেখিও নেদেখাৰ ভাও ধৰি আছে তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে।

# পৱন কলিতাৰ বিয়োগ

ষ্টাফ ৰিপৰ্টাৰ,
যোৰহাট, ১৯ আগষ্ট ঃ উত্তৰ যোৰহাটৰ কমাৰমাটি গাঁৱৰ বাসিন্দা তথা বস্ত্ৰ শিল্পৰ সৈতে জড়িত দিব্যাংগ ব্যক্তি পৱন কলিতা (৭২) ৰ সোমবাৰে নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ এদিন পূৰ্বে তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা কৰোৱাৰ পাছত ঘৰলৈ লৈ যোৱা হৈছিল। উল্লেখ্য যে কিছুদিন পূৰ্বে কলিতাৰ জ্যেষ্ঠ পুত্ৰৰো মৃত্যু হৈছিল। কলিতাৰ মৃত্যুত কমাৰমাটি গাঁও নামঘৰ পৰিচালনা সমিতি, সৰস্বতী পুস্তক মন্দিৰ, বসন্ত মইনা পাৰিজাত আৰু সৰস্বতী মহিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, দুই বোৱাৰীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# নগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ১৯ আগষ্ট ঃ** নগাঁৱৰ ঐতিহ্যমণ্ডিত ভোটাইগাঁৱৰ ভোটাইডেকা খেলপথাৰত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। নগাও জিলাৰ বিভিন্ন প্ৰান্তৰ সাহিত্যানুৰাগী তথা গুণী জ্ঞানী লোকৰ সমাগম হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ন বজাত ৫৪ গৰাকী ব্যক্তিৰ দ্বাৰা ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। মূল পতাকা উত্তোলন কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। পতাকা উত্তোলনৰ লগতে ৫৪ গৰাকী সন্মানীয় ব্যক্তিৰ দ্বাৰা ৫৪ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। ইয়াৰ পাছতে স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰিব কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই । পুৱা ১১ বজাত অনুষ্ঠিত হ'ব এখন মুকলি সভা, বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান। সভাত সভাপতিত্ব কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে।

# চাপৰত বিতৰ্কিত সুৰা বিপণী মুকলি কৰাক লৈ পুনৰ উত্তাল প্ৰতিবাদ চাপৰবাসীৰ



অগ্ৰদূত বাৰ্তা
**চাপৰ, ১৯ আগষ্ট ঃ** চাপৰ পৌৰসভাৰ পাঁচ নম্বৰ ৱাৰ্ডত স্থাপন কৰা 'হৃষী ৰেস্তোৰাঁ' এণ্ড (আই এম এফ এল) অন শ্বপ নামৰ বিতৰ্কিত সুৰা বিপণীখন আজি পুনৰ মুকলি কৰাক লৈ পুনৰ উত্তাল হৈ পৰে চাপৰ চহৰ। উল্লেখ্য যে জননেতা শৰৎ চন্দ্ৰ সিংহৰ আদৰ্শক পদানত কৰি তথা চাপৰৰ জনমতক উপলুঙা কৰি চাপৰ চহৰৰ মাজমজিয়াত পুত্ৰৰ নামত স্থাপন কৰা সুৰা বিপণীখনৰ মালিক তথা সুৰা ব্যৱসায়ী অৰুণ কুমাৰ নাগ ওৰফে মনা নাগে চৰম উদ্ধতালিৰে বাৰম্বাৰ এইদৰে ৰাইজৰ বিৰোধিতাক একপ্ৰকাৰ অংগুষ্ঠ প্ৰদৰ্শন কৰি সুৰা বিপণীখন যোৱা ১৪ মে'ৰ পৰাই অপচেষ্টা চলাই আহিছে। আনহাতে, ৰাইজৰ তীব্ৰ প্ৰতিবাদত প্ৰতিবাৰেই প্ৰশাসনে সুৰা বিপণীখন বন্ধ কৰি আহিছে। যোৱা ১৯ জুলাইত সুৰা বেপাৰীয়ে মদৰ দোকানখন খুলিবলৈ যোৱাৰ সময়তে শ শ চাপৰবাসীয়ে সাব্যস্ত কৰা তীব্ৰ প্ৰতিবাদত প্ৰশাসনে ৩০ দিনৰ বাবে সুৰা বিপণীখন বন্ধ কৰি দিছিল। আজি সেই সময়সীমা উকলি যোৱাৰ পাছতে বিতৰ্কিত সুৰা বেপাৰীজনে পুৱা ১০-৩০ বজা মানত পুনৰ মদৰ দোকানখন মুকলি কৰে। তাৰ পাছতে শ শ প্ৰতিবাদী চাপৰবাসী ৰাইজ উক্ত সুৰা বিপণীখনৰ সন্মুখত অৱস্থান কৰি বিপণী বন্ধৰ দাবীত পৰিৱেশ উত্তাল কৰি তোলে। স্মৰ্তব্য যে যোৱা ১৪ মে'ৰ পৰাই এই সুৰা বিপণীখন বন্ধ কৰাৰ দাবীত চাপৰবাসীয়ে ধাৰাবাহিক আন্দোলন কৰি আহিছে। মদৰ দোকানৰ বিৰুদ্ধে এইদৰে দীৰ্ঘদিন আন্দোলন কৰি থকা বৰ্তমানলৈকে চাপৰেই প্ৰথম অঞ্চল হিচাপে পৰিগণিত হৈছে। আজি প্ৰতিবাদৰ সময়ত পৰিস্থিতি তথা আইন শৃংখলাৰ প্ৰতি লক্ষ্য ৰাখি চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত মোতায়েন হৈ থাকে। ৰাইজৰ দাবী তথা প্ৰতিবাদৰ প্ৰতি সঁহাৰি জনাই আৰু আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্যবাহী দণ্ডাধীশ তন্ময় চেতিয়া ঘটনাস্থলীত উপস্থিত হৈ বিতৰ্কিত সুৰা বিপণীখন পুনৰ ৩০ দিনৰ বাবে বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে বিলাসীপাৰাৰ কাৰ্যবাহী দণ্ডাধীশজনে অসম আবকাৰী আইন, ২০০০ৰ ৫২ (২) ধাৰাৰ অধীনত উক্ত নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশটোত চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক ইয়াক কঠোৰভাৱে কাৰ্যকৰী কৰাৰ লগতে অঞ্চলটোত আইন-শৃংখলা আৰু শান্তি-সম্প্ৰীতি বজাই ৰখাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্দেশ উলংঘা কৰিলে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও স্পষ্ট কৰি দিয়া হৈছে। স্থানীয় ৰাইজে সুৰাৰ বিপণীখন স্থায়ীভাৱে বন্ধ কৰাৰ দাবী অব্যাহত ৰাখিছে।

# বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰোগীক ম্যাদ উকলি যোৱা ঔষধ প্ৰদানৰ অভিযোগ

**বিশেষ সংবাদদাতা**
**বৰপেটা,** ১৯ আগষ্ট ঃ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ৰোগীক ম্যাদ উকলি যোৱা ঔষধ প্ৰদান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষভাৱে দৃষ্টিহীন এগৰাকী দিব্যাংগ ৰোগীক হাস্পাতালখনৰ ঔষধালয়ৰ পৰা ম্যাদ উকলি যোৱা ঔষধ প্ৰদান কৰা অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। অভিযোগ অনুসৰি, বৰপেটা চহৰৰ মেটুৰাকুছিৰ বাসিন্দা দৃষ্টিহীন দিব্যাংগ হেমেন দাসে অস্ত্ৰোপচাৰৰ পাছত পেটৰ চিলাই খোলা আৰু চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্য পৰীক্ষাৰ বাবে পৰিয়ালৰ লোকৰ সৈতে বৰপেটা মেডিকেল কলেজ আৰু হাস্পাতাললৈ গৈছিল। চিকিৎসকে ৰোগী গৰাকীক পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত কিছু ঔষধ লিখি দিয়ে। চিকিৎসকৰ পৰামৰ্শ অনুসৰি হাস্পাতালৰ ঔষধালয়ৰ পৰাই পৰিয়ালৰ লোকে সেই ঔষধসমূহ সংগ্ৰহ কৰে। কিন্তু পৰৱৰ্তী সময়ত ঘৰলৈ উভতি গৈ ঔষধসমূহ খোৱাৰ পুৰ্বে পৰীক্ষা কৰোঁতে হাস্পাতালৰ পৰা প্ৰদান কৰা কেবাবিধো ঔষধৰ ম্যাদ ইতিমধ্যে উকলি যোৱা বুলি পৰিয়ালৰ লোকে জানিব পাৰে। এই ঘটনা পোহৰলৈ অহাৰ পাছতে পৰিয়ালটোৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াৰ পাছতে হেমেন দাস আৰু তেওঁৰ পৰিয়ালৰ লোকে ম্যাদ উকলি যোৱা ঔষধ খিনি লৈ স্থানীয় বিধায়ক দীপক কুমাৰ দাসৰ ঘৰত উপস্থিত হয় আৰু সমগ্ৰ কথা তেওঁক অৱগত কৰাৰ লগতে হাস্পাতালখনৰ ঔষধ বিতৰণ ব্যৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰে। পাছত তেওঁ সংবাদ মাধ্যমৰ আগত সমগ্ৰ ঘটনা সদৰী কৰে। স্থানীয় বিধায়ক দীপক কুমাৰ দাসেও লগে লগে জিলা আয়ুক্ত আৰু হাস্পাতাল কৰ্তৃপক্ষক বিষয়টো অৱগত কৰে। উল্লেখ্য যে হেমেন দাস দৃষ্টিহীন হোৱাৰ পৰিপ্ৰেক্ষিতত ঔষধৰ লেবেল বা ম্যাদ নিজে পৰীক্ষা কৰাটো তেওঁৰ বাবে সম্ভৱ নহয়। এনে এগৰাকী দৃষ্টিহীন দিব্যাংগ ৰোগীক হাস্পাতালৰ ঔষধালয়ৰ পৰা ম্যাদ উকলি যোৱা ঔষধ প্ৰদান কৰাৰ অভিযোগে স্বাভাৱিকতে বৰপেটা মেডিকেল কলেজ হাস্পাতালৰ ঔষধ সংৰক্ষণ আৰু বিতৰণ ব্যৱস্থাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। ভুক্তভোগী হেমেন দাসে ঘটনাটোৰ নিৰপেক্ষ আৰু সঠিক তদন্ত কৰি ম্যাদ উকলি যোৱা ঔষধ ৰোগীক প্ৰদান কৰাৰ ক্ষেত্ৰত যিসকল দায়ী, তেওঁলোকৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ হাস্পাতাল কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# চিকিৎসালয়ত দালালিত লিপ্ত, মঙলদৈত তিনি মহিলা গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ১৯ আগষ্ট ঃ** মঙলদৈ অসামৰিক চিকিৎসালয়ত দালালি চলাই অহাৰ অভিযোগত তিনিগৰাকীকৈ মহিলাক চিকিৎসালয় কৰ্তৃপক্ষই কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে চমজি লোৱা মহিলা তিনিগৰাকী ধূলাৰ লগতে মঙলদৈ থানা অঞ্চলৰ চৰাঞ্চলৰ বুলি প্ৰকাশ পাইছে। বিতং পৰিচয় পোহৰলৈ নাহিলেও মহিলা তিনিগৰাকীক ক্ৰমে চৰিফা বেগম, চফিদা খাতুন আৰু মফিদা খাতুন হিচাপে আৰক্ষীয়ে চিনাক্ত কৰিছে। উল্লেখ্য যে আজি ভৰ দুপৰীয়া মঙলদৈ অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষই তিনি মহিলাক ৰোগীক সহায়ৰ নামত অন্য চিকিৎসকৰ ওচৰলৈ নিব লওঁতেই হাতে-লোটে কৰায়ত্ত কৰি মঙলদৈ থানাৰ আৰক্ষীক গতাই দিয়ে। পাছলৈ চিকিৎসালয় খনৰ অধীক্ষক ডাঃ উৎপল বৰুৱাই সদৰী কৰা অনুসৰি, মঙলদৈ অসামৰিক চিকিৎসালয়লৈ অহা নিঃসহায়, তেনেই সহজ-সৰল লোকক এচাম মধ্যভোগীয়ে চৰকাৰী চিকিৎসালয়ত বেমাৰ ভাল নহয়, হস্পিতেলত ফ্ৰী-পৰীক্ষা কৰি লাভ নাই জাতীয় প্ৰলোভন দি মঙলদৈৰ অথবা গুৱাহাটীৰ একাংশ ব্যক্তিগত চিকিৎসালয়লৈ নিয়া এজেন্ট হিচাপে কাম কৰি আহিছে। সম্বল সম্পন্ন ৰোগীয়ে এনে প্ৰলোভন গ্ৰহণ নকৰে যদিও মধ্যবিত্ত অথবা সাধাৰণ নিঃসহায় লোক প্ৰলোভিত হয়। ভিন্ন ব্যক্তিগত চিকিৎসালয়, পৰীক্ষাগাৰৰ এজেন্টৰূপী এই তিনি মহিলাৰ উপৰি বহু পুৰুষ বা জৰুৰীসেৱাৰ বাহনৰ চালকো চিকিৎসালয় কৰ্তৃপক্ষই এইবাৰ এৰি নিদিয়ে বুলি দাবী কৰি সাধাৰণ ৰোগীসকল সজাগ, সচেতন হ'বলৈ আহ্বান জনাইছে।

**সদৌ অসম পুথি প্ৰকাশক- বিক্ৰেতা সংস্থা, অসম**

# বানপীড়িত শিৱসাগৰ, চৰাইদেউ জিলালৈ শিক্ষণ সঁজুলি প্ৰদান

**গুৱাহাটী, ১৯ আগষ্ট ঃ** সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা, অসমৰ উদ্যোগত বানবিধ্বস্ত শিৱসাগৰ, চৰাইদেউ জিলাৰ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ পুথিভঁৰাললৈ কিতাপ, বহী তথা আন শিক্ষণ সঁজুলি প্ৰদানৰ কাৰ্যসূচীৰ আৰম্ভণি সংস্থাৰ কাৰ্যালয়ৰ সন্মুখত দিনৰ এক বজাত কৰা হয়। উক্ত কাৰ্যসূচীত সংস্থাৰ সভাপতি নগেন শৰ্মাৰ উপস্থিতিত সংস্থাৰ এই মহৎ কাৰ্যত স্বেচ্ছাই সহায়ৰ হাত আগবঢ়োৱা প্ৰকাশন উদ্যোগৰ অবিচ্ছেদ্য সহযাত্ৰী কাগজ যোগনীয়াৰ ব্যৱসায়ীসকল, ছপাশাল তথা বাইণ্ডিং প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰসকলক ফুলৰ তোৰা আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত উপস্থিত থাকি সদাশয় ব্যক্তিসকলে নিজৰ অভিমত ব্যক্ত কৰাৰ লগতে সংস্থাৰ প্ৰতি দায়বদ্ধতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি সংস্থাৰ বিষয়ববীয়াসকলক উৎসাহিত কৰে। সংস্থাৰ সম্পাদক ৰক্তিম ঠাকুৰীয়াই ব্যক্ত কৰা অনুসৰি আজি প্ৰায় ডেৰ কোটি টকা মূল্যৰ এই সামগ্ৰী লৈ বানপীড়িত অঞ্চললৈ ৰাওনা হ'ব। ছাত্ৰ-ছাত্ৰীৰ উপযোগী এই সাহায্য সামগ্ৰীৰ ভিতৰত বহী, পাঠ্যপুথি, প্ৰসংগ পুথি, বিভিন্ন কোষ গ্ৰন্থ প্ৰকাশকসকলে বৰঙণি আগবঢ়ায়।

# কয়লা ব্যৱসায়ক লৈ গৰম ৰাজনীতি ঃ কাৰ পকেটলৈ গৈছে ক'লা হীৰাৰ অবৈধ ধন ?

**ৰাইজৰ দলৰ দুই নেতা মানস কোঁৱৰ-চাবিৰ আহমেদৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ**

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ১৯ আগষ্ট ঃ** নাজিৰাত অনুষ্ঠিত প্ৰাক্তন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এখন সংবাদমেলত ৰাইজৰ দলৰ মুখপাত্ৰ মানস কোঁৱৰ আৰু চাবিৰ আহমেদ নামৰ দুজন ব্যক্তিৰ বিৰুদ্ধে কয়লা ব্যৱসায় আৰু ধনৰ লেনদেনক কেন্দ্ৰ কৰি কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰা হয়। সংবাদমেলত অভিযোগকাৰীসকলে দাবী কৰে যে দিখৌ বচাওঁ আন্দোলনৰ স'তে জড়িত হৈ থকা সময়ছোৱাতেই কয়লা ব্যৱসায়ৰ স'তে সম্পৰ্ক থকা লোকৰ স'তে মানস কোঁৱৰৰ ঘনিষ্ঠতা গঢ় লৈ উঠিছিল। সংবাদমেলত অভিযোগ কৰা অনুসৰি, 'বুবু' নামৰ এজন ব্যক্তিক দুই লাখৰো অধিক টকা, শিমলুগুৰিৰ গগৈ উপাধিৰ এজন ব্যক্তিক তিনি লাখৰো অধিক টকা আৰু নগালেণ্ডৰ কন্যাক উপাধিৰ এজন কয়লা ব্যৱসায়ীৰ পৰা লোৱা ধনৰ কথাও উত্থাপন কৰা হয়। একেদৰে 'পৰাগ' নামৰ এজন ব্যক্তিকো চাবিৰ আহমেদ আৰু মানস কোঁৱৰে ধন দিবলৈ বাকী থকা বুলি সংবাদমেলত অভিযোগ কৰা হয়। প্ৰাক্তন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ অভিযোগ অনুসৰি, ২০০০ৰ পৰা দিখৌ বচাওঁ আন্দোলন চলাই থকাৰ সময়তে মানস কোঁৱৰৰ স'তে কয়লা ব্যৱসায়ৰ স'তে জড়িত চাবিৰ আহমেদৰ ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছিল। সেই সময়ত মাহে দুই লাখ টকাকৈ ধন লোৱাৰো অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। অৱশ্যে এই অভিযোগসমূহৰ স্বতন্ত্ৰ সত্যতা তাৎক্ষণিকভাৱে নিৰূপণ কৰিব পৰা হোৱা নাই। সংবাদমেলত চেতিয়া ফুকন উপাধিৰ এজন ব্যক্তিৰ প্ৰসংগও উত্থাপন কৰি অভিযোগকাৰীসকলে কয় যে দিখৌ বচাওঁ আন্দোলনৰ সময়ত কয়লা ব্যৱসায়ীসকলৰ বিৰুদ্ধে আন্দোলন কিমান সফল হৈছিল, তাৰ প্ৰমাণ ৰাইজে জানে। তেওঁলোকে চাবিৰ আহমেদক প্ৰত্যাহ্বান জনাই কয়লা ব্যৱসায়ীসকলৰ পৰা কিমান ধন আদায় কৰা হৈছিল, সেয়া ৰাজহুৱা কৰিবলৈ দাবী জনায়। ইফালে, মানস কোঁৱৰৰ বিৰুদ্ধে অৰুণাচল প্ৰদেশত কয়লা খননৰ অভিযোগো সংবাদমেলত উত্থাপন কৰা হয়। অভিযোগ অনুসৰি অৰুণাচল প্ৰদেশৰ অংগৰা আৰু ওখচাং অঞ্চলত মানস কোঁৱৰে কয়লা খননৰ স'তে জড়িত হৈ আহিছে। দিখৌ বচাওঁ আন্দোলনৰ নাম লৈ একাংশ কয়লা ব্যৱসায়ীৰ স্বাৰ্থ ৰক্ষা কৰা আৰু পাছলৈ কয়লা ব্যৱসায়ৰ স'তে সম্পৰ্ক ৰখাৰ অভিযোগো উত্থাপন কৰে প্ৰাক্তন কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংবাদমেলত অভিযোগকাৰীসকলে লগতে কয় যে নিজকে 'ধোৱা তুলসীৰ পাত' হিচাপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰি মানস কোঁৱৰে আন ৰাজনৈতিক ব্যক্তিক কয়লা খনন আৰু ছিণ্ডিকেটৰ স'তে জড়িত বুলি অভিযোগ উত্থাপন কৰি সংবাদমেল অনুষ্ঠিত কৰি আহিছে। অথচ তেওঁৰ বিৰুদ্ধেই কয়লা খনন আৰু ধনৰ লেনদেনৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে বুলি সংগঠনটোৱে দাবী কৰে। তাৎপৰ্যপূৰ্ণভাৱে কয়লা ব্যৱসায়ক কেন্দ্ৰ কৰি হোৱা বুলি দাবী কৰা কিছু কথোপকথনৰ অডিঅ' ৰেকৰ্ডিংও সংবাদমেলত প্ৰদৰ্শন কৰা হয়। অডিঅ'সমূহৰ জৰিয়তে কয়লা ব্যৱসায় আৰু ধনৰ লেনদেনৰ স'তে জড়িত কিছু তথ্য পোহৰলৈ অহা বুলি অভিযোগকাৰীসকলে দাবী কৰে। নগালেণ্ডৰ কন্যাক উপাধিৰ এজন কয়লা ব্যৱসায়ীৰ পৰাও ধন আদায় কৰি অহাৰ অভিযোগ উত্থাপন কৰি প্ৰাক্তন কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে সমগ্ৰ বিষয়টো তদন্তৰ আওতালৈ অনাৰ দাবী জনায়। উল্লেখ্য যে দুদিন আগলৈকে মানস কোঁৱৰে ময়ুৰ বৰগোহাঁইৰ নেতৃত্বত কয়লাৰ ছিণ্ডিকেট চলা বুলি দাবী উত্থাপন কৰি আহিছিল।

# মধ্য অসমৰ অবৈধ পাহাৰ খনন বন্ধৰ দাবীত বনমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**পত্ৰ প্ৰেৰণ মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ঃ আৰ এছ গান্ধীৰ পাহাৰ খনন বন্ধ কৰাৰ দাবী**

ষ্টাফ ৰিপ'ৰ্টাৰ
নগাঁও,১৯ আগষ্ট ঃ মঙলবাৰে মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নগাঁও জিলা সমিতিয়ে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ জৰিয়তে বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱালৈ চাৰিটাকৈ দাবীৰে এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। মধ্য অসমত চলি থকা অবৈধ পাহাৰ খনন বন্ধ কৰি মধ্য অসমক বানমুক্ত কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে সন্থাটোৱে। স্মাৰক পত্ৰত মধ্য অসমৰ কাৰ্বি আংলং আৰু জাগীৰোডৰ বিভিন্ন পাহাৰ সমূহত শিল উৎপাদনৰ নামত আৰ এছ গান্ধী নামৰ এজন ব্যক্তিয়ে খনন চলাই থকাৰ অভিযোগ উত্থাপন কৰিছে মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাই । লগতে কাৰ্বি আংলঙৰ পাহাৰ খননে কাজিৰঙাৰ জীৱ- জন্তুলৈও ভাবুকি কঢ়িয়াই আনিব আৰু আৰ এছ গান্ধীয়ে চলাই থকা খনন বন্ধ কৰিবলৈ চৰকাৰক আহ্বান জনায় মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক ৰাতুল কুমাৰ ৰাজবংশীয়ে । অনাগত দিনত দাবী সমূহ চৰকাৰে পূৰণ নকৰিলে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ সন্থাটোৰ। স্মাৰক পত্ৰত স্বাক্ষৰ কৰে মধ্য অসম কোচ ৰাজবংশী সন্থাৰ সাধাৰণ সম্পাদক ৰাতুল ৰাজবংশী ,সন্থাৰ নগাঁও জিলা সমিতিৰ উপসভাপতি উদীপ্ত নাৰায়ণ ৰাজা আৰু সাধাৰণ সম্পাদক দেৱাশীষ বৰাই।

# বৰপেটা শংকৰদেৱ সমাজৰ সপ্তাহজোৰা ভাগৱত জয়ন্তী

বিশেষ সংবাদদাতা
বৰপেটা, ১৯ আগষ্ট ঃ বিগত কেইবছৰৰ দৰে এইবাৰো শংকৰদেৱ সমাজ বৰপেটাৰ উদ্যোগত ৬৩ সংখ্যক সপ্তাহজোৰা ভাগৱত জয়ন্তীৰ আয়োজন কৰা হৈছে । অহা ২২-২৮ আগষ্টলৈ এই সপ্তাহজোৰা ভাগৱত জয়ন্তী বৰপেটা সত্ৰ চৌহদত স্থাপিত শংকৰদেৱ অধ্যায়নাগাৰত অনুষ্ঠিত হ'ব । প্ৰথম দিনা ২২ আগষ্ট তাৰিখে বিয়লি ৩-৩০ বজাত ভাগৱত শোভাযাত্ৰাৰে ভাগৱত জয়ন্তীৰ শুভাৰম্ভ হ'ব । ভাগৱত বহন কৰিব থূল নহাটীৰ সভাপতি লক্ষ্মণ দাসে । তাৰ পাছত বিয়লি চাৰি বজাত ভাগৱত জয়ন্তী উদ্বোধন কৰিব বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসে । বিয়লি ৪-৩০ বজাত অনুষ্ঠিত হ'ব ধৰ্মালোচনা সভা। প্ৰথম দিনৰ ধৰ্মালোচনা সভাৰ বিষয় 'ভীষ্মৰ মোক্ষ উৎসৱ' (প্ৰথম স্কন্ধ)। ভাগৱত পাঠ কৰিব ৰবীন্দ্ৰ নাথ দাসে । ধৰ্মালোচনা সভাত সভাপতিত্ব কৰিব শঙ্কৰদেৱ সমাজ, বৰপেটাৰ সভাপতি উদ্ধৱ চন্দ্ৰ দাসে । নিৰ্দ্দিষ্ট বক্তা হিচাপে বক্তৃতা প্ৰদান কৰিব চেংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ অপূৰ্ব কুমাৰ তালুকদাৰে । দ্বিতীয় দিনাৰ ধৰ্মালোচনা সভাৰ বিষয় 'ভগৱানৰ লীলা অৱতাৰ' (দ্বিতীয় স্কন্ধ)। ভাগৱত পাঠ কৰিব টিকেন দাসে । সভাপতিত্ব কৰিব সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে ।

# গহপুৰ ঘাঁহিগাঁৱত দিন দুপৰতে চোৰে চুৰি কৰি নিলে নগদ ধন

**গহপুৰ, ১৯ আগষ্ট ঃ** গহপুৰ ঘাঁহিগাঁৱৰ থানাৰ নিচেই কাষতে দিন দুপৰতে সংঘটিত হৈছে চাঞ্চল্যকৰ চুৰিকাণ্ড। বিভূতি কাকতি আৰু আইমনী কাকতিৰ নামৰ ব্যক্তিৰ বাসগৃহত প্ৰৱেশ কৰি চোৰে নগদ ধনসহ ঘৰৰ বিভিন্ন সামগ্ৰী লৈ যোৱাৰ অভিযোগ উত্থাপিত হৈছে। ঘৰৰ চিলিং ভাঙি চোৰে ভিতৰত প্ৰৱেশ কৰি লণ্ডভণ্ড কৰাৰ লগতে ঘৰৰ পৰা প্ৰায় ডেৰ লাখ টকা নগদ ধন লৈ যায়। পৰিয়ালটোৱে সাঁচি থোৱা নগদ ধনৰ লগতে ঘৰখনৰ শিশুৱে টেকেলিত পাঁচশ টকীয়া নোটৰ লগতে আন টকা জমা কৰি থোৱা পইচাও চোৰে লৈ যায় । থানাৰ নিচেই কাষতে দিন দুপৰতে সংঘটিত এই চুৰিকাণ্ডক লৈ অঞ্চলটোত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে ।

# বানপীড়িতৰ সহায়ত যোৰহাট থিয়েটাৰৰ বিশেষ সাহায্য অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৯ আগষ্ট ঃ** বানপীড়িত লোকসকলৰ কাষত থিয় হৈ সাহায্য আগবঢ়োৱাৰ লক্ষ্যৰে ১৩১ বছৰীয়া যোৰহাট থিয়েটাৰে আৰম্ভ কৰিছে বিশেষ বান সাহায্য অভিযান। এই অভিযানত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সক্ৰিয় সহযোগিতা আগবঢ়োৱাৰ লগতে বিভিন্ন বস্ত্ৰ উদ্যোগ আৰু প্ৰতিষ্ঠানক সাহায্য আগবঢ়াবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত ১৭ আগষ্টত যোৰহাট থিয়েটাৰত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত লোকসকলৰ বাবে সাহায্য অভিযান অব্যাহত আছে। যোৰহাট থিয়েটাৰৰ উদ্যোগত প্ৰথম পৰ্যায়ত জিলাখনৰ অতি ক্ষতিগ্ৰস্ত অঞ্চলসমূহত সাহায্য বিতৰণ কৰা হ'ব। বিশেষকৈ কাতিৰামৰ চুক, মজিয়া ভেটি, এলেংমৰা আদি অঞ্চলৰ বানত ঘৰ-বাৰী হেৰুওৱা পৰিয়ালক অগ্ৰাধিকাৰ দিয়া হ'ব। কেৱল খাদ্য আৰু অন্যান্য সামগ্ৰী বিতৰণতে সীমাবদ্ধ নাথাকি বানত গৃহহীন হোৱা পৰিয়ালসমূহক পুনৰ ঘৰ সাজিবলৈ বান সাহায্য পুঁজিৰ পৰা তাৎক্ষণিকভাৱে আৰ্থিক সহায় আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰথমে যোৰহাটৰ বানপীড়িতসকলক সাহায্য দিয়াৰ পাছত পৰ্যায়ক্ৰমে শিৱসাগৰ আৰু নাজিৰাৰ ক্ষতিগ্ৰস্ত অঞ্চলতো এই অভিযান সম্প্ৰসাৰণ কৰা হ'ব। মন্ত্ৰীজনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যে শ্বাহী এক্সপৰ্টৰ বস্ত্ৰ উদ্যোগে ১,০০০খন বিচনা চাদৰ, ১,০০০টা টাৱেল আৰু ৫০০টা সৌৰশক্তিচালিত লাইট আগবঢ়াইছে। আন কে'বাটাও প্ৰতিষ্ঠানৰ পৰা ছয় লাখ ৫০ হেজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰা হৈছে। মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই নিজ পৰিয়ালৰ তৰফৰ পৰাও যোৰহাট থিয়েটাৰৰ বান সাহায্য পুঁজিলৈ এক লাখ টকা আগবঢ়ায়।

# কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ নৱাগতা আৱাসীৰ আদৰণী সভা

**বিশেষ সংবাদ দাতা**
ডিব্ৰুগড় ১৯ আগষ্ট ঃ 'গুৰুৱে অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলায়। গুৰু হৈছে জ্ঞান আৰু প্ৰেৰণাৰ উৎস। গুৰুৱে ছাত্ৰ-ছাত্ৰীক সত্য আৰু ন্যায়ৰ পথ দেখুৱায়। গুৰুৰ শিক্ষাই জীৱনক আলোকিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সফলতাৰ দিশে আগুৱাই নিয়ে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰীনিৱাসৰ নৱাগতা আৱাসীসকলৰ আদৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট লেখক, সাহিত্যিক তথা ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ বীৰেণ বৰুৱাই ১৬ আগষ্টৰ সন্ধিয়া এইদৰে কয়। ছাত্ৰীনিৱাসৰ আৱাসী নিশিতা গগৈ আৰু অংকিতা ডেকাই আঁত ধৰা অনুষ্ঠানটিত বৰুৱাই কয়— বৰ্তমান নৱ প্ৰজন্মৰ ছাত্ৰ -ছাত্ৰীসকল হৈছে জেন জি, ইয়াৰ পিছতে আহি আছে জেন আলফা। এই দুয়োটা প্ৰজন্মই হৈছে পৃথিৱীৰ ইতিহাসৰ আটাইতকৈ শক্তিশালী আৰু ব্যতিক্ৰমী প্ৰজন্ম। মুখ্যদ্বাৰৰ পৰা ছাত্ৰীনিৱাসৰ আৱাসীসকলে আৰতি কৰি সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা সভাখনিত তেওঁ কয়— আগৰ প্ৰজন্মই ইণ্টাৰনেট অহালৈ অপেক্ষা কৰিব লাগিছিল। আজিৰ প্ৰজন্ম ইণ্টাৰনেটৰ লগতেই জন্ম হৈছে বুলি কৰিব পাৰি, ভাব বিনিময় কৰিব পাৰি, এইখনেই হৈছে বৰ্তমানৰ ডিজিটেল পৃথিৱী। এইখন পৃথিৱীত সুযোগ অপৰিসীম হ'লেও কিন্তু প্ৰত্যাহ্বানো আছে। বৰুৱাই কয়— বৰ্তমান



উল্লেখ কৰি কয়— এটা সময়ত জ্ঞান আছিল কিতাপ আৰু গ্ৰন্থাগাৰৰ মাজত। আজি সেই জ্ঞান ছাত্ৰ -ছাত্ৰীৰ হাতৰ মুঠিত। ছাত্ৰীনিৱাসৰ আৱাসী নিভা লাহনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বৰুৱাই কয়— বৰ্তমান সময়ত এটা ম'বাইল ফোনেৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ বিভিন্নজনৰ লগত সংযোগ স্থাপন ডিগ্ৰীতকৈ স্কীল গুৰুত্বপূৰ্ণ হৈ পৰিছে। অতীতত ডিগ্ৰীয়ে চাকৰি নিশ্চিত কৰিছিল, কিন্তু বৰ্তমান ডিগ্ৰীয়ে চাকৰি নিশ্চিত নকৰে বৰ্তমান চাকৰিৰ বাবে প্ৰয়োজন ডিগ্ৰীৰ সমপৰিমাণে দক্ষতাৰ। বিশেষকৈ কৰ্পৰেট খণ্ডত চাকৰি পাবলৈ হ'লে এতিয়া দক্ষতাৰ অতি প্ৰয়োজন। তেওঁকয়— ডিজিটেল মানে কেৱল ম'বাইলত ৰিল চোৱা নহয়, ম'বাইলটোক নিজৰ কেৰিয়াৰ গঢ়ি তোলা, নিজৰ পৰিচয় গঢ়াৰ সঁজুলিলৈ ৰূপান্তৰ কৰিব পাৰিলেহে প্ৰকৃত ডিজিটেল মাধ্যম ব্যৱহাৰ কৰাৰ সাৰ্থকতা লাভ কৰিব পৰা যাব। বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— নিজৰ শিপা শক্তিশালী কৰাৰ লগতে দৃষ্টি বিশ্বমুখী হোৱা উচিত। নিজৰ মাতৃভূমি, মাতৃভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে সময়, মনোযোগ আৰু অনুশাসন বৰ্তাই ৰাখিব পাৰিলেহে জীৱনত কৃতকাৰ্যতা লাভ কৰিব পাৰি। তেওঁ কয়— বৰ্তমান সময়ৰ ডিজিটেল ক্ষেত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে অমনোযোগী স্বভাৱ। তেওঁ কয়— ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব, তেতিয়াহে অনাগত দহ বছৰৰ পাছত এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই কোনোবা উদ্যোগপতি হ'ব, কোনোবা বিজ্ঞানী হ'ব আৰু কোনোবাজন বিশিষ্ট শিক্ষাবিদ আৰু কোনোবাই অসমক বিশ্বৰ মঞ্চত পৰিচয় কৰাই দিব পাৰিব। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় — হোষ্টেলৰ জীৱন মানে ঘৰুৱা গণ্ডিৰ পৰা ওলাই আহি সামূহিকভাৱে বাস কৰা, স্বাৱলম্বী হোৱা আৰু আত্ম পৰিচয় গঢ়াৰ এক নিৰন্তৰ প্ৰক্ৰিয়া।' অধ্যক্ষ ড° শইকীয়াই কয়— হোষ্টেল কেৱল থকা-খোৱাৰ ঠাই নহয়, বৰঞ্চ বিভিন্ন ঠাইৰ শিক্ষাৰ্থীৰ স'তে মিলি একতা, সহমৰ্মীতা, সহযোগিতা আৰু অনুশাসন শিকাৰ বাস্তৱ পাঠশালা। সংকটৰ সময়ত নতুন আৱাসীক পুৰণাসকলে সহযোগিতা আগবঢ়াব লাগিব। নতুন আৱাসীসকলক শিক্ষা, সংস্কৃতি, উৎসৱ, সভা-সমিতি আদিৰ প্ৰতি অনুপ্ৰাণিত কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে কয়— প্ৰশাসন আৰু শিক্ষাৰ্থীৰ মাজত পুৰণা আৱাসীসকলে সেতু বন্ধনৰ দৰে কাম কৰিব লাগিব। তেহে এখন সুন্দৰ হোষ্টেল গঢ় লৈ উঠিব আৰু শৈক্ষিক পৰিৱেশ অটুত থাকিব।

# কামপুৰত সংকুলাভিত্তিক বিজ্ঞান আৰু গণিত মেলা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**কামপুৰ, ১৯ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মনত বিজ্ঞান আৰু গণিত শিক্ষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰা তথা তেওঁলোকক এই বিষয়সমূহৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যেৰে কামপুৰত এক বৰ্ণাঢ্য বিজ্ঞান আৰু গণিত মেলা ১৬ আগষ্টত অনুষ্ঠিত হৈ যায়। কামপুৰৰ চাংচকীস্থিত শংকৰদেৱ শিশু নিকেতনত এই মেলাখনৰ আয়োজন কৰা হয়। শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা পৰিচালিত নিকেতনসমূহৰ হোজাই বিভাগৰ কামপুৰ সংকুল ভিত্তিকভাৱে এই মেলাখন অনুষ্ঠিত কৰা হয়। বিজ্ঞান মেলাৰ বন্তি প্ৰজ্বলন কৰে সংকুল সংযোজক যতীন বৰাই। পতাকা উত্তোলন কৰে উপ-সভাপতি পূৰ্ণিমা শৰ্মাই। মেলাখনক কেন্দ্ৰ কৰি অঞ্চলটোৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। জানিব পৰা মতে, এই সংকুল ভিত্তিক বিজ্ঞান আৰু গণিত মেলাত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

# তপোধন চৌহদত আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াদ পৰীক্ষাৰ বঁটা বিতৰণ

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১৯ আগষ্ট ঃ** সমাজত দেখা দিয়া ঋনাত্মক কথা বিলাকৰ পৰা আতৰি থাকিব লাগিব।এটা শ্ৰেণী আছে যিয়ে সদায় ধনাত্মক কাম কাজৰ পৰা আতৰি থাকে। এই শ্ৰেনীৰ মানুহৰ পৰা নিজে আতৰি থকাৰ উপৰি প্ৰতিজন শিশু তথা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখিব লাগিব। তেতিয়াহে ধনাত্মক চিন্তাৰে সমাজখন আগুৱাই যাব। এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাৰ। শনিবাৰে নলবাৰী জিলাৰ বৰমুৰিকোনাস্থিত তপোধন চৌহদৰ শৈশৱ বিদ্যাপীঠত আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াদ পৰীক্ষাৰ বটা বিতৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক আনে কি কৰিছে, কি ভাবিছে সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি নিজক আগুৱাই নি দেশ আৰু দহৰ কল্যাণৰ বাবে কাম কৰি যাবলৈ সাজু হোৱাৰ বাবে আহ্বান জনায়। উল্লেখ্য যে যোৱা বৰ্ষত অৱতীৰ্ণ হোৱা জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিষয়সমূহত লাভ কৰা ৰেংক অনুসৰি প্ৰমাণ পত্ৰ, বটা, মেডেল আৰু বঁটা গ্ৰহণ কৰে। বিদ্যাপীঠৰ শিক্ষক ইন্দ্ৰ প্ৰধানে আত ধৰা অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে প্ৰায় ডেৰ শতাধিক অভিভাৱক অভিভাৱিকা উপস্থিত থাকে।

দৈনিক অগ্রদূত
গুৱাহাটী, ২০ আগষ্ট, ২০২৬ বৃহস্পতিবাৰ, পৃষ্ঠা ১২

# জীৱন-ধাৰা



**বাহিৰত খোজ কঢ়াটো শ্ৰেষ্ঠ বা ট্ৰেডমিলটোৱেই একমাত্র পথ বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। বৰঞ্চ যিটো পদ্ধতিয়ে আপোনাক সামঞ্জস্যপূর্ণ হৈ থাকিবলৈ অনুমতি দিয়ে, সেইটোৱেই আপোনাৰ বাবে আটাইতকৈ ফলপ্রসূ**

## ৰাতিপুৱা বাহিৰত নে ট্ৰেডমিলত খোজ কাঢ়িব


### কোন পদ্ধতিয়ে চৰ্বি দ্ৰুতভাৱে ক্ষয় কৰে ?

ওজন হ্ৰাসৰ কথা আহিলে বহুতৰে বাবে প্ৰায়ে খোজ কঢ়াটোৱেই প্ৰথম পছন্দ। কিন্তু প্ৰশ্নটো হ'ল: মুকলি ঠাইত বাহিৰত খোজ কঢ়াটো চৰ্বি হ্ৰাসৰ বাবে অধিক ফলপ্ৰসূ নেকি, নে জিমত ট্ৰেডমিল ব্যৱহাৰ কৰি আপুনি দ্ৰুত ফলাফল পায়? চৰ্বি ঢালি দিয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰকসমূহ হ'ল সামঞ্জস্যপূৰ্ণ শাৰীৰিক কাৰ্যকলাপ আৰু পৰ্যাপ্ত শাৰীৰিক পৰিশ্ৰম।

ৰাস্তাত বা পাৰ্কত খোজ কাঢ়িলে আপোনাৰ শৰীৰে বিভিন্ন ভূখণ্ডৰ লগত খাপ খাব লাগিব- সমতল পথ, অসমান মাটি আৰু শিলৰ পৃষ্ঠ। ইয়াৰ ফলত আপোনাৰ খোজ কঢ়াৰ গতি সামান্য সলনি হ'ব পাৰে আৰু বিভিন্ন পেশীৰ গোটত জড়িত হ'ব পাৰে। ইয়াৰ উপৰিও বাহিৰত খোজ কাঢ়িলে মানসিক স্বাস্থ্যৰ লাভ হ'ব পাৰে; প্ৰকৃতিত সময় কটোৱা, শুদ্ধ বতাহ উশাহ লোৱা, ঘৰ বা অফিচৰ পৰিৱেশৰ পৰিসীমাৰ পৰা আঁতৰি যোৱা আদিয়ে খোজ কঢ়াৰ অভ্যাসটোক অধিক আনন্দদায়ক কৰি তুলিব পাৰে। সেইবাবেই বহুতে ৰাতিপুৱা বা সন্ধিয়া খোজ কাঢ়িবলৈ ইমান সুখদায়ক বুলি ভাবে।

আনহাতে ট্ৰেডমিলৰ আটাইতকৈ ডাঙৰ সুবিধাটো হ'ল ইয়াৰ দ্বাৰা প্ৰদান কৰা নিয়ন্ত্ৰিত পৰিৱেশ। বৰষুণ, অতি উত্তাপ, প্ৰদূষণ বা বাহিৰত সুৰক্ষাৰ চিন্তা যিয়েই নহওক কিয়, আপুনি যেতিয়াই ইচ্ছা তেতিয়াই ঘৰৰ ভিতৰত ট্ৰেডমিলত খোজ কাঢ়িব পাৰে। খোজ কঢ়াৰ গতিও নিয়ন্ত্ৰণ কৰিব পাৰে।

শেষত, আপুনি ক'ত খোজ কাঢ়ে তাতকৈ আপুনি কিমান ধাৰাবাহিকভাৱে আৰু কেনেকৈ খোজ কাঢ়ে সেইটোৱেই বেছি গুৰুত্বপূৰ্ণ। শৰীৰৰ চৰ্বি হ্ৰাস কৰিবলৈ আপুনি নিশ্চিত হ'ব লাগিব যে খোজ কঢ়া আৰু দৈনন্দিন কাম-কাজৰ জৰিয়তে



জ্বলোৱা কেলৰি আপোনাৰ খাদ্যৰ জৰিয়তে খোৱা কেলৰিতকৈ বেছি। গতিকে বাহিৰত খোজ কঢ়াটো শ্ৰেষ্ঠ বা ট্ৰেডমিলটোৱেই একমাত্ৰ পথ বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। বৰঞ্চ যিটো পদ্ধতিয়ে আপোনাক সামঞ্জস্যপূৰ্ণ হৈ থাকিবলৈ অনুমতি দিয়ে, সেইটোৱেই আপোনাৰ বাবে আটাইতকৈ ফলপ্ৰসূ। কিছুমানৰ বাবে পাৰ্কত ৪০ মিনিটৰ দ্ৰুত খোজ কাঢ়িলে সহজ হ'ব পাৰে, আনহাতে কিছুমানে ট্ৰেডমিলত ৱৰ্কআউট কৰাত অধিক আৰাম অনুভৱ কৰিব পাৰে।

বিশেষজ্ঞসকলে দ্ৰুত, অস্থায়ী ফলাফলৰ পৰিৱৰ্তে দীৰ্ঘম্যাদী, বহনক্ষম পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। ফাষ্টপোষ্টৰ অন্যান্য স্বাস্থ্য প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ওজন পৰিচালনা কৰিবলৈ একেলগে নিজৰ জীৱনশৈলীৰ একাধিক দিশ বিবেচনা কৰাটো প্ৰয়োজন।

**আপুনি কোনটো বিকল্প বাছি ল'ব লাগে?**

যদি আপুনি বাহিৰত খোজ কাঢ়ি ভাল পায় আৰু নিৰাপদ পৰিৱেশৰ সুবিধা আছে, তেন্তে নিয়মীয়াকৈ দ্ৰুত খোজ কঢ়াটো এটা উৎকৃষ্ট পছন্দ। আৰু যদি বতৰ, প্ৰদূষণ বা সময়ৰ অভাৱৰ বাবে বাহিৰত খোজ কঢ়াটো কঠিন হৈ পৰে, তেন্তে ট্ৰেডমিল অতি ফলপ্ৰসূ হ'ব পাৰে। সপ্তাহত মাত্ৰ এবাৰ বা দুবাৰ দীঘলীয়া খোজ কাঢ়িবলৈ যোৱাতকৈ নিজৰ ক্ষমতা অনুসৰি নিয়মিতভাৱে বা দৈনিক খোজ কঢ়াটো অধিক গুৰুত্বপূৰ্ণ।

মনত ৰাখিব, যদি আপোনাৰ ওজন হ্ৰাসৰ লক্ষ্য, শাৰীৰিক সমস্যা বা দীৰ্ঘদিনীয়া ৰোগ আছে, তেন্তে নতুন ব্যায়ামৰ নিয়ম আৰম্ভ কৰাৰ আগতে চিকিৎসকৰ পৰামৰ্শ লোৱাটো অতি প্ৰয়োজনীয়।

## গৰম ননষ্টিক কেৰাহীত পানী ঢালি দিয়ে নেকি ?

### এই ভুলৰ ফলত ননষ্টিক ৰন্ধন সামগ্ৰীৰ আয়ুস কম হয়



**ননষ্টিক কেৰাহীবোৰ সঠিকভাৱে যত্ন নকৰিলে সোনকালে বেয়া হ'ব পাৰে। তদুপৰি সামান্য তদাৰকী কৰিলে আপোনাৰ খাদ্যত বিষাক্ত পদাৰ্থ মিহলি হ'ব পাৰে। কেনেকৈ জানেনে?**

কম তেলেৰে ৰন্ধা-বঢ়াৰ ধাৰা বাঢ়িছে, যাৰ ফলত ৰন্ধন সামগ্ৰীৰ পছন্দৰ পৰিৱৰ্তন ঘটিছে। পৰম্পৰাগত লোহা, এলুমিনিয়াম, বা তীখাৰ পাত্ৰৰ ঠাইত ননষ্টিক পেনে পাকঘৰক দখল কৰিছে। কিন্তু উপযুক্ত যত্ন অবিহনে এই কেৰাহীবোৰ সোনকালে ক্ষতিগ্ৰস্ত হ'ব পাৰে। তদুপৰি সৰু ভুল এটাই খাদ্যৰ লগত বিষাক্ত পদাৰ্থ মিহলি হ'ব পাৰে। কেনেকৈ জানেনে?

নন-ষ্টিক ৰন্ধন সামগ্ৰীত টেফ্লন আৱৰণ থাকে, যিটো এক প্ৰকাৰৰ ফ্ল'ৰ'পলিমাৰ। স্পেটুলা আৰু লেডলৰ দ্বাৰা অতিমাত্ৰা গৰম হ'লে বা আঁচোৰ মাৰিলে এই ফ্ল'ৰ'পলিমাৰটোৱে খাদ্যত ফ্ল'ৰাইড নিৰ্গত কৰিব পাৰে- যিবোৰ পদাৰ্থ স্বাস্থ্যজৰ বাবে ক্ষতিকাৰক। সেইবাবেই আৱৰণখন খোলা হ'বলৈ আৰম্ভ কৰিলেই ননষ্টিক ৰন্ধন সামগ্ৰী ব্যৱহাৰ নকৰিবলৈ পৰামৰ্শ দিয়া হয়। গতিকে, আৱৰণখন যাতে ক্ষয় নহয় তাৰ বাবে আপুনি কি কৰিব পাৰে?

**ননষ্টিক ৰন্ধন সামগ্ৰী কেনেকৈ চাফা কৰিব লাগে**

প্ৰায়ে মানুহে গৰম ননষ্টিক কেৰাহীবোৰ ৰন্ধা লগে লগে ঠাণ্ডা পানীৰে ধুই পেলায়-যেনেকৈ লোহা বা ষ্টীলৰ কেৰাহীৰে ধুই দিয়ে। অৱশ্যে ননষ্টিক কুকৱেৰেৰে এই ভুলৰ পৰা আঁতৰি থাকিব লাগিব। গৰম হৈ থকাৰ সময়ত কেৰাহীত পানী ঢালি নিদিব; ধোৱাৰ বাবে চিঙ্কত ৰখাৰ আগতে ইয়াক কোঠাৰ উষ্ণতালৈ ঠাণ্ডা হোৱালৈ অপেক্ষা কৰক।

**জোৰদাৰ স্ক্ৰাবিং এৰক**

ননষ্টিক কেৰাহীবোৰ আক্ৰমণাত্মকভাৱে স্ক্ৰাব নকৰিব। বাৰে বাৰে ঘৰ্ষণকাৰী স্ক্ৰাবাৰ বা ষ্টীলৰ উল ব্যৱহাৰ কৰিলে আৱৰণটো আঁতৰাই পেলোৱা হ'ব। তাৰ পৰিৱৰ্তে তৰল বাচন চাবোন আৰু কোমল স্পঞ্জ বা স্ক্ৰাবাৰ ব্যৱহাৰ কৰি কেৰাহীখন লাহে লাহে ধুই লওক, তাৰ পিছত কোমল কাপোৰেৰে শুকুৱাই মচি লওক।

**ননষ্টিক পেনৰ যত্ন ল'বলৈ আপুনি আৰু কি কি নিৰ্দেশনা মানি চলিব লাগে?**

কেৰাহীখন গৰম কৰি থাকোঁতে তেলেৰে ব্ৰাছ কৰক। ইয়াৰ ফলত খাদ্য লাগি নাথাকে, যাৰ ফলত স্পেটুলা বা লেডলৰ সহায়ত জোৰদাৰভাৱে খোঁচোৱাৰ প্ৰয়োজন নাই। কাঠ বা ছিলিকন স্পেটুলা ননষ্টিক কেৰাহীৰ সৈতে ব্যৱহাৰ কৰিব লাগে; ইয়াৰ ফলত টেফ্লন আৱৰণ সহজে ক্ষতিগ্ৰস্ত হোৱাত বাধা দিয়ে।

ননষ্টিক কেৰাহী ব্যৱহাৰ কৰাৰ সময়ত কম জুইত ৰান্ধিব, কিয়নো উচ্চ উষ্ণতাই টেফ্লন আৱৰণৰ ক্ষতি হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে।

## খাদ্য খোৱাৰ সময়ত এগিলাচ পানী খোৱাটো ভাল নে বেয়া অভ্যাস?



আপুনি পানীৰ বটল এটা লৈ খাবলৈ বহি লয়। প্ৰতি দুই মুখ ভাত খোৱাৰ পিছত পানীৰ চুমুক এটা খায়। এই অভ্যাস আচলতে ভাল নেকি? ইয়াৰ ফলত পাচনতন্ত্ৰৰ সমস্যা হ'ব পাৰেনে? কিছুমানে খাদ্য খোৱাৰ সময়ত পানী খায়, আন কোনোবাই খাদ্য শেষ কৰাৰ লগে লগে এগিলাচ খায়। কিন্তু স্বাস্থ্যৰ বাবে কোনটো অভ্যাস ভাল সেই বিষয়ে বহুতে অজ্ঞাত। বাস্তৱত আপোনাৰ শৰীৰৰ ওপৰত ইয়াৰ প্ৰভাৱ নিৰ্ভৰ কৰে আপুনি কেতিয়া পানীখিনি খায় তাৰ ওপৰত। পাচন প্ৰক্ৰিয়াটো খাদ্য আৰু পানী গ্ৰহণৰ সময়ৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল।

**ভাল হজমৰ বাবে পানী খোৱাৰ উত্তম সময় কেতিয়া?**

চিকিৎসকৰ মতে খাদ্য খোৱাৰ পিছত পানী খোৱাটো উপকাৰী। ই বিপাকীয় হাৰ উন্নত কৰে আৰু পেটত থকা খাদ্য ভাঙি পেলোৱাত সহায় কৰে। ইয়াৰ উপৰিও খাদ্য খোৱাৰ পিছত পানী খালে কোষ্ঠকাঠিন্য ৰোধ কৰাত সহায়ক হয়। যদি অত্যধিক পিত্ত নিঃসৰণ হয় তেন্তে খাদ্য খোৱাৰ কিছু সময়ৰ পিছত পানী খোৱাটো ভাল। অৱশ্যে এই নিয়ম সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়; পাচনতন্ত্ৰৰ সমস্যা থকাসকলে খাদ্য খোৱাৰ আধা ঘণ্টা আগতে পানী খাব লাগে।

**খাদ্য খোৱাৰ আগতে পানী খালে কি কি উপকাৰ হয়?**

অতিমাত্ৰা খাদ্য খোৱাৰ প্ৰৱণতা থাকিলে খাবলৈ বহাৰ আধা ঘণ্টা আগতে পানী খাব লাগে। ইয়াৰ ফলত পেট ভৰি পৰে আৰু অত্যধিক খাদ্য খোৱাৰ হেঁপাহ কমি যায়। এই অভ্যাসে ওজন নিয়ন্ত্ৰণৰ বাবে আচৰিত কাম কৰে। খাদ্য খোৱাৰ আগতে পানী খোৱাটোৱেও বিপাকীয় ক্ৰিয়া বৃদ্ধি কৰে; গতিকে তেনে কৰিলে পাচনতন্ত্ৰৰ সমস্যা নহ'ব।

**খাদ্য খোৱাৰ সময়ত পানী খোৱাটো উচিত নেকি?**

খাদ্য গিলিবলৈ অসুবিধা হ'লে অলপ পানী খোৱাৰ প্ৰয়োজন হ'ব পাৰে। খাদ্য খোৱাৰ সময়ত হিচকি হ'লেও পানী খাব লাগিব। কেতিয়াবা, খাদ্যৰ টুকুৰাবোৰ খাদ্যনলীত আবদ্ধ হৈ পৰিব পাৰে; পানী খোৱাটোৱে সেই খাদ্য পেটলৈকে তললৈ লৈ যোৱাত সহায় কৰে। কিন্তু খাদ্য খোৱাৰ সময়ত বেছি পানী খোৱাৰ পৰা বিৰত থাকক- কমকৈ চুমুক দিয়ক। যদি আপুনি এচিড ৰিফ্লাক্স, বদহজম বা পেট ফুলা ৰোগত ভুগিছে তেন্তে খাদ্যৰ সময়ত পানীৰ পৰিমাণ সীমিত কৰাটো ভাল।

ৰ!

**খাদ্য খোৱাৰ সময়ত পানী খোৱাটো ক্ষতিকাৰক নেকি?**

নহয়, কম পৰিমাণে পানী খোৱাটো সাধাৰণতে ক্ষতিকাৰক নহয়।

**আহাৰ খোৱাৰ পিছত কেতিয়া পানী খোৱাটো ভাল?**

খাদ্য শেষ কৰাৰ পিছত পানী খাব পাৰে।

**আহাৰ খোৱাৰ আগতে পানী খোৱাৰ উপকাৰিতা কি কি?**

খাদ্য খোৱাৰ প্ৰায় ৩০ মিনিট আগতে পানী খালে পূৰ্ণতাৰ অনুভৱ হয়, যিয়ে অতিমাত্ৰা খাদ্য খোৱা কমোৱাত সহায় কৰিব পাৰে।

**আহাৰ গ্ৰহণৰ লগত কিমান পানী খাব লাগে?**

প্ৰয়োজন হ'লে সামান্য পৰিমাণে পান কৰিব; একেলগে বৃহৎ পৰিমাণৰ পানী খোৱাৰ পৰা বিৰত থকাটো ভাল।

**পাচনতন্ত্ৰৰ সমস্যা থাকিলে কেতিয়া পানী খাব লাগে?**

খবৰ অনুসৰি হজম শক্তিৰ সমস্যা হ'লে খাদ্য খোৱাৰ প্ৰায় আধা ঘণ্টা আগতে পানী খাব পাৰে।

## দিনটোত দুবাৰ ব্ৰাছ কৰিলেই নহ'ব, এই ৫টা দৈনন্দিন অভ্যাসে আপোনাৰ দাঁতৰ ক্ষতি কৰিব পাৰে

**কেৱল ব্ৰাছ কৰিলে মুখৰ সুস্বাস্থ্য নিশ্চিত হয় বুলি ভবাটো ভুল। দৈনন্দিন কিছুমান সাধাৰণ অভ্যাসে অজানিতে দাঁতৰ ইনামেল খহাই পেলাব পাৰে, গহ্বৰৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে আৰু আলুৰ বিভিন্ন সমস্যাৰ সৃষ্টি কৰিব পাৰে। এই ক্ষতিকাৰক অভ্যাসসমূহ সময়মতে চিনাক্ত কৰি সলনি কৰিলে ভৱিষ্যতে দাঁতৰ ডাঙৰ ডাঙৰ সমস্যাসমূহ সহজেই প্ৰতিৰোধ কৰিব পৰা যাব**



দৈনিক দুবাৰকৈ ব্ৰাছ কৰাটো অতি প্ৰয়োজনীয় যদিও গোটেই দিনটো চেনিযুক্ত পানীয় সেৱন কৰা, দাঁত পিহি লোৱা, মুখত উশাহ লোৱা, বিভিন্ন কামত দাঁত ব্যৱহাৰ কৰা, সঘনাই জলপান খোৱা আদি অভ্যাসে ইনামেল খহনীয়া, গহ্বৰ, আলুৰ ৰোগ আদিৰ সম্ভাৱনা বৃদ্ধি কৰে। গতিকে দাঁত সুস্থ কৰি ৰখাৰ বাবে জীৱনশৈলীৰ অভ্যাস সলনি কৰাটো অতি গুৰুত্বপূৰ্ণ।

**আপুনি কি শিকিব:**

দৈনিক কোনটো ৫টা অভ্যাসে দাঁতৰ আটাইতকৈ বেছি ক্ষতি কৰে।

দাঁতৰ ইনামেল খহনীয়াৰ প্ৰধান কাৰণ।

মুখৰ উশাহ লোৱাটো কিয় দাঁত আৰু আলুৰ বাবে ক্ষতিকাৰক।

দাঁত পিহি লোৱা আৰু সঘনাই জলপান খোৱাৰ বিৰূপ প্ৰভাৱ।

**দীৰ্ঘম্যাদী দন্ত স্বাস্থ্যৰ বাবে কৰিবলগীয়া অভ্যাস।**

দিনটোত দুবাৰকৈ ব্ৰাছ কৰাটো দাঁত আৰু আলুৰ সুস্থতাৰ বাবে অতি প্ৰয়োজনীয়। কিন্তু কেৱল ব্ৰাছ কৰিলে মুখৰ সুস্বাস্থ্য নিশ্চিত হয় বুলি ভবাটো ভুল। দৈনন্দিন কিছুমান সাধাৰণ অভ্যাসে অজানিতে দাঁতৰ ইনামেল খহাই পেলাব পাৰে, গহ্বৰৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে আৰু আলুৰ বিভিন্ন সমস্যাৰ সৃষ্টি কৰিব পাৰে। এই ক্ষতিকাৰক অভ্যাসসমূহ সময়মতে চিনাক্ত কৰি সলনি কৰিলে ভৱিষ্যতে দাঁতৰ ডাঙৰ ডাঙৰ সমস্যাসমূহ সহজেই প্ৰতিৰোধ কৰিব পৰা যাব। কি কৰা উচিত?

**গোটেই দিনটো চেনিযুক্ত বা এচিডিক পানীয় সেৱন কৰা**

বহুতে গোটেই দিনটো শীতল পানীয়, বটলত ভৰোৱা ফলৰ ৰস, সোৱাদযুক্ত কফি, এনাৰ্জি ড্ৰিংক, বা আইচড টি কম পৰিমাণে চুমুক দিয়ে। ইয়াৰ ফলত দাঁতবোৰ দীৰ্ঘদিন ধৰি এচিডৰ সংস্পৰ্শত থাকে। এই এচিডে ক্ৰমান্বয়ে দাঁতৰ ইনামেল খহনীয়া কৰি গহ্বৰ হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে। এনে পানীয় একে সময়তে সেৱন কৰাটো ভাল। ইয়াৰ পিছত পানীৰে মুখ ধুলে দাঁতত এচিডৰ প্ৰভাৱ বহু পৰিমাণে হ্ৰাস পায়।

**মানসিক চাপৰ বাবে দাঁত পিহি যোৱা**

বহুতে শুই থকাৰ সময়ত অজানিতে দাঁত পিহি বা চোলা জোৰেৰে চেপি ধৰে। এই অভ্যাস প্ৰায়ে মানসিক চাপ বা উদ্বেগৰ সৈতে জড়িত। এনেদৰে দীৰ্ঘদিন ধৰি থাকিলে দাঁতৰ ইনামেল খহনীয়া, আলুৰ বিষ, মূৰৰ বিষ, আনকি দাঁত ফাটি যোৱা আদিও হ'ব পাৰে। যদি আপুনি ৰাতিপুৱা সাৰ পায় আলুৰ বিষ বা অস্বাভাৱিক দাঁতৰ সংবেদনশীলতা অনুভৱ কৰে তেন্তে দন্ত চিকিৎসকৰ পৰামৰ্শ নিশ্চয় লওক।

**নাকৰ সলনি মুখেৰে উশাহ লোৱা**

এলাৰ্জী, নাক বন্ধ হোৱা, বা টোপনিৰ সমস্যাৰ বাবে বহুতে মুখৰ মাজেৰে উশাহ লয়। ইয়াৰ ফলত মুখখন শুকান হৈ পৰে কাৰণ লালা উৎপাদন কমি যায়। মৌখিক বেক্টেৰিয়া আৰু এচিড নিৰ্মূল কৰাত লালাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে; মুখ শুকাই গ'লে দাঁতৰ ক্ষয় আৰু আলুৰ ৰোগৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পায়।

**বিভিন্ন কামত দাঁত ব্যৱহাৰ কৰা**

বহুতে বটলৰ টুপি খুলিবলৈ, খোলা টোপোলা ফালিবলৈ, নখ কামুৰিবলৈ বা কলম চোবাই খাবলৈ দাঁত ব্যৱহাৰ কৰে। ইয়াৰ ফলত দাঁতত অত্যধিক চাপ পৰে আৰু ইনামেলত অণুবীক্ষণিক ফাট মেলিব পাৰে। এই অভ্যাসসমূহ দীৰ্ঘম্যাদীভাৱে বজাই ৰাখিলে দাঁতৰ গুৰুতৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে।

**গোটেই দিনটো সঘনাই জলপান খোৱা**

প্ৰতিবাৰ খাদ্য খোৱাৰ সময়ত মৌখিক বেক্টেৰিয়াই এচিড উৎপন্ন কৰে যিয়ে দাঁতৰ ইনামেলৰ ক্ষতি কৰে। ফলস্বৰূপে সঘনাই জলপান খালে আপোনাৰ দাঁতবোৰ বাৰে বাৰে এচিডৰ আক্ৰমণৰ সন্মুখীন হয়, যাৰ ফলত দাঁতবোৰ প্ৰাকৃতিকভাৱে সুস্থ হৈ উঠাত বাধা দিয়ে। যদি খাদ্যৰ মাজত জলপান খোৱাৰ অভ্যাস আছে তেন্তে সঘনাই কম কৰিবলৈ চেষ্টা কৰক আৰু স্বাস্থ্যসন্মত খাদ্যৰ বিকল্প বাছি লওক।

**কেৱল ব্ৰাছ কৰাটোৱেই নহয়; দৈনন্দিন অভ্যাসবোৰো গুৰুত্বপূৰ্ণ**

দন্ত চিকিৎসা কেৱল ব্ৰাছ আৰু ফ্লছিং কৰাত সীমাবদ্ধ নহয়। দৈনন্দিন সৰু সৰু অভ্যাসে আপোনাৰ দাঁত আৰু আলুৰ দীৰ্ঘম্যাদী স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। খাদ্যাভ্যাসৰ সঠিক অভ্যাস, দাঁত সঠিকভাৱে ব্যৱহাৰ কৰা, নাকেৰে উশাহ লোৱা, নিয়মীয়াকৈ দন্ত পৰীক্ষা কৰা আদি সকলোবোৰ সুস্থ, শক্তিশালী দাঁত বজাই ৰখাৰ বাবে সমানেই গুৰুত্বপূৰ্ণ।

**দিনটোত দুবাৰকৈ ব্ৰাছ কৰিলেই সকলো দন্ত সমস্যাৰ পৰা হাত সাৰিব পাৰিনে?**

নহয়, ব্ৰাছ কৰাৰ লগতে খাদ্যাভ্যাস, মুখৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৰু কিছুমান দৈনন্দিন অভ্যাসও দাঁতৰ স্বাস্থ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ।

দিনটোৰ ভিতৰত চেনিযুক্ত খাদ্য বা শীতল পানীয় সেৱনৰ ক্ষতিকাৰক প্ৰভাৱ কি? ইয়াৰ ফলত দাঁতবোৰ দীৰ্ঘ সময়ৰ বাবে এচিডৰ সংস্পৰ্শত থাকে, যাৰ ফলত ইনামেল খহনীয়া হয় আৰু গহ্বৰৰ সম্ভাৱনা বৃদ্ধি পায়।

**টোপনিৰ সময়ত দাঁত পিহিলে কি কি সমস্যাৰ সৃষ্টি হ'ব পাৰে?**

নিয়মিতভাৱে দাঁত পিহিলে ইনামেল খহনীয়া, আলুৰ বিষ, মূৰৰ বিষ, দাঁত ফাটি যোৱা আদি সমস্যাৰ সৃষ্টি হ'ব পাৰে।

**মুখৰ মাজেৰে উশাহ লোৱাটো দাঁতৰ বাবে ক্ষতিকাৰক নেকি?**

হয়। ইয়াৰ ফলত মুখ শুকান হয় আৰু লালাৰ সোঁত কমি যায়; ফলত বেক্টেৰিয়াৰ বৃদ্ধিয়ে দাঁতৰ ক্ষয় আৰু আলুৰ ৰোগৰ সম্ভাৱনা বৃদ্ধি কৰে।

**বটল খুলিবলৈ দাঁত ব্যৱহাৰ কৰিব লাগে নে খোলা টোপোলা ফালিব লাগে?**

একেবাৰে নহয়। এনে কৰিলে দাঁতত অত্যধিক চাপ পৰে, ইনামেলত ফাট মেলিব পাৰে আৰু ভৱিষ্যতে দাঁতৰ গুৰুতৰ সমস্যাৰ সম্ভাৱনা বৃদ্ধি পায়।



# ৬০০ সংখ্যক টেষ্টত জয়লাভ ভাৰতৰ

## টেষ্টৰ ইতিহাসত নতুন অধ্যায় ঃ ১৬৫ ৰাণত পৰাস্ত শ্ৰীলংকা

**নিউজ ব্যুৰ'**
**গালে, ১৯ আগষ্ট ঃ** টেষ্ট ইতিহাসৰ ৬০০ সংখ্যক খেলত জয়লাভ কৰিছে ভাৰতে। ইয়াৰ লগে লগে ইমান সংখ্যক টেষ্ট খেলা ভাৰত তৃতীয়খন দেশত পৰিগণিত হয়। উল্লেখ্য যে ৬০০ সংখ্যক টেষ্টত ভাৰতে শ্ৰীলংকাক ১৬৫ ৰাণত পৰাস্ত কৰে। গালেত অনুষ্ঠিত খেলখনত প্ৰথম ইনিংছত ভাৰতে ৪৬২ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই ২৮৪ ৰাণত অল আউট হোৱাত ভাৰতে ১৭৮ ৰাণৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয় ইনিংছত ভাৰতে ১৯ ৰাণ সংগ্ৰহ কৰি শ্ৰীলংকাক ৩৭২ ৰাণৰ লক্ষ্য বান্ধি দিয়ে। শেষত ১৬৫ ৰানত জয়লাভ কৰে ভাৰতে। এই খেলখনত ভাৰতৰ মানৱ সুথাৰে ১০টা উইকেট দখল কৰাৰ লগতে দেৱদত্ত পাদিক্কলে শতক অৰ্জন কৰে। উল্লেখ্য যে কেৰিয়াৰৰ উৎকৃষ্ট প্ৰদৰ্শন কৰি সুথাৰে এখন টেষ্টতে ১০টা উইকেট লৈ অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হয়। বিদেশৰ মাটিত এখন টেষ্টত ১০টা উইকেট দখল কৰা আটাইতকৈ কম বয়সীয়া ভাৰতীয় হিচাপেও পৰিগণিত হয় সুথাৰ। কেৱল এয়াই নহয় স্পিনাৰ হিচাপে ১০টা উইকেট দখল কৰা তেওঁ হৈছে সপ্তমগৰাকী ভাৰতীয় বলাৰ। ইয়াৰ পূৰ্বে অনিল কুম্বলে, হৰভজন সিং, ৰবিচন্দ্ৰন অশ্বিনকে ধৰি ছগৰাকী স্পিনাৰে এখন টেষ্টত ১০টা উইকেট লোৱাৰ কৃতিত্ব অৰ্জন কৰিছিল। ইয়াৰ উপৰি আফগানিস্তানৰ বিৰুদ্ধে টেষ্টত অভিষেক ঘটা সুথাৰৰ এয়া আছিল দ্বিতীয়খন টেষ্ট মেচ। কেৰিয়াৰৰ দ্বিতীয়খন টেষ্টতে ১০টা উইকেট লোৱা বলাৰ হিচাপেও সুথাৰে বিশেষ কৃতিত্ব অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে ভাৰতৰ ৩গৰাকী বলাৰে এই কৃতিত্ব অৰ্জন কৰিছিল।

ইফালে, সৰ্বাধিক টেষ্ট খেলাৰ তালিকাত শীৰ্ষত আছে ইংলণ্ড। দলটোৱে ১০৯৭ টেষ্ট খেলিছে। একেদৰে ৮৮৩ টেষ্টৰ জৰিয়তে দ্বিতীয় স্থানত আছে অষ্ট্ৰেলিয়া। ইয়াৰ পাছত তৃতীয়খন ৰাষ্ট্ৰ হৈছে ভাৰত। উল্লেখ্য যে ৬০০ সংখ্যক টেষ্টৰ ভিতৰত ভাৰতে ১৮৭খনত জয়, ১৮৮খন পৰাজয় আৰু ২২৪খন ড্ৰ' খেলিছে। টেষ্ট জয়ৰ তালিকাত অষ্ট্ৰেলিয়া (৪২৬), ইংলণ্ড (৪০৫), দক্ষিণ আফ্ৰিকা (১৯১) আৰু ৱেষ্ট ইণ্ডিজ (১৮৭)ৰ পাছতে পঞ্চম স্থানত আছে ভাৰত। আনহাতে, ভাৰতে প্ৰথম টেষ্ট ১৯৩২ত লৰ্ডছত ইংলণ্ডৰ বিৰুদ্ধে চি কে নায়ডুৰ অধিনায়কত্বত খেলিছিল। ইয়াৰ পাছত ১০০ সংখ্যক টেষ্ট ১৯৬৭ত বাৰ্মিংহাম ইংলণ্ডৰ বিৰুদ্ধে, ২০০ সংখ্যক টেষ্ট ১৯৮২ত লাহোৰত পাকিস্তানৰ বিৰুদ্ধে, ৩০০ সংখ্যক টেষ্ট ১৯৯৬ত আহমেদাবাদত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে, ৪০০ সংখ্যক টেষ্ট ২০০৬ত কিংষ্টনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে, ৫০০ সংখ্যক টেষ্ট ২০১৬ত কানপুৰত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিছিল।



# পৰাস্ত পাকিস্তান ঃ হকী বিশ্বকাপৰ ছুপাৰ-৮ত ভাৰত



**নিউজ ব্যুৰ'**
**আমষ্টেলভিন, ১৯ আগষ্ট ঃ** হকী বিশ্বকাপত পাকিস্তানক ৫-৩ গ'লত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছুপাৰ-আঠত প্ৰৱেশ কৰিছে ভাৰতে। আমষ্টেলভিনৰ ৱেগনাৰ ষ্টেডিয়ামত অনুষ্ঠিত পুল ডি মেচত ভাৰতীয় দলটোৱে আৰম্ভণিৰে পৰা পাকিস্তানৰ ওপৰত হেঁচা অক্ষুণ্ণ ৰাখিছিল। অধিনায়ক হৰমনপ্ৰীত সিং আৰু অভিষেক দুটাকৈ গ'ল দিয়াৰ বিপৰীতে হাৰ্দিক সিঙেও এটাকৈ গ'ল দিয়ে। পাকিস্তানৰ হৈ হান্নান শ্বাহিদে দুটা আৰু চুফিয়ান খানে এটা গ'ল দিয়ে। একেদৰে ৩৫ মিনিটত পেনাল্টি ষ্ট্ৰ'কত ভাৰতৰ পঞ্চমটো গ'ল দিয়ে উপ-অধিনায়ক হাৰ্দিক সিঙে।

## টেষ্ট বেটাৰৰ শীৰ্ষত হেৰী ব্ৰুক ঃবলাৰ শীৰ্ষত বুমৰাহ-এদিনীয়া বেটাৰ শীৰ্ষত গিল

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ আগষ্ট ঃ** আইচিচিয়ে আজি পুৰুষৰ সাপ্তাহিক ৰেংকিং প্ৰকাশ কৰে। ডাৰউইন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বাংলাদেশৰ ঐতিহাসিক ৯ উইকেটৰ জয়ৰ প্ৰভাৱ পৰিছে ৰেংকিঙত। টেষ্ট বেটাৰ ভিতৰত ইংলণ্ডৰ হেৰী ব্ৰুকে পুনৰ শীৰ্ষ স্থান দখল কৰাৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ ট্ৰেভিছ হেডে চতুৰ্থ স্থানত উপনীত হৈছে। একেদৰে, ২১ মাহ ধৰি টেষ্ট বলাৰৰ শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে ভাৰতীয় বেগী বলাৰ যশপ্ৰীত বুমৰাহ। ২০২৪ৰ নৱেম্বৰত বুমৰাহে এক নম্বৰ স্থান লাভ কৰিছিল আৰু তেতিয়াৰ পৰাই সেই স্থান অক্ষুণ্ণ ৰাখিছে। তেওঁৰ ৰেটিং পইণ্ট ৮৭০। ইফালে, এদিনীয়া বেটাৰ ৰেংকিঙৰ শীৰ্ষত আছে শুভমন গিল। উল্লেখ্য যে ডাৰউইন টেষ্টত অষ্ট্ৰেলিয়াৰ ট্ৰেভিছ হেডে মাত্ৰ ২২ আৰু ১৭ ৰাণহে কৰিবলৈ সক্ষম হয়। এই প্ৰদৰ্শনে হেডক প্ৰথমৰ পৰা চতুৰ্থ স্থানত উপনীত হয়। তেওঁৰ স্থান হেৰুৱাৰ ফলত ইংলণ্ডৰ হেৰী ব্ৰুক লাভৱান হয় আৰু তেওঁ পুনৰ শীৰ্ষ স্থানলৈ উভতি আহে। ব্ৰুকক অনুসৰণ কৰি ইংলণ্ডৰ জো ৰুটে দ্বিতীয় স্থানত আৰু অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথে তৃতীয় স্থানত উপনীত হয়। শীৰ্ষ চাৰিজন বেটাৰৰ মাজত মাত্ৰ ৩৩ ৰেটিং পইণ্টহে পৃথক। আনহাতে, টেষ্টৰ অল-ৰাউণ্ডাৰ শীৰ্ষ স্থানত আছে ৰবীন্দ্ৰ জাডেজা। শেষবাৰৰ বাবে ২০২২ৰ ৯ মে'ত শীৰ্ষস্থান দখল কৰিছিল। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জান্সেন ৩৪৪ পইণ্টেৰে দ্বিতীয় স্থানত আছে আৰু বাংলাদেশৰ মেহিদি হাছান মিৰাজে ৩২০ পইণ্টেৰে তৃতীয় স্থানত আছে। অষ্ট্ৰেলিয়াৰ মিচেল ষ্টাৰকে এটা স্থান হ্ৰাস হৈ ২৭০ পইণ্টেৰে চতুৰ্থ স্থানত উপনীত হৈছে। উল্লেখ্য যে এদিনীয়া বেটিং ৰেংকিঙত ভাৰতৰ শুবমান গিল ৮০১ ৰেটিংৰে প্ৰথম স্থানত আছে। নিউজিলেণ্ডৰ ডেৰিল মিচেল ৭৯৪ ৰেটিংৰে দ্বিতীয় স্থানত আছে আৰু ভাৰতৰ বিৰাট কোহলী ৭৬৭ ৰেটিংৰে তৃতীয় স্থানত আছে। ৰোহিত শৰ্মাই ৭৫৮ ৰেটিংৰে চতুৰ্থ স্থানত আছে।

## জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেটত ইনিংছ ব্যৱধানত জয়ী ডিব্ৰুগড়

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড, ১৯ আগষ্ট ঃ** অসম ক্ৰিকেট সন্থাৰ জেকে বৰুৱা ১৯ বছৰৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ডিব্ৰুগড় জিলা দলে নাহৰকটীয়াৰ বিৰুদ্ধে এক ইনিংছ আৰু ১১৭ ৰাণত জয়ী হয়। দুদিনীয়া খেলখনৰ আজি অন্তিম দিনা ডিব্ৰুগড় জিলাৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰিলে নাহৰকটীয়া দলে। কালি ডিব্ৰুগড় জিলা দলে নিজৰ প্ৰথম ইনিংছত ৮ উইকেট হেৰুৱাই ২৮০ ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। ইফালে, কালি খেল শেষ হোৱালৈকে নাহৰকটীয়া দলে নিজৰ প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই ২৯ ৰাণ কৰিছিল। আজি নাহৰকটীয়া দলে খেল আৰম্ভ কৰি প্ৰথম ইনিংছত সকলো উইকেট হেৰুৱাই মাত্ৰ ৬৭ ৰাণ কৰাত ফল'অন কৰিব লগা হয়। ডিব্ৰুগড় জিলা দলৰ হৈ আব্বাছ আলীয়ে ৪টা উইকেট লাভ কৰে। ইয়াৰ পিছতে নাহৰকটীয়া দলে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৯৬ ৰাণত সকলো উইকেট হেৰুৱাই ইনিংছ ব্যৱধানত পৰাজিত হয়। ডিব্ৰুগড় জিলা দলৰ হৈ অভিষেক যাদৱে ৭টা উইকেট লাভ কৰে। নাহৰকটীয়া দলৰ হৈ সৰ্বাধিক ২৩ ৰাণ কৰে। ইনিংছ ব্যৱধানত জয়ী হৈ ডিব্ৰুগড় জিলাই ৭ পইণ্ট লাভ কৰে।

## ডুৰাণ্ড কাপৰ ছেমিফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড-মোহন বাগান

**নিউজ ব্যুৰ'**
**শ্বিলং, ১৯ আগষ্ট ঃ** চলিত ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ হ'বলগা দ্বিতীয়খন ছেমিফাইনেলত যোৱা দুটা ছিজনৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেড এফচিয়ে অভিলেখ সংখ্যক ১৭ বাৰ ডুৰাণ্ড কাপৰ খিতাপ দখল কৰা কলকাতাৰ মোহন বাগান ছুপাৰ জায়েণ্ট দলৰ বিৰুদ্ধে খেলিব। শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত নিশা সাত বজাত এই হাইভ'ল্টেজ মেচখন অনুষ্ঠিত হ'ব। উল্লেখ্য যে তিনি বছৰ পূৰ্বে কলকাতাৰ বিবেকানন্দ যুৱভাৰতী ক্ৰীড়াংগনত মোহন বাগান ছুপাৰ জায়েণ্ট দলকে পৰাস্ত কৰি নৰ্থ-ইষ্ট ইউনাইটেড এফচিয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় স্তৰৰ প্ৰথমটো গৌৰৱ ঐতিহাসিক ডুৰাণ্ড কাপৰ খিতাপ দখল কৰিছিল। সেই সাফল্যৰ পৰাই দলৰ গৌৰৱময় যাত্ৰা ডুৰাণ্ড কাপত অনিৰুদ্ধ গতিত চলি আছে। অপৰাজিত নৰ্থ ইষ্ট ইউনাইটেডে শ্বিলঙত হোৱা কোৱাৰ্টাৰ ফাইনেলত পিছ পৰি থকাৰ পাছতো তাৰকা ষ্ট্ৰাইকাৰ আলাদিন আজাৰাইৰ হেট্ৰিকৰে স্থানীয় দল ছিলং লাজং এফচিক ৫-২ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ক্ৰমাগত চতুৰ্থবাৰ ঐতিহাসিক ডুৰাণ্ড কাপৰ ছেমিফাইনেল খেলিব লগা নৰ্থ-ইষ্ট ইউনাইটেডে প্ৰতিযোগিতাৰ খিতাপ জয়ৰ হেট্ৰিক অৰ্জনৰ লক্ষ্য পূৰ্ণ কৰিবলৈ আৰু দুখন মেচত জয় প্ৰয়োজন। এই মেচৰ পূৰ্বে আজি সংবাদমেলত নৰ্থ-ইষ্ট ইউনাইটেডৰ মুখ্য প্ৰশিক্ষক জুয়ান পেড্ৰ' বেনালিয়ে কয় 'মেচ আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ। একে কথা মোহন বাগানৰ বাবেও। প্ৰত্যাশিত ফল পোৱাটো দুয়োটা দলৰ বাবে সহজ নহ'ব। আমি এনে এটা প্ৰতিদ্বন্দ্বী লাভ কৰিছো, য'ত তেওঁলোকৰ ঘৰুৱা প্ৰায় সকলো খেলুৱৈয়েই ৰাষ্ট্ৰীয় দলৰ নিয়মীয়া খেলুৱৈ। অতি প্ৰতিভাৱান বিদেশী খেলুৱৈ আৰু এজন সুদক্ষ প্ৰশিক্ষকৰ অধীনত দলটো আগবাঢ়িছে।' উল্লেখ্য যে নৰ্থ-ইষ্ট ইউনাইটেডৰ সফলতা নিৰ্ভৰ কৰিব আজাৰায় কৰা প্ৰদৰ্শনৰ ওপৰত। ইতিমধ্যে দুটা হেট্ৰিক অৰ্জন কৰি শীৰ্ষত আছে তাৰকা ষ্ট্ৰাইকাৰজন। ছিলঙৰ পূৰ্বে গুৱাহাটীত বড়োলেণ্ড এফচিৰ বিৰুদ্ধেও প্ৰত্যাৱৰ্তন মেচত মৰক্কোৰ তাৰকাজনে হেট্ৰিক কৰিছিল।

ইফালে, মোহন বাগানে লীগ মেচত চমক দিলেও কোৱাৰ্টাৰ ফাইনেলত জামছেদপুৰ এফচিৰ বিৰুদ্ধে প্ৰত্যাহ্বানৰ সন্মুখিন হয়। টাইব্ৰেকাৰত মেচ জয় কৰি ছিলঙলৈ আহিছে আই এছ এলৰ পূৰ্ব চেম্পিয়ন দলটো। দলৰ নৱনিযুক্ত মুখ্য প্ৰশিক্ষক পানাজিঅ'টিছ ডিলম্পেৰিছে আজি কয়, 'বেনালী মোৰ এজন ভাল বন্ধু, কিন্তু খেলপথাৰৰ ভিতৰত কোনো বন্ধু নাই। তেওঁ এজন অতি ভাল দলক নেতৃত্ব দিয়া ডাঙৰ প্ৰশিক্ষক।' উল্লেখ্য যে মোহন বাগান আৰু নৰ্থ ইষ্ট ইউনাইটেড এতিয়ালৈকে ১৩ খন মেচত মখামুখি হৈছে। ইয়াৰে মোহন বাগানে দহ বাৰ বিজয়ী হোৱাৰ বিপৰীতে নৰ্থ ইষ্ট ইউনাইটেড দুখনত জয় আৰু এখন ড্ৰ'ৰ খেলিছে। ইতিহাস আছে মোহন বাগানৰ পক্ষত। কিন্তু নৰ্থ ইষ্ট ইউনাইটেড বৰ্তমানৰ শক্তি।

## ক্ৰীড়া সংগঠক সোণজিৎ কুমাৰ দাসৰ পৰলোক



**বিশেষ সংবাদদাতা**
**বৰপেটা, ১৯ আগষ্ট ঃ** ৰাজ্যিক পৰ্যায়ৰ প্ৰথম শ্ৰেণীৰ ক্ৰিকেট আম্পায়াৰ তথা ভলীবল ৰেফাৰী বৰপেটা মেটুৰাকুছি নিবাসী সোণজিৎ কুমাৰ দাস (৬২) হৃদৰোগত আক্ৰান্ত হৈ যোৱা নিশা প্ৰায় ২-২০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোক হয়। এগৰাকী শাৰীৰিক নিৰ্দেশক হিচাপে বৰপেটা ছায়াৰাম ছোৱালী শিক্ষানুষ্ঠানত জড়িত হৈ থকা দাসে উত্তৰ বৰপেটা হাইস্কুলৰ পৰা ২০২৫ বৰ্ষৰ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। সোণ নামেৰে পৰিচিত দাসে ক্ৰিকেটৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰথম শ্ৰেণীৰ এগৰাকী আম্পায়াৰ, ভলীবল ৰেফাৰীৰ উপৰি বৰপেটা ৰাইজিং ক্লাবৰ প্ৰাক্তন সম্পাদক আছিল। সুদক্ষ ক্ৰীড়া সংগঠক দাস বৰপেটা জিলা ক্ৰীড়া সন্থাৰ স'তেও জড়িত আছিল। তেওঁ কালি পুৱা প্ৰাতঃভ্ৰমণ কৰি থাকোতে হঠাৎ বুকুৰ বিষ অনুভৱ কৰাত ততালিকে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয় যদিও তাত কাৰ্ডিঅ' বিভাগ আৰু চিকিৎসক নথকাত গুৱাহাটীলৈ প্ৰেৰণ কৰে আৰু এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তাতে তেওঁৰ মৃত্যু হয়। দাসৰ মৃত্যুত বৰপেটাৰ ক্ৰীড়া জগতত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত দাসে পত্নীসহ এগৰাকীকৈ পুত্ৰ আৰু কন্যাক ইহসংসাৰত এৰি থৈ গৈছে।

## বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰি-কোৱাৰ্টাৰত সাত্ত্বিক-চিৰাগৰ যুটী, এককত ছেট্টী, সিন্ধু



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ আগষ্ট ঃ** ভাৰতীয় বেডমিণ্টনৰ নৱ তাৰকা আয়ুষ ছেট্টীৰ লগতে অভিজ্ঞ পি ভি সিন্ধুৱে চলিত বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপত জয়যাত্ৰা অব্যাহত ৰাখি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কিন্তু প্ৰতিযোগিতাৰ পৰা দ্বিতীয় ৰাউণ্ডতে বিদায় লয় লক্ষ্য সেনে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা হোৱা মহিলাৰ একক শাখাৰ মেচত প্ৰাক্তন বিশ্ব চেম্পিয়ন তথা দুবাৰৰ অলিম্পিক পদকজয়ী সিন্ধুৱে ২১-১৬, ২১-১৭ৰ পোনপটিয়া ব্যৱধানত পৰাস্ত কৰে কানাডাৰ ৱেন য়ু ঝাঙক। ৩৫ মিনিট চলে এই মেচ। ইফালে, ডিফেণ্ডিং চেম্পিয়ন তথা শীৰ্ষ বাচনিৰ চীনৰ শ্বি য়ুকিক প্ৰথম ৰাউণ্ডতে বিদায় দি ঐতিহাসিক অঘটন সৃষ্টি কৰা ভাৰতৰ উদীয়মান তাৰকা আয়ুষ ছেট্টীয়ে আজি পুৰুষৰ একক শাখাৰ ৰাউণ্ড অব ৩২ৰ মেচত শ্ৰীলংকাৰ ডুমিণ্ডু এবেবিক্ৰমাক মাত্ৰ ২৬ মিনিটতে ২১-৮, ২১-১০ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হয়। কিন্তু তাৰকা লক্ষ্য সেনে পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ খেলত আমেৰিকাৰ গাৰেট টানৰ বিৰুদ্ধে প্ৰথমটো ছেট ২১-১৯ত দখল কৰি সুন্দৰ আৰম্ভণি কৰাৰ পাছতো পৰৱৰ্তী ছেট দুটা ২১-১৯, ২১-১৭ৰ ব্যৱধানত হেৰুৱাই প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

একেদৰে মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ খেলত কানাডাৰ মিচেল লীৰ বিৰুদ্ধে তীব্ৰ যুঁজ দিয়ো পৰাস্ত হৈ বিদায় লয় প্ৰথমবাৰৰ বাবে বি ডব্লিউ এফ বিশ্ব বেডমিণ্টনত খেলা ভাৰতৰ উন্নতি হুদাই। প্ৰথমটো ছেট ২১-১১ত দখল কৰি আশাৰ আৰম্ভণি কৰাৰ পাছত উন্নতিয়ে পৰৱৰ্তী ছেট দুটা ২১-৯, ২৩-২১ৰ ব্যৱধানত হেৰুৱাই প্ৰতিযোগিতাৰ পৰা বিদায় লয়। ইফালে, পুৰুষৰ ডাবলছত পদক প্ৰত্যাশী অভিজ্ঞ সাতৱিকচৈৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ শ্বেট্টীয়ে আজি বাই লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হৈছে। ভাৰতীয় যুটিটোৰ স্কটলেণ্ডৰ প্ৰতিদ্বন্দ্বী আলেকজেণ্ডাৰ ডুন আৰু আডাম প্ৰিংগল যুটিৰ ডুনে আঘাত পোৱাত প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰে। আনহাতে, মিক্সড ডাবলছৰ ভাৰতীয় যুটি ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্টোয়ো আজি দ্বিতীয় ৰাউণ্ডৰ মেচত লিয়ং লুক চুং আৰু ৱেং চি যুটিক ২১-১১, ২১-১১ৰ পোনপটিয়া ব্যৱধানত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰথম ৰাউণ্ডত ধ্ৰুৱ আৰু তানিছাই বাই পাইছিল। ইফালে, ভাৰতৰ দ্বিতীয়টো পুৰুষৰ ডাবলছ যুটি এম আৰ অৰ্জুন আৰু হৰিহৰণো প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডৰ পৰা বিদায় লৈছে। কোৰিয়াৰ যুটি কিং মিন আৰু কি ডুং ঝুৱে ২১-১৭, ২১-১৪ৰ পোনপটিয়া ব্যৱধানত পৰাস্ত অভিষেক কৰা দুই ভাৰতীয়ক।

## মহিলা হকী বিশ্বকাপত ভাৰতৰ জয়

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ আগষ্ট ঃ** ভাৰতীয় মহিলা হকী দলটোৱে হকী বিশ্বকাপ ২০২৬ত দক্ষিণ আফ্ৰিকাক ৬-১ গ'লত পৰাস্ত কৰি এক উজ্জ্বল প্ৰদৰ্শন আগবঢ়ায়। আমষ্টেলভিনৰ ৱেগনাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি' মেচখনত ভাৰতে আৰম্ভণিৰে পৰাই নিজৰ আধিপত্য বজাই ৰাখি একপক্ষীয়ভাৱে খেলখনত জয়লাভ কৰে। বিশ্বকাপত ভাৰতৰ এয়া প্ৰথম জয়। ইয়াৰ পূৰ্বে ভাৰতীয় দলটোৱে প্ৰথমখন খেলত চীনৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ' খেলিছিল। এই আকৰ্ষণীয় জয়ৰ জৰিয়তে ভাৰতে দুখন মেচত চাৰিটা পইণ্ট, এখন জয় আৰু এখন ড্ৰ' লাভ কৰি দলটোৱে পুল ডি পইণ্ট তালিকাৰ শীৰ্ষত উপনীত হৈছে। ভাৰতে খেলখন আগ্ৰাসীভাৱে আৰম্ভ কৰে। ১০ মিনিটত দলটোক আগতীয়াকৈ অগ্ৰগতি প্ৰদান কৰে সুনেলিতা টপোৱে। প্ৰথম কোৱাৰ্টাৰৰ শেষত ভাৰতে ১-০ গ'লত অগ্ৰগতি লাভ কৰে। দক্ষিণ আফ্ৰিকাই সমতা স্থাপনৰ কিছু ভাল প্ৰচেষ্টা চলাইছিল যদিও ভাৰতৰ ৰক্ষণাবেক্ষণে প্ৰতিটো আক্ৰমণ বিফল কৰিছিল। প্ৰথম ১৫ মিনিটত ভাৰতে নিজৰ অগ্ৰগতি অক্ষুণ্ণ ৰাখিছিল। দ্বিতীয় কোৱাৰ্টাৰত ভাৰতীয় দলটোৱে আগ্ৰাসন বৃদ্ধি কৰে। ১৬ মিনিটত নৱনীত কৌৰে পেনাল্টিক ৰূপান্তৰিত কৰি ভাৰতক ২-০ গ'লত অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছতে দক্ষিণ আফ্ৰিকাৰ চক্ৰত ভাৰতে হেঁচা প্ৰয়োগ কৰি থাকিল। ২৪ মিনিটত সুশিলা চানুৱে এটা উজ্জ্বল গ'ল দি ভাৰতক ৩-০ গ'লত অগ্ৰগতি প্ৰদান কৰে। তাৰোপৰি ২৪ মিনিটত দলৰ তৃতীয়টো গ'ল দিয়ে ছানীয়ে। হাফটাইমলৈকে ভাৰতে ৩-০ গ'লত অগ্ৰগতি লাভ কৰিছিল আৰু মেচখনত দৃঢ় দখল আছিল। তৃতীয় কোৱাৰ্টাৰত ভাৰতীয় খেলুৱৈসকলে দক্ষিণ আফ্ৰিকাক কামবেক কৰাৰ কোনো সুযোগ নিদিলে। ৩৭ মিনিটত দীপিকাই গ'ল দি ভাৰতৰ অগ্ৰগতি ৪-০লৈ বৃদ্ধি কৰে। ইয়াৰ পাছতে ৪৩ মিনিটত লালৰেমচিয়ামীয়ে গ'ল দি ৫-০ গ'লত অগ্ৰগতি লাভ কৰে। ইয়াৰ পিছতে ৪৪ মিনিটত ৰাণা সাক্ষীয়ে ভাৰতৰ ষষ্ঠটো গ'ল দিয়ে। তৃতীয় কোৱাৰ্টাৰৰ শেষলৈকে ভাৰতে ৬-০ গ'লত আগবাঢ়ি আছিল আৰু মেচখন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত আছিল। চতুৰ্থ কোৱাৰ্টাৰত ভাৰতে নিজৰ অগ্ৰগতি বজাই ৰাখিছিল যদিও অৱশেষত দক্ষিণ আফ্ৰিকাই ভাৰতৰ ৰক্ষণভাগত ভেদ কৰিবলৈ সক্ষম হয়। ৫৫ মিনিটৰ আশে-পাশে দলটোৰ হৈ গ'লৰ আৰম্ভণি কৰে দক্ষিণ আফ্ৰিকাৰ কাইলা ডি ৱালে। ইয়াৰ পিছত দুয়োটা দলে আৰু কোনো গ'ল নিদিয়াত, ভাৰতৰ পক্ষত ৬-১ গ'লত খেলখন সমাপ্ত হয়। ভাৰতৰ হৈ সুনেলিতা টপ্পো, নৱনীত কৌৰ, সুশিলা চানু, দীপিকা, লালৰেমছিয়ামী আৰু ৰানা সাক্ষীয়ে এটাকৈ গ'ল দিয়ে। দক্ষিণ আফ্ৰিকাৰ হৈ একমাত্ৰ গ'লটো দিয়ে কাইলা ডি ৱালে। এই জয়েৰে ভাৰতে বিশ্বকাপত প্ৰথমটো জয়ৰ অভিলেখ গঢ়িছিল আৰু দুখন মেচৰ পৰা চাৰিটা পইণ্টেৰে পুল 'ডি'ত নিজৰ স্থান সুদৃঢ় কৰি তুলিছে। চীনৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ' হোৱাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতৰ প্ৰদৰ্শনে দলটোৰ আত্মবিশ্বাস নিশ্চিতভাৱে বৃদ্ধি কৰিব।



## ৰাষ্ট্ৰীয় ৰেংকিঙত খিতাপ জয় ইশানী গগৈৰ




**গুৱাহাটী, ১৯ আগষ্ট ঃ** অসমৰ প্ৰতিভাৱান টেবুল টেনিছ খেলুৱৈ ইশানী গগৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰিছে এক উল্লেখযোগ্য সফলতা। ছয় আগষ্টৰ পৰা কানপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাত ইশানীয়ে অনূৰ্ধ্ব ১৩ ছোৱালীৰ শাখাৰ খিতাপ অৰ্জন কৰে। ফাইনেলত ইশানীয়ে দিল্লীৰ খেলুৱৈগৰাকীক ৩-০ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নৰ মুকুট পিন্ধে। ইয়াৰ পূৰ্বে ছেমিফাইনেলত তেওঁ দিবিজা পলক ৩-১ৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইশানীৰ এই দুৰ্দান্ত প্ৰদৰ্শনে অসম টেবুল টেনিছৰ বাবে কঢ়িয়াই আনিছে গৌৰৱৰ মুহূৰ্ত। তেওঁৰ এই অনন্য সফলতাৰ বাবে ইশানী গগৈলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে অসম টেনিছ সন্থাই।

## এপিএলত পৰাস্ত চৰাইদেউ ঃ চতুৰ্থ দলৰূপে ছেমিফাইনেলত বৰাক

**গুৱাহাটী, ১৯ আগষ্ট ঃ** চলিত অসম প্ৰিমিয়াৰ লীগৰ আজিৰ দিনটোৰ প্ৰথমখন মেচত গুৱাহাটী ৰয়েলছে ৩০ ৰাণত চৰাইদেউ ছানৰাইজাৰ্ছক পৰাস্ত কৰে। ছেমিফাইনেলৰ আশা সজীৱৰ বাবে ছানৰাইজাৰ্ছৰ সন্মুখত এই মেচত জয়লাভ কৰাৰ বাদে আন বিকল্প নাছিল। দুই পইণ্ট অৰ্জনত ব্যৰ্থ হোৱাত এপিএলত চতুৰ্থটো দলৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিলে বৰাক লিজেণ্ডছে। ১৮৩ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ছানৰাইজাৰ্ছৰ কোনো এগৰাকী বেটাৰে উইকেটত দৃঢ়তা প্ৰদৰ্শন কৰিব নোৱাৰিলে আৰু দল ১৭.৩ অভাৰত ১৫২ ৰাণত অলআউট হয়। হৃষিকেশ তামুলী আৰু মানসজ্যোতি গগৈয়ে ৩২ ৰাণকৈ তথা সৌম্য কান্তি পলে ২৩ ৰাণ কৰে। ৰয়েলছৰ হৈ বাস্তৱ ৰয়ে ২১ ৰাণত চাৰিটা উইকেট পায়। লীগত ১৯ উইকেটৰে শীৰ্ষত আছে বাস্তৱ। দীপক গোহাঁই আৰু ৰূপেশ চেত্ৰীয়ে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পোনতে বেটিং কৰি ৰোহিত সেনৰ বিস্ফোৰক ৯৬ ৰাণৰ সহায়ত গুৱাহাটী ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেট হেৰুৱাই ১৮২ ৰাণ কৰে। ছানৰাইজাৰ্ছৰ বিৰুদ্ধে খেলা লীগৰ পূৰ্বৰ মেচখনৰ দৰেই আজিও যুৱ অপেনাৰজনে আৰম্ভণিৰ পৰাই নিৰ্ভয়ে খেলি প্ৰতিজন বলাৰকে নিৰ্দয় প্ৰহাৰ কৰে। ৫৭ বলৰ সন্মুখীন হৈ আঠটা ছয় মৰা উইকেটৰক্ষক বেটাৰজনে কিন্তু পুনৰ চাৰি ৰাণৰ বাবে শতকৰ পৰা বঞ্চিত হয়। সঞ্জয় সিঙৰ (৯) লগত ইনিংছ মুকলি কৰা ৰোহিতে অপেনিঙত ৩৮, ঋষভ দাসৰ (২১) লগত ৩৩ আৰু নিবিৰ ডেকাৰ (৩০) লগত দ্বিতীয় উইকেটত ৮৮ ৰাণৰ যুটি বান্ধি ঋষভ দীপকৰ বলত আউট হয়। ছানৰাইজাৰ্ছৰ একমাত্ৰ সফল বলাৰ দীপকে ৩৪ ৰাণত তিনিটা উইকেট পায়।

C M Y K

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2024-2026





# প্ৰাচীন ইজৰাইলৰ মানুহে ভক্ষণ কৰিছিল সাপ-জেঠী

অবিশ্বাস্য! প্ৰাচীন ইজৰাইলৰ মানুহে খাদ্যৰূপে সাপ আৰু জেঠী ভক্ষণ কৰিছিল। মাউণ্ট কাৰ্মেলৰ খাজত অৱস্থিত এটা গুহাত উদ্ধাৰ হোৱা তিনি হেজাৰ সৰীসৃপৰ হাড়ৰ পৰা এই তথ্য উদ্ধাৰ হৈছে। একাংশ গৱেষকে তথ্য উদ্ধাৰ কৰিছে যে মাউণ্ট কাৰ্মেলৰ গুহাটোত উদ্ধাৰ হোৱা এই সৰীসৃপৰ হাড়বোৰ ১৫ হেজাৰ বছৰ পুৰণি। এই সৰীসৃপবোৰ মানুহে বধ কৰাৰ তথ্য উদ্ধাৰ হৈছে। হাড়বোৰ দ'ম পাতি থোৱা অৱস্থাত উদ্ধাৰ হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হৈছে যে প্ৰাচীন ইজৰাইলৰ মানুহে খাদ্যৰ বাবে সাপ আৰু জেঠী চিকাৰ কৰিছিল।

## ১৫ হেজাৰ বছৰ পুৰণি তিনি হেজাৰ সৰীসৃপৰ হাড়ৰ পৰা তথ্য উদ্ধাৰ

**নিউজ ব্যুৰ'**
**জেৰুজালেম, ১৯ আগষ্ট ঃ** অবিশ্বাস্য! প্ৰাচীন ইজৰাইলৰ মানুহে খাদ্যৰূপে সাপ আৰু জেঠী ভক্ষণ কৰিছিল। মাউণ্ট কাৰ্মেলৰ খাজত অৱস্থিত এটা গুহাত উদ্ধাৰ হোৱা তিনি হেজাৰ সৰীসৃপৰ হাড়ৰ পৰা এই তথ্য উদ্ধাৰ হৈছে। একাংশ গৱেষকে তথ্য উদ্ধাৰ কৰিছে যে মাউণ্ট কাৰ্মেলৰ গুহাটোত উদ্ধাৰ হোৱা এই সৰীসৃপৰ হাড়বোৰ ১৫ হেজাৰ বছৰ পুৰণি। এই সৰীসৃপবোৰ মানুহে বধ কৰাৰ তথ্য উদ্ধাৰ হৈছে। হাড়বোৰ দ'ম পাতি থোৱা অৱস্থাত উদ্ধাৰ হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হৈছে যে প্ৰাচীন ইজৰাইলৰ মানুহে খাদ্যৰ বাবে সাপ আৰু জেঠী চিকাৰ কৰিছিল। মাউণ্ট কাৰ্মেলৰ গুহাত উদ্ধাৰ হোৱা সৰীসৃপবোৰৰ হাড়ে মানুহে হনা আঘাতৰ স্বাক্ষৰ বহন কৰিছে। এই সম্পৰ্কীয় অধ্যয়নৰ বিষয়ে 'ছায়েণ্টিফিক ৰিপ'ৰ্টছ' শীৰ্ষক এক বিজ্ঞান পত্ৰিকাত প্ৰকাশ পাইছে। অধ্যয়নটোত কোৱা হৈছে যে বৰফৰ যুগৰ অন্তিমলৈকে ইজাইলৰ মানুহে সাপ আৰু জেঠী ভক্ষণ কৰিছিল। তাৰ পাছতহে ক্ৰমে কৃষিকৰ্ম কৰিবলৈ লয়।

গৱেষকসকলৰ মতে, মাউণ্ট কাৰ্মেলৰ গুহাটোৰ পৰা উদ্ধাৰ হোৱা সৰীসৃপৰ হাড়বোৰৰ পৰা তথ্য উদ্ধাৰ হৈছে যে এই সৰীসৃপবোৰ চৰাই অথবা আন প্ৰাণীয়ে বধ কৰা নহয়। কাৰণ চৰাই বা আন প্ৰাণীয়ে বধ কৰা হ'লে এই হাড়বোৰ একে ঠাইত দ'ম বান্ধি নাথাকিলহেঁতেন। গতিকে হাড়বোৰ দ'ম বান্ধি পেলোৱাটো মানুহৰ বাদে যে আনে কৰা নাছিল সেয়া স্পষ্ট হৈছে। এই হাড়বোৰৰ কিছুমান অতি বিষাক্ত সাপৰো আছিল। অৱশ্যে আন একাংশ গৱেষকে মানুহে সাপ আৰু জেঠীবোৰ ভক্ষণ কৰাৰ পাছত হাড়বোৰ এনেদৰে দ'ম বান্ধি পেলোৱাৰ যুক্তি মানি ল'বলৈ বিচৰা নাই। এনে গৱেষকসকলৰ মতে, কোনো পক্ষীয়ে সাপ আৰু জেঠীবোৰ ভক্ষণ কৰাৰ পাছত গুহাটোত হাড়বোৰ পেলাই দিছিল। এইসকল গৱেষকৰ মতে, এই হাড়বোৰৰ মাজত কিছু সংখ্যক ক্ষুদ্ৰ জেঠী আৰু সাপৰো হাড় উদ্ধাৰ হৈছে। ইয়াৰ দ্বাৰা এই সৰীসৃপবোৰ চৰাই বা তেনে ধৰণৰ প্ৰাণীয়ে বধ কৰিছিল বুলি এইসকল গৱেষকে মত পোষণ কৰিছে। উল্লেখ্য যে ১৫ হেজাৰ বছৰ পূৰ্বে মানুহে খাদ্যৰ বাবে ঘাইকৈ চিকাৰ কৰিছিল। অৰ্থাৎ খাদ্যৰ বাবে মানুহে আন প্ৰাণীৰ ওপৰত প্ৰতাক্ষভাৱে নিৰ্ভৰ কৰিছিল। সেয়েহে খাদ্যৰ বাবে মানুহে এঠাইৰ পৰা আন ঠাইলৈ বসতিস্থল সঘনে সলনি কৰিছিল। অৱশ্যে ইয়াৰ মাজতো একাংশ প্ৰাচীন মানুহে খাদ্যৰূপে বনৰীয়া উদ্ভিদ ভক্ষণ কৰাৰো প্ৰমাণ উদ্ধাৰ হৈছে।



কাৰ্বি আংলঙত ৰানচোৰা উৎসৱ উদযাপন তিৱাসকলৰ, বুধবাৰে।

# মইতো যাম গুচি জীৱনৰ ভাও এৰি গুৱাহাটীত মোৰ আৰু চিকিৎসা নাই

## ব্যাপক চৰ্চাত দুৰাৰোগ্য কৰ্কটৰোগী, কবি, অভিনেতা নাৰায়ণ বৈশ্যৰ শেষ কবিতা ঃ চিকিৎসাৰ বাবে প্ৰথমবাৰলৈ সহায় কামনা

**বিশেষ সংবাদদাতা**
**নলবাৰী, ১৯ আগষ্ট ঃ** কৃত্ৰিম খাদ্য নলী, অক্সিজেন মাস্ক, থিয় হ'ব নোৱাৰা দেহৰ অৱস্থা। সৌ সিদিনালৈকে এমেচাৰ নাট্য গোষ্ঠীৰ মঞ্চ কঁপাই ৰখা নলবাৰীৰ পানীগাঁৱৰ নাৰায়ণ বৈশ্যৰ এয়া শেহতীয়া অৱস্থা। প্ৰকৃতাৰ্থত এজন ভেমহীন শিল্পী তেওঁ। কাব্য চৰ্চা, আবৃত্তি আৰু অভিনয়ৰ লগতে পেটৰ ভাতৰ বাবে কাৰো ওচৰত হাত নাপাতি বিস্কুটৰ ফেৰী কৰিবলৈ কুণ্ঠাবোধ নকৰা নাৰায়ণ বৈশ্য। এনেবোৰ গুণৰ বাবে তেওঁ সকলোৰে প্ৰিয়। পত্নী আৰু এগৰাকী কণমানিক লৈ তেওঁৰ আছিল এখন ৰঙৰ সংসাৰ। কিন্তু দুৰাৰোগ্য কৰ্কটৰ কবলত পৰি সেইজন নাৰায়ণ বৈশ্যই সকলোৰে ওচৰত প্ৰাৰ্থনা জনাইছে অলপ সহায়ৰ বাবে। থৰক-বৰক খোজ, হাউলি পৰিব খোজা দেহাটোৰে দুদিন পূৰ্বে তেওঁ নলবাৰীৰ এটা ষ্টুডিঅ'ত উপস্থিত হৈ ৰেকৰ্ডিং কৰিলে জীৱনৰ শেষ? কবিতা - মইতো যাম গুচি জীৱনৰ ভাও এৰি। অতি হৃদয়স্পৰ্শী নাৰায়ণ বৈশ্যৰ এই কবিতা সামাজিক মাধ্যমত সম্প্ৰচাৰ হোৱাৰ লগে লগে ব্যাপক চৰ্চালৈ আহিছে। কবিতাটোৰ লগতে তেওঁ সামাজিক মাধ্যমত প্ৰথমবাৰৰ বাবে লিখিছে— কেমোথেৰাপীয়ে মোৰ শৰীৰটো একেবাৰে ধ্বংস কৰি দিলে, এতিয়া অন্তত এবাৰ অসমৰ বাহিৰত গৈ অলপ চেষ্টা কৰি চাবৰ মন, আৰ্থিকভাৱে যাব পৰা নাই। আশা কৰো আপোনাসবৰ পৰা আৰু অকণমান সহায় পালে মৃত্যুৰ আগতে হ'লেও অলপ মনৰ আশা পূৰ হ'ব। লগতে তেওঁ এই কবিতাটো শেষ কবিতা বুলি প্ৰকাশ কৰিছে। তেওঁ কৈছে— 'এইটো হ'ল মোৰ জীৱনৰ অন্তিম কবিতা। উদ্দেশ্য এটা আছিল নৱ প্ৰজন্মক এটা বাৰ্তা দিয়া। এজন ল'ৰা বা ছোৱালী কেনেদৰে বাট এৰি অবাটে যায়, তাৰ বাবে দায়ী কোন, ঘৰখনৰ লগতে সমাজ ব্যৱস্থাও জড়িত হৈ থাকে যদিহে সৰুতে মৰমৰ বাহিৰে অন্যখিনিত গুৰুত্ব নিদিওঁ। যদি মানৱসম্পদ ধ্বংস হয় সমাজ কেতিয়াও উন্নত নহয়। আশা কৰো এই বাৰ্তাৰ সাৰ্থকতা আহিলে মোৰ কবিতাটো সম্পূৰ্ণ হ'ব। মইটো যাম গুচি জীৱনৰ ভাও এৰি 'গুৱাহাটীত মোৰ আৰু চিকিৎসা নাই। তেওঁলোকে আৰু নোৱাৰে। শেষত মই মৃত্যু ভয় নকৰো, যাৰ যেতিয়া যাব লগা থাকে তেতিয়া যাবই, কেৱল মনৰ কৰণীয়খিনি কৰিব পাৰিলে ভাল।' উল্লেখ্য যে নাৰায়ণ বৈশ্য কেৱল কবিতাৰ বাবে কবিতা লিখা বা শিল্পৰ বাবে অভিনয় কৰা শিল্পী নহয়। তেওঁ নিজৰ ঘৰ আৰু জীৱনক সদায় কবিতা আৰু নাটকৰ পৰা অভিন্ন কৰি চলি আহিছে। নাৰায়ণৰ ঘৰত এবাৰৰ বাবে ভৰি থোৱাজনেও উপলব্ধি কৰিব তেওঁৰ সংস্কাৰৰ কথা। সেইজন কবি- শিল্পীয়ে যোৱা কেইবছৰ মানৰ পৰা দুৰাৰোগ্য কৰ্কট ৰোগত যুঁজি যুঁজি চাৰিও দিশত সৰ্বস্বান্ত। সেইজন কবি- শিল্পীয়ে সহায়ৰ বাবে জনোৱা কাতৰ আহ্বানক অকণমান সঁহাৰি দিয়াৰ আহ্বান জনাইছে নলবাৰীৰ শিল্পী, নাৰায়ণ অনুৰাগী, পৰিয়াল আৰু স্থানীয় ৰাইজে।



# বিলাসিতাৰো ওপৰত গুগলৰ ছেন ফ্ৰান্সিছকোৰ কাৰ্যালয়!

এক কথাত বিলাসিতাৰ ওপৰত বুলি ক'লে সম্ভৱতঃ ভুল কোৱা নহ'ব! এই কথা প্ৰযোজ্য হয় ইণ্টাৰনেট ছাৰ্চ ইঞ্জিন গুগলৰ ছেন ফ্ৰান্সিছকোৰ কাৰ্যালয়ৰ ক্ষেত্ৰত। কাৰণ এই কাৰ্যালয়ত বিনামূল্যে কৰ্মচাৰীসকলে খাদ্য যোগান লাভ কৰে। একেদৰে আনকি কাৰ্যালয় চৌহদতে খেলা-ধূলা কৰাৰো সা-সুবিধা কৰ্মচাৰীসকলে উপভোগ কৰি আহিছে। এনেদৰে বিলাসিতাৰ মাজৰে কৰ্মচাৰীসকলে দায়িত্ব সম্পাদন কৰি আহিছে।

## কৰ্মস্থলীতে বিনামূলীয়া খাদ্য-খেলা ধূলাৰো সা-সুবিধা উপলব্ধ

**নিউজ ব্যুৰ'**
**ছেন ফ্ৰান্সিছকো, ১৯ আগষ্ট ঃ** এক কথাত বিলাসিতাৰ ওপৰত বুলি ক'লে সম্ভৱতঃ ভুল কোৱা নহ'ব! এই কথা প্ৰযোজ্য হয় ইণ্টাৰনেট ছাৰ্চ ইঞ্জিন গুগলৰ ছেন ফ্ৰান্সিছকোৰ কাৰ্যালয়ৰ ক্ষেত্ৰত। কাৰণ এই কাৰ্যালয়ত বিনামূল্যে কৰ্মচাৰীসকলে খাদ্য যোগান লাভ কৰে। একেদৰে আনকি কাৰ্যালয় চৌহদতে খেলা-ধূলা কৰাৰো সা-সুবিধা কৰ্মচাৰীসকলে উপভোগ কৰি আহিছে। এনেদৰে বিলাসিতাৰ মাজৰে কৰ্মচাৰীসকলে দায়িত্ব সম্পাদন কৰি আহিছে। কৰ্মচাৰীসকলক আঁজৰি সময়ত ৰন্ধনৰো বিনামূলীয়া প্ৰশিক্ষণ দিয়া হয়। সুদৃশ্য কাৰ্যালয় গৃহৰ প্ৰতিটো মহলাত ৰান্ধনীঘৰ সংলগ্ন হৈ আছে। কেৱল ৰন্ধন খাদ্যই নহয়, কৰ্মচাৰীসকলক চকলেটো বিনামূল্যে যোগান ধৰে কৰ্তৃপক্ষই। গুগলৰ এই প্ৰাসাদোপম কাৰ্যালয়ৰ অন্তৰ্ভাগৰ দৃশ্য অলপতে এগৰাকী কৰ্মচাৰীয়ে ভিডিঅ' আকাৰে শ্বেয়াৰ কৰে। এই ভিডিঅ' প্ৰত্যক্ষ কৰি বহু সামাজিক মাধ্যম ব্যৱহাকাৰীয়ে সকৌতুক মন্তব্য কৰিছে। একাংশৰ মতে, গুগলৰ এই কাৰ্যালয়ৰ স'তে 'বেক টু দ্য ফিউছাৰ' ছবিৰ থীমৰ আধাৰত নিৰ্মাণ কৰা হৈছে। কাৰ্যালয়ত কৰ্মচাৰীসকলে ভিডিঅ' গেম খেলাৰো সুবিধা পায়। অৱশ্যে এনে বিলাসিতাৰ মাজত কৰ্মচাৰীসকলে দায়িত্ব সঠিকভাৱে সম্পাদন কৰিবলৈ সক্ষম হয় নে নহয় একাংশই প্ৰশ্ন কৰিছে। কাৰ্যালয়টোত খাদ্যৰূপে কণী, দৈ, ফল-মূল, বিস্কুট, মিঠাই, পিজা আদি বিনামূল্যে কৰ্তৃপক্ষই যোগান ধৰি আহিছে। একেদৰে কৰ্তৃপক্ষই কৰ্মচাৰীসকলক বিনামূল্যে চাহ, কফি আদিও যোগান ধৰে। আনকি ইচ্ছুক কৰ্মচাৰীয়ে কাৰ্যালয়ৰ ভিতৰতে খাদ্য ৰান্ধি খাব পাৰে। উক্ত ভিডিঅ'টোৰ কাৰ্যালয়টোৰ সুদৃশ্য কোঠাবোৰৰ অন্তৰ্ভাগ স্পষ্ট ৰূপত দেখা গৈছে। আকস্মিকভাৱে গুগলৰ কৰ্মচাৰীয়ে সামাজিক মাধ্যমত আপলোড কৰা এই ভিডিঅ'ই বহুতৰ মনত তীব্ৰ কৌতূহলৰ সৃষ্টি কৰিছে। অৱশ্যে একাংশই প্ৰতিষ্ঠানটোক সমালোচনাও কৰিছে। কাৰণ এইসকলৰ মতে, প্ৰতিষ্ঠান কৰ্তৃপক্ষই বিনামূলীয়াকৈ খুৱাই-বুৱাই কৰ্মচাৰীসকলৰ পৰা অতিৰিক্ত কাম আদায় কৰে। ইয়াৰ প্ৰভাৱ মানসিক স্বাস্থ্যৰ ওপৰতো পৰাৰ আশংকা কৰিছে এইসকলে।



# ১২ বছৰে সম্পূৰ্ণ নহ'ল তিনিচুকীয়া নগৰ পানীযোগান আঁচনি

## কোটি টকাৰ প্ৰকল্পৰ ধন অপব্যয়ৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১৯ আগষ্ট ঃ** সোণৰ কণী পৰা হাঁহত পৰিণত হৈছে তিনিচুকীয়া নগৰ পানীযোগান আঁচনি। ২০১৪ত ৯৪ কোটি টকা ব্যয়েৰে আৰম্ভ হোৱা এই আঁচনিখন ১২ বছৰ পাৰ হোৱাৰ পাছতো আজি ২০২৬ত কাৰ্যক্ষম হৈ নুঠিল। ফলত আজিও তিনিচুকীয়া চহৰৰ হেজাৰ হেজাৰ লোকে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। আঁচনিখনৰ কামৰ নামত বিগত কে'বাবছৰ ধৰি চহৰখনৰ অলিয়ে-গলিয়ে খান্দি-খান্দি কদৰ্য কৰি তোলা হৈছে। অভিযোগ অনুসৰি গড়কাপ্তানি বিভাগৰ নীতি অনুসৰি মাটিৰ পৰা কমেও এক মিটাৰ তলত পানীৰ পাইপ স্থাপন কৰিব লাগে। কিন্তু ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে কোনো নিয়ম নামানি চহৰৰ বিভিন্ন অঞ্চলত মাত্ৰ এক ফুটৰ পৰা ডেৰফুট তলতে পাইপ পুতি দিছে। পাছত সেই পাইপসমূহ পুনৰ খান্দি পেলোৱাত ব্যস্ত হৈ পৰিছে। ইয়াৰ ফলত বৰদলৈ নগৰ, চলিহা নগৰকে ধৰি চহৰৰ প্ৰায়বোৰ উপ-পথ ভাঙি-ছিঙি যাতায়াতৰ অনুপযোগী হৈ পৰিছে। প্ৰতিদিনাই স্কুল বাছ আৰু বিভিন্ন ব্যক্তিগত বাহন পাইপ স্থাপনৰ বাবে খন্দা গাঁতত সোমাই দুৰ্ঘটনাৰ সৃষ্টি হৈছে। এজাক বৰষুণতে সমগ্ৰ চহৰখন পানী আৰু বোকাৰে নিমজ্জিত হৈ জনজীৱন বিপৰ্যস্ত হোৱাৰো অভিযোগ উঠিছে। এই কেলেংকাৰিক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই। সংগঠনটোৰ সাধাৰণ সম্পাদক কনচেং গগৈয়ে কয় যে যি ঠিকাদাৰী প্ৰতিষ্ঠানে প্ৰকল্পটোৰ ঠিকা লাভ কৰিছিল, তেওঁলোকৰ চৰম বেমেজালিৰ বাবেই আজি এই অৱস্থাৰ সৃষ্টি হৈছে। পথবোৰ নিয়মমতে খান্দি পাইপ পুতিব লাগিছিল, কিন্তু তেওঁলোকে গোটেই চহৰখন ধ্বংস কৰি পেলাইছে। তেওঁ লগে লগে বিভাগীয় মন্ত্ৰী আৰু কৰ্তৃপক্ষই এই বিষয়ত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনায়। জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগে আৰু অধিক তীব্ৰ ভাষাৰে কয় যে এই প্ৰকল্পটো চাবলৈ এতিয়া পৰ্যটক মাতিব লাগিব। চৰকাৰৰ কোটি টকীয়া প্ৰকল্প কেনেকৈ অপব্যয় কৰা হয় তাক চাবলৈ এতিয়া পৰ্যটনৰ ব্যৱস্থা কৰিব লাগিব। তিনিচুকীয়া চহৰতেই যদি এই পৰ্যায়ৰ দুৰ্নীতি হয়, তেন্তে ভিতৰুৱা অঞ্চলত কি হৈ আছে তাক ভাবিবলগীয়া বুলিও তেওঁ মন্তব্য কৰে। লগতে প্ৰকল্পৰ বাবে এতিয়া মানুহে ঘৰৰ পৰা গাড়ী উলিয়াবলৈও ট্ৰেক্টৰ আৰু জেচিবিৰ সহায় ল'বলগীয়া হৈছে বুলি উল্লেখ কৰি সেই ক্ষতিপূৰণ কোনে দিব বুলি প্ৰশ্ন কৰে। এই পৰিপ্ৰেক্ষিতত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই প্ৰকল্পটোৰ কাম-কাজৰ ওপৰত মুখ্যমন্ত্ৰীৰ তদাৰকত তদন্ত কৰাৰ লগতে ঠিকাদাৰী প্ৰতিষ্ঠান চিভিন ইঞ্জিৰিয়াৰ্ছ এণ্টাৰপ্ৰাইজ প্ৰাইভেট লিমিটেক তৎক্ষণাত ব্লেকলিষ্টেড কৰিবলৈ দাবী জনাইছে। লগতে সেই সময়ত চকু মুদি অনুমতি দিয়া অভিযন্তাসকলৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰু তিনিচুকীয়া জিলা প্ৰশাসন আৰু পৌৰসভাই ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সংগঠনটোৱে কয়। ৯৪ কোটি টকা ব্যয় কৰিও জনতাই এটুপি বিশুদ্ধ পানী নোপোৱা এই ঘটনাই এতিয়া তিনিচুকীয়াবাসীৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে।



# বিদ্যুৎস্পৃষ্ট কৰি বনৰীয়া মখনা হাতীক হত্যা চামগুৰিৰ পদুমণিত

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি,১৯ আগষ্ট ঃ** খাদ্যৰ সন্ধানত অৰণ্যৰ পৰা পথাৰলৈ ওলাই অহা এটা বনৰীয়া হাতীক নিৰ্মমভাৱে বিদ্যুত প্ৰবাহিত কৰি যোৱা নিশা নগাঁও জিলাৰ চামগুৰিৰ পদুমণি পামগাঁৱত হত্যাৰ সন্দেহ প্ৰকাশিত হৈছে। শালনা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত উদমাৰী উপ-খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ পদুমণি পামগাঁৱৰ বলিন বৰা নামৰ নামৰ এজন লোকৰ চাহ বাগিচাৰ কাষতে থকা বলোৰাম কুৰ্মীৰ বাঁহ গছৰ তলতে আজি পুৱা মৃত হাতীটো প্ৰত্যক্ষ কৰে স্থানীয় লোকে। হাতীটোৰ শুৰত আঘাতৰ চিন আছিল আৰু ৩৫ বছৰীয়া হাতীটোৰ নিথৰ দেহ পৰি আছিল বাঁহ জোপাৰ তলতে। উল্লেখ্য যে বনৰীয়া হাতীৰ জাকে সম্প্ৰতি বৃহত্তৰ চামগুৰি অঞ্চলৰ উদমাৰী, ৰঙাগড়া, বৰদল, বৰালী গাঁও, চাপানালা, দিলকা বস্তি, বাঘ বৰালী, কুৰুৱাবাহী, কেকোৰাচুক, ভকত গাঁও, গেন্ধালী, আমগুৰি, পলুমণি, ভৰাগুৰি আদি গাঁৱত ঘৰ ভঙাৰ উপৰি ধাননি পথাৰত বিগত ডেৰ মাহ ধৰি উপদ্ৰৱ কৰি আহিছে। হাতীৰ জাকে পথাৰৰ গেৰ ধৰা ধান মোহাৰি মৰণা মৰা সদৃশ কৰি কৃষকৰ মুৰত ৰাম টাঙোন মাৰি পেটৰ ভাত মুঠিৰ পৰা বঞ্চিত কৰাৰ উপক্ৰম হৈছে। প্ৰতি নিশাই পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকে খেতি পথাৰ ধ্বংস কৰাৰ লগতে মানুহৰ ঘৰ ভাঙি উপদ্ৰৱ চলোৱা সত্বেও বন বিভাগে বনৰীয়া হাতীৰ জাকক প্ৰতিৰোধ কৰাৰ ফলপ্ৰসূ ব্যৱস্থা নোলোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। যোৱা নিশা বনৰীয়া হাতীটো খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বুলি অনুমান কৰিছে প্ৰকৃতিপ্ৰেমীয়ে। মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰা পশু চিকিৎসকৰ লগত 'দৈনিক অগ্ৰদূত'ৰ ফালৰ পৰা যোগাযোগ কৰাত পশু চিকিৎসকজনে কয় 'হাতীটো বিদ্যুতস্পৃষ্ট হৈ মৃত্য হোৱাটো নিশ্চিত কৰা হৈছে। হাতীটোৰ শুৰ ডালত পুৰি যোৱাৰ দাগ দেখা গৈছে। তদুপৰি হাতীটোৰ দেহৰ অভ্যন্তৰত একো বিসংগতি দেখা পোৱা নগ'ল'। এইদৰে ক'লে পশু চিকিৎসক জনে। ইপিনে, বন বিভাগৰ লগত যোগাযোগ কৰাত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন পোৱাৰ পিছতহে ব্যৱস্থা লোৱা হ'ব বুলি 'দৈনিক অগ্ৰদূত' জানিবলৈ দিয়ে। উল্লেখ্য যে বিগত বৰ্ষৰ ছয় নৱেম্বৰৰ নিশা চামগুৰিৰ বৰদলৈ আৰু চলিত বৰ্ষৰ ১৮ মে'ৰ নিশা শালনাৰ লেংটেঙ গাঁৱত এটা মখনা আৰু এজনী মাইকী হাতীক বিদ্যুৎস্পৃষ্ট কৰি হত্যা কৰাত দুজন লোকক বন বিভাগে গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে ভাৰতীয় বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ অনুসৰি সংৰক্ষিত বন্যপ্ৰাণী হত্যা, আঘাত কৰা বা ক্ষতি সাধন কৰা এটা দণ্ডনীয় অপৰাধ। এছিয়ান হাতী সংৰক্ষিত বন্যপ্ৰাণীৰ অন্তৰ্গত হোৱাৰ বাবে এনে কাৰ্য আইনগতভাৱে গুৰুতৰ অপৰাধ হিচাপে গণ্য কৰা হয়। মৰণোত্তৰ পৰীক্ষাৰ পাছত হাতীটোক আজি বিয়লি বেলা ঘটনাস্থলীৰ ওচৰতে বন বিভাগে নিয়ম অনুযায়ী সমাধিস্থ কৰে।

# ধেমাজিৰ জীয়াধল কুমতীয়া নদীৰ সোঁপাৰৰ গাইড বান্ধত ব্যাপক খহনীয়া



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ১৯ আগষ্ট ঃ** ধেমাজিৰ সংমণ্ডল জলসম্পদ বিভাগে বছৰি কোটি কোটি টকাৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে যদিও ধেমাজি জিলাৰ চকুলো জীয়াধল কুমতীয়া নদী নিয়ন্ত্ৰণত চূড়ান্ত ব্যৰ্থতা হৈছে জলসম্পদ বিভাগ। উক্ত বিভাগৰ অধীনৰ কুমতীয়া দলঙৰ সমীপত আৰু ৰেলৰে দলঙৰ মাজৰ সোঁপাৰৰ বৰদলনি ফালৰ গাইড বান্ধটো ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে । যাৰ ফলত যিকোনো মুহূৰ্ততে জীয়াধল পানীয়ে উক্ত গাইডটো উটুৱাই নিলে ২০০৭ৰ দৰে ভয়ংকৰ বানপানীৰ কবলত পৰিব সমগ্ৰ বৰদলনি মৌজাৰ ৩২ খনকৈ গাঁও। উল্লেখ্য যে জীয়াধল কুমতীয়া নদীৰ পৰা মাটি অনা টেক্টৰ, ডাম্পাৰৰ বোৰ জধেমধে চলাই উক্ত গাইড বান্ধটোৰ বিস্তৰ ক্ষতি সাধন কৰিছে আৰু উক্ত টেক্টৰ আৰু ডাম্পাৰ অহা যোৱা কৰা লিকটো বৰষুণে খহাই নিয়াত গাইড বান্ধটোৰ তীব্ৰ খহনীয়াৰ সৃষ্টি কৰাৰ লগতে বিপদজনক অৱস্থাত আছে । জীয়াধল কুমতীয়া নদীত পানী বেছি আহিলে উক্ত অংশত বিপদৰ সম্ভাৱনাই গা কৰি উঠিছে। মাত্ৰ ২০-৩০ হোজাৰ মান খৰচ কৰি জিঅ' বেগত মাটি ভৰাই দি উক্ত অংশত জাপি দিলেই গাইড বান্ধটো সুৰক্ষিত হৈ পৰিব আৰু বৰদলনিবাসী বিপদ নাথাকিব বুলি উল্লেখ কৰি আজি বৰদলনি নাগৰিক সন্থাৰ সভাপতি তথা বৰদলনি কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিৰোমনি বৰুৱাই ধেমাজিৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাক অৱগত কৰাৰ লগতে উক্ত গাইড বান্ধটো পৰিদৰ্শন কৰি শীৰ্ঘে নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ দাবী জনায় বৰদলনি ৰাইজে ।

# নলবাৰীৰ মৈৰাদাঙাত কাছ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী,১৯ আগষ্ট ঃ** নলবাৰী চহৰৰ সমীপৰ মৈৰাদাঙা গৰৈমাৰীৰ পাগলাদিয়া নৈৰ বালিচৰত আজি এটা বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ হয়। স্থানীয় লোকৰ খৱৰৰ ভিত্তিত নলবাৰী আঞ্চলিক বন বিষয়া দলে কাছটো উদ্ধাৰ কৰি বন বিভাগৰ কাৰ্যালয়লৈ লৈ আহে। উল্লেখ্য যে উদ্ধাৰ হোৱা কাছটো পাহাৰীয়া অঞ্চলৰ পৰা পাগলাদিয়া নৈৰে অহাৰ সন্দেহ কৰা হৈছে।পাছত বন বিভাগৰ দলে উদ্ধাৰ কৰা কাছটো জিলাখনত শক্তিপীঠ বেলশৰৰ বিল্বেশ্বৰ মন্দিৰত থকা ৰজাদিনীয়া দেৱান পুখুৰীত মুকলি কৰি দিয়ে।





**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

C M Y K

